UG PH S4-03
(DSC)

চাৰি বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্রম

(চি.বি.চি.এচ; এন ই পি ২০২০ অনুসৰি)

চতুর্থ ষান্মষিক

পৰাবিদ্যা

দর্শন



সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক শিৱনাথ শর্মা(অৱসৱপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

প্রদীপ খাটনিয়াৰ (অৱসৱপ্রাপ্ত), সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী

ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	প্রস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
১	ড° সাগৰিকা গোস্বামী কটন বিশ্ববিদ্যালয়	ড° পাৰুল চৌধুৰী
২, ৯	ড° অৰূপজ্যোতি শর্মা ত্রিপুৰা বিশ্ববিদ্যালয়	মাইনু দেৰী বৰুৱা
৩, ১৫	ড° ৰাজলক্ষ্মী কলিতা সোনাপুৰ মহাবিদ্যালয়	গীতাঞ্জলি মেধি
৪, ৫, ৬	ড°অঞ্জনা নেওঁগ অৱসাৰ প্রাপ্ত অধ্যাপিকা, প্রাগজ্যোতিষ কলেজ	গীতাঞ্জলি মেধি
৭, ৮, ১০	ড° ভাস্কৰ ভট্টাচার্য্য,	নাজিমা হুচেইন বৰবৰা, ললিত চন্দ্র ভড়ালী কলেজ
১১	অধ্যাপক সৌৰভ প্রাণ গোস্বামী	কীর্তিনাথ কলিতা
১২	ড°মলয়া গগৈ	ড°দিপালী বেজ বৰুৱা
১৩,১৪	ড° ৰমলা শর্মা	ড°মাইনু দেৰী বৰুৱা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য
ড° তেজসা কলিতা

ভাষা সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ- জুন, ২০১৯, দ্বিতীয় প্রকাশ- জানুৱাৰী, ২০২৫

ISBN 978-93-89123-61-6

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২ ;
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ পৰাবিদ্যাৰ স্বৰূপ ৭-২৪

পৰাবিদ্যাৰ প্ৰকৃতি, পৰাবিদ্যা আৰু দৰ্শন, পৰাবিদ্যা আৰু জ্ঞানবিদ্যা, পৰাবিদ্যা আৰু বিজ্ঞান, পৰাবিদ্যা আৰু ধৰ্ম, পৰাবিদ্যা আৰু ৰহস্যবাদ, পৰাবিদ্যা আৰু তৰ্কবিদ্যা, পৰাবিদ্যাৰ সম্ভাৱনীয়তা

অধ্যায় ২ ঃ দেশ আৰু কাল ঃ কাণ্ট ২৫-৩৫

সংবেদনশীলতাৰ আকাৰসমূহ ,দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা, দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্ৰিয় ব্যাখ্যা

অধ্যায় ৩ ঃ বাস্তৱবাদঃ সৰল আৰু বৈজ্ঞানিক ৩৬-৪৬

বাস্তৱবাদৰ শ্ৰেণীবিভাজন,সৰল বাস্তৱবাদ,বৈজ্ঞানিক বাস্তৱবাদ, সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্ৰভেদ, সামৰণি

অধ্যায় ৪ ঃ নৱ্য বাস্তৱবাদ ৪৭-৫৭

নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱ বাদ,জ্ঞানসীমাংসীয় অদ্বৈতবাদ, সৰল বাস্তৱবাদ আৰু নব্য বাস্তৱবাদ

অধ্যায় ৫ ঃ ভাববাদঃ আত্মগত ভাববাদ (বাৰ্কলি) বস্তুগত ভাববাদ (হেগেল) ৫৮-৬৮

ব্যক্তিনিষ্ঠ ভাববাদৰ অৰ্থ.বাৰ্কলীয় ভাববাদ,বাৰ্কলীৰ ভাববাদঃ ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ, আত্মজ্ঞানবাদঃ বাৰ্কলী এগৰাকী আত্মজ্ঞানবাদী আছিল নেকি?

অধ্যায় ৬ ঃ বস্তু গত ভাববাদঃ হেগেল ৬৯-৭৭

বস্তুনিষ্ঠ ভাববাদৰ অৰ্থ,হেগেলৰ বস্তুনিষ্ঠ ভাববাদ,হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতি

অধ্যায় ৭ ঃ দেহ-মনৰ সম্পৰ্ক ঃ পাৰস্পৰিক ক্ৰিয়াবাদ ৭৮-৮৫

দেহ-মন সম্পৰ্কে ডেকাৰ্টৰ ধাৰণা, পাৰস্পৰিক ক্ৰিয়াবাদ

অধ্যায় ৮ ঃ দেহ-মনৰ সম্পৰ্ক ঃ সমান্তৰালবাদ ৮৬-৯২

দেহ মন সম্পৰ্কে স্পি'নোজাৰ ধাৰণা, সমান্তৰালবাদ

অধ্যায় ৯ ঃ অধি বিজ্ঞান বিৰোধীঃ কাণ্ট **৯৩-১০২**

অধিবিজ্ঞানৰ সম্ভাৱনীয়তা, আভ্যন্তৰীক বনাম অতীন্দ্রিয় অধিবিদ্যা

অধ্যায় ১০ ঃ ব্যক্তি তাদাত্ম্যৰ সমস্যাঃ ল'ক আৰু হিউম্ **১০৩-১২১**

দৈহিক মানদণ্ড, স্মৃতি মানদণ্ড, জাঁ পল ছার্ত্রেৰ ব্যক্তি তাদাত্ম্য সম্পর্কীয় মত, ব্যক্তি তাদাত্ম্য সম্বন্ধে এটি সূক্ষ্ম সমালোচনা

অধ্যায় ১১ ঃ ষ্ট্রৱ'চনৰ ব্যক্তিৰ ধাৰণা **১২২-১৩৮**

ব্যক্তিৰ ধাৰণা কি? কর্তৃত্ববিহীন মতবাদ (No-ownership theory) সম্বন্ধে ষ্ট্রছনৰ অভিমত, ডেকার্টপন্থী মতবাদ (Cartesianism) সম্বন্ধে ষ্ট্রছনৰ অভিমত, P আৰু M বিধেয় সম্বন্ধে ষ্ট্রছনৰ অভিমত, বিধেয় সম্বন্ধে ষ্ট্রছনৰ ধাৰণা, ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নার্ড উইলিয়ামচৰ অভিমত

অধ্যায় ১২ ঃ মূল্যবাদৰ সমস্যা **১৩৯-১৫৭**

মূল্য কি? মানবিজ্ঞান,মূল্যৰ অর্থ,মূল্যৰ সংজ্ঞা,মূল্যৰ প্রকাৰ, মূল্যসমূহ ঃ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ, অন্তর্নিহিত আৰু বাহ্যিক মূল্য, তথ্য আৰু মূল্যৰ সম্বন্ধ, বাস্তৱ সত্তা আৰু মূল্য

অধ্যায় ১৩ ঃ সামান্যঃ বস্তুবাদ (প্লেটো আৰু এৰিষ্ট্রট'টল) **১৫৮-১৭১**

সামান্য ঃ ইয়াৰ প্রকৃতি আৰু মতবাদসমূহ,বস্তুবাদ,প্লেট'ৰ বস্তুবাদ, এৰিষ্ট'টলৰ বস্তুবাদ

অধ্যায় ১৪ ঃ নামবাদঃ হ'বচ আৰু হিউম **১৭২-১৮৫**

নামবাদ ঃ এই মতবাদে কি কয়, হ'বচৰ মতবাদ, হিউমৰ মতবাদ

অধ্যায় ১৫ ঃ অৱভাস আৰু সত্তাঃ ব্রেডলী **১৮৬-১৯৭**

সত্তা সম্পর্কে ব্রেড্লীৰ ধাৰণা,সত্তাৰ নির্ণায়ক,সত্তা বিকল্পহীন, সত্তা ব্যক্তিগত,সত্তাৰ জ্ঞান, অৱভাস সম্পর্কে ব্রেড্লীৰ ধাৰণা, অৱভাস আৰু সত্তাৰ সম্বন্ধ বাস্তৱৰ, সত্য আৰু বাস্তৱৰ মাত্রা, সামৰণি

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক দর্শনৰ গুৰুত্বপূর্ণ শাখা হিচাপে বিবেচনা কৰা 'পৰাবিদ্যাৰ' লগত পৰিচয় কৰাই দিব। পৰাবিদ্যা হৈছে দর্শনৰ এটা ভাগ, যিটোৱে সত্ত্বাৰ স্বৰূপ অনুসন্ধান কৰে। ই হৈছে প্রকাশ্য ৰূপৰ অন্তৰালত থকা পৰম সত্ত্বাৰ স্বৰূপ সম্বন্ধীয় এক সাধাৰণ অনুসন্ধান। এৰিষ্টটলে পৰাবিদ্যাক 'প্রথম দর্শন' নামে অভিহিত কৰিছে। পৰাবিদ্যাই জগত, জীৱন আৰু ঈশ্বৰৰ প্রকৃত স্বৰূপ নিৰূপণ কৰিব বিচাৰে। জাগতিক প্রকৃতিৰ উপৰিও ই জড় আৰু প্রাণ, ঈশ্বৰৰ স্বৰূপ আৰু অস্তিত্ব, আত্মাৰ অমৰত্ব আৰু মানৰ ইচ্ছাৰ - স্বাধীনতাৰ বিষয়ে আলোচনা কৰে।

ইংৰাজী 'Metaphysics' শব্দৰ উৎপত্তি Meta আৰু Physica নামৰ দুটা গ্রীক শব্দৰ পৰা Meta ৰ অর্থ হ'ল 'পিছত' আৰু Physica ৰ অর্থ হ'ল প্রকৃতি। গতিকে Metaphysics শব্দৰ আক্ষৰিক অর্থ হ'ল 'প্রকৃতিৰ পিছত যি আহে'। Metaphysics শব্দটো খৃঃপুঃ ১ ম শতিকাত আৰম্ভ হৈছিল।

এই পাঠ্যবিষয়টিত আঠটা অধ্যায় আছে। **প্রথম অধ্যায়টো হ'ল** 'পৰাবিদ্যাৰ প্রকৃতি'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি পৰাবিদ্যা কি আৰু পৰাবিদ্যা আৰু দর্শনৰ সম্পর্ক, পৰাবিদ্যা আৰু জ্ঞানবিজ্ঞানৰ সম্পর্ক, পৰাবিদ্যা আৰু বিজ্ঞান, পৰাবিদ্যা আৰু ধর্ম, পৰাবিদ্যা আৰু ৰহস্যবাদ আৰু পৰাবিদ্যা আৰু তর্কবিজ্ঞানৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব। ইয়াৰ উপৰি এই অধ্যায়টোৱে পৰাবিদ্যাৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা আগবঢ়াব।

দ্বিতীয় অধ্যায়টো হ'ল **'দেশ আৰু কাল ঃ কাণ্ট'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** সংবেদনশীলতাৰ আকাৰসমূহ, দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা,দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্রিয় ব্যাখ্যা

তৃতীয় অধ্যায়টো হ'ল **বাস্তৱবাদঃ 'সৰল আৰু বৈজ্ঞানিক'।এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** বাস্তৱবাদৰ শ্রেণীবিভাজন,সৰল বাস্তৱবাদ, বৈজ্ঞানিক বাস্তৱবাদ, সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ, সামৰণি।

চতুর্থ অধ্যায়টো হ'ল **'নব্য বাস্তৱবাদ' এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱ বাদ, জ্ঞানসীমাংসীয় অদ্বৈতবাদ,সৰল বাস্তৱবাদ আৰু নব্য বাস্তৱবাদ।

পঞ্চম অধ্যায়টো হ'ল **'ভাববাদঃ আত্মগত ভাববাদ (বার্কলি)'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–ব্যক্তিনিষ্ঠ ভাববাদৰ অর্থ বার্কলীয় ভাববাদ,বার্কলীৰ ভাববাদঃ ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ,আত্মজ্ঞানবাদঃ বার্কলী এগৰাকী আত্মজ্ঞানবাদী আছিল নেকি ?

ষষ্ঠ অধ্যায়টো হ'ল **'বস্তু গত ভাববাদঃ হেগেল'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**– বস্তুনিষ্ঠ ভাববাদৰ অর্থ,হেগেলৰ বস্তুনিষ্ঠ ভাববাদ,হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতি

সপ্তম অধ্যায়টো হ'ল **'দেহ-মনৰ সম্পর্ক ঃ পাৰস্পৰিক ক্রিয়াবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–দেহ-মন সম্পর্কে ডেকার্টৰ ধাৰণা, পাৰস্পৰিক ক্রিয়াবাদ

অষ্টম অধ্যায়টো হ'ল **'দেহ-মনৰ সম্পর্ক ঃ সমান্তৰালবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–দেহ মন সম্পর্কে স্পি'নোজাৰ ধাৰণা, সমান্তৰালবাদ ।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ঃ পৰাবিদ্যাৰ স্বৰূপ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ পৰাবিদ্যাৰ প্ৰকৃতি
১.৪ পৰাবিদ্যা আৰু দৰ্শন
১.৫ পৰাবিদ্যা আৰু জ্ঞানবিদ্যা বা জ্ঞান মীমাংসা
১.৬ পৰাবিদ্যা আৰু বিজ্ঞান
১.৭ পৰাবিদ্যা আৰু ধৰ্ম
১.৮ পৰাবিদ্যা আৰু ৰহস্যবাদ
১.৯ পৰাবিদ্যা আৰু তৰ্কবিদ্যা
১.১০ পৰাবিদ্যাৰ সম্ভাৱনীয়তা
১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১২ অধিক জানিবলৈ
১.১৩ অগ্ৰগতিৰ খতিয়ান
১.১৪ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰাবিদ্যা বা তত্ত্ববিদ্যাৰ প্ৰকৃতি জানিব পাৰিব,
- তত্ত্ববিদ্যাৰ লগত জ্ঞানবিদ্যা আৰু দৰ্শনৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব,
- তত্ত্ববিদ্যাৰ লগত প্ৰাকৃতিক আৰু আকাৰিক বিজ্ঞানৰ পাৰ্থক্য জানিব পাৰিব,
- তত্ত্ববিদ্যাৰ লগত ধৰ্ম, ৰহস্যবাদ আৰু তৰ্কবিদ্যাৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব,
- পৰাবিদ্যাৰ সম্ভাৱনাৰ বিষয়ে জানিব পাৰিব,

১.২ পৰিচয়

দৰ্শন হৈছে জগত আৰু জীৱন সম্পৰ্কে এক সামগ্ৰিক জ্ঞান। ই হৈছে সমগ্ৰ জগত, জীৱন আৰু তাৰ লগত জড়িত মূল্য আৰু অভিজ্ঞতা সম্পৰ্কে এক বৌদ্ধিক প্ৰয়াস বা চিন্তা। ই সকলো অনুসন্ধানতকৈ বিস্তৃত আৰু সেয়ে ইয়াৰ পৰিসৰো ব্যাপকতৰ। জগতখন আমি যি ভাৱে দেখিছো, সি হৈছে জগতৰ প্ৰকাশ্য ৰূপ বা অৱভাস। এই ৰূপৰ অন্তৰালত এখন প্ৰকৃত জগত আছে যিখনৰ পৰা এই প্ৰকাশ্য ৰূপটো উদ্ভৱ হৈছে আৰু সেই প্ৰকৃত সত্ত্বাৰ আধাৰতে প্ৰকাশ্য

ৰূপটোক ব্যাখ্যা কৰা যায়। তত্ত্ববিদ্যা বা পৰাবিদ্যাই এই প্ৰকৃত সত্ত্বাৰ স্বৰূপ নিৰ্ণয় কৰে। এই অধ্যায়টিত আমি পৰাবিদ্যাৰ স্বৰূপ আৰু আন আন শাখাৰ লগত ইয়াৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰিম।

১.৩ পৰাবিদ্যাৰ প্ৰকৃতি

পৰাবিদ্যা হৈছে দৰ্শনৰ এটা ভাগ, যিটোৱে সত্ত্বাৰ স্বৰূপ অনুসন্ধান কৰে। ই হৈছে প্ৰকাশ্য ৰূপৰ অন্তৰালত থকা পৰম সত্ত্বাৰ স্বৰূপ সম্বন্ধীয় এক সাধাৰণ অনুসন্ধান। এৰিষ্টটলে পৰাবিদ্যাক 'প্ৰথম দৰ্শন' নামে অভিহিত কৰিছে। পৰাবিদ্যাই জগত, জীৱন আৰু ঈশ্বৰৰ প্ৰকৃত স্বৰূপ নিৰূপণ কৰিব বিচাৰে। জাগতিক প্ৰকৃতিৰ উপৰিও ই জড় আৰু প্ৰাণ, ঈশ্বৰৰ স্বৰূপ আৰু অস্তিত্ব, আত্মাৰ অমৰত্ব আৰু মানৱ ইচ্ছাৰ - স্বাধীনতাৰ বিষয়ে আলোচনা কৰে।

ইংৰাজী 'Metaphysics' শব্দৰ উৎপত্তি Meta আৰু Physica নামৰ দুটা গ্ৰীক শব্দৰ পৰা Meta ৰ অৰ্থ হ'ল 'পিছত' আৰু Physica ৰ অৰ্থ হ'ল প্ৰকৃতি। গতিকে Metaphysics শব্দৰ আক্ষৰিক অৰ্থ হ'ল 'প্ৰকৃতিৰ পিছত যি আহে'। Metaphysics শব্দটো খৃঃপুঃ ১ ম শতিকাত আৰম্ভ হৈছিল। এৰিষ্টটলৰ শিষ্য এন্দ্ৰনিকাছে এৰিষ্টটলৰ শিক্ষা সম্বন্ধীয় প্ৰবন্ধবোৰ সংকলন কৰিছিল আৰু তেতিয়া তেওঁ এৰিষ্টটলৰ সত্ত্বা সম্বন্ধীয় প্ৰবন্ধবোৰ, প্ৰকৃতি সম্বন্ধীয় প্ৰবন্ধবোৰৰ পিছত সজাইছিল। ফলস্বৰূপে ছাত্ৰসকলে প্ৰকৃতিৰ প্ৰকাশ্য ৰূপ (Natural Phenomena) ৰ অধ্যয়নৰ পাছত যিবোৰ বিষয়ৰ অধ্যয়ন কৰিছিল, তাকেই পৰাবিদ্যা বুলিছিল। পাছত পৰাবিদ্যা শব্দটো প্ৰকৃতিৰ আঁৰত থকা পৰম সত্ত্বাক বুজাবলৈ ব্যৱহৃত হ'ল।

Metaphysics শব্দটো Ontology শব্দটোৰ লগত একাৰ্থক। Ontology শব্দটো Onto আৰু Logia এই দুটা গ্ৰীক শব্দৰ পৰা আহিছে। Onto শব্দৰ অৰ্থ হ'ল তত্ত্ব অৰ্থাৎ সত্ত্বা (Reality) আৰু Logia শব্দৰ অৰ্থ হ'ল বিজ্ঞান (Discourse). Ontology শব্দৰ আক্ষৰিক অৰ্থ হ'ল সত্ত্বাৰ বিজ্ঞান, সত্ত্বা হৈছে অস্তিত্বশীল আৰু ই সকলো পৰিবৰ্তন, গুণ আৰু গতিৰ পৰা পৃথক। সেইবাবে Metaphysics বা Ontology য়ে শুদ্ধ সত্ত্বা বা পৰম সত্ত্বাৰ স্বৰূপৰ বিষয়ে আলোচনা কৰে।

জগতৰ প্ৰত্যেক বস্তুৰে দুটা দিশ আছে, বাহ্যিক আৰু অভ্যন্তৰীণ দিশ। বাহ্যিক দিশটো সদায়েই পৰিবৰ্তনশীল, আনহাতে অদৃশ্যমান অভ্যন্তৰীণ দিশটো বাহ্যিক বিভিন্ন পৰিৱৰ্তনৰ মাজতো অপৰিবৰ্তনীয় হৈ থাকে। সাধাৰণ বিজ্ঞান বস্তুৰ বাহ্যিক দিশটোৰ লগত জড়িত । কিন্তু পৰাবিদ্যা বা তত্ত্ববিদ্যা অভ্যন্তৰীণ, অদৃশ্যমান, অপৰিৱৰ্তনীয় দিশটোৰ লগত অৰ্থাৎ অতীন্দ্ৰিয় সত্ত্বাৰ লগত জড়িত।

পৰাবিদ্যা আৰম্ভ হৈছে অৱভাস আৰু সত্তাৰ প্ৰতিফলিত পাৰ্থক্যৰ ভিত্তিত। উদাহৰণ স্বৰূপে এডাল পোন লাঠি পানীত আধালৈকে ডুবাই থলে লাঠিডাল বেকা যেন দেখি । লাঠিডালৰ এই বেকা দেখা অৱস্থাটো তাৰ কেৱল প্ৰকাশ্য ৰূপ বা অৱভাস আৰু এই বেকা ৰূপৰ আৰত থকা তাৰ পোন অৱস্থাটোহে প্ৰকৃত অৱস্থা। অৱভাস বুলিলে আমাৰ ইন্দ্ৰিয় প্ৰত্যক্ষত উপস্থাপিত

বস্তুক বুজা যায় আৰু আমাৰ প্ৰত্যক্ষত দৃশ্যমান সকলো বস্তুৱেই কেৱল অৱভাস বা বস্তুটোৰ প্ৰকাশ্য ৰূপ, আৰু সত্বা হৈছে প্ৰকাশ্য ৰূপৰ আৰত থকা, আমাৰ ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰা স্বাধীন বস্তুৰ নিজা-সত্বা, বা প্ৰকৃত ৰূপ। সেয়ে পৰাবিদ্যাৰ প্ৰশ্নবোৰ এনে ধৰণৰ - অভিজ্ঞতাৰ জগতৰ অন্তৰালত কিবা সত্বা আছে নেকি? আৰু যদি আছে, তেন্তে সেই সত্বাৰ স্বৰূপ কি? পৰম সত্বা ভৌতিক নে আধ্যাত্মিক?

তত্ত্ব বিদ্যাই তিনিটা বিষয়ৰ আলোচনা কৰে। প্ৰথমতে, ই অৱভাস আৰু সত্বাৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰে। দ্বিতীয়তে, ই সাধাৰণ জ্ঞান আৰু বিজ্ঞানতকৈ অধিক বিস্তৃত ভাৱে জগতখনক জনাত সহায় কৰে। তৃতীয়তে, তত্ত্ববিদ্যাই জাগতিক ৰহস্য, ইয়াৰ উৎস আৰু ভৱিষ্যত সম্ভাৱনাক বুজাত মানুহৰ প্ৰথম প্ৰচেষ্টাক নিৰ্দেশ কৰে। এই ক্ষেত্ৰত তত্ত্ব বিদ্যা জগতৰ 'প্ৰথম কাৰণ'ৰ লগত সংযুক্ত।

তত্ত্ববিদ্যাই জড় আৰু প্ৰাণ, আত্মা আৰু ঈশ্বৰৰ প্ৰকৃতি সম্পৰ্কে অনুসন্ধান কৰে। তত্ত্ববিদ্যাৰ তিনিটা প্ৰধান শাখা হৈছে - (১) প্ৰকৃতিৰ পৰাবিদ্যা, (২) আত্মাৰ পৰাবিদ্যা আৰু (৩) সত্বাৰ পৰাবিদ্যা। প্ৰাকৃতিক তত্ত্ববিদ্যা বা পৰাবিদ্যাই জড় পদাৰ্থ, দেশ, কাল কাৰ্য্যকৰণ, ক্ৰমবিকাশ, যান্ত্ৰিকবাদ, আৰু উদ্দেশ্যবাদৰ প্ৰকৃতি নিৰ্ণয় কৰে। আত্মা তত্ত্ববিদ্যাই আত্মাৰ স্বৰূপ, আত্মাৰ উৎস আৰু লক্ষ্য (Destiny) আৰু আত্মাৰ লগত দেহৰ সম্পৰ্ক বিচাৰ কৰে। পৰম সত্বাৰ তত্ত্ববিদ্যাই পৰম সত্বাৰ স্বৰূপ, গুণ, জগত আৰু আত্মাৰ লগত ইয়াৰ সম্বন্ধ নিৰূপণ কৰিব বিচাৰে। এইবিধ পৰাবিদ্যাই ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ যুক্তিসমূহো আলোচনা কৰে।

তত্ত্ববিদ্যাৰ লক্ষ্য হৈছে পৰম সত্বাক অনুধাৱন কৰা। পৰম সত্বা বুলিলে আমি বুজো যে, যি সকলো বস্তু আৰু ঘটনাৰ আধাৰ আৰু যি সকলো বিৰোধৰ উৰ্দ্ধত। পৰম সত্বা হৈছে অসীম, অনন্ত, স্বতন্ত্ৰ, অতীন্দ্ৰিয় আৰু অপৰিবৰ্তনীয়। ভাৰতীয় দৰ্শনৰ দৃষ্টিকোণৰ পৰা পৰাবিদ্যা হৈছে 'সত্বা সম্পৰ্কে আধ্যাত্মিক প্ৰত্যক্ষ আৰু পৰোক্ষ বা প্ৰত্যক্ষ অন্তদৃষ্টি।'

পৰাবিদ্যাই পৰম সত্বাৰ স্বৰূপ অনুসন্ধান কৰোতে বিশ্লেষণাত্মক আৰু বিচাৰমূলক পদ্ধতি প্ৰয়োগ কৰে। গতিকে ই সম্পূৰ্ণৰূপে বৌদ্ধিক (Speculative) নহয়। ইয়াৰোপৰি পৰাবিদ্যাই জগত আৰু পৰম সত্বা সম্পৰ্কে এটা সামগ্ৰিক ধাৰণা গঠন কৰিব বিচাৰে। সেই দিশৰ পৰা ইয়াৰ পদ্ধতি গঠনমূলক। সেয়ে তাত্ত্বিক অনুসন্ধানত পৰ্যবেক্ষণৰ উপাদান, বিশ্লেষণ, নিগমন, সাধাৰণ জ্ঞান, প্ৰজ্ঞা, দ্বান্দ্বিক আৰু সংশ্লেষক দৃষ্টিভংগী সংযোগ হৈ থাকে।

তত্ত্ববিদ্যাৰ স্বৰূপক ভালদৰে জানিবৰ বাবে আমি এতিয়া দৰ্শন আৰু জ্ঞানবিদ্যাৰ লগত ইয়াৰ সম্পন্ধ সম্পৰ্কে আলোচনা কৰিম।

জ্ঞান বিদ্যা সম্পৰ্কীয় ঃ জ্ঞানৰ তত্ত্বৰ লগত জড়িত। জ্ঞান বিদ্যা হ'ল দৰ্শনৰ এটা শাখা যিয়ে জ্ঞানৰ উৎপত্তি আৰু স্বৰূপৰ বিষয়ে অনুসন্ধান কৰে।

জন ল'ক ঃ (১৬৩২-১৭০৪) ইংৰাজ দাৰ্শনিক। অভিজ্ঞতাবাদৰ মূল প্ৰবৰ্তক। তেওঁৰ মতে অভিজ্ঞতাই হ'ল জ্ঞানৰ এক মাত্ৰ উৎস।

তাত্ত্বিক ঃ যি পদাৰ্থ বিজ্ঞানৰ পিছত আহে। তাত্ত্বিকৰ অৰ্থ এইটোও যে প্ৰকৃতিৰ উৰ্দ্ধত যাৰ অস্তিত্ব আছে। চমুকৈ ই সত্বাৰ অনুসন্ধান।

১.৪ পৰাবিদ্যা আৰু দৰ্শন

বিভিন্ন দাৰ্শনিকে পৰাবিদ্যা আৰু দৰ্শনৰ সমন্ধ সম্পৰ্কে বিভিন্ন মত আগবঢ়াইছে। প্লেটোৰ মতে দৰ্শন আৰু পৰাবিদ্যা একে (Identical)। প্লেটোই দৰ্শনক সত্যৰ বা সত্বাৰ জ্ঞান বুলিছে আৰু তত্ত্ব হৈছে সাৰ্বিক, অপৰিবৰ্তনীয় আৰু নিত্য । প্লেটোৰ দৰে এৰিষ্টটলয়েও দৰ্শনক 'সত্বাৰ বিজ্ঞান'

বা শুদ্ধ সত্ত্বাৰ জ্ঞান এই অর্থত লৈছে। আৰু সেইবাবে এই দুই দার্শনিকে দর্শনক তত্ত্ববিদ্যাৰ লগত একে বুলি ধৰিছে। আধুনিক যুগৰ দার্শনিক হেগেল আৰু ব্ৰেডলীয়েও একে মত পোষণ কৰিছে। হেগেলৰ মতে 'দর্শন' হৈছে পৰম সত্ত্বা সম্বন্ধীয় তত্ত্ববিদ্যা আৰু এই পৰম সত্ত্বা 'সর্বোত্তম সচেতন সত্ত্বা'। ব্ৰেডলীয়েও তেওঁৰ 'Appearance and Reality' নামৰ গ্ৰন্থত দর্শনৰ সূত্ৰ এনেদৰে দিছে - 'অৱভাসৰ বিপৰীতে সত্ত্বাক জনাৰ প্ৰচেষ্টা'। এইদৰে প্লেটো, এৰিষ্টটল, হেগেল আৰু ব্ৰেডলীৰ মতে দর্শন আৰু পৰাবিদ্যা একে (Identical) । কিন্তু পৰাবিদ্যাক এইদৰে দর্শনৰ লগত একীকৃত কৰাটো সমর্থনযোগ্য নহয়, কিয়নো পৰাবিদ্যা দর্শনৰ এটা শাখাহে মাথোন । কুৰি শতিকাৰ দার্শনিক সম্প্ৰদায় বা তর্কীয় প্ৰত্যক্ষবাদীসকলে বৈজ্ঞানিক চিন্তাধাৰাৰে অতীন্দ্ৰিয় সত্ত্বাৰ অস্তিত্বকেই অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে আমাৰ ইন্দ্ৰিয় অভিজ্ঞতাই কেৱল সত্য (Real)। পৰাবিদ্যাৰ বিষয় বস্তু - ঈশ্বৰ, আত্মা আদিক প্ৰত্যক্ষ কৰিব নোৱাৰি আৰু সেইবাবে সেইবোৰ অসত্য (Unreal)। এইদৰে তর্কীয় প্ৰত্যক্ষবাদী সকলে তত্ত্ববিদ্যাৰ সম্ভাৱনাক অস্বীকাৰ কৰে। তেওঁলোকৰ মতে দর্শনৰ লগত তত্ত্ববিদ্যাৰ কোনো সম্পর্ক নাই। কিন্তু তেওঁলোকৰ ওপৰোক্ত ধাৰণা গ্ৰহণযোগ্য নহয়, কিয়নো, ইন্দ্ৰিয় অভিজ্ঞতাই জ্ঞানৰ একমাত্ৰ উৎস নহয়।

আনহাতে, অজ্ঞেয়বাদীসকলে অতীন্দ্ৰিয় সত্ত্বাৰ অস্তিত্বক অস্বীকাৰ নকৰে। তেওঁলোকে মাত্ৰ কয় যে পৰম সত্ত্বা অজ্ঞাত আৰু অজ্ঞেয়। অৱশ্যে এইখিনিতে এটা প্ৰশ্ন উদয় হয়-পৰম সত্ত্বা যদি অজ্ঞাত আৰু অজ্ঞেয় হয়, তেন্তে পৰম সত্ত্বা আছে বুলি কেনেকৈ জানিম? পৰম সত্ত্বা যদি আছে, তেন্তে তেওঁৰ বিষয়ে কিছু জানিবও লাগিব। গতিকে পৰম সত্ত্বা অজ্ঞাত আৰু অজ্ঞেয় হ'ব নোৱাৰে। গতিকে অজ্ঞেয়বাদীসকলৰ ধাৰণাও গ্ৰহণযোগ্য নহয়।

থোৱতে, ক'ব পাৰি যে তত্ত্ববিদ্যা আৰু দর্শনৰ মাজত ওতঃপ্ৰোত সম্পর্ক আছে। তত্ত্ববিদ্যা দর্শনৰ এটা গুৰুত্বপূর্ণ শাখা। কিন্তু দর্শনৰ পৰিসৰ তত্ত্ববিদ্যাতকৈ ব্যাপক। দর্শনে তত্ত্ববিদ্যাৰ ওপৰিও জ্ঞানবিদ্যা আৰু মূল্য বিদ্যাকো (Axiology) সামৰি লয়। সেয়ে ক'ব পাৰি যে তত্ত্ববিদ্যা আৰু দর্শনৰ সম্বন্ধ হৈছে - অংশ আৰু সমগ্ৰৰ।



চিন্তা চর্চা কৰক ১.১

- Metaphysics শব্দটো কোন দুটা শব্দৰ পৰা নিষ্পন্ন কৰা হৈছে?
  উত্তৰ .....
- অৱভাস আৰু সত্ত্বাৰ মাজৰ পার্থক্য বুজাবলৈ দৈনন্দিন জীৱনৰ দুটা উদাহৰণ দিয়ক।
  উত্তৰ .....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰাবিদ্যা কি?

.....

প্রশ্ন নং ২ ঃ পৰাবিদ্যাৰ তিনিটা প্রধান শাখা কি কি?

.....

প্রশ্ন নং ৩ ঃ পৰবিদ্যাৰ উদ্দেশ্য / লক্ষ্য (Aim) কি?

.....

প্রশ্ন নং ৪ ঃ শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

ক) পৰাবিদ্যা সত্ত্বাৰ প্রকৃতিৰ সৈতে জড়িত । (শুদ্ধ/অশুদ্ধ)

খ) Metaphysics Ontology ৰ সৈতে একে জাতীয় (Synonym) । (শুদ্ধ/অশুদ্ধ)

গ) এৰিষ্টটলে প্রথমে Metaphysics শব্দটোৰ আৰম্ভণি কৰে । (শুদ্ধ /অশুদ্ধ)

ঘ) পৰাবিদ্যা দর্শনৰ এৰাব নোৱাৰা (Indispensable) অংশ নহয় ।
(শুদ্ধ/অশুদ্ধ)

(ঙ) প্লেটোৱে দর্শনক তত্ত্ববিদ্যাৰ সৈতে একে বুলি কৈছে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক

(ক) Ontology শব্দটো ---------আৰু -------- শব্দৰ পৰা লোৱা হৈছে।

(খ) এৰিষ্টটলে পৰাবিদ্যাক ---------- বুলিছে।

(গ) পৰাবিদ্যা ---------- আৰু ---------- মাজৰ প্রতিফলিত পার্থক্যৰ ভিত্তিত আৰম্ভ হৈছে।

১.৫ পৰাবিদ্যা আৰু জ্ঞানবিদ্যা বা জ্ঞানমীমাংসা

জ্ঞানবিদ্যা হৈছে জ্ঞানৰ বিজ্ঞান। ইংৰাজী Epistemology শব্দটো 'Episteme' শব্দ যাৰ অর্থ জ্ঞান আৰু Logic -যাৰ অর্থ বিজ্ঞানৰ পৰা আহিছে। জ্ঞানবিদ্যা হৈছে এবিধ বিজ্ঞান, যি বিজ্ঞানৰ স্বৰূপ, উৎস, সীমা আৰু চর্ত সম্পর্কে অনুসন্ধান কৰে। জ্ঞানবিদ্যাই নিম্নোক্ত প্রশ্নবোৰৰ উত্তৰ দিবলৈ বিচাৰে, - জ্ঞান কি? জ্ঞানৰ মূল উৎস কি? বৈধ জ্ঞানৰ চর্ত কি? পৰম সত্ত্বাৰ জ্ঞান সম্ভৱনে? জ্ঞানৰ পৰিসীমা কি? এইদৰে জ্ঞানবিদ্যাই জ্ঞানৰ প্রকৃতি, চর্ত আৰু পৰিধি সম্বন্ধে অনুসন্ধান কৰে, আনহাতে পৰাবিদ্যাই পৰম সত্ত্বাৰ প্রকৃতি অনুসন্ধান কৰে।

পৰাবিদ্যা আৰু জ্ঞানবিদ্যাৰ সম্পর্ক সম্বন্ধে এটা প্রশ্নৰ উত্তৰ হয় যে জ্ঞানবিদ্যাই পৰাবিদ্যাক

নেতৃত্ব (Leads) দিয়ে নে জ্ঞানৰ ধাৰণাই অনিবার্যভাৱে সত্ত্বাৰ ধাৰণাক স্বীকাৰ কৰি লয়।

পৌৰাণিক দার্শনিকসকলে তাত্ত্বিক বিচাৰৰ বাবে জ্ঞানবিদ্যাক আৱশ্যকীয় পূর্ব চর্ত হিচাপে বিশেষ গুৰুত্ব দিয়া নাছিল। জ্ঞানৰ চর্ত, পৰিসীমা আৰু সম্ভাৱনাৰ বিষয়ে কোনো পূর্ব বিচাৰ নকৰাকৈ এই সকল দার্শনিকে নির্বিচাৰ ভাৱে এক পৰম সত্ত্বাক পূর্বানুমান কৰি লৈছিল আৰু তেওঁৰ পৰাই সকলোবোৰ নিঃসৃত (Deduced) হোৱা বুলি ভাবিছিল। তেওঁলোকে নির্বিচাৰে মানি লৈছিল যে পৰম সত্ত্বাক অনুধাৱন কৰাতো সম্ভৱ। দার্শনিক সকলৰ এই নির্বিচাৰ অনুমানে পৰম সত্ত্বা সম্পর্কে বিৰুদ্ধ ধাৰণাৰ জন্ম দিছিল। উদাহৰণ স্বৰূপে থেল্‌চে 'পানীক' পৰম সত্ত্বা হিচাপে বিবেচনা কৰিছিল। এনাক্সিমিন্‌ছে 'বায়ু', পাৰমিনাইডছে্ 'অস্তিত্ব', হেৰাক্লিটাছে জুই, আৰু পাইথাগোৰাছে সংখ্যাক আদি তত্ত্ব বুলি ভাবিছিল, ইত্যাদি। এইদৰে পৌৰাণিক গ্রীক দার্শনিকসকলে পৰম তত্ত্ব সম্পর্কে বিৰুদ্ধ মত পোষণ কৰিছিল। তাত্ত্বিক বিচাৰত (Speculation) অগ্রসৰ হোৱাৰ আগতে আমি জানিব লাগিব যে প্রকৃত সত্ত্বাক জানিবলৈ আমি সামর্থ্যবান হওঁ নে নহওঁ? যদি মানৱ গঠন এনে ধৰণৰ যে তেওঁ কেতিয়াও সত্ত্বাক জানিব নোৱাৰে, তেন্তে পৰা বিদ্যাৰ বিষয়টোৱেই অসম্ভৱ হৈ পৰিব। জ্ঞানৰ প্রকৃতিক আলোচনা নকৰা দর্শন নির্বিচাৰবাদৰ বাহিৰে আন একো নহয়। আধুনিক যুগত ল'কে কয় যে জ্ঞানবিদ্যা পৰাবিদ্যাৰ এক গুৰুত্বপূর্ণ প্রাৰম্ভিক অৱস্থা। দার্শনিক কান্টে জ্ঞানৰ সমস্যাৰ ক্ষেত্রত এক অতীন্দ্রিয় অনুসন্ধান চলাইছিল। তেওঁৰ মতে দর্শন হৈছে কেৱল জ্ঞাত বিষয়ৰ বিচাৰ। লক আৰু কান্টৰ মতে পৰম সত্ত্বাৰ গঠন (Structure) বিষয়ক অনুসন্ধান কৰাৰ আগতে জ্ঞানৰ প্রকৃতি, চর্ত আৰু পৰিধি সম্পর্কে অনুসন্ধান কৰা আৱশ্যক আছে।

কিন্তু আন কিছুমান দার্শনিকে পৰাবিদ্যাত জ্ঞানবিদ্যাৰ প্রয়োজনীয়তাক অনুমোদন নকৰে। তেওঁলোকৰ মতে পৰাবিদ্যা জ্ঞানবিদ্যাৰ পৰা সম্পুর্ণ স্বতন্ত্র। উদাহৰণ স্বৰূপে বার্গছন (Bergson)ৰ ধাৰণা এই যে মনে বুদ্ধিৰ (Intellect) সহায় নোলোৱাকৈ পোনপটীয়াকৈ অর্ন্তজ্ঞানৰ সহায়ত পৰম সত্ত্বাক জানিব পাৰে। নব্য বাস্তববাদী সকলৰ মতে জ্ঞানবিদ্যা আৰু পৰাবিদ্যাৰ মাজত কোনো সম্পর্কই নাই। দুয়োটাই খুব স্পষ্ট আৰু পৃথক বিজ্ঞান। এই সকল দার্শনিকৰ মতে জ্ঞানবিদ্যাই পৰাবিদ্যা সম্পর্কে কোনো জ্ঞান দিব নোৱাৰে, কাৰণ বস্তুৰ অস্তিত্ব আমাৰ জ্ঞানৰ ওপৰত নির্ভৰ নকৰে।

ইয়াৰ বিপৰীতে ভাৱবাদীসকলে কয় যে পৰাবিদ্যা জ্ঞানবিদ্যাৰ ওপৰত নির্ভৰশীল। পৰাবিদ্যাই পৰম সত্ত্বাৰ স্বৰূপ অনুসন্ধান কৰে। কিন্তু তাকে কৰাৰ আগতে আমি জানিব লাগিব যে মানৱ জ্ঞান পৰম সত্ত্বাক জানিবৰ বাবে সক্ষম হয় নে নহয়? তদুপৰি এই সামর্থক উপলব্ধি কৰিবৰ বাবে জ্ঞানৰ চর্ত, প্রকৃতি আৰু পৰিসীমাক জানিব লাগিব। এইদৰে জ্ঞানবিদ্যা হৈছে পৰাবিদ্যাৰ মৌলিক ভেটি।

যদিও জ্ঞানবিদ্যা পৰাবিদ্যাৰ প্রাৰম্ভিক অৱস্থা, তথাপিও দুয়োটা বিষয় হিচাপে পৃথক। কিন্তু দুয়োটা পৰস্পৰ নির্ভৰশীল। পৰম সত্ত্বাক অনুধাবন কৰিব পাৰিনে নোৱাৰি, তাক নিশ্চিত কৰিবৰ বাবে তত্ত্ববিদ্যা জ্ঞানবিদ্যাৰ ওপৰত নির্ভৰশীল। জ্ঞানবিদ্যাৰ অনুসন্ধান, বিচাৰ, পৰীক্ষা,

নিৰীক্ষাবোৰ হৈছে পৰাবিদ্যাৰ ভিত্তি। আনহাতে পৰাবিদ্যাই পৰম সত্ত্বাৰ প্ৰকৃতি নিশ্চিত কৰে। পৰম সত্ত্বাৰ প্ৰকৃতিৰ পূৰ্বজ্ঞান নোহোৱাকৈ তেওঁক মানৱ জ্ঞানেৰে অনুধাৱন কৰিব পৰাতোৰ নিশ্চয়তা নাই। গতিকে জ্ঞানবিদ্যাও পৰাবিদ্যাৰ ওপৰত নিৰ্ভৰশীল। জ্ঞানৰ এটা বিশেষ ধাৰণা বা মতবাদে পৰম সত্ত্বা সম্পৰ্কে এটা নতুন ধাৰণাৰ উদ্ভৱ কৰে। আকৌ তত্ত্ব সম্পৰ্কীয় এটা বিশেষ মতবাদে জ্ঞানবিদ্যাৰ এটা বিশেষ মতবাদক নিশ্চিত কৰে। এইদৰে জ্ঞানৰ প্ৰকৃতি আৰু বৈধতা বিষয়ক প্ৰশ্ন আৰু পৰম সত্ত্বাৰ প্ৰকৃতি সম্পৰ্কীয় প্ৰশ্ন একে বিচাৰৰে দুটা দিশ আৰু এইদৰে ইহঁত দৰ্শনৰো দুটা দিশ।

১.৬ পৰাবিদ্যা

এৰিষ্টটলৰ মতে পৰাবিদ্যা হৈছে অস্তিত্ব (Being) সম্পৰ্কীয় বিজ্ঞান। যদিও ই অস্তিত্ব (Being)বা শুদ্ধ সত্ত্বা (Pure Being) সম্পৰ্কীয় বিজ্ঞান, ইয়াৰ আন আন প্ৰাকৃতিক বিজ্ঞান, যেনে - পদাৰ্থ বিদ্যা, ৰসায়ন বিদ্যা, জ্যোতিৰ্বিদ্যাৰ লগত পাৰ্থক্য আছে। প্ৰাকৃতিক বিজ্ঞানে জগতৰ এটা বিশেষ বিভাগ সম্পৰ্কে আলোচনা কৰে, কিন্তু পৰাবিদ্যাই জগতখনক সামগ্ৰিকভাৱে আলোচনা কৰে। ই হৈছে এক বিস্তৃত অনুসন্ধান। দ্বিতীয়তে বিজ্ঞান কেৱল প্ৰকাশ্য বা অৱভাসিক জগতখনৰ মাজতে সীমাবদ্ধ, কিন্তু পৰাবিদ্যাই প্ৰকাশ্য জগতৰ অন্তৰালত থকা সত্ত্বাৰ সৈতেও জড়িত। তৃতীয়তে, প্ৰাকৃতিক বিজ্ঞানে মজুত (Existent) তথ্যৰ বিষয়ে আমাক জনায়, কিন্তু সিহঁতৰ অস্তিত্ব বা (Existence) নিজা - সত্ত্বা সম্পৰ্কে একো ক'ব নোৱাৰে। এটা বস্তু কি ? আৰু ই আন বস্তুৰ লগত কেনেদৰে সমন্ধিত সেইটো বিজ্ঞানে আমাক জনায়, কিন্তু নিজ সত্ত্বাৰ বিষয়ে একো ক'ব নোৱাৰে। কিন্তু পৰাবিদ্যাই বস্তুৰ নিজা-সত্ত্বাৰ বিষয়ে আলোচনা কৰে। তাৰোপৰি, প্ৰাকৃতিক বিজ্ঞানে ভৌতিক বস্তুৰ অস্তিত্বক বিনা দ্বিধাই মানি লয়, পৰাবিদ্যাই সেই অস্তিত্বৰ ভিত্তিক পৰ্যালোচনা কৰি চায়, আৰু সেয়ে ই ভৌতিক বস্তুৰ অস্তিত্ব সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিব পাৰে। চতুৰ্থতে, প্ৰাকৃতিক বিজ্ঞানে কিছুমান মৌলিক ধাৰণাক বিধি হিচাপে গ্ৰহণ কৰি অনুসন্ধানত প্ৰবৃত্ত হয়। এই মৌলিক ধাৰণাবোৰ দেশ, কাল, কাৰ্যকাৰণ, দ্ৰব্য আদি। বিজ্ঞানে সম্পূৰ্ণ বিচাৰ নকৰাকৈয়ে এই বিধিবোৰক সত্য বুলি গ্ৰহণ কৰে। পৰাবিদ্যাই প্ৰাকৃতিক বিজ্ঞানৰ এই বিধিবোৰৰ আতিগুৰি মাৰি বিচাৰ কৰে। এই দৰে পৰাবিদ্যা মৌলিক বিধিবোৰৰ লগত জড়িত হৈ পৰে। পঞ্চমতে, পৰাবিদ্যা আকাৰিক বিজ্ঞান, যেনে - গণিতৰ পৰা পৃথক। কাৰণ পৰাবিদ্যাৰ পদ্ধতিত গণিতৰ দৰে সংখ্যা প্ৰয়োগ নহয়। ভৌতিক বিজ্ঞানে এটা বিশেষ তথ্য বা ঘটনা সম্বন্ধে আমাৰ জ্ঞানৰ পৰিধি বিস্তৃত কৰিব নোৱাৰে। ই মাত্ৰ প্ৰদত্ত তথ্য বা ঘটনাক কেনেকৈ ব্যাখ্যা কৰিব পাৰি তাৰহে আলোচনা দাঙি ধৰে।

আমাৰ ইন্দ্ৰিয় প্ৰত্যক্ষত যি পাওঁ, প্ৰাকৃতিক বিজ্ঞানে তাৰহে আলোচনা আগবঢ়াব পাৰে। কিন্তু পৰম সত্ত্বা - যিটো জগতৰ প্ৰথম কাৰণ তাক আমি ইন্দ্ৰিয় প্ৰত্যক্ষত নাপাওঁ আৰু এই ক্ষেত্ৰতেই বিজ্ঞান বিফল হৈছে। কেৱল পৰাবিদ্যাইহে পৰম সত্ত্বাৰ সন্ধান দিব পাৰে। প্ৰাকৃতিক বিজ্ঞানৰ পৰা পৃথক এক বিজ্ঞান হিচাপে পৰাবিদ্যাক পৰম বৈজ্ঞানিক জ্ঞান বুলি ক'ব পাৰি কাৰণ

কেৱল তত্ত্ববিদ্যাইহে বৈজ্ঞানিক জ্ঞানৰ পৰিধিক অতিক্রম কৰি আগুৱাই যাব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তত্ত্ববিদ্যাই জ্ঞানবিদ্যাৰ ওপৰত নির্ভৰ কৰে নেকি?

.....

.....

প্রশ্ন নং ৭ ঃ ভাৱবাদীসকলৰ মতে পৰাবিদ্যা আৰু জ্ঞানবিদ্যাৰ সম্পর্ক কেনেকুৱা? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৮ ঃ পৰাবিদ্যা আৰু প্রাকৃতিক বিজ্ঞানৰ মাজৰ তিনিটা পার্থক্য উল্লেখ কৰক।

প্রশ্ন নং ৯ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক

ক) পৌৰাণিক দার্শনিকসকলে জ্ঞানবিদ্যাক তত্ত্ববিদ্যাৰ অনিবার্য্য পূর্বচর্ত হিচাপে বিশেষ গুৰুত্ব দিছিল। (শুদ্ধ/অশুদ্ধ)

খ) নব্য-বাস্তৱবাদীসকলৰ মতে পৰাবিদ্যা আৰু জ্ঞানবিদ্যাৰ মাজত সম্পর্ক আছে । (শুদ্ধ/অশুদ্ধ)

গ) থেলচ্ বায়ুক পৰম তত্ত্ব হিচাবে গণ্য কৰিছিল। (শুদ্ধ/অশুদ্ধ)

ঘ) পৰাবিদ্যা অতীন্দ্রিয় সত্ত্বাৰ সৈতে জড়িত। (শুদ্ধ/অশুদ্ধ)

ঙ) পৰাবিদ্যা প্রাকৃতিক বিজ্ঞানৰ পৰাবেলেগ (Differ) নহয় । (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১০ ঃ খালী ঠাই পূৰণ কৰক

ক) বার্গছনৰ মতে আমি পৰম সত্ত্বাক ---------- জানিব পাৰো।

খ) লকৰ মতে জ্ঞানবিদ্যা হৈছে পৰবিদ্যাৰ এৰাব নোৱাৰা ----------

গ) পৰাবিদ্যা ---------- প্রকৃতিৰ সৈতে জড়িত।

১.৭ পৰাবিদ্যা আৰু ধর্ম

পৰম সত্ত্বাৰ অর্থ বিচাৰ কৰা বিষয় হিচাপে পৰাবিদ্যাৰ লগত ধর্মৰ ওচৰ সম্পর্ক আছে। দুয়োটা বিষয়েই অৱভাসৰ উর্দ্ধলৈ গতি কৰি অৱভাসৰ আৰত থকা পৰম সত্ত্বাক নিজস্ব দৃষ্টিভংগীৰে ব্যাখ্যা কৰে। দুয়োটা বিষয় পৰম সত্ত্বাৰ লগত জড়িত। কিন্তু পৰাবিদ্যৰ অনুসন্ধানৰ প্রকৃত অর্থ আৰু পদ্ধতি ধর্মতকৈ বেলেগ। ধর্মৰ পৰা পৃথক দিশত পৰাবিদ্যাই প্রকৃত বৈজ্ঞানিক অর্থৰে অস্তিত্ব

(Existence or Being)ৰ মূল সমস্যাৰ বিচাৰ কৰে। বৌদ্ধিক সন্তুষ্টিয়েই হৈছে পৰাবিদ্যাৰ লক্ষ্য। গতিকে ধৰ্মৰ দৰে ইয়াৰ পদ্ধতি কেৱল 'প্ৰত্যক্ষ অন্তৰ্জ্ঞান' নহয়, ইয়াৰ পদ্ধতি হৈছে ধাৰণাৰ বিচাৰমূলক আৰু শৃংখলাবদ্ধ বিশ্লেষণ।

১.৮ পৰাবিদ্যা আৰু ৰহস্যবাদ

ৰহস্যবাদীৰ মৌলিক লক্ষ্য হৈছে - অৱভাসৰ আঁৰত থকা পৰম সত্ত্বালৈ গমন কৰা। গতিকে এজন ৰহস্যবাদী আৰু এজন তত্ত্ববিদৰ মাজত উমৈহতীয়া উদ্দেশ্য বিদ্যমান। কিন্তু তেওঁলোকৰ পদ্ধতি বেলেগ, ৰহস্যবাদীৰ প্ৰকাশ্য জগতৰ প্ৰতি কোনো স্পৃহা, আকাঙ্খা নাই। অৱভাসৰ প্ৰতি তেওঁ দৃষ্টিভংগী সম্পূৰ্ণ নঞৰ্থক। অন্যহাতে এজন তত্ত্ববাদীয়ে পৰম সত্ত্বাৰ সাধাৰণ বৈশিষ্ট নিশ্চিত কৰে। অৱভাসৰ আপেক্ষিক সত্যতা নিশ্চিত কৰিবৰ বাবে পৰম সত্ত্বা সম্পৰ্কে তেওঁৰ নিজস্ব জ্ঞানৰ আলোকেৰে (Light) অৱভাসৰ পৰিসীমাৰ পুনৰ্নিৰীক্ষণ কৰে। বিভিন্ন প্ৰকাৰৰ অৱভাসক সত্যৰ ওচৰত চপোৱাৰ উদ্দেশ্যে সিহঁতৰ ক্ৰম অনুসৰি সজাই তোলে। তেওঁ পৰম সত্ত্বাৰ চিহ্নবোৰ / বৈশিষ্টবোৰ (marks) বোৰ দেখুৱাই দিয়াৰ ওপৰিও প্ৰত্যেক অৱভাসে পৰম সত্ত্বাৰ স্বৰূপ প্ৰকাশ কৰাত কিমান সফল হৈছে তাকো দেখুৱাই, কাৰণ অৱভাসিক ক্ৰমবোৰেই হৈছে পৰাবিদ্যাৰ ভেটি। ৰহস্যবাদীৰ দৰে বাহ্যিক জগতৰ প্ৰতি তেওঁৰ ধাৰণা নঞৰ্থক নহয়। তাৰোপৰি পৰম তত্ত্ব প্ৰতি ৰহস্যবাদীৰ মনোভাৱ আবেগিক, কিন্তু তত্ত্ববাদীৰ বাবে বৌদ্ধিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ তত্ত্ববিদ্যা আৰু ধৰ্মৰ উদ্দেশ্য কি?

.....

.....

প্ৰশ্ন নং ১২ ঃ তত্ত্ববিদ্যা আৰু ধৰ্ম কি ভাৱে পৃথক (Differ)?

.....

.....

প্ৰশ্ন নং ১৩ ঃ অৱভাস সম্বন্ধে তত্ত্ববাদীৰ ধাৰণা বৰ্ণনা কৰক।

.....

.....

প্রশ্ন নং ১৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক

ক) তত্ত্ববিদ্যা আৰু ধর্ম, দুয়োটাৰ উদ্দেশ্য হৈছে অৰভাসৰ অন্তৰালত থকা পৰমতত্ত্বক ব্যাখ্যা কৰক। (শুদ্ধ/অশুদ্ধ)

খ) তত্ত্ববিদ্যা, ইয়াৰ প্রকৃত অর্থ আৰু পদ্ধতিত ধর্মৰ পৰা পৃথক নহয়। (শুদ্ধ/অশুদ্ধ)

গ) তত্ত্ববাদী আৰু ৰহস্যবাদীৰ মাজত উমৈহতীয়া উদ্দেশ্য আছে। (শুদ্ধ/অশুদ্ধ)

ঘ) অৰভাসৰ প্রতি তত্ত্ববাদীৰ ধাৰণা নঞৰ্থক । (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১৫ ঃ খালী ঠাই পূৰণ কৰক

ক) তত্ত্ববাদী আৰু ধর্ম-দুয়োটাই প্রত্যক্ষ ভাৱে ---------- লগত জড়িত।

খ) তত্ত্ববিদ আৰু ৰহস্যবাদীৰ মাজত পার্থক্য ---------- পৰিলক্ষিত হয়।

গ) পৰম সত্ত্বাৰ প্রতি ৰহস্যবাদীৰ ধাৰণা ---------- কিন্তু তত্ত্ববিদৰ ----------।

১.৯ পৰাবিদ্যা আৰু তর্কবিদ্যা

পৰাবিদ্যাই বৌদ্ধিক প্রতিফলন আৰু সংশ্লেষণৰে পৰম সত্ত্বাৰ প্রকৃতি নির্ণয় কৰে। এইদৰে, পৰাবিদ্যা তর্কবিদ্যাৰ সৈতে সম্পর্কিত । সাধাৰণতে তর্কবিদ্যা বুলিলে চিন্তাৰ বিজ্ঞান বা বৌদ্ধিক চিন্তাক বুজা যায়। ই শুদ্ধ যুক্তিৰ সাধাৰণ নিয়মবোৰৰ লগত জড়িত। পৰিসৰৰ সার্বজনীনতা আৰু পদ্ধতিৰ বিশ্লেষণাত্মক বৈশিষ্ট্য ক্ষেত্রত তত্ত্ববিদ্যা আৰু তর্কবিদ্যাৰ মাজত সাদৃশ্য আছে। অৱশ্যে দুয়োটা বিষয়ৰ মাজত গুৰুত্বপূর্ণ পার্থক্যও আছে।

১) পৰাবিদ্যা সত্ত্বাৰ সাধাৰণ স্বৰূপৰ সৈতে আৰু তর্কবিদ্যা শুদ্ধযুক্তি নাইবা অনুমানৰ সাধাৰণ বিধিৰ সৈতেহে জড়িত। তত্ত্ববিদ্যা সত্তাৰ বিজ্ঞান, কিন্তু তর্কবিদ্যা যুক্তিৰ বিজ্ঞান।

২) তর্কবিদ্যা যুক্তিৰ আকাৰিক আৰু বস্তুগত দুয়োটা সত্যৰ লগত জড়িত। প্রদত্ত বচন কেইটাৰ পৰা সিদ্ধান্ত নিঃসৃত কৰাই ইয়াৰ কাম। আগমনে প্রদত্ত বচন কেইটা বস্তুগত ভাৱে সত্য হয়নে নহয় তাক পৰীক্ষা কৰে। কিন্তু পৰাবিদ্যাই নিতান্তই বৈধভাৱে অনুমান কৰা সত্ত্বাৰ বৈশিষ্ট্যৰ সৈতে জড়িত। ই জগত, আত্মা আৰু ঈশ্বৰৰ তাত্ত্বিক সত্যতা নির্ণয় কৰে। হেগেলে তর্কবিদ্যাক পৰাবিদ্যাৰ লগত একে কৰিছে। তেওঁৰ মতে চিন্তা আৰু সত্তা প্রকৃততে একে Identical। তেওঁ কৈছে- "যিয়েই বৌদ্ধিক সিয়েই সত্য আৰু যিয়েই সত্য সিয়েই বৌদ্ধিক"। জগতখন হৈছে পৰম মন বা সত্যৰ বাহ্য প্রকাশ। সীমিত আত্মা বা মন হৈছে পৰম মনৰ (.....) সীমিত প্রকাশ

(Finite Reproduction)। মানৱ মনৰ চিন্তাৰ যি দ্বান্দিক গতিবিধি সি প্ৰকৃততে পৰম মন বা সত্তাৰ চিন্তাৰ দ্বান্দিক গতিবিধিৰ অনুৰূপ। এইদৰে চিন্তাৰ কাৰ্যক্ষেত্ৰখন হৈছে সত্ত্বাৰ অনুৰূপ [Frame work]।

কিন্তু হেগেলৰ উপৰোক্ত ধাৰণা শুদ্ধ নহয়। কাৰণ মানৱ চিন্তা যদিও সংগতিপূৰ্ণ আৰু শৃংখলাবদ্ধ তথাপি ই সত্যৰ অনুৰূপ নহ'ব পাৰে। অভ্যন্তৰীণ সংগতিয়েই কেৱল সত্যৰ মাপক Test নহয়। গতিকে তৰ্কবিদ্যা হৈছে তত্ত্ববিদ্যাৰ পৰা পৃথক, এক বিজ্ঞান। তৰ্কবিদ্যা তত্ত্ববিদ্যাৰ পৰা স্বতন্ত্ৰ। কিন্তু যিহেতু তত্ত্ববিদ্যাৰ পদ্ধতি তাৰ্কিক (Logical) সেয়ে ই পৰোক্ষভাৱে তৰ্কবিদ্যাৰ ওপৰত নিৰ্ভৰ কৰে। তত্ত্ববিদ্যাই প্ৰতিফলনৰ (Reflection) ওপৰত নিৰ্ভৰ কৰিবই লাগিব আৰু তাত্ত্বিক প্ৰতিফলন হৈছে শৃংখলাবদ্ধ আৰু যৌক্তিক (Logical)।

১.১০ পৰাবিদ্যাৰ সম্ভাবনীয়তা

পৰাবিদ্যাই অৱভাস আৰু সত্তাৰ মাজত প্ৰাৰ্থক্য আনে। ইন্দ্ৰিয় অভিজ্ঞতাৰ বস্তুবোৰ কেবল অৱভাস। সিহঁত আমাৰ আগত যিদৰে উপস্থাপিত হয়, সেয়া সিহঁতৰ নিজা সত্ত্বাৰ পৰা পৃথক। উদাহৰণ স্বৰূপে পৃথিবীখনক দেখাত চেপেটা যেন লাগে, কিন্তু প্ৰকৃততে ই ঘূৰণীয়া। সেয়ে, যিহেতু নিজা সত্ত্বা ইয়াৰ প্ৰকাশ্য ৰূপতকৈ বেলেগ আৰু যিহেতু ইয়াক আমি ইন্দ্ৰিয় অভিজ্ঞতাত নাপাওঁ, সেয়ে সত্ত্বাক আমি জানিবৰ কোনো উপায় /মাধ্যম নাই। যেতিয়াই আমি সত্ত্বাক জনাৰ চেষ্টা কৰো, আমি ঘূৰি-পকি অৱভাসলৈ (Appearance) ঘূৰি আহো। উদাহৰণ স্বৰূপে এডাল লাঠিক আমি পোন হিচাপে দেখো আৰু সেইটোৱেই তাৰ প্ৰকাশ্য ৰূপ। কিন্তু সত্ত্বা বুলিলে নিজা সত্ত্বাক বুজায় আৰু এই সত্বা ইন্দ্ৰিয় অভিজ্ঞতাত পোৱা নাযায়।

পৰাবিদ্যা বুলিলে আমি আমাৰ ইন্দ্ৰিয় অভিজ্ঞতাৰ উৰ্দ্ধত কোনো বস্তুৰ নিজা সত্ত্বা বা পৰম সত্ত্বাৰ জ্ঞানক বুজো। যদি ইন্দ্ৰিয় অভিজ্ঞতাৰ উৰ্দ্ধত থকা কোনো বস্তুৰ জ্ঞান আমাৰ বাবে সম্ভৱ নহয়, তেন্তে পৰাবিদ্যা বিষয়টোৱেই অসম্ভৱ হৈ পৰিব। অভিজ্ঞতা বাদী দাৰ্শনিক হিউমে তত্ত্ববিদ্যাৰ সম্ভাবনাক অস্বীকাৰ কৰিছে। তেওঁ কৈছে যিবোৰ গ্ৰন্থ ইন্দ্ৰিয় অভিজ্ঞতাৰ অতীত কোনো তত্ত্ব - যেনে ঈশ্বৰ, আত্মা, অমৰত্বৰ স্বৰূপ বা বৈশিষ্ট্যৰ ওপৰত ৰচনা কৰা হৈছে, সেইবোৰ পুৰি ছাই কৰা উচিত। এইবোৰ গ্ৰন্থ কেৱল অযৌক্তিক আৰু ভ্ৰমাত্মক। কাণ্টেও পৰাবিদ্যাৰ সম্ভাবনা অস্বীকাৰ কৰিছে, অৱশ্যে হিউমৰ দৰে বিস্তাৰিত ভাৱে Through going নহয়। তেওঁ কৈছে যে অভিজ্ঞতাৰ অতীত তত্ত্ব সম্পৰ্কে মানুহৰ চিন্তা-ভাৱনা (Speculation) অতি স্বাভাৱিক। মানুহৰ যৌক্তিক চিন্তাই বস্তুৰ নিজা সত্ত্বা সম্বন্ধে চিন্তা কৰিবলৈ মানুহক বাধ্য কৰে। কিন্তু তেওঁ কয় যে বস্তুৰ নিজা সত্ত্বা সম্বন্ধে আমি একো জ্ঞান পাব নোৱাৰো। গতিকে, যদিও বস্তুৰ নিজা সত্ত্বাক জনাৰ বাবে আমাৰ মানসিক প্ৰবণতা থাকে, তথাপিও তাক জনা আমাৰ বাবে সম্ভৱ নহয়, গতিকে পৰাবিদ্যা অসম্ভৱ।

হাৰ্বাৰ্ট স্পেনচাৰে কান্টৰ অজ্ঞেয়বাদী ধাৰণা গ্ৰহণ কৰি কৈছে যে পৰম সত্ত্বা বা ইন্দ্ৰিয় অভিজ্ঞতাৰ অতীত কোনো সত্ত্বা হৈছে অজ্ঞাত বা অজ্ঞেয়। তেওঁৰ মতে মানব জ্ঞানৰ সকলো

বস্তুৰেই সাপেক্ষিক। উদাহৰণ স্বৰূপে "মই যেতিয়া এজোপা গছ দেখো, মই অনিবার্যভাৱে ইয়াক মই দেখা আন গছৰ লগত সম্পর্কিত কৰো আৰু সেইদৰে গছজোপাক আন বস্তু যেনে ঘৰ, নদী, ইত্যাদিৰ লগত পৃথকীকৰণ কৰো। এইদৰে এজোপা গছ আন বস্তুৰ লগত সম্পর্কিত হৈ পৰে। যদি পৰম সত্বা আছে আৰু তেওঁ যদি আন একোৰে সৈতে আনকি মানৱ মনৰ লগতো জড়িত নহয়, তেন্তে তেনে পৰম সত্বাক কেতিয়াও জানিব পৰা নাযায়। গতিকে, যিহেতু বস্তুৰ নিজা-সত্বা চর্তহীন আৰু চৰম সেয়ে ই মানৱ জ্ঞানৰ পৰিসীমাৰ উৰ্দ্ধত।

২০ শতিকাত তর্কীয় প্রত্যক্ষবাদীসকলে সকলো ধৰণৰ তাত্ত্বিক বচনক অর্থহীন আৰু অসঙ্গত (অমূলক) বুলি মুক্ত কণ্ঠে দাবী কৰিলে। তেওঁলোকৰ মতে এটা বাক্য অর্থপূর্ণ হ'ব পাৰে যদিহে তাক ইন্দ্রিয় অভিজ্ঞতাৰে প্রমাণ কৰিব পৰা যায়। তাত্ত্বিক বচনবোৰ, যেনে - 'ঈশ্বৰ শ্রেয়', 'পৰম সত্বা কেবল এক', 'ঈশ্বৰ জগতৰ মূল কাৰণ', 'আত্মা অমৰ', ইত্যাদি - ইন্দ্রিয় অভিজ্ঞতাৰে প্রমাণিত নহয় আৰু এইবোৰ 'বৰফ বগা'- এনে ধৰণৰ বিশ্লেষক বচনো নহয়। যিহেতু এই বচনবোৰ অভিজ্ঞতাৰেও প্রমাণিত নহয়, আনহাতে বিশ্লেষক বচনো নহয়, গতিকে এইবোৰ অর্থহীন আৰু অসঙ্গত।

তর্কীয় প্রত্যক্ষবাদীৰ ওপৰোক্ত ধাৰণা গ্রহণযোগ্য নহয়। এইটো নিঃসন্দেহে সত্য যে তাত্ত্বিক বচনবোৰৰ সিদ্ধান্ত অভিজ্ঞতাত পোৱা নাযায়। কিন্তু এই বচনবোৰৰ সত্যতা সাধাৰণ (Weak) অভিজ্ঞতাত পোৱা তথ্যৰ ভিত্তিত প্রমাণ কৰিব পৰা যায়। সাধাৰণ / দুর্বল প্রমাণৰ অর্থ এয়ে যে প্রদত্ত বচনটোৰ সত্যতা বা অসত্যতা নিৰূপণ কৰাত পর্যবেক্ষণৰ প্রাসঙ্গিকতা স্বীকাৰ কৰা হৈছে আৰু যদি ইয়াকে প্রমাণ হিচাপে গ্রহণ কৰা হয় তেন্তে তত্ত্ববিদ্যাক অসঙ্গত বা অমূলক বুলি উলাই কৰিব নোৱাৰি। তাৰোপৰি তর্কীয় প্রত্যক্ষবাদীসকলে অন্যায়ভাৱে (Unduly) অভিজ্ঞতাক ইন্দ্রিয় অভিজ্ঞতাৰ সৈতে সমানুপাতিক (Equate) কৰিছে। কিন্তু অভিজ্ঞতা বুলিলে কেৱল ইন্দ্রিয় অভিজ্ঞতাকেই নুবুজায়। উদাহৰণ স্বৰূপে নৈতিক অভিজ্ঞতা, ধর্মীয় অভিজ্ঞতা, শিল্পী, চিত্রকৰ, খনিকৰ, কাৰিকৰী অভিজ্ঞতা, ইত্যাদি। যদি অভিজ্ঞতাক এই বহল অর্থত গ্রহণ কৰা হয়, তেন্তে তাত্ত্বিক বাক্যবোৰ তর্কীয় প্রত্যক্ষবাদীসকলে অযৌক্তিক বা অমূলক বোলা কথাষাৰ কেতিয়াও গ্রহণযোগ্য হ'ব নোৱাৰে।

দর্শনৰ ইতিহাসত এনে বহুতো দার্শনিক আছে যিসকলে পৰাবিদ্যাক কেৱল সম্ভৱ বুলিয়েই কোৱা নাই, তেওঁলোকে এই বিষয়ত গভীৰ চিন্তা-চর্চাও কৰিছে। প্লেটোৰ মতে আমি সত্বাক যুক্তিৰেহে জানিব পাৰো, ইন্দ্রিয় অভিজ্ঞতাৰে নহয়। তাত্ত্বিক চিন্তাবোৰৰ প্রকৃতি ৰহস্যৰে আবৰা হ'ব পাৰে, কিন্তু তত্ত্ববিদ্যাক অস্বীকাৰ কৰিবলৈ সেয়াই যথেষ্ট নহয়। ব্রেডলীয়ে (Bradley)সঠিকভাৱেই কৈছে যে "পৰাবিদ্যাৰ সমালোচকসকল প্রকৃততে নিজেই তত্ত্ববিদৰ ভাতৃসম" কাৰণ সত্বাক অজ্ঞাত বা অজ্ঞেয় বুলি কবলৈ যাওঁতে তেওঁলোকে সত্বা সম্বন্ধে এটা বিকল্প মতামতহে আমাক দিয়ে। আমি যদি ইন্দ্রিয় অভিজ্ঞতাত সীমাবদ্ধ হৈ নাথাকি, অভিজ্ঞতাক বহল অর্থত গ্রহণ কৰি, নৈতিক আৰু ধর্মীয় অভিজ্ঞতাকো সামৰি লওঁ, তেন্তে আমি অতীন্দ্রিয় বস্তুৰ নিজা সত্বা সম্পর্কে এটা ক্ষীণ আভাস পাব পাৰো। তদুপৰি প্রকাশ বা অৱভাসক বাদ দি

সত্ত্বা কেৱল অনাবৃত (Bare) আৰু অমূৰ্ত। সত্ত্বাই অৱভাসৰ মাজেদি নিজকে প্ৰকাশ কৰে। অৱভাস হৈছে সত্ত্বাৰ প্ৰকাশ্য ৰূপ। সেয়ে অৱভাস আৰু সত্ত্বাৰ মাজত কোনো যুক্তিসংগত বিৰোধ থাকিব নোৱাৰে। এইদৰে দৰ্শনে বিজ্ঞানৰ প্ৰকাশ্য ৰূপ আৰু তত্ত্ববিদ্যা দুয়োটাকে নিজৰ পৰিসীমাত অন্তৰ্ভুক্ত কৰিছে। তত্ত্ববিদ্যা দৰ্শনৰ এটা এৰাব নোৱাৰা শাখা কাৰণ দৰ্শনে অৱভাসক অতীন্দ্ৰিয় পৰম সত্ত্বাৰ প্ৰকাশ্য ৰূপ হিচাপেহে জানিব বিচাৰে।



চিন্তা চৰ্চা কৰক ১.২

- তাত্ত্বিক বাক্য এটাৰ উদাহৰণ দিয়ক।

  উত্তৰ.....

- 'তাত্ত্বিক বাক্যবোৰ অৰ্থহীন' - তৰ্কীয় প্ৰত্যক্ষবাদীৰ এই ধাৰণাৰ লগত আপুনি একমত হয়নে?

  উত্তৰ .....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৬ ঃ তত্ত্ববিদ্যা আৰু পৰাবিদ্যাৰ মাজৰ সাদৃশ্য কি?

.....

.....

প্ৰশ্ন নং ১৭ ঃ তত্ত্ববিদ্যা আৰু তৰ্কবিদ্যাৰ পাৰ্থক্য কি?

.....

.....

প্ৰশ্ন নং ১৮ ঃ 'যি বৌদ্ধিক যিয়েই সত্য আৰু যি সত্য যিয়েই বৌদ্ধিক' এই উক্তিটো কাৰ?

.....

.....

প্ৰশ্ন নং ১৯ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক

ক) হিউমে পৰাবিদ্যাৰ সম্ভাৱনাক অগ্ৰাহ্য কৰিছিল। (শুদ্ধ/অশুদ্ধ)

খ) কান্টৰ মতে আমি বস্তুৰ নিজা সত্ত্বা সম্পৰ্কে জানিব পাৰো ।
(শুদ্ধ/অশুদ্ধ)

গ) হাৰ্বাট স্পেনচাৰৰ মতে পৰম সত্ত্বা অজ্ঞাত আৰু অজ্ঞেয় ।
(শুদ্ধ/অশুদ্ধ)

ঘ) তৰ্কীয় প্ৰত্যক্ষবাদীসকলে পৰাবিদ্যাৰ সম্ভাৱনাক অস্বীকাৰ নকৰে।
(শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২০ ঃ খালী ঠাই পূৰণ কৰক

ক) হেগেলৰ মতে চিন্তা আৰু সত্ত্বা প্ৰকৃততে --------।

খ) পৰাবিদ্যাৰ সমালোচকসকল নিজেই ----------।

গ) তৰ্কীয় প্ৰত্যক্ষবাদীসকলৰ মতে তাত্ত্বিক বাক্যবোৰ ------- আৰু ----------।

(ঘ) হাৰ্বাট স্পেনচাৰে কান্টৰ --------ধাৰণা গ্ৰহণ কৰিছে।



১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰাবিদ্যা হৈছে দৰ্শনৰ এটা শাখা, যিটোৱে পৰম সত্ত্বাৰ স্বৰূপৰ অনুসন্ধান কৰে। ই হৈছে প্ৰকাশৰ অন্তৰালত থকা সত্ত্বাৰ অধ্যয়ন।
- তত্ত্ববিদ্যাই জগত, প্ৰাণ আৰু ঈশ্বৰৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিব বিচাৰে।
- পৰাবিদ্যাৰ তিনিটা প্ৰধান ভাগ হ'ল - প্ৰাকৃতিক তত্ত্ববিদ্যা, আত্মাতত্ত্ববিদ্যা আৰু পৰম সত্ত্বাৰ তত্ত্ববিদ্যা।
- এতত্ত্ববিদ্যা (Ontology) অস্তিত্ব বা সত্ত্বা সম্পৰ্কীয় বিজ্ঞান সেয়ে ই পৰাবিদ্যা (Metapysics)ৰ একাৰ্থক (Synonym)।
- অৱভাস আৰু সত্ত্বাৰ মাজত প্ৰতিফলিত পাৰ্থক্যৰ ভিত্তিতে পৰাবিদ্যাৰ সূচনা হৈছে। অবভাস বুলিলে আমি আমাৰ পোনপটীয়া অভিজ্ঞতাত পোৱা কোনো বস্তু বা ঘটনাক বুজো। কিন্তু সত্ত্বা বুলিলে আমাৰ অভিজ্ঞতাৰ আৰত থকা বস্তুৰ নিজা স্বৰূপক বুজায়।
- পৰাবিদ্যা এনেধৰণৰ প্ৰশ্নৰ সৈতে জড়িত - প্ৰকাশ্য জগতৰ আৰত কিবা সত্ত্বা আছে নেকি? যদি আছে, এই সত্বাৰ প্ৰকৃতি কি? পৰম সত্ত্বা ভৌতিক নে আধ্যাত্মিক ? ইত্যাদি।
- দৰ্শন আৰু পৰাবিদ্যাৰ মাজত অন্তৰংগ সম্পৰ্ক আছে। পৰাবিদ্যা দৰ্শনৰ এটা আৱশ্যকীয় শাখা আৰু দৰ্শনেও সামগ্ৰিকভাৱে পৰাবিদ্যাক নিজৰ এটা শাখা ৰূপে অন্তৰ্ভূক্ত কৰি লয়।

- জ্ঞানবিদ্যা হৈছে পৰাবিদ্যাৰ অতি লাগতিয়াল প্ৰাৰম্ভিক অৱস্থা।
- পৰাবিদ্যা পৰম সত্ত্বাৰ বিজ্ঞান, কিন্তু প্ৰাকৃতিক আৰু আকাৰিক বিজ্ঞানৰ লগত ইয়াৰ পাৰ্থক্য আছে।
- পৰাবিদ্যা আৰু ধৰ্ম দুয়োটাই সত্ত্বাক ব্যাখ্যা কৰিব বিচাৰে। কিন্তু পৰাবিদ্যা ইয়াৰ অৰ্থ আৰু পদ্ধতিৰ ক্ষেত্ৰত ধৰ্মৰ পৰা পৃথক।
- তত্ত্ববিদ আৰু ৰহস্যবাদীৰ মাজত এটা উমৈহতীয়া সাধাৰণ উদ্দেশ্য থাকিলেও পদ্ধতিৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত পাৰ্থক্য আছে।
- হেগেলে কোৱাৰ দৰে তৰ্কবিদ্যাক পৰাবিদ্যাৰ লগত এক (Idendify) কৰিব নোৱাৰি।
- তত্ত্ববিদ্যা অসম্ভৱ নহয়। তৰ্কীয় প্ৰত্যক্ষবাদীসকলে তাত্ত্বিক বচনবোৰ অৰ্থহীন বুলি কোৱা কথাষাৰ গ্ৰহণযোগ্য নহয়।



১.১২ অধিক জানিবলৈ

1. A.E. Taylor (2004). *Elements of Metaphysics.* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics.* Methuen & Co.Ltd. London.
3. Gottfried Martin (1968). *General Metaphysics - Its problem and Method.* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective.* Kalyani Publishers, Guwahati.
5. J. N. Sinha. *A Manual of Metaphysics.*



১.১৩ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ পৰাবিদ্যা দৰ্শনৰ এটা শাখা, যিয়ে সত্ত্বাৰ প্ৰকৃতি অনুসন্ধান কৰে। ই হৈছে অৱভাসৰ আৰত থকা সত্ত্বাৰ অধ্যয়ন। তত্ত্ববিদ্যাই জীৱজগত আৰু ঈশ্বৰৰ স্বৰূপ নিৰ্দ্ধাৰণৰ চেষ্টা কৰে। জগতৰ স্বৰূপৰ লগতেই জড় আৰু প্ৰাণ, ঈশ্বৰৰ প্ৰকৃতি আৰু অস্তিত্ব, আত্মাৰ অমৰত্ব আৰু মানৱ ইচ্ছাৰ স্বাধীনতাৰ বিষয়েও আলোচনা কৰে।

২নং প্ৰশ্নৰ উত্তৰঃ তত্ত্ববিদ্যাৰ তিনিটা প্ৰধান শাখা হৈছে - প্ৰাকৃতিক তত্ত্ববিদ্যা, আত্মাৰ তত্ত্ববিদ্যা আৰু পৰম সত্ত্বাৰ তত্ত্ববিদ্যা।

৩নং প্ৰশ্নৰ উত্তৰঃ পৰাবিদ্যাৰ লক্ষ্য হৈছে পৰম সত্ত্বাক অনুধাৱন কৰা আৰু পৰম সত্ত্বাই হৈছে সকলোৰে আধাৰ।

৪নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ (ঙ) শুদ্ধ।

৫নং প্ৰশ্নৰ উত্তৰঃ (ক) Onto আৰু Logia (খ) প্ৰথম দৰ্শন (গ) অবভাস আৰু সত্বা।

৬নং প্ৰশ্নৰ উত্তৰঃ হয়, পৰাবিদ্যাই জ্ঞানমীমাংসাৰ ওপৰত নিৰ্ভৰ কৰে।

৭নং প্ৰশ্নৰ উত্তৰঃ ভাববাদী সকলে মত পোষণ কৰে যে তত্ত্ববিদ্যা সাধাৰণ বিদ্যাৰ ওপৰত নিৰ্ভৰশীল। পৰাবিদ্যাই পৰম সত্বাৰ স্বৰূপ অনুসন্ধান /বিচাৰ কৰে। কিন্তু পৰম সত্ত্বাক জানিবলৈ চেষ্টা কৰাৰ আগতে আমি নিশ্চিত হ'ব লাগিব যে মানৱ জ্ঞান পৰম সত্ত্বাক জানিবৰ বাবে সমৰ্থবান হয় নে নহয় । আৰু ইয়াক জানিবৰ বাবে আমি আমাৰ জ্ঞানৰ স্বৰূপ, চৰ্ত আৰু পৰিধিক জানিব লাগিব।

৮নং প্ৰশ্নৰ উত্তৰঃ পৰাবিদ্যা আৰু প্ৰাকৃতিক বিজ্ঞানৰ মাজত তিনিটা পাৰ্থক্য হৈছে (১) প্ৰাকৃতিক বিজ্ঞানে জগতৰ এটা বিশেষ বিভাগ সম্পৰ্কেহে আলোচনা কৰে। কিন্তু পৰাবিদ্যাই সমগ্ৰ জগতখনকে ইয়াৰ আলোচনাৰ অন্তৰ্ভুক্ত কৰি লয়। (২) প্ৰাকৃতিক বিজ্ঞান আমি প্ৰত্যক্ষ কৰা অৱভাসিক জগতখনৰ লগতে জড়িত, কিন্তু পৰাবিদ্যাই অতীন্দ্ৰিয় জগতখনকহে আলোচনা কৰে। (৩) প্ৰাকৃতিক বিজ্ঞানে দেশ, কাল, কাৰ্যকৰণ, দ্ৰব্য আদি কিছুমান মৌলিক বিধিক সত্য বুলি পূৰ্বানুমান কৰি লয়, কিন্তু তত্ত্ববিদ্যাই প্ৰাকৃতিক বিজ্ঞানৰ এই মৌলিক বিধিবোৰক বিচাৰমূলক ভাৱে পৰীক্ষা-নিৰীক্ষা কৰে।

৯নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ (ঙ) অশুদ্ধ।

১০নং প্ৰশ্নৰ উত্তৰঃ (ক) প্ৰজ্ঞা (খ) প্ৰাৰম্ভিক (গ) সত্বা।

১১নং প্ৰশ্নৰ উত্তৰঃ পৰাবিদ্যা আৰু ধৰ্মৰ কাম হৈছে প্ৰকাশৰ অন্তৰালত থকা পৰম সত্ত্বাৰ স্বৰূপ ব্যাখ্যা কৰা।

১২নং প্ৰশ্নৰ উত্তৰঃ পৰাবিদ্যা ইয়াৰ অৰ্থ: আৰু পদ্ধতিত ধৰ্মৰ পৰা পৃথক।

১৩নং প্ৰশ্নৰ উত্তৰঃ অৱভাসিক জগতখনৰ প্ৰতি তত্ত্ববিদ্যৱ ধাৰণা ৰহস্যবাদৰ দৰে নঞৰ্থক নহয়। তত্ত্ববাদীয়ে অৱভাসৰ বিপৰীত জগতখনৰ অৰ্থাৎ পৰম সত্ত্বাৰ সাধাৰণ বৈশিষ্ট্য নিশ্চিত কৰে কিন্তু অৱভাসৰ আপেক্ষিক সত্যতা নিশ্চিত কৰণৰ বাবে সত্ত্বাৰ জ্ঞানৰ আধাৰত অৱভাসৰ পৰিধিৰ পুনৰ নিৰীক্ষণ কৰে। তেওঁ নানা প্ৰকাৰৰ প্ৰকাশ্যক পৰম সত্ত্বাৰ কায চপোৱাৰ উদ্দেশ্যে সিহঁতৰ ক্ৰম অনুসৰি সজাই তোলে। প্ৰত্যেক অৱভাসেই সত্ত্বাক প্ৰতিনিধিত্ব কৰে। গতিকে তেওঁ নানা অৱভাসৰ মাজেদি সত্ত্বাৰ বৈশিষ্ট্যসমূহ (Marks) নিশ্চিত কৰাৰ লগতে এই অৱভাসিক ৰূপবোৰে সত্ত্বাক প্ৰকাশ (Reveal) কৰাত কিমান সফল তাকো নিৰীক্ষণ কৰে, কাৰণ সত্ত্বাই হৈছে প্ৰত্যেক অৱভাসৰ আধাৰ।

১৪নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

১৫নং প্ৰশ্নৰ উত্তৰঃ (ক) পৰম সত্বা (খ) পদ্ধতি (গ) আবেগিক আৰু বৌদ্ধিক

১৬নং প্ৰশ্নৰ উত্তৰঃ তৰ্কবিদ্যা আৰু তত্ত্ববিদ্যাৰ সাদৃশ্যৰ ক্ষেত্ৰখন হৈছে সিহঁতৰ পৰিসৰৰ সাৰ্বজনীনতা আৰু পদ্ধতিৰ বিশ্লেষক বৈশিষ্ট।

১৭নং প্ৰশ্নৰ উত্তৰঃ তৰ্কবিদ্যা আৰু তত্ত্ববিদ্যাৰ পাৰ্থক্য হৈছে (১) তত্ত্ববিদ্যা সত্তাৰ সাধাৰণ প্ৰকৃতিৰ সৈতে জড়িত, আনহাতে তৰ্কবিদ্যা শুদ্ধ যুক্তি নাইবা অনুমানৰ সাধাৰণ বিধিৰ লগতহে জড়িত। তত্ত্ববিদ্যা সত্বা সম্পৰ্কীয় বিজ্ঞান আৰু কিন্তু তৰ্কবিদ্যা হৈছে যুক্তিৰ বিজ্ঞান। (২) তৰ্কবিদ্যা যুক্তিৰ আকাৰিক আৰু বস্তুগত দুয়োটা সত্যৰ লগতে জড়িত, কিন্তু তত্ত্ববিদ্যাই কেৱল বৈধভাৱে অনুমান কৰা সত্ত্বাৰ বৈশিষ্টৰ সৈতেহে জড়িত, ই জগত, আত্মা আৰু ঈশ্বৰৰ তাত্ত্বিক সত্যতা নিৰ্ণয় কৰে।

১৮নং প্ৰশ্নৰ উত্তৰঃ হেগেল

১৯নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২০নং প্ৰশ্নৰ উত্তৰঃ (ক) একে (খ) তত্ত্ববিদৰ ভ্ৰাতৃ (গ) অৰ্থহীন আৰু অসঙ্গত (ঘ) অজ্ঞেয়বাদী



১.১৪ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ Metaphysics (পৰাবিদ্যা)ৰ ধাতুগত অৰ্থ কি?

প্ৰশ্ন ২ঃ Ontology (তত্ত্ববিদ্যা) মানে কি?

প্ৰশ্ন ৩ঃ পৰাবিদ্যাৰ লক্ষ্য কি?

প্ৰশ্ন ৪ঃ সত্বা কি?

প্ৰশ্ন ৫ঃ অৱভাস কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পৰবিদ্যাৰ স্বৰূপৰ চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ২ঃ পৰাবিদ্যা সম্পৰ্কে এৰিষ্টটলৰ সূত্ৰ লিখক।

প্ৰশ্ন ৩ঃ পৰাবিদ্যাৰ তিনিটা প্ৰধান শাখা কি কি? চমু বৰ্ণনা দিয়ক।

প্ৰশ্ন ৪ঃ দৰ্শন পৰাবিদ্যাৰ সৈতে একে নেকি? আলোচনা কৰক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পৰাবিদ্যা

প্ৰশ্ন ২ঃ পৰাবিদ্যা আৰু জ্ঞানবিদ্যাৰ সম্পৰ্ক

প্ৰশ্ন ৩ঃ পৰাবিদ্যা সম্পৰ্কে তৰ্কীয় প্ৰতক্ষ্যবাদীৰ ধাৰণা

(ঘ) পাৰ্থক্য নিৰ্ণয় কৰক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অৱভাস আৰু সত্ত্বা

প্ৰশ্ন ২ঃ পৰাবিদ্যা আৰু জ্ঞান বিদ্যা

প্ৰশ্ন ৩ঃ পৰাবিদ্যা আৰু প্ৰাকৃতিক বিজ্ঞান

প্ৰশ্ন ৪ঃ পৰাবিদ্যা আৰু ধৰ্ম

প্ৰশ্ন ৫ঃ পৰাবিদ্যা আৰু তৰ্কবিদ্যা

(ঙ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পৰাবিদ্যাৰ প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ২ঃ পৰাবিদ্যাৰ লগত দৰ্শনৰ সম্বন্ধ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ জ্ঞানবিদ্যা পৰাবিদ্যাৰ প্ৰাৰম্ভিক অৱস্থা হয় নেকি?

প্ৰশ্ন ৪ঃ পৰাবিদ্যাৰ লগত প্ৰাকৃতিক আৰু আকাৰিক বিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৫ঃ পৰাবিদ্যাৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ দেশ আৰু কাল ঃ কাণ্ট

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সংবেদনশীলতাৰ আকাৰসমূহ
২.৪ দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা
২.৫ দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্রিয় ব্যাখ্যা
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ অধিক জানিবলৈ
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টিত অধ্যয়নৰ জৰিয়তে আপোনালোকে—

- মানৱ সংবেদনশীলতাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব,
- সংবেদনৰ দুটা অভিজ্ঞতাপূর্ব ধাৰণা যেনে ঃ দেশ আৰু কালৰ বিষয়ে জানিবলৈ সক্ষম হ'বক
- দেশ আৰু কালৰ অধিবিদ্যামূলক আৰু অতীন্দ্রিয় ব্যাখ্যাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

কাণ্টে উল্লেখ কৰে যে, মানৱ জ্ঞানৰ দুটাকৈ বিভাগ আছে। সেইয়া হৈছে সংবেদনশীলতা (Sensibility) আৰু অৱবোধ (Understanding)। সংবেদনৰ জৰিয়তে আমি বস্তুবোৰ পাওঁ। অৱবোধৰৰ জৰিয়তে সিহঁতক চিন্তা কৰোঁ। সংবেদনশীলতা হৈছে স্বজ্ঞা বা প্রজ্ঞা (intuition) ৰ ক্ষমতা আৰু অৱবোধ হৈছে ধাৰণা বা প্রত্যয় (concept) ৰ ক্ষমতা। সংবেদনশীলতাৰ অবিহনে আমি কোনো ধৰণৰ বস্তু পাব নোৱাৰো আৰু অৱবোধৰ অবিহনে কোনো বস্তুক আমি চিন্তা কৰিব নোৱাৰো। কাণ্টৰ মতে, বিষয়বস্তুৰ অবিহনে চিন্তা শূন্য, ধাৰণাৰ অবিহনে প্রজ্ঞা বা বুদ্ধি অন্ধ (thoughts without content are empty, intuitions without concepts are blind)

কাণ্টে পোষণ কৰে যে স্বজ্ঞাৰ মাজেৰে জ্ঞান হয় বস্তুৰ সৈতে অমাধ্যম সম্পর্কত। কিন্তু স্বজ্ঞা বা বুদ্ধি আহে কেৱল তেতিয়াহে, যেতিয়া বস্তুবোৰ আমাৰ প্রত্যক্ষত থাকে। বস্তুবোৰ দৃশ্যমান হোৱাৰ বাবে চিন্তা বুদ্ধি আৰু সংবেদনশীলতাৰ সৈতে সম্পর্কযুক্ত হ'বই লাগিব। সংবেদনশীলতা হৈছে আকাৰৰ মাধ্যমেৰে বিবৰণ বা প্রতিৰূপসমূহক গ্রহণ কৰাৰ এক ক্ষমতা, য'ত বস্তুবোৰৰ দ্বাৰা আমি প্রভাৱান্বিত হওঁ। এই ক্ষমতাই হৈছে সংবেদনশীলতা।

কাণ্টে কয়যে সংবেদনসমূহক এক নিদৃষ্ট আকাৰত স্বীকৃত আৰু সজ্জিত কৰা হয়। এই আকাৰক সংবেদনীয় বুদ্ধিৰ পৰা নিঃসৃত কৰা নহয় আৰু সেইবাবে ইহঁতক অভিজ্ঞতা পূর্ব মনতেই বিচাৰি পোৱা যায়। সংবেদনীয় বুদ্ধিৰ এই আকাৰ হৈছে দেশ (Space) আৰু কাল (Time)। ই এক বিশুদ্ধ আকাৰ বা ৰূপ (Pure form)। সংবেদনশীলতাৰ এই বিশুদ্ধ আকাৰক বিশুদ্ধ বুদ্ধি বা স্বজ্ঞা" (Pure intuition) বুলিও কোৱা হয়। দেশ আৰু কাল ' বিশুদ্ধ বুদ্ধি', কিয়নো সিহঁত সাধাৰণ জ্ঞানজনিত বস্তুৰ দৰে, তাত সিহঁত স্বতন্ত্র, যাৰ লগত আমাৰ বুদ্ধিয়ে আমাক এক অমাধ্যম জ্ঞান সম্বন্ধত স্থল দিয়ে। দেশ আৰু কাল এনে ধৰনৰ বস্তু, য'ত এটা বস্তুৰ যিকোনো সাধাৰণ জ্ঞান ও দেশৰ এক সাধাৰণ জ্ঞান, য'ত বস্তুটোক স্থাপন কৰা হয় আৰু কালৰ, য'ত অভিজ্ঞতা নিজে নিজে আহি পৰে।

২.৩ সংবেদনশীলতাৰ আকাৰসমূহ

প্রধান উপাদানসমূহৰ অতীন্দ্রিয় মতবাদত কাণ্টে সংবেদনশীল স্বজ্ঞাৰ দুটা বিশুদ্ধ আকাৰৰ বিষয়ে আলোচনা কৰিছে, য'ত বহু প্রকাৰৰ সহজ জ্ঞান (manifold of intuition) ক কেতবোৰ সংহত ৰূপ বা সম্বন্ধত আৰোপ কৰা হয়। সংবেদনশীল সহজ জ্ঞানৰ এই দুটা বিশুদ্ধ ৰূপ বা আকাৰ হৈছে দেশ (Space) আৰু কাল (Time)। সিহঁতক অভিজ্ঞতা পূর্ণ ভাৱে মনৰ মাজতেই পোৱা যায়। কাণ্টে দেশ আৰু কালক দুটা মূল শিতানত আলোচনা কৰিছে— অধিবিদ্যামূলক আৰু অতীন্দ্রিয়। দেশৰ অধিবিদ্যামূলক ব্যাখ্যাৰ প্রধান লক্ষ্য হ'ল— দেশ সম্বন্ধীয় আমাৰ বিৱৰণসমূহৰ আদি আৰু বিষয়বস্তুক প্রদর্শন কৰা। আনহাতে অতীন্দ্রিয় ব্যাখ্যাৰ মূল লক্ষ্য হ'ল —আমাৰ বিৱৰণসমূহে কেনেকৈ আৰু কেতিয়া জ্ঞানৰ এক নীতি নাইবা ভিত্তি হিচাপে কাম কৰিব পাৰে, তাক ব্যাখ্যা কৰা। অধিবিদ্যামূলক ব্যাখ্যাত আগবঢ়োৱা যুক্তি সমূহে দর্শায় যে দেশ সম্পর্কীয় আমাৰ বিৱৰণ সমূহ এক বিশুদ্ধ বুদ্ধি, ইয়াৰ উৎস অভিজ্ঞতা মূলক নহয় আৰু ইয়াৰ বিষয়বস্তু একক আৰু অমাধ্যম। ই ইয়াৰে পৰা নিঃসৃত হয়যে দেশ সম্পর্কীয় আমাৰ বিৱৰণ সমূহৰ বস্তু এক স্বতন্ত্র বস্তু বা বিষয়, যাৰ বৈশিষ্টবোৰক অভিজ্ঞতাপূর্ব (a-priari),হিচাপে জানিব পৰা যায়। কাণ্টে তেওঁৰ অতীন্দ্রিয় ব্যাখ্যাত দেখুৱাব বিচাৰিছে যে যেনেধৰণৰ বিৱৰণ তেওঁ দাঙি ধৰিছে, সি হৈছে জ্ঞানৰ এক আত্মগোটৰ উপাদান, যিয়ে সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব জ্ঞানৰ ভিত্তিত যোগান ধৰে। যেনে জ্যামিতি, মহাকালৰ বিজ্ঞান ইত্যাদি।

কাণ্টে আমাৰ সংবেদনীয় অভিজ্ঞতাৰ বৈশিষ্ট্য সমূহক বর্ণনা কৰাৰ দ্বাৰা দেশৰ অধিবিদ্যামূলক ব্যাখ্যাৰ পৰিচয় দিছে। যাক তেওঁ সৰল পয্যবেক্ষনৰ ওপৰতে প্রমানিত বুলি গ্রহণ কৰিছে ঃ আমাৰ বাহ্যিক (outside us) বস্তুবোৰক দেশীয় ভাৱে নিশ্চিত ভাবে আমি বিৱৰণ দিওঁ আৰু আমাৰ বিবেচক অভিজ্ঞতাৰ আন্তৰিক বস্তুবোৰক অনিত্যভাৱে নিশ্চিত হিচাপে বিৱৰণ দিওঁ। উদাহৰণস্বৰূপেঃ- আমাৰ দৃশ্যমূলক ক্ষেত্রত এটা বস্তু, যাক আমি ঢুকি পাব পাৰো আৰু স্পর্শ কৰিব পাৰো তাৰ বিৱৰণ দেশও এক নিশ্চিত আকাৰ, আয়তন আৰু স্থান হিচাপে দিব পাৰো; আনহাতে মানসিক স্থিতিক বিৱৰণ দিব পাৰো ফলত এক নিশ্চিত স্থান আৰু অৱস্থিতি হিচাপে। তথাপি এই কথা মনত ৰাখিবলগীয়া যে দেশ আৰু কালৰ সম্বন্ধত বাহ্যিক আৰু আভ্যন্তৰীণ বস্তুবোৰৰ মাজৰ সম্বন্ধ সমপৰিমিত নহয়। ইয়াৰ কাৰণ এয়ে যে বাহ্যিক বস্তুবোৰ অস্থায়ী ভাৱে থাকে, কিন্তু আভ্যন্তৰীণ বস্তুবোৰ দেশীয় ভাৱে স্থাপিত নহয়। বাহ্যিক বস্তুবোৰৰ সুমিতিহীনতা (arymmetry) আৰু অস্থায়ীত্বতা (temporality) ই কাণ্টৰ ভাৱবাদৰ খণ্ডন (Refutation of Idealism) ত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।

২.৪ দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা

দেশ আৰু কালক অভিজ্ঞতাপূর্ব হিচাপে প্রমাণ কৰাৰ উদ্দেশ্যে কাণ্টে তেওঁ অধিবিদ্যামূলক ব্যাখ্যাটোত চাৰিটা যুক্তি দেশৰ উদ্দেশ্যে আৰু পাচটা যুক্তি কালৰ সন্দর্ভত আগবঢ়াইছে। দেশৰ ধাৰণাৰ —

১ম যুক্তি ঃ দেশ অভিজ্ঞতামূলক ধাৰণা নহয়, যাক বাহ্যিক অভিজ্ঞতাৰ পৰা নিঃসৃত কৰিব নোৱাৰি। বাহ্যিক অভিজ্ঞতাৰ দ্বাৰা কাণ্টে আমাৰ মনৰ এক ধর্মক নির্দেশ কৰিছে, যাৰ জৰিয়তে আমি আমাৰ বাহিৰৰ জগতখনৰ সকলোবোৰ বস্তুক আমাৰ নিজৰ আগত প্রতিষ্ঠাপন কৰোঁ। কাণ্টৰ মতে, এক বিৱৰণ হৈছে জ্ঞান সম্পর্কীয় এক পদ্ধতি, যাৰ মাজেৰে বস্তুবোৰক আমাৰ বাহ্যিক জগততথকাৰ দৰে স্বীকাৰ কৰা হয়। কাণ্টে উল্লেখ কৰে যে, সংবেদনৰ সৃষ্টি হয়, যেতিয়া আমাৰ বাহিৰত থকা বস্তুবোৰে আমাৰ চেতনা বা বোধৰ ওপৰত ক্রিয়া কৰে। বেলেগ বেলেগ স্থানত থকাৰ দৰে বিভিন্ন বিৱৰণ সমূহক স্বীকাৰ কৰাৰ উদ্দেশ্যে দেশৰ বিৱৰণক আগতে ঠাৱৰ কৰি ল'বই লাগব। সেইকাৰণে এনে লাগে যে দেশৰ বিৱৰণক বাহ্যিক অৱভাসৰ সম্পর্কৰ পৰা অভিজ্ঞতামূলক ভাৱে পাব পৰা নাযায়।

২য় যুক্তি ঃ দেশ হৈছে এক অনিবার্য্য অভিজ্ঞতাপূর্ব বিৱৰণ, যি সকলো বাহ্যিক সহজ জ্ঞান নাইবা বুদ্ধিত নিহিত থাকে। দেশৰ অনুপস্থিতিক আমি কেতিয়াও আমাৰ আগত প্রতিনিধিত্ব কৰাব নোৱাৰো; যদিও আমি সম্পূর্ণৰূপে ইয়াক বস্তুৰ

শূণ্যতা হিচাপে ভালদৰে চিন্তা কৰিব পাৰো। এইটো এটা যুক্তি যি দেশৰ ধাৰণাটোৰ অভিজ্ঞতাপূর্ব স্বভাৱৰ লগত জড়িত। কাণ্টে যুক্তি আগবঢ়ায় যে দেশৰ অবিহনে এটা বস্তুৰ বিৱৰণ লাভ কৰাটো সম্ভৱ নহয়, যদিও যিকোনো বস্তুৰ বিৱৰণৰ অবিহণেদেশৰ ধাৰণাক ধাৰণ কৰাটো সম্ভৱ।

৩য় যুক্তি ঃ দেশ বিছিন্ন নহয়, নাইবা আমি কোৱাৰ দৰে সাধাৰণ বস্তুবোৰৰ সম্পর্কৰ এক সাধাৰণ ধাৰণাও নহয়, বৰঞ্চ এক বিশুদ্ধ স্বজ্ঞা বা বুদ্ধি। কাণ্টে উল্লেখ কৰে যে দেশ কেৱল এটাই। যদি আমি ভিন ভিন দেশৰ কথা কওঁ তেন্তে আমি বুজাও যে সেইবোৰ একেটা দেশৰে ভিন্ন অংশ।

৪র্থ যুক্তি ঃ দেশক এক অসীম বৃহত্তৰ ৰূপত বর্ণনা কৰা হয়, এই যুক্তিটো ৩য় যুক্তিৰ ওপৰত ভিত্তিশীল, য'ত কাণ্টে যুক্তি দর্শাইছে যে আমি কেৱল এখন দেশৰ হে ধাৰণা পাব পাৰো, ভিন্নধৰণৰ দেশীয় বিৱৰণ সেই অদ্বিতীয় (unique) দেশৰে অংশ। অর্থাৎ, 'এক দেশ'ৰ ধাৰণাই নিজৰ মাজত অসীম বিৱৰণক সামৰি থাকে। সেই কাৰণে, 'এক দেশ' ৰ ধাৰণা যিয়ে নিজৰ মাজতে অসীম বিৱৰণক সামৰি থাকে, তাক সংবেদনমূলক বুদ্ধিৰ জৰিয়তে নিঃসৃত কৰিব নোৱাৰি আৰু সেয়ে তাক অভিজ্ঞতাপূর্ব (a-priori) ৰূপে স্বীকাৰ কৰা হয়।

এইবোৰ যুক্তি দেশৰ অধিবিদ্যামূলক ব্যাখ্যাৰ বাবে আগবঢ়োৱা হৈছে। কাণ্টে কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যাৰ বাবেও পাচঁটা যুক্তি দর্শাইছে।

১ম যুক্তি ঃ কাল এক অভিজ্ঞতামূলক ধাৰণা নহয়, যাক কোনো অভিজ্ঞতাৰ পৰা নিঃসৰণ কৰিব পৰা যায়। এটা বস্তুৰ সহঅৱস্থিতি (co-existence) আৰু অনুক্রম (succesion) ৰূপে কালৰ ধাৰণাটো পূর্ব নিদ্ধাৰিত। সেয়েহে কালক এক অভিজ্ঞতাপূর্ব ধাৰণা হিচাপে গ্রহণ কৰা হয়। কিয়নো ইয়াক এটা বস্তুৰ সহ অৱস্থিতি আৰু অনুক্রমৰ বিৱৰণৰ বাবে পূর্বতেই নির্ধাৰণ কৰি লোৱা হয়।

২য় যুক্তি ঃ কাল এক অনিবার্য্য বিৱৰণ যি সকলো স্বজ্ঞা বা বুদ্ধিক সামৰি ৰাখে। সাধাৰণ অৱভাসৰ সন্দর্ভত আমি কাল বা সময়ক আঁতৰাই দিব নোৱাৰো, যদিও কালক যিকোনো বিৱৰণৰ অবিহনে ও ধাৰণা কৰিব পৰা যায় আৰু অৱভাসক বাতিল কৰিও আমি কালৰ কথা চিন্তা কৰিব পাৰো। সেইকাৰণে, কাল এক অভিজ্ঞতাপূর্ব ধাৰণা। কাণ্টে কয় যে, বস্তুৰ বিৱৰণ ও অনুক্রম সম্ভৱ হয় কেৱল কালৰ সম্বন্ধতহে।

৩য় যুক্তি ঃ কালৰ এটাই আয়তন; সেয়া হ'ল এটাৰ পাছত আনটো। বিভিন্ন অস্থায়ী বিৱৰণক কালৰ এটা আয়তনতে আমি ধাৰণা কৰিব পাৰো। কাল অভিজ্ঞতাপূর্ব, আৰু সেয়েহে, ইয়াৰ নিশ্চয়তা (certainity) আৰু অনিবার্য্যতা (mecesrity) ৰ উপাদান আছে। কাণ্টে যুক্তি দর্শাইছে যে এইবোৰ নীতি

অভিজ্ঞতাৰ পৰা আহৰণ কৰিব পৰা নাযায়, কিয়নো অভিজ্ঞতাই কঠোৰ সামান্যতাও দিব নোৱাৰে নাইবা সকলো বিবাদৰ উৰ্দ্ধত প্রতিষ্ঠিত নিশ্চয়তাও দিব নোৱাৰে।

৪র্থ যুক্তি ঃ কাল বিছিন্ন নহয়, অথবা যাক কোৱা হয় এক সাধাৰণ ধাৰণা, বৰঞ্চ সংবেদনশীল বুদ্ধিৰ এক বিশুদ্ধ ৰূপ বা আকাৰ। কাল বিভিন্ন আছে কিন্তু একক কালৰে অংশ বিশেষ। এটা বিৱৰণ যাক কেৱল এটা একক বস্তুৰেহে দিব পাৰে, সেয়াই হ'ল স্বজ্ঞা (intuition) দেশৰ দৰে কালো এক। বিভিন্ন প্রকাৰৰ কাল অসীম কালৰ অন্তর্গত। কালৰ ধাৰণাটো সংবেদনশীল স্বজ্ঞাৰ এক বিশুদ্ধ আকাৰ আৰু সেয়েহে, ইয়াক অভিজ্ঞতা পূর্ব হিচাপে স্বীকাৰ কৰা হয়।

৫ম যুক্তি ঃ মূল বিৱৰণ, সময়ক সেইবাবে অসীম বা অনন্ত হিচাপে ধৰিবই লাগিব। এই যুক্তিটো পূর্ব যুক্তিটোৰ ওপৰত প্রতিষ্ঠিত, য'ত কাণ্টে এক কালৰ ওপৰত মন্তব্য দিছে যে বস্তুৰ সহ-অৱস্থিতি আৰু অনুক্রমৰ ভিন্ন প্রকাৰৰ বিৱৰণ সমূহ সেই একক কালৰেই অংশ। তেওঁ কালৰ ধাৰণাটোক অসীম আৰু অনন্ত হিচাপে গ্রহণ কৰিছে, য'ত বস্তুৰ অসীম সহ - অৱস্থান আৰু অনুক্রমৰ সৃষ্টি হয়। অসীম ৰূপত কালক সংবেদনশীল স্বজ্ঞা নাইবা বুদ্ধিৰ পৰা নিঃসৃত কৰিব নোৱাৰি আৰু সেয়ে, ইয়াক অভিজ্ঞতা পূর্ব হিচাপে স্বীকাৰ কৰিবই লাগিব।

২.৫ দেশ আৰু কালৰ অতীন্দ্রিয় ব্যাখ্যা

কাণ্টে দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্রিয় ব্যাখ্যাও আগবঢ়াইছে। অতীন্দ্রিয় ব্যাখ্যাৰ জৰিয়তে কাণ্টে যুক্তি দর্শাইছে যে, আনকি যদিও দেশ আৰু কালৰ সংবেদনশীল বুদ্ধি বা স্বজ্ঞাৰ পৰা নিঃসৃত কৰিব নোৱাৰি, তথাপি প্রত্যেক বহুমুখি সহজ জ্ঞানক দেশ আৰু কালৰ ৰূপত গ্রহণ কৰিব লাগিব, যাতে আমি সংশ্লেষক অভিজ্ঞতাপূর্ব জ্ঞান পাব পাৰো। জ্যামিতি আৰু পদার্থ বিজ্ঞানৰ সন্দর্ভৰ পৰা উদাহৰণ আগবঢ়াই কাণ্টে দেশ আৰু কালৰ অতীন্দ্রিয় ব্যাখ্যা আগবঢ়াইছে। কাণ্টে স্বীকাৰ কৰে যে পদার্থ বিদ্যা নাইবা জ্যামিতিত আমাৰ জ্ঞান সম্ভৱ হয় কেৱল সংশ্লেষক আৰু অভিজ্ঞতাপূর্ব হিচাপে দেশ আৰু কালৰ ধাৰণাৰ স্বীকৃতিৰ জৰিয়তে। কাণ্টে যুক্তি দিয়ে যে জ্যামিতি হৈছে এক বিজ্ঞান, যি দেশৰ ধর্মবোৰক সংশ্লেষণাত্মক আৰু অভিজ্ঞতাপূর্ব হিচাপে নির্ণয় কৰে। তেওঁ কয় যে "এটা ত্রিভুজৰ তিনিটা কোণৰ সমষ্টি দুই সমকোণৰ সমান" ই এক সংশ্লেষক বচন; কিয়নো ত্রিভূজটো আৰু তিনিটা কোণৰ সমষ্টি দুটা সমকোণৰ সমান তাক বিচাৰি উলিওৱাৰ উদ্দেশ্যে আমি সংবেদনশীল সংজ্ঞাৰ সহায় লওঁ। সেইকাৰণে, বচনটোক সংশ্লেষক বচন (synthetic proposition) ৰূপে ধৰা হয়। আকৌ, এই বচনটোক অনিবার্য্যতা

আৰু নিশ্চয়তা নিহিত হৈ থাকে। সেয়েহে এই বচনটোক অভিজ্ঞতাপূর্ব হিচাপেও গ্রহণ কৰা হয়।

T.E. Wilkerson) য়ে মতপ্রকাশ কৰে যে কাণ্টে দেশ, কাল আৰু অংকশাস্ত্রৰ মাজত এক অতি ঘনিষ্ঠ যোগাযোগ আনিছে। হিউমৰ বিপক্ষে কাণ্টৰ লক্ষ্য সমূহৰ মাজত এটা হৈছে যে অংকশাস্ত্র আৰু পদার্থবিদ্যাৰ সাধাৰণ সত্যতাৰ আকাৰত অভিজ্ঞতাপূর্ব জগতখনৰ প্রকৃত জ্ঞান আমাৰ থাকিব পাৰে। অংকশাস্ত্রৰ অনিবার্য্যতা, গণিতীয় সত্যতাসমূহক পাবলৈ প্রয়োজনীয় প্রয়োগক ন্যায্যতা প্রদান কৰিবলৈ আন আন বস্তুবোৰৰ মাজত সৌন্দর্য্যতাক সমর্পন কৰা হয়। ইয়াক এনে বোধ হয় যে আমাৰ অভিজ্ঞতাত অংকশাস্ত্রৰ প্রয়োজনীয়তা দেশ আৰু কালৰ মূখ্য ভূমিকাৰ দ্বাৰা নিশ্চিত হয়।

কালৰ ধাৰণাৰ অতীন্দ্রিয় ব্যাখ্যা কাণ্টে উল্লেখ কৰে যে কালৰ অধিবিদ্যামূলক ব্যাখ্যাৰ বাবে আগবঢ়োৱা ৩য় যুক্তিটো প্রকৃতার্থত এক অতীন্দ্রিয় ব্যাখ্যাহে। কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যাৰ ৩য় যুক্তিটো অনুসৰি কালৰ এটাই মাত্রা, আয়তন বা পৰিসৰ থাকে আৰু দেখা হৈছে এটাৰ পাছত আনটো। কাণ্টে পোষণ কৰে যে কালৰ ধাৰণাৰ নিশ্চয়তা আৰু অনিবার্য্যতাৰ উপাদান থাকে, সেয়েহে, ইয়াক অভিজ্ঞতাপূর্ব ধাৰণা হিচাপে গ্রহণ কৰা যায়। একে সময়তে কাণ্টে যুক্তি দর্শাইছে যে পৰিবর্ত্তনৰ ধাৰণাৰ সৈতে গতিৰ ধাৰণা সম্ভৱ হয় কেৱল কালৰ বিৱৰণৰ জৰিয়তেহে।

দেশ আৰু কাল হৈছে মানৱ সংবেদনৰ দুটা আকাৰ যাৰ জৰিয়তে আমি অভিজ্ঞতাপূর্ব সংশ্লেষক জ্ঞান লাভ কৰোঁ। বিশুদ্ধ গণিত হৈছে এনে অভিজ্ঞতাপূর্ব সংশ্লেষক জ্ঞানৰ উদাহৰণ। দেশ আৰু কাল হৈছে সকলো সংবেদনশীল স্বজ্ঞাৰ বিশুদ্ধ আকাৰ যিয়ে আমাৰ অভিজ্ঞতাক এক অতি আৱশ্যকীয় মৌলিক গঠন প্রদান কৰে।

কাণ্টে স্বীকাৰ কৰে যে দেশ আৰু কাল অভিজ্ঞতামূলক ভাৱে বাস্তৱ আৰু অতীন্দ্রিয়ভাৱে ভাৱমূলক। দেশ আৰু কাল বস্তুৰ ক্ষেত্রত অভিজ্ঞতামূলকভাৱে সত্য যাক সংবেদনশীল বুদ্ধিৰ বহুমূখীতাত প্রদান কৰিব পৰা যায়।

(Kant) য়ে সকলো বস্তু তথা বাহ্যিক অৱভাসসমূহ ৰূপে 'দেশ' ৰ ধাৰণাটোৰ অভিজ্ঞতামূলক সত্যতাক স্বীকাৰ কৰিছে আৰু ইহঁতবোৰ দেশত ওচৰা-ওচৰিকৈয়ে বর্তি থাকে। এই নীতিটো সীমাবদ্ধতাৰ অবিহনে চিৰন্তনভাৱে বৈধ। ঠিক সেইদৰে, কালো অভিজ্ঞতামূলক ভাৱে সত্য এই অর্থত যে, সকলো বস্তু, যি আমাৰ অভিজ্ঞতাত চিৰ অস্তিত্বশীল, তাৰ সন্দর্ভত ইয়াৰ বস্তুগত বৈধতা বিদ্যামান। অভিজ্ঞতামূলক ভাৱে, দেশ, কাল আৰু দেশীয় কালিক বস্তুবোৰ সত্য বা বাস্তৱ। সিহঁত ভ্রম নাইবা কল্পনা নহয়, যাক "কেৱল অৱভাস" (যেনেঃ সপোন, ভ্রম, মৰীচিকা আদি) ৰ পৰা পৃথক কৰিব পৰা যায়। সিহঁতৰ অভিজ্ঞতামূলক সত্যতা যদিও জ্ঞান স্বৰূপ সত্তাত অস্তিত্বশীল নহয়, আৰু সেই চর্তবোৰৰ পৰাও স্বতন্ত্র, যাৰ অধিনত আমি সিহঁতক জানিব পাৰো। ইয়াৰ পৰিবর্তে প্রকৃতিৰ এক শৃংখলাৰ সৈতে অনুৰূপ হৈ গঠিত হয়, যি অতীন্দ্রিয়

ভাৱে অনিবার্য্য, যদিহে অভিজ্ঞতা সম্ভৱ হয়।

দেশ আৰু কাল অতীন্দ্রিয়ভাৱেও ভাৱমূলক। যিবোৰ বস্তুৰ সন্দর্ভত ইহঁত অতীন্দ্রিয় ভাৱে ভাৱমূলক হয়, সেইবোৰক সংবেদনীয় স্বজ্ঞাৰ বহুমূখীতাত পাৱ নোৱাৰি। দেশ আৰু কাল সামগ্রীক ভাৱে মন স্বতন্ত্র, আত্ম-আনুসাঙ্গিঁক নাইবা দৃঢ় প্রতিজ্ঞাও নহয়। সিহঁত জ্ঞান স্বৰূপ সত্ত্বাৰ বস্তুগত ধর্ম নহয়, তাৰ ঠাইত সিহঁত হৈছে সংবেদনশীলতাৰ কেৱল অন্তর্গত চর্তহে, যাৰ অধীনত বাহ্যিক বুদ্ধিসমূহ আমাৰ বাবে সম্ভৱ হৈ উঠে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংবেদনশীলতাৰ দুটা অভিজ্ঞতাপূর্ণ আকাৰ কি কি? আলোচনা কৰক।

.....

.....

প্রশ্ন নং ২ ঃ দেশৰ ধাৰণাটোৰ অধিবিদ্যামূলক ব্যাখ্যাটো বহলাই লিখক।

.....

.....

প্রশ্ন নং ৩ ঃ কালৰ ধাৰণাটোৰ অধিবিদ্যামূলক বিৱৰণৰ ব্যাখ্যা আগবঢ়াওক।

.....

.....

প্রশ্ন নং ৪ ঃ দেশ আৰু কালৰ অতীন্দ্রিয় ব্যাখ্যাটো আলোচনা কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ "empirically real and transcendentally ideal" হিচাপে দেশ আৰু কালৰ দ্বাৰা কি বুজোৱা হৈছে? আলোচনা কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ সংবেদন সম্পর্কীয় অন্তঃ প্রজ্ঞাৰ আকাৰ দুটা কি কি?

.....

.....

প্রশ্ন নং ৭ ঃ 'দেশ' আৰু 'কাল' আলোচনা কৰা দুটা শিতান কি কি? কাণ্টৰ মতে

.....

.....

প্রশ্ন নং ৮ ঃ সংশ্লেষক বচন কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ 'কাল'ক কিয় অভিজ্ঞতাপূৰ্বক বুলি কোৱা হয় ?

.....

.....

প্ৰশ্ন নং ১০ ঃ 'দেশ' আৰু 'কাল'ক কিয় ব্যৱহাৰিক ভাবে সত্য বুলি কোৱা হয় ?

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংবেদশীলতা হৈছে আকাৰ নাইবা প্ৰকাৰ (mode) ৰ জৰিয়তে বিৱৰণসমূহক আহৰণ কৰিবৰ বাবে এক ক্ষমতা, য'ত বস্তুবোৰৰ দ্বাৰা আমি প্ৰভাৱান্বিত হওঁ।
- সেইবাবে, সংবেদনৰ দ্বাৰা বস্তুবোৰক আমাক দিয়া যায়, আৰু ই অকলেই স্বজ্ঞা বা সহজাত বুদ্ধিৰ সৈতে সু-সজ্জিত কৰে।
- কাণ্টে কৈছে যে সংবেদনসমূহক এক নিৰ্দ্দিষ্ট ৰূপত স্বীকৃত আৰু সজ্জিত কৰা হয়। এই আকাৰ বা ৰূপক সংবেদনীয় বুদ্ধিৰ পৰা নিঃসৃত কৰা নহয় আৰু সেইবাবে ইহঁতক অভিজ্ঞতাপূৰ্ণ মনতেই বিচাৰি পোৱা যায়। সংবেদনীয় বুদ্ধিৰ এই আকাৰ হৈছে দেশ আৰু কাল। ই বিশুদ্ধ আকাৰ বা ৰূপ। সংবেদনশীলতাৰ এই বিশুদ্ধ আকাৰক 'বিশুদ্ধ বুদ্ধি বা স্বজ্ঞা' (Pure intuition) বোলা হয়।
- কাণ্টে দেশ আৰু কালক দুটা মূল শিতানত আলোচনা কৰিছে — অধিবিদ্যামূলক আৰু অতীন্দ্ৰিয়। দেশৰ অধিবিদ্যামূলক ব্যাখ্যাৰ মূল লক্ষ্য হ'ল দেশ সম্বন্ধীয় আমাৰ বিৱৰণবোৰৰ আদি আৰু বিষয়বস্তুক প্ৰদৰ্শন কৰা। আনহাতে, অতীন্দ্ৰিয় ব্যাখ্যাৰ মূল লক্ষ্য হ'ল আমাৰ বিৱৰণসমূহে কেনেকৈ আৰু কেতিয়া জ্ঞানৰ এক নীতি নাইবা ভিত্তি হিচাপে কাম কৰিব পাৰে তাৰ ব্যাখ্যা দিয়া।
- কাণ্টে স্বীকাৰ কৰে যে দেশ আৰু কাল "empinically real and transcendentally ideal" । বস্তুৰ ক্ষেত্ৰত দেশ আৰু কাল অভিজ্ঞতামূলক ভাৱে সত্য বা বাস্তৱ, যাক সংবেদনীয় বুদ্ধিৰ বহুমূখীতাৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা যায়।
- অভিজ্ঞতামূলক ভাৱে দেশ, কাল দেশীয় কালিক বস্তুবোৰ সত্য বা বাস্তৱ। সিহঁত ভ্ৰম নাইবা কল্পনা নহয়, যাক কেৱল অৱভাস (যেনেঃ- সপোন, ভ্ৰম, মৰিচিকা আদি) ৰ পৰা পৃথক কৰিব পৰা যায়। সিহঁতৰ অভিজ্ঞতামূলক সত্যতা যদিও জ্ঞান স্বৰূপ সত্ত্বাও অস্তিত্বশীল নহয় আৰু সেই চৰ্তবোৰৰ পৰাও স্বতন্ত্ৰ যাৰ অধীনত আমি সিহঁতক জানিব পাৰোঁ। ইয়াৰ পৰিবৰ্তে প্ৰকৃতিৰ এক শৃংখলাৰ সৈতে অনুৰূপ হৈ গঠিত হয়, যি অতীন্দ্ৰিয়

ভাৱে অনিবার্য্য, যদিহে অভিজ্ঞতা সম্ভৱ হয়।

- বস্তুৰ সন্দর্ভত দেশ আৰু কাল অতীন্দ্রিয় ভাৱে সত্য দেশ আৰু কাল সামগ্রিক ভাৱে মন স্বতন্ত্র, আত্ম আনুসংগিক নাইবা দৃঢ় প্রতিজ্ঞাও নহয়। সিহঁত জ্ঞান স্বৰূপ সত্ত্বাৰ বস্তুগত ধর্ম নহয়, তাৰ পৰিবর্তে সিহঁত হৈছে সংবেদনশীলতাৰ অন্তর্গত চর্ত, যাৰ অধীনত বাহ্যিক বুদ্ধি সমূহ আমাৰ বাবে সহজ হৈ পৰে।



২.৭ অধিক জানিবলৈ

(১) Broad, C.D.Leibniz's "Last Controversy with the Newtonians" in Leibniz. *Metaphysics and Philosophy of science, edited by R.S. Woolhouse.* (America : Oxford University Press, 1981).

(২) Harris, Eroll E. *The Foundations of Metaphysices in science*. (London : George Allen and Unwin, 1965).

(৩) Kant, Immanuel. *Critique of Pure Reason*. Translated by N.K. Smith, (London: Macmillan, 1973).

(৪) Kant, Immanuel Prolegomena to Any Future Metaphysics. *That will be. Able to Come*. Forward as science, translated and edited by Gary Hatfield, (New York: Cambridge Univer sity Press, 2004).

(৫) Seruton, Ronger Kant, (London: Oxford University Press), 1982.

(৬) shabel, Lisa *"The Transcendental Aesthetic"*. in the companion to Kant's Critique of Pure Reason, edited by Paul Guyer, (New York, Cambridge University Press, 2010).

(৭) Wilkarson, *T.E. Critique of Pure Reason: a commentary for students.* (London: Clarendon Press, 1976).

(৮) Wood, Allen Kant, (London : Blackwell Publishing, 2005).



২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ সংবেদনশীলতা আৰু অববোধ

২নং প্রশ্নৰ উত্তৰঃ সংবেদনশীলতা অন্তঃপ্রজ্ঞাৰ এটা গুণ

৩নং প্রশ্নৰ উত্তৰঃ অববোধ ধাৰণাৰ এটা গুণ

৪নং প্ৰশ্নৰ উত্তৰঃ কাণ্টৰ মতে, বিষয়বস্তুৰ অবিহনে চিন্তা শূন্য, ধাৰণাৰ অবিহনে প্ৰজ্ঞা বা বুদ্ধি অন্ধ (thoughts without content are empty, intuitions without concepts are blind)

৫নং প্ৰশ্নৰ উত্তৰঃ কাণ্টে কয়যে সংবেদনসমূহক এক নিদৃষ্ট আকাৰত স্বীকৃত আৰু সজ্জিত কৰা হয়। এই আকাৰক সংবেদনীয় বুদ্ধিৰ পৰা নিঃসৃত কৰা নহয় আৰু সেইবাবে ইহঁতক অভিজ্ঞতা পূৰ্ব মনতেই বিচাৰি পোৱা যায়। সংবেদনীয় বুদ্ধিৰ এই আকাৰ হৈছে দেশ (Space) আৰু কাল (Time)। ই এক বিশুদ্ধ আকাৰ বা ৰূপ (Pure form)। সংবেদনশীলতাৰ এই বিশুদ্ধ আকাৰক বিশুদ্ধ বুদ্ধি বা স্বজ্ঞা" (Pure intuition) বুলিও কোৱা হয়।

৬নং প্ৰশ্নৰ উত্তৰঃ দেশ আৰু কাল

৭নং প্ৰশ্নৰ উত্তৰঃ দেশ আৰু কাল সম্বন্ধে অধিবিদ্যা আৰু অতিন্দ্ৰীয় বিষয়ক ব্যাখ্যা

৮নং প্ৰশ্নৰ উত্তৰঃ কাণ্টে যুক্তি দিয়ে যে জ্যামিতি হৈছে এক বিজ্ঞান, যি দেশৰ ধৰ্মবোৰক সংশ্লেষণাত্মক আৰু অভিজ্ঞতাপূৰ্ব হিচাপে নিৰ্ণয় কৰে। তেওঁ কয় যে "এটা ত্ৰিভূজৰ তিনিটা কোণৰ সমষ্টি দুই সমকোণৰ সমান" ই এক সংশ্লেষক বচন; কিয়নো ত্ৰিভূজটো আৰু তিনিটা কোণৰ সমষ্টি দুটা সমকোণৰ সমান তাক বিচাৰি উলিওৱাৰ উদ্দেশ্যে আমি সংবেদনশীল সংজ্ঞাৰ সহায় লওঁ। সেইকাৰণে, বচনটোক সংশ্লেষক বচন (synthetic proposition) ৰূপে ধৰা হয়।

৯নং প্ৰশ্নৰ উত্তৰঃ কাণ্টৰ মতে সময়ৰ দুটা উপাদান নিশ্চয়তা আৰু অনিবাৰ্যতা, এই দুটা উপাদানক অভিজ্ঞতাপূৰ্ব হিচাপে জনা যায়।

১০নং প্ৰশ্নৰ উত্তৰঃ দেশ আৰু কাল বস্তু সম্বন্ধে ব্যৱহাৰিক ভাবে সত্য যিটো অন্তঃপ্ৰজ্ঞাৰ সংবেদনৰ মাধ্যমত দিব পাৰি।



২.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ সংবেদনশীলতা মানে কি?

প্ৰশ্ন ২ ঃ অববোধ মানে কি?

প্ৰশ্ন ৩ ঃ 'দেশ' আৰু 'কাল'ৰ অধিবিদ্যাবিষয়ক ব্যাখ্যাটো কি?

প্ৰশ্ন ৪ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয়মূলক ব্যাখ্যাটো কি?

প্ৰশ্ন ৫ ঃ ইন্দ্ৰিয় স্বজ্ঞাৰ আকাৰ দুটা কি কি?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ 'দেশ' আৰু 'কাল'ৰ অধিবিদ্যাবিষয়ক ব্যাখ্যাটো কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয়মূলক ব্যাখ্যাটো কি? চমু ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ 'দেশ' আৰু 'কাল'ৰ অধিবিদ্যাবিষয়ক ব্যাখ্যাটোৰ এটি চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয়মূলক ব্যাখ্যাটোৰ এটি চমুটোকা লিখক ।

প্ৰশ্ন ৫ ঃ সংবেদনশীলতাৰ আকাৰ সম্পৰ্কে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সংবেদনশীলতাৰ দুটা অভিজ্ঞতাপূৰ্ব আকাৰ কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'দেশ' সম্পৰ্কীয় অধিবিদ্যা বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ 'কাল' সম্পৰ্কীয় অধিবিদ্যা বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয় বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ 'দেশ' আৰু 'কাল' ব্যৱহাৰিক ভাবে সত্য আৰু অতীন্দ্ৰীয় ভাবে আদৰ্শগত- এই বাক্যশাৰীৰ অৰ্থটো কি? আলোচনা কৰক।

****

অধ্যায় ৩ ঃ বাস্তৱবাদ-সৰল আৰু বৈজ্ঞানিক

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বাস্তৱবাদৰ শ্রেণীবিভাজন

৩.৪ সৰল বাস্তৱবাদ

৩.৫ বৈজ্ঞানিক বাস্তৱবাদ

৩.৬ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ

৩.৭ সামৰণি

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাস্তৱবাদ কি সেয়া জানিব পাৰিব
- বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বুজি পাব
- সৰল বাস্তৱবাদৰ সংজ্ঞা জানিব পাৰিব
- বৈজ্ঞানিক বাস্তৱবাদৰ বিষয়ে জানিব পাৰিব
- সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ বুজি পাব

৩.২ পৰিচয়

দর্শন শাস্ত্রই জ্ঞান (Knowledge) আৰু বাস্তৱ (Reality)ৰ অধ্যয়নক সামৰি লয়। দর্শন শাস্ত্রত বাস্তৱৰ বিভিন্ন বিশ্লেষণ পোৱা যায়। বাস্তৱবাদ (Realism) হ'ল এটা দার্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয় বোৰ হ'ল বাস্তৱ। এই দৃষ্টিভংগীক বিষয়নিষ্ঠবাদ (Objectivism) বুলিও কোৱা হয়। বাস্তৱবাদ হ'ল এটা অধিবিদ্যামূলক তত্ত্ব। ই বিষয় (Objectivism) নাইবা বস্তু (things)ৰ অস্তিত্ব সম্পর্কে আলোচনা কৰে। বাস্তৱবাদৰ জ্ঞানমীমাংসা ভিত্তিক বিশ্লেষণ অনুসৰি সাক্ষাৎজ্ঞান সম্পন্ন মন (Knowing mind) আৰু জ্ঞেতা (Knower)ৰ পৰা বিষয় স্বতন্ত্র। বাস্তৱবাদ অনুসৰি জ্ঞেতা আৰু জ্ঞানৰ বিষয়ৰ মাজত কেৱল বাহ্যিক সম্পর্কহে আছে। কোনো বিষয়ৰ বাস্তৱক জ্ঞেতাৰ সৈতে থকা বিষয়টোৰ সম্পর্কই প্রভাৱিত নকৰে। অর্থাৎ, বাস্তৱাদৰ

মৌলিক নীতিটো হ'ল বিষয় আৰু ইয়াৰ গুণবোৰ সাক্ষাৎজ্ঞান সম্পন্ন মনৰ পৰা স্বতন্ত্ৰ।

বস্তুৱাদৰ বৈশিষ্ট্য কেইটামান হ'ল-

- বিষয়ৰ অস্তিত্ব জ্ঞানৰ পৰা স্বতন্ত্ৰ।
- বিষয়ৰ গুণবোৰ বিষয়তেই অন্তর্নিহিত হৈ থাকে।
- জ্ঞানে কোনো এক বিষয়ক প্ৰভাৱিত নকৰে।

৩.৩ বাস্তৱবাদৰ শ্ৰেণীবিভাজন

বাস্তৱবাদ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। বাস্তৱবাদৰ প্ৰধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ (Naive Realism) আৰু বৈজ্ঞানিক বাস্তৱবাদ (Scientific Realism) ।কাণ্ডজ্ঞান (Common Sense) দৃষ্টিভংগীৰ সমৰ্থকসকলেই সৰল বাস্তৱবাদৰ বিকাশ আৰু পোষকতা কৰিছিল। এই দৃষ্টিভংগী মতে এটা বিষয় ইয়াক যেনে দেখা যায় ঠিক তেনেকুৱাই (what it is seen to be)। আনহাতে, বৈজ্ঞানিক বাস্তৱবাদ মূলতঃ বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত আধাৰিত। জন ল'কে বাস্তৱবাদৰ বৈজ্ঞানিক দৃষ্টিভংগীটো আগবঢ়াইছে। এই দৃষ্টিভংগী অনুসৰি বিষয়বোৰে মন-স্বতন্ত্ৰভাৱে অস্তিত্ব বৰ্তাই ৰাখে। ই এক বাস্তৱিক জ্ঞানগত মনোভাৱ (positive epistemic attitude)।

৩.৪ সৰল বাস্তৱবাদ

সৰল বাস্তৱবাদ (Naive Realism) হ'ল বাস্তৱবাদৰ সাধাৰণ আৰু সৰলতম ৰূপ। আমাৰ উপলব্ধিত ধৰা পৰা সকলো বিষয়ৰে স্বতন্ত্ৰ অস্তিত্ব থাকে। ই আমাৰ অনুভৱ কৰিব পৰা শক্তি নাইবা জ্ঞানৰ ওপৰত নির্ভৰশীল নহয়। এয়াই হ'ল সকলো সাধাৰণ ব্যক্তিৰ বাস্তৱবাদী দৃষ্টিভংগী। সেয়েহে ইয়াক স্বাভাৱিক বাস্তৱবাদ (Natural Realism) আৰু কাণ্ডজ্ঞানভিত্তিক বাস্তৱবাদ (Common sense Realism) বুলিও কোৱা হয়। সৰল অথবা জনপ্ৰিয় বাস্তৱবাদৰ কেন্দ্ৰীয় বিষয়বস্তুটো হ'ল বিষয়ৰ জ্ঞেতাই সকলোবোৰ গুণ আৰু বৈশিষ্ট্যৰে সৈতে কিবা কথা প্ৰত্যক্ষভাৱে জানে (The knower of the objects knows something directly with all its qualities)

ডুৱাণ্ট ড্ৰেক-এ তেওঁৰ গ্ৰন্থ 'Invitation to Philosophy' ত পোন প্ৰথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল। সৰল বাস্তৱবাদৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল-

- **বিষয় সম্পৰ্কে আমাৰ জ্ঞান নাথাকিলেও বিষয় স্বতন্ত্ৰ ৰূপত বৰ্তি থাকেঃ**
  কোনো এটা বিষয় 'জ্ঞাত হোৱা' অথবা 'উপলব্ধি কৰা'ৰ লগে লগেহে ইয়াৰ অস্তিত্ব গঢ় লৈ নুঠে। পৃথিৱীৰ সকলো বিষয়েই অবিৰত আৰু স্বতন্ত্ৰভাৱে বৰ্তি থাকে। সাক্ষাৎজ্ঞান সম্পন্ন মন অবিহনেও বিষয়বোৰৰ অস্তিত্ব থাকে। উদাহৰণ স্বৰূপে শিল এটাৰ কথা ভাবক। শিল এটাৰ স্বতন্ত্ৰ অস্তিত্ব আছে। আমি শিলটোৰ বিষয়ে জানিবও পাৰোঁ অথবা

নাজানিবও পাৰোঁ অথবা ধাৰণা কৰিব নোৱাৰিবও পাৰোঁ। কিন্তু আমাৰ ধাৰণা উপলব্ধি অথবা জ্ঞানে কোনো ধৰণে শিলটোৰ অস্তিত্বক প্ৰভাৱিত নকৰে।

- **বিষয়ৰ নিজস্ব গুণ থাকেঃ**

  প্ৰতিটো বিষয়ৰে নিজস্ব গুণ আৰু বৈশিষ্ট্য থাকে। এই গুণবোৰ বিষয়টোত অন্তৰ্নিহিত হৈ থাকে। ধাৰণা কৰোঁতা নাইবা জ্ঞেতাই বিষয়ত কোনো গুণ আৰোপ কৰিব নোৱোৰে উদাহৰণস্বৰূপে, কঠিনত্ব (hardness) হ'ল এটা শিলত থকা এটা গুণ। শিলটোৰ গঠন প্ৰণালীতেই এই গুণটো লুকাই থাকে। অৰ্থাৎ, বিষয় এটাৰ দৰেই বিষয়বোৰৰ গুণ তথা বৈশিষ্ট্যবোৰবোৰ স্বতন্ত্ৰ অস্তিত্ব থাকে।

- **জ্ঞানে বিষয়ক প্ৰভাৱিত নকৰেঃ**

  কোনো এক বিষয়ৰ জ্ঞানে বিষয়টোক অথবা ইয়াৰ অস্তিত্বক কোনো ধৰণে প্ৰভাৱিত নকৰে। বিষয়ৰ নিজস্ব স্বতন্ত্ৰ অস্তিত্ব থাকে। ওপৰৰ উদাহৰণত উল্লেখ কৰাৰ দৰে এটা শিল আৰু ইয়াৰ গুণবোৰ কোনো ধৰণে শিলটো সম্পৰ্কে ব্যক্তিয়ে আহৰণ কৰা জ্ঞনৰ দ্বাৰা প্ৰভাৱিত নহয়।

- **বিষয়টো অবিকল সেইটোৱেই যিটো ৰূপত ই ধৰা পৰেঃ**

  কোনো এক বিষয়ৰ ৰূপ (form) আৰু প্ৰকৃতি (nature)ৰ মাজত কোনো প্ৰভেদ নাই। এটা বিষয় অবিকল সেইটোৱেই যিটো ৰূপত আমি বিষয়টো সম্পৰ্কে উপলব্ধি নাইবা ধাৰণা কৰোঁ। একেদৰে মানুহে কেতিয়াও কোনো বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতাৰ মাজত পাৰ্থক্য আছে বুলি দেখুৱাব নোৱাৰে। কোনো এটা বিষয়ৰ ধাৰণা কৰোঁতে বিষয়টো সন্দৰ্ভত আমাৰ জ্ঞান আৰু ধাৰণা/ উপলব্ধি একেই হ'ব।

- **বিষয়বোৰ ৰাজহুৱা ঃ**

  বিষয়বোৰ সদায়েই ৰাজহুৱা। সেয়েহে, কোনো বিষয়ৰ জ্ঞানো ৰাজহুৱা। ই কোনো ব্যক্তিবিশেষৰ ক্ষেত্ৰত সীমাৱদ্ধ নহয়। বিভিন্ন ব্যক্তিৰ একেটা বিষয়ৰ জ্ঞান থাকিব পাৰে। যেনে- সকলো ব্যক্তিয়ে কোনো এক বিষয়ৰ অভিজ্ঞতা লাভ আৰু বিষয়টোৰ জ্ঞান আহৰণ কৰিব পাৰে।

- **বাহিৰা বিষয়ৰ জগত ঃ**

  মানৱ মন আৰু জ্ঞানৰ বাহিৰত এখন স্বকীয় অস্তিত্বৰে বৰ্তি থকা বিষয়ৰ বাহ্যিক জগত এখন আছে।

- **বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰি ঃ**

  বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰি। ব্যক্তিয়ে কোনো এটা বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰিব পাৰে। জ্ঞেতা আৰু জ্ঞাত উভয়ৰে মাজত প্ৰত্যক্ষ সম্পৰ্ক থাকিব পাৰে।

  অৰ্থাৎ, সৰল বাস্তৱবাদ মতে আমাৰ ধাৰণাবোৰ বাহ্যিক জগতৰ বিষয়বোৰৰ প্ৰতিকৃতি। বিষয়বোৰৰ সকলোবোৰ গুণেই বাস্তৱ। এই গুণবোৰৰ নিজ নিজ বস্তু নিষ্ঠ অস্তিত্ব

থাকে। বিষয় এটাত অন্তর্নিহিত হৈ থকা আটাইবোৰ গুণ সমানে প্রয়োজনীয় আৰু বাস্তৱ।

৩.৫ বৈজ্ঞানিক বাস্তৱবাদ

বৈজ্ঞানিক বাস্তৱবাদ (Scientific Realism) মানে হ'ল প্রধানতঃ সেইটো দৃষ্টিভংগী যিটোৱে মানি লয় যে বিজ্ঞানে বর্ণনা কৰা জগতখনেই প্রকৃত বাস্তৱ জগত। সেই দিশেৰে বৈজ্ঞানিক বাস্তৱবাদ হ'ল মূলতঃ

(ক) আমাৰ সর্বোৎকৃষ্ট বৈজ্ঞানিক তত্ত্ব আৰু আর্হিৰ বিষয়বস্তু সম্পর্কে থকা বাস্তৱিক জ্ঞানগত মনোভাৱ তথা (খ) প্রকৃতার্থত ই হ'ল বিজ্ঞানৰ সম্পূর্ণ নির্ভুল বুলিও ক'ব নোৱাৰা সেই ধাৰণাটো যিটোৱে জগত খন ব্যাখ্যা কৰাৰ এক যথোচিত কার্য সম্পাদন কৰি আছে। বাস্তৱবাদৰ বৈজ্ঞানিক বাস্তৱবাদ শাখাটোৰ জনক হ'ল জ'ন ল'ক। সৰল বাস্তৱবাদৰ সীমাৱদ্ধতাবোৰৰ নেতিবাচক সমালোচনা কৰাৰ ফলাফল স্বৰূপে বৈজ্ঞানিক বাস্তৱবাদৰ ধাৰণাটো বিকশিত হৈছিল। বৈজ্ঞানিক বাস্তৱবাদে মানৱ মনৰ পৰা স্বতন্ত্র এক বাহ্যিক জনগতৰ অস্তিত্বত বিশ্বাস কৱে। ল'কে নিজৰ বিশ্লেষণত বাহ্যিক জগতৰ অভিজ্ঞতাবোৰৰ একোটা বৈজ্ঞানিক বর্ণনা আগবঢ়োৱাৰ প্রয়াস কৰিছিল। ল'ক আছিল এগৰাকী অভিজ্ঞতাবাদী দার্শনিক। 'An Essay Concerning Human Understanding' নামৰ গ্রন্থখনত তেওঁ জ্ঞানৰ প্রকৃতি বর্ণনা কৰিছে। ল'কৰ মতে যথাযথ জ্ঞান (knowledge proper)ৰ প্রকৃতি নিশ্চিত (certain), নির্দেশনামূলক (instructive) আৰু বাস্তৱ (real)। তেওঁ বিষয়ৰ স্বতন্দ্র জগত এখন আছে বুলি বিশ্বাস কৰিছিল। এগৰাকী অভিজ্ঞতাবাদী দার্শনিক ৰূপে ল'কে এই কথাও বিশ্বাস কৰিছিল যে আমাৰ প্রজ্ঞা (intellect)ত এনে কোনো কথা থাকিব নোৱাৱে যিটো ইতিপূর্ৱে আমাৰ ইন্দ্রিয়বোধত উপস্থিত নাই। অর্থাৎ, তেওঁ অভিজ্ঞতাৰ ভিত্তিত জ্ঞানৰ ব্যাখ্যা আগবঢ়াইছিল।

বৈজ্ঞানিক বাস্তৱবাদৰ প্রধান বৈশিষ্ট্যবোৰ হ'ল-

- **বিষয়বোৰ জ্ঞানৰ পৰা স্বাধীন ঃ**
  বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৱে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্র অস্তিত্ব আছে।
- **বিষয়বোৰৰ প্রত্যক্ষ জ্ঞান আহৰণ কৰিব পৰা নাযায় ঃ**
  মানুহে কোনো এক বিষয়ৰ কথা ইয়াৰ গুণবোৰৰ সহায়ত জানিব পাৱে। ইয়াৰ বহল ব্যাখ্যা আগবঢ়াই ল'কে মুখ্য আৰু গৌণ গুণৰ ধাৰণা দুটাৰ প্রচলন ঘটাইছিল। ল'কৰ মতে জ্ঞান আহৰণ এক পৱোক্ষ প্রক্রিয়া।
- **বিষয়ৰ মখ্যু আৰু গৌণ গুণবোৰৰ মাজত পার্থক্য আছে ঃ**
  জ'ন ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ মাজত থকা পার্থক্য কিছুমানলৈ আঙুলিয়াই দেখুৱাছিল। মুখ্য গুণবোৰ জ্ঞানৰ সকলো ধৰণৰ প্রভাৱৰ পৰা মুক্ত। কাৰণ, এই গুণবোৰ বিষয়টোত অন্তর্নিহিত হৈ থাকে। মুখ্য গুণৰ উদাহৰণ কেইটামান হ'ল আকাৰ, আকৃতি,

দৈর্ঘ্য, ঘনত্ব, সংখ্যা, গতিশীলতা ইত্যাদি। এইবোৰ কোনো বিষয়ৰ অন্তর্নিহিত গুণ বাবে এইবোৰক মুখ্য গুণ বোলা হয়। যিবোৰ গুণ বিষয়টোত অন্তর্নিহিত হৈ নাথাকে সেইবোৰক গৌণ গুণ বোলে। যেনে- ৰং, স্বাদ, গোন্ধ, উষ্ণতা আদি। এই গুণবোৰৰ অভিজ্ঞতা বিভিন্ন ব্যক্তিৰ বাবে ভিন ভিন হ'ব পাৰে নাইবা ভিন ভিন সময়ত একেজন ব্যক্তিয়ে এই গুণবোৰৰ ভিন্ন অভিজ্ঞতা লাভ কৰিব পাৰে।

- **বিষয়ৰ মুখ্য গুণবোৰ জ্ঞেতাৰ ওপৰত নির্ভৰশীল নহয়ঃ**
  মুখ্য গুণবোৰ কোনো বিষয়ত অন্তর্নিহিত হৈ থাকে বাবে জ্ঞানি এই গুণবোৰক প্রভাৱিত কৰিব নোৱাৰে। মুখ্য গুণবোৰ বস্তুনিষ্ঠ আৰু সাধাৰণ প্রকৃতিৰ। মানৱ মনে মুখ্য ধাৰণাবোৰক প্রভাৱিত কৰিব নোৱাৰে। কাৰণ, এই ধাৰণাবোৰ হ'ল কোনো বিষয় এটাৰ মুখ্য গুণবোৰৰ প্রতিকৃতি। কিন্তু, গৌণ ধাৰণাবোৰ গৌণ গুণবোৰৰ প্রতিকৃতি আৰু এইবোৰক জ্ঞানে প্রভাৱিত কৰিব পাৰে।
- **কোনো বিষয়ৰ পৰা উদ্ভৱ হোৱা মুখ্য ধাৰণাবোৰ ৰাজহুৱা ঃ**
  কোনো বিষয়ৰ পৰা উদ্ভৱ হোৱা মুখ্য ধাৰণাবোৰ ৰাজহুৱা প্রকৃতিৰ। বাস্তৱবাদৰ মৌলিক চর্ত অনুসৰি বিষয়বস্তুবোৰে অস্তিত্ব বর্তাই ৰাখিবলৈ জ্ঞানৰ ওপৰত নির্ভৰ নকৰে। মুখ্য আৰু গৌণ গুণবোৰৰ মাজৰ প্রভেদ বিচাৰি উলিয়াই বৈজ্ঞানিক বাস্তৱবাদে যুক্তি দর্শায় যে বিষয়, মুখ্য গুণ আৰু মুখ্য বিষয়বোৰৰ প্রকৃতি ৰাজহুৱা অথবা বস্তুনিষ্ঠ। এইবোৰৰ ব্যক্তিভেদে কোনো সাল-সলনি নহয়।

  মুখ্য আৰু গৌণ গুণবোৰৰ মাজৰ প্রভেদবোৰ দেখুৱাই ল'কে বাহ্যিক জগতখনৰ প্রকৃতিৰ এক বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়োৱাৰ প্রয়াস কৰিছিল। সেয়েহে তেওঁৰ জ্ঞান সম্পর্কীয় দৃষ্টিভংগীক প্রতিনিধিত্ববাদ (Representationalism) বুলিও কোৱা হয়।

৩.৬ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ

সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদ হ'ল বাস্তৱবাদৰ দুটা প্রকাৰ। দুয়োটাই বাস্তৱবাদ সম্পর্কে নিজস্ব ভাষ্য আগবঢ়ায়। দুয়ো প্রকাৰৰ বাস্তৱবাদতে ব্যৱহাৰিক মনোভাৱ দেখিবলৈ পোৱা যায়। তথাপিও দুয়োবিধ বাস্তৱবাদৰ মাজত কেতবোৰ প্রভেদ আছে। তলত প্রভেদবোৰ উল্লেখ কৰা হ'ল-

- সৰল বাস্তৱবাদ মতে বিষয়ৰ জ্ঞান অবিহনেও বিষয়ৰ অস্তিত্ব থাকে। বৈজ্ঞানিক বাস্তৱবাদেও এই কথা মানি লয় যে বিষয়বোৰ জ্ঞানৰ পৰা স্বতন্ত্র। কিন্তু বৈজ্ঞানিক বাস্তৱবাদে এই কথাও কয় যে বিষয়ৰ অধিবিদ্যামূলক পূর্বানুমান মনৰ ওপৰত নির্ভৰশীল।
- সৰল বাস্তৱবাদৰ মতে বিষয়ৰ গুণবোৰ বিষয়টোতেই লুকাই থাকে। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি মনে বিষয় এটাৰ গৌণ গুণবোৰ বিষয়টোত আৰোপ কৰে।
- সৰল বাস্তৱবাদ অনুসৰি জ্ঞানে বিষয়ক প্রভাৱিত নকৰে। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কিছুমান ক্ষেত্রত ধাৰণাই বিষয়ক প্রভাৱিত কৰিব পাৰে।

- সৰল বাস্তৱবাদ মতে বিষয় এটা যেনেদৰে প্ৰকট হয় অবিকল তেনেকুৱাই। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি প্ৰকৃত বিষয় আৰু বিষয়টো সম্পৰ্কে কৰা ধাৰণাৰ মাজত পাৰ্থক্য আছে। ধাৰণা প্ৰকৃত বিষয়টোৰ কেৱল এটা ভাৱমূৰ্তি (image) হে।
- সৰল বাস্তৱবাদ মতে জ্ঞান প্ৰত্যক্ষ। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি জ্ঞান পৰোক্ষ।
- সৰল বাস্তৱবাদ মতে বিষয়বোৰক প্ৰত্যক্ষভাৱে জানিব পাৰি। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কোনো বিষয়ৰ জ্ঞান আহৰণ কৰা প্ৰক্ৰিয়াটো হ'ল সৰল ধাৰণাৰ সহায়ত লাভ কৰা এক জটিল ৰূপ।
- সৰল বাস্তৱবাদ অনুসৰি বিষয়বস্তুবোৰ ৰাজহুৱা। কিন্তু বৈজ্ঞানিক বাস্তৱবাদে কেৱল মুখ্য ধাৰণাবোৰহে ৰাজহুৱা বুলি মত পোষণ কৰে। গৌণ ধাৰণাৰ ক্ষেত্ৰত বিষয়বোৰ ৰাজহুৱা নহয়। কাৰণ, এই ধাৰণাবোৰ একেটা বিষয়ৰ ক্ষেত্ৰত ব্যক্তিভেদে ভিন ভিন হ'ব পাৰে।

৩.৭ সামৰণি

বাস্তৱবাদৰ মৌলিক নীতিটো হ'ল জ্ঞানৰ বিষয়বোৰ সাক্ষাৎজ্ঞান সম্পন্ন মন (knowing mind)ৰ পৰা স্বতন্ত্ৰ। কিন্তু, জ্ঞেতাৰ মনত বিষয় একোটাৰ সম্পূৰ্ণ অথবা আংশিক স্বতন্ত্ৰ উপস্থিতিৰ ভিত্তিত বাস্তৱবাদক বিভিন্ন প্ৰকাৰত ভগোৱা হৈছে। সৰল অথবা জনপ্ৰিয় বাস্তৱবাদ হ'ল বাস্তৱবাদৰ সৰলতম ৰূপ। ইয়াক স্বাভাৱিক বাস্তববাদ বুলিও কোৱা হয়। ই বাহ্যিক জগতখনৰ কাণ্ডজ্ঞান ভিত্তিক দৃষ্টিভংগীৰ পোষকতা কৰে। সৰল বাস্তৱবাদৰ বাবে বিষয়ৰ প্ৰকৃতি হ'ল আমি যিদৰে উপলব্ধি কৰোঁ ঠিক তেনেকুৱাই। আনহাতে, জ'ল ল'কৰ অভিজ্ঞতালব্ধ ব্যাখ্যাই বাস্তৱবাদৰ বৈজ্ঞানিক দৃষ্টিভংগীটো প্ৰতিষ্ঠা কৰিছিল। এই দৃষ্টিভংগী অনুসৰি বিষয়ৰ এখন বাস্তৱ জগত আছে। কিন্তু সৰল বাস্তৱবাদীসকলৰ দৃষ্টিভংগীৰ বিৰোধিতা কৰি বৈজ্ঞানিক বাস্তৱবাদে কয় যে বিষয়বোৰ প্ৰত্যক্ষভাৱে জানিব পৰা নাযায়। বিষয় এটাৰ অন্তৰ্নিহিত গুণবোৰৰ দ্বাৰাহে বিষয়টোক জনা যায়। সকলো বিষয়ৰে নিজস্ব গুণ থাকে। বৈজ্ঞানিক বাস্তৱবাদৰ সৈতে জড়িত চিন্তাবিদসকলে বিষয়ৰ গুণবোৰক দুটা ভাগত ভগাইছে। ভাগ দুটা হ'ল- মুখ্য আৰু গৌণ গুণ। মুখ্য গুণবোৰ মনৰ অপৰিৱৰ্তনশীল আৰু বস্তুনিষ্ঠ উপাদান। আনহাতে, গৌণ গুণবোৰ পৰিৱৰ্তনশীল আৰু ব্যক্তিনিষ্ঠ। সৰল বাস্তৱবাদৰ সীমাৱদ্ধতাবোৰৰ শুধৰণি কৰিবলৈ যাওঁতে ল'কে বাস্তৱবাদৰ এটা নতুন ৰূপ বিকশাই তুলিছিল। এই ৰূপটোকেই বৈজ্ঞানিক বাস্তৱবাদ নাইবা প্ৰতিনিধিত্ববাদ বোলা হয়। পৰৱৰ্তী সময়ত বহুতো চিন্তাবিদে বৈজ্ঞানিক বাস্তৱবাদৰো সমালোচনা কৰিছিল যদিও জ্ঞান মীমাংসা দৰ্শনৰ ইতিহাসত ইয়াৰ ভূমিকা যথেষ্ট তাৎপৰ্যপূৰ্ণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বাস্তৱবাদ কি?

.....

.....

প্রশ্ন নং ২ ঃ বাস্তৱবাদৰ প্রকাৰ দুটা কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ সৰৱল বাস্তৱবাদৰ দৃষ্টিভংগীটো কেনেকুৱা?

.....

.....

প্রশ্ন নং ৪ ঃ সৰল বাস্তৱবাদ সমর্থনকাৰী চিন্তাবিদসকলে বিষয়ৰ প্রস্থিতি (status) কেনেদৰে বর্ণনা কৰিছে?

.....

.....

প্রশ্ন নং ৫ ঃ 'সৰল বাস্তৱবাদ' বোলা অভিধাটো কোনে পোণপ্রথমবাৰ ব্যৱহাৰ কৰিছিল?

.....

.....

প্রশ্ন নং ৬ ঃ 'সৰল বাস্তৱবাদক প্রতিনিধিত্ববাদ বুলিও জনা যায়'- শুদ্ধনে অশুদ্ধ?

.....

.....

প্রশ্ন নং ৭ ঃ বৈজ্ঞানিক বাস্তৱবাদৰ জনক কোন?

.....

.....

প্রশ্ন নং ৮ ঃ বৈজ্ঞানিক বাস্তৱবাদে বিষয়ৰ প্রস্থিতি কেনেদৰে বর্ণনা কৰে?

.....

.....

প্রশ্ন নং ৯ ঃ 'বৈজ্ঞানিক বাস্তৱবাদৰ মতে বিষয়বোৰৰ প্রত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰি'- শুদ্ধনে অশুদ্ধ?

.....

.....

প্ৰশ্ন নং ১০ ঃ ল'কৰ মতে বিষয়ৰ মুখ্য গুণ কোনবোৰ?

.....

.....

প্ৰশ্ন নং ১১ ঃ ল'কৰ মতে বিষয়ৰ গৌণ গুণ মানে কি?

.....

.....

প্ৰশ্ন নং ১২ ঃ ল'কে বৰ্ণনা কৰা মতে মুখ্য গুণবোৰৰ প্ৰকৃতি বিষয়নিষ্ঠ নে ব্যক্তিনিষ্ঠ?

.....

.....

প্ৰশ্ন নং ১৩ ঃ ল'কে বৰ্ণনা কৰা মতে গৌণ গুণবোৰৰ প্ৰকৃতি বিষয়নিষ্ঠ নে ব্যক্তিনিষ্ঠ?

.....

.....

প্ৰশ্ন নং ১৪ ঃ মুখ্য গুণবোৰ কিয় বস্তুনিষ্ঠ প্ৰকৃতিৰ হয়?

.....

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰ্শন শাস্ত্ৰই জ্ঞান আৰু বাস্তুৱৰ অধ্যয়নক সামৰি লয়।
- বাস্তৱবাদ হ'ল এটা দাৰ্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয়বোৰ হ'ল বাস্তৱ।
- বাস্তৱবাদ হ'ল এটা অধিবিদ্যামূলক তত্ত্ব। ই বিষয় নাইবা বস্তুৰ অস্তিত্ব সম্পৰ্কে আলোচনা কৰে।
- বাস্তৱবাদৰ জ্ঞান মীমাংসা ভিত্তিক বিশ্লেষণ অনুসৰি সাক্ষাৎজ্ঞানসম্পন্ন মন আৰু জ্ঞেতাৰ পৰা বিষয় স্বতন্ত্ৰ।
- বাস্তৱবাদৰ প্ৰধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদ।
- সৰল বাস্তৱবাদ হ'ল বাস্তৱবাদৰ সাধাৰণ আৰু সৰলতম ৰূপ। এই ৰূপ অনুসৰি আমাৰ উপলব্ধিত ধৰা পৰা সকলো বিষয়ৰে স্বতন্ত্ৰ অস্তিত্ব থাকে।
- ডুৰাণ্ট ড্ৰেক-এ তেওঁৰ গ্ৰন্থ 'Invitation to Philosophy' ত পোন প্ৰথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল।
- সৰল বাস্তৱবাদ মতে সকলো বিষয়েই স্বতন্ত্ৰভাৱে বৰ্তি থাকে আৰু কোনো এক বিষয়ৰ

জ্ঞানে বিষয়টোক নাইবা ইয়াৰ অস্তিত্বক কোনোধৰণে প্ৰভাৱিত নকৰে।

- অভিজ্ঞাতাবাদী দাৰ্শনিক জ'ন ল'কে বৈজ্ঞানিক বাস্তৱবাদৰ দৃষ্টিভংগীটো প্ৰতিষ্ঠা কৰিছিল।
- জ'ন ল'কে তেওঁৰ গ্ৰন্থ 'An Essay Concerning Human Understanding' ত জ্ঞানৰ প্ৰকৃতি বৰ্ণনা কৰি কৈছে যে যথাযথ জ্ঞানৰ প্ৰকৃতি নিশ্চিত, নিৰ্দেশনামূলক আৰু বাস্তৱ।
- বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৰে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্ৰ অস্তিত্ব আছে।
- ল'কৰ মতে মানুহে কোনো বিষয়ৰ গুণবোৰৰ জৰিয়তে বিষয়টোৰ জ্ঞান লাভ কৰে।
- ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণৰ ধাৰণা দুটা প্ৰচলিত কৰিছিল।
- ল'কে জ্ঞানক এক পৰোক্ষ প্ৰক্ৰিয়া বুলি বৰ্ণনা কৰিছিল।
- বৈজ্ঞানিক বাস্তৱবাদ মতে বিষয়ৰ মুখ্য গুণবোৰ বস্তুনিষ্ঠ আৰু গৌণ গুণবোৰ ব্যক্তিনিষ্ঠ।
- ল'কৰ বৈজ্ঞানিক বাস্তৱবাদক প্ৰতিনিধিত্ববাদ বুলিও জনা যায়।
- বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কোনো বিষয়ৰ জ্ঞান আহৰণ কৰা প্ৰক্ৰিয়াটো হ'ল সৰল ধাৰণাৰ সহায়ত লাভ কৰা এক জটিল ৰূপ।



৩.৯ অধিক জানিবলৈ

1) Masih, Y. (1993). *A Critical History of Western Philosophy.* Motilal Banarsidass

2) Sharma,R.M (2010). Western and Indian Metaphysics and Epistemology. Surjeet Publication.

3) Sinha, J. N.(2014). *Introduction to Philosophy.* New Central Book Agency (P)Ltd.



৩.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ বাস্তৱবাদ হ'ল এটা দাৰ্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয়বোৰ হ'ল বাস্তৱ।

২নং প্ৰশ্নৰ উত্তৰঃ বাস্তৱবাদৰ প্ৰধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদ।

৩নং প্ৰশ্নৰ উত্তৰঃ সৰল বাস্তৱবাদৰ দৃষ্টিভংগীটো ব্যৱহাৰিক বাস্তৱিক । এই দৃষ্টিভংগী মতে

এটা বিষয় ইয়াক যেনে দেখা যায় ঠিকতেনেকুৱাই।

৪নং প্ৰশ্নৰ উত্তৰঃ সৰল বাস্তৱবাদ মতে সকলো বিষয়েই স্বতন্ত্ৰভাৱে বৰ্তি থাকে আৰু কোনো এক বিষয়ৰ জ্ঞানে বিষয়টোক নাইবা ইয়াৰ অস্তিত্বক কোনোধৰণে প্ৰভাৱিত নকৰে।

৫নং প্ৰশ্নৰ উত্তৰঃ ডুৰাণ্ট ড্ৰেক-এ তেওঁৰ গ্ৰন্থ 'Invitation to Philosophy' ত পোন প্ৰথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল।

৬নং প্ৰশ্নৰ উত্তৰঃ অশুদ্ধ. সৰল বাস্তৱবাদক স্বাভাৱিক বাস্তৱবাদ অথবা কাণ্ডজ্ঞান দৃষ্টিভংগী বুলি জনা যায়।

৭নং প্ৰশ্নৰ উত্তৰঃ অভিজ্ঞাতাবাদী দাৰ্শনিক জ'ন ল'কে বৈজ্ঞানিক বাস্তৱবাদৰ দৃষ্টিভংগীটো প্ৰতিষ্ঠা কৰিছিল।

৮নং প্ৰশ্নৰ উত্তৰঃ বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৰে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্ৰ অস্তিত্ব আছে।

৯নং প্ৰশ্নৰ উত্তৰঃ অশুদ্ধ। বৈজ্ঞানিক বাস্তৱবাদ মতে বিষয়বোৰ প্ৰত্যক্ষ ৰূপত জানিব নোৱাৰি।

১০নং প্ৰশ্নৰ উত্তৰঃ জ'ন ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ মাজত থকা পাৰ্থক্য কিছুমানলৈ আঙুলিয়াই দেখুৱাছিল। মুখ্য গুণবোৰ জ্ঞানৰ সকলো ধৰণৰ প্ৰভাৱৰ পৰা মুক্ত। কাৰণ, এই গুণবোৰ বিষয়টোত অন্তৰ্নিহিত হৈ থাকে। মুখ্য গুণৰ উদাহৰণ কেইটামান হ'ল আকাৰ, আকৃতি, দৈৰ্ঘ্য, ঘনত্ব, সংখ্যা, গতিশীলতা ইত্যাদি।

১১নং প্ৰশ্নৰ উত্তৰঃ যিবোৰ গুণ বিষয়টোত অন্তৰ্নিহিত হৈ নাথাকে সেইবোৰক গৌণ গুণ বোলে। যেনে- ৰং, স্বাদ, গোন্ধ, উষ্ণতা আদি। এই গুণবোৰৰ অভিজ্ঞতা বিভিন্ন ব্যক্তিৰ বাবে ভিন ভিন হ'ব পাৰে নাইবা ভিন ভিন সময়ত একেজন ব্যক্তিয়ে এই গুণবোৰৰ ভিন্ন অভিজ্ঞতা লাভ কৰিব পাৰে।

১২নং প্ৰশ্নৰ উত্তৰঃ ল'কৰ মতে মুখ্য গুণবোৰ বস্তুনিষ্ঠ।

১৩নং প্ৰশ্নৰ উত্তৰঃ ল'কৰ মতে গৌণ গুণবোৰৰ প্ৰকৃতি ব্যক্তিনিষ্ঠ।

১৪নং প্ৰশ্নৰ উত্তৰঃ মুখ্য গুণবোৰ বস্তুনিষ্ঠ। কাৰণ, এই গুণবোৰ বিষয়তেই অন্তৰ্নিহিত হৈ থাকে আৰু জ্ঞানে এইবোৰক কোনো ধৰণে প্ৰভাৱিত কৰিব নোৱাৰে।



৩.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন-

প্ৰশ্ন ১ঃ বাস্তৱবাদ কি

প্ৰশ্ন ২ঃ বাস্তৱবাদ কেইপ্ৰকাৰৰ আৰু কি কি?

প্ৰশ্ন ৩ঃ সৰল বাস্তৱবাদ মানে কি?

প্ৰশ্ন ৪ঃ বৈজ্ঞানিক বাস্তৱবাদ মানে কি?

প্ৰশ্ন ৫ঃ মুখ্য গুণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৬ঃ গৌণ গুণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৭ঃ বাস্তৱবাদত বাহ্যিক জগতৰ বিষয়বোৰৰ প্ৰস্থিতি কি?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ বাস্তৱবাদৰ বৈশিষ্ট্যসমূহ চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ সৰল বাস্তৱবাদ সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ল'কৰ প্ৰতিনিধিত্ববাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ মুখ্য আৰু গৌণ গুণৰ মাজত কি প্ৰভেদ আছে?

প্ৰশ্ন ৫ঃ বৈজ্ঞানিক বাস্তৱবাদ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰক।

(গ)ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্নঃ ১ বৈজ্ঞানিক বাস্তৱবাদ কি? বৈজ্ঞানিক বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক।

প্ৰশ্নঃ ২ সৰল বাস্তৱবাদ কি? সৰল বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক।

প্ৰশ্নঃ ৩ বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ প্ৰভেদ ব্যাখ্যা কৰক।

প্ৰশ্নঃ ৪ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্ৰভেদবোৰ বিচাৰি উলিয়াওক।

****

অধ্যায় ৪ঃ নব্য বাস্তৱবাদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱ বাদ
৪.৪ জ্ঞানসীমাংসীয় অদ্বৈতবাদ
৪.৫ সৰল বাস্তৱবাদ আৰু নব্য বাস্তৱবাদ
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাস্তৱিকতাৰ তত্ত্বৰূপে নব্য বাস্তৱবাদৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- জ্ঞানমীমাংসীয় অদ্বৈতবাদৰ সংজ্ঞা আগবঢ়াব পাৰিব
- সৰল বাস্তৱবাদ আৰু নব্য বাস্তৱবাদৰ মাজৰ সম্পর্ক আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

দর্শনৰ ইতিহাস অধ্যয়ন কৰিলে এই কথা গম পোৱা যায় যে বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে বাস্তৱিকতা/ যথার্থতা (Reality) নাইবা জ্ঞানৰ বিষয়বস্তুৰ ধাৰণাটো বুজি লৈছে আৰু ব্যাখ্যা আগবঢ়াইছে। ইয়াৰ ফলত বাস্তৱিকতাৰ বিভিন্ন তত্ত্বৰ উন্মেষ ঘটিছে।

এটা তত্ত্বৰূপে বাস্তৱিকতাই কয় যে জ্ঞানৰ বিষয়বস্তু (object of knowledge)ৰ মনৰ পৰা স্বতন্ত্র অস্তিত্ব থাকে। বাস্তৱিকতাৰ সাধাৰণ মতবাদটো হ'ল যে- যিয়েই আছে সেয়াই বাস্তৱ (whatever is, is real)। বাস্তৱ মানে যি আছে তাৰ এক সত্বা/ অস্তিত্ব (Being) আছে আৰু ই মনৰ পৰা স্বতন্ত্রভাৱে কিবা ৰূপে কোনো কার্য সম্পাদন কৰে। কিন্তু বাস্তৱিকতাই বিভিন্ন প্রকাৰ আৰু মাত্রা মানি লয়। কাৰণ, কোনো বিষয়বস্তু মনৰ পৰা সম্পূর্ণ স্বতন্ত্র নাইবা মনতকৈ সম্পূর্ণ পৃথক নাইবা আংশিকভাৱে স্বতন্ত্র অথবা পৃথক আৰু বিভন্ন পৰিমাণে স্বতন্ত্র অথবা পৃথক হ'ব পাৰে।

জ্ঞানৰ বিষয়বস্তুৰ অতিৰিক্ত মানসিক অস্তিত্ব আছে বুলি প্রচলিত বাস্তৱবাদী মনোভাৱটো দর্শনৰ নতুন মনোভাৱ নহয়। বাস্তৱবাদীসকলৰ মতে বাস্তৱিকতা হ'ল মানুহৰ সহজ বিশ্বাস

(instinctive belief) । ই সেয়েহে মানুহৰ সমানেই পুৰণি। আধুনিক বাস্তৱবাদে পুৰণি বাস্তৱবাদৰ বিভিন্ন ৰূপৰ পৰা নিজৰ কেন্দ্রীয় সমল সংগ্রহ কৰিছে। প্রধানকৈ আমেৰিকা যুক্তৰাষ্ট্র আৰু গ্রেট বৃটেইনত আধুনিক বাস্তৱবাদৰ উত্থান ঘটিছিল।

বাস্তৱবাদৰ সংশোধিত ৰূপৰ প্রতিনিধিত্ব কৰা নব্য বাস্তৱবাদ হ'ল এটা আন্দোলন। ঊনবিংশ শতিকাৰ চৰম আদর্শবাদ (Absolute Idealism) ৰ বিৰোধ হিচাপে প্রধানকৈ নব্য বাস্তৱবাদী আন্দোলনৰ বিকাশ ঘটিছিল। এই আন্দোলনে চৰম আদর্শবাদক আধাৰ হিচাপে লৈ বিকশিত হোৱা ব্যক্তিনিষ্ঠবাদী আদর্শবাদ (Subjective Idealism) অথবা আত্মবাদ (Solipcism)ৰ কিছুমান অযৌক্তিক দাবীৰো প্রতিবাদ কৰিছিল। ১৯১২ চনত ছগৰাকী বিশিষ্ট আমেৰিকান বাস্তৱবাদী ক্রমে এডউইন বিছেল হ'ল্ট, ৱাল্টাৰ টেইলৰ মার্ভিন, ৱিলিয়াম পিপাৰেল মণ্টেগু, ৰালফ্, বার্যন পেৰী, ৱাল্টাৰ ব'টন পিট্কিন্ আৰু এডৱার্ড গ্লীছন স্পাউলগিং- এ মিলি The New Realism নামৰ গ্রন্থখন প্রকাশ কৰিছিল। গ্রন্থখনত তেওঁলোকে বাস্তৱবাদৰ পুৰণি ৰূপবোৰৰ কিছুমান মৌলিক দিশৰ পৰা পৃথক বাস্তৱবাদৰ আন এটা ৰূপৰ পোষকতা তথা আলোচনা কৰিছিল।

৪.৩ নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱবাদ

আমেৰিকা যুক্তৰাষ্ট্রত প্রচলিত বাস্তৱবাদৰ প্রধান ৰূপবোৰৰ এটা হ'ল নব্য বাস্তৱবাদ। নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱবাদ মূলতঃ এনে এক সূত্র যিটোৱে জনাৰ প্রক্রিয়াটো (knowing process) আৰু জ্ঞান বস্তু (thing known)ৰ মাজৰ সম্পর্ক অধ্যয়নত সহায় কৰে। The New Realism গ্রন্থৰ প্রণেতা হ'ল্ট, মার্ভিন, মণ্টেগু, পেৰী, পিট্কিন আৰু স্পাউল্ডিং-এ প্রত্যক্ষ বাস্তৱবাদৰ পোষকতা কৰিছিল তথা প্রত্যক্ষৰ উপস্থাপনবাদী তত্ত্ব (presentative theory of perception)ত বিশ্বাস কৰিছিল। "বস্তু নাইবা বিষয় (object)বোৰ ধাৰণাৰ দ্বাৰা সচেতনতাত উপস্থাপিত নহয়; সেইবোৰ নিজে নিজেই প্রত্যক্ষভাৱে উপস্থাপিত হয়।" নব্য বাস্তৱবাদৰ মতে বাহ্যিক বস্তু নাইবা বিষয়বোৰ মনৰ পৰা স্বতন্ত্র আৰু বাহ্যিক ৰূপে অনুভূত হয়। বিষয় নাইবা বস্তুবোৰ ধাৰণাৰ মাধ্যমেৰে অনুভূত নহয়। বাহ্যিক বিষয় নাইবা বস্তুবোৰে কোনো মনৰ দ্বাৰা অনুভূত নোহোৱাকৈ স্বতন্ত্র অস্তিত্ব বর্তাই ৰাখে। সেইবোৰ মন নির্ভৰ নহয়। সসীম অথবা অসীম দুয়ো ধৰণৰ বিষয় বস্তু মনৰ পৰা স্বতন্ত্র।

আন সকলো বাস্তৱবাদৰ দৰে নব্য বাস্তৱবাদেও এই কথাত দৃঢ়ভাৱে একমত যে বস্তুবোৰ স্বতন্ত্র। ই দৃঢ়তাৰে পোষণ কৰা আন এটা মত হ'ল যেতিয়া বস্তুবোৰ জ্ঞাত হয়, তেতিয়া বস্তুবোৰ তৎক্ষণাত জ্ঞানৰ বিষয় /বস্তু (objects of knowledge) হৈ পৰে। বস্তুবোৰে চিধাই আমাৰ মনত প্রৱেশ কৰে। তেতিয়া কাৰিকৰী ভাষাত বস্তুবোৰক 'সংবেদন' (sensa) অথবা জ্ঞানৰ তাৎক্ষণিক বিষয় /বস্তু বোলা হয়। জ্ঞানৰ তাৎক্ষণিক বিষয়/ বস্তু অথবা অনুভূতিয়েই হ'ল 'সংবেদন'। যেনে-কোনো শ্রাব্য ধ্বনিৰ এটা টুকুৰা নাইবা দর্শনসাধা ৰঙৰ এডোখৰ বোলোৱা অংশ (a patch)ক ভৌতিক বুলি ধৰা হয়। অর্থাৎ, বাহ্যিক বস্তুবোৰ এক নির্দিষ্ট সম্পর্কৰ ভিত্তিত 'সংবেদন'ৰ বাহিৰে আন একো নহয়। সংবেদন বোৰ ব্যক্তিনিষ্ঠ নহয়।

নব্য বাস্তৱবাদৰ কেন্দ্রীয় বিষয়টো হ'ল সংবেদন আৰু ভৌতিক বিষয় / বস্তু অথবা মনৰ পৰা স্বতন্ত্র বস্তুৰ মাজৰ সম্পর্ক। মানুহৰ অনুভূতিত ধৰা দিয়া প্রত্যক্ষ বিষয়টো মেজ (ভৌতিক বাস্তৱিকতা) খন নহয়, কিন্তু কেইটামান নির্দি,ট সংবেদনহে। যেনে- মেজখনৰ দৃঢ়তা, মেজখনৰ ৰংটো আৰু মেজখনৰ আকৃতি ইত্যাদি। যদি সংবেদনবোৰ ভৌতিক যথার্থতাৰ অংশ, তেন্তে একেখন মেজৰেই ইয়াৰ প্রকৃত অংশবোৰৰ পৰস্পৰ বিৰোধী আন কিছুমান সংবেদন থাকিব লাগিব। যেনে- মেজখন এটা বিন্দুৰ পৰা আয়তাকাৰ আৰু আন এটা বিন্দুৰ পৰা বর্গাকাৰ দেখাব লাগিব। কিন্তু মেজখন পৰস্পৰ বিৰোধী সংবেদনবোৰৰ মুঠ ফলাফল হ'ব নালাগিব। সেয়েহে ক'ব পৰা যায় যে মেজখনে আমাৰ মনত কিছুমান সংবেদনৰ সৃষ্টি কৰে আৰু ইয়াৰ দ্বাৰাই প্রমাণিত হয় যে ভৌতিক যথার্থতা হ'ল সংবেদনৰ কাৰণ। এই কথাই লকৰ উপস্থাপনবাদৰ কথা সোঁৱৰাই দিয়ে। তেওঁ কৈছিল যে বাহ্যিক যথার্থতাৰ অস্তিত্ব হ'ল সংবেদনৰ কাৰণ। সংবেদনবোৰ ভৌতিক নহয়, এইবোৰ হ'ল মানৱ মনত হোৱা ভৌতিক যথার্থতাৰ প্রতিফলন। মানুহে কেৱল সংবেদনবোৰৰ কথাহে জানিব পাৰে। বাহ্যিক ভৌতিক বিষয় /বস্তুবোৰ মানুহৰ জ্ঞানৰ বাহিৰৰ বিষয় /বস্তু।

অৱশ্যে কিছু সংখ্যক সমালোচকে আঙুলিয়াই দেখুৱাইছে যে বিষয় /বস্তুৰ জ্ঞান নব্য বাস্তৱবাদীসকলে ভবাৰ দৰে তাৎক্ষণিক আৰু প্রত্যক্ষ নহয়। তাৎক্ষণিক অনুভূতিৰ বিষয় /বস্তুবোৰ বাহ্যিক ভৌতিক যথার্থতা হ'ব নোৱাৰে। এটা উদাহৰণলৈ মন কৰক।

স্বাভাৱিক দৃষ্টিশক্তিসম্পন্ন মানুহ এজনে এপাহ ফুল ৰঙা দেখিব। কিন্তু বর্ণান্ধ মানুহ এজনে একোটা ফুলকে ধোঁৱা বৰণীয়া দেখিব। যদি ৰং ভৌতিক, তেন্তে ফুলপাহ ৰঙা আৰু ধোঁৱা বৰণীয়া হ'ব, কিন্তু ই এক অযৌক্তিক কথা হ'ব। ভৌতিক ৰূপত সংবেদনে ভ্রান্তি (error), ভ্রম (illusion) আৰু একেটা বস্তুকে দুটা ৰূপত দেখাৰ পৰিঘটনাবোৰ ব্যাখ্যা কৰিব নোৱাৰে।

কেইগৰাকীমান নব্য বাস্তৱবাদীয়ে সপোনত দেখা বিষয় /বস্তু, ভ্রমোৎপাদক প্রকাশ (illusory appearances), মানসিক বিভ্রম (hallucination) আদিৰ দৰে কথাবোৰ ব্যক্তি নিষ্ঠ নহয় আৰু কর্মবিধিৰ দৰে একেখন একেখন ভৌতিক জগতৰে অংশ আৰু সমানেই বিষয়নিষ্ঠ বুলি ক'ব খোজে। অৱশ্যে সংবেদনবোৰ সাধাৰণ ভৌতিক বিষয় /বস্তুত ওপৰঞ্চিকৈ উপজীৱিতা থকা। এটা উদাহৰণলৈ মন কৰক, যেতিয়া মানুহ এজনে ৰছী এডালক সাপ বুলি ভাবে, তেতিয়া স্থান আৰু কালত ৰছীডালৰ অস্তিত্ব থাকিব কিন্তু সাপৰ অস্তিত্ব নাথাকে। সাপডাল বিদ্যমান নহয়, কাৰণ ইয়াৰ স্থান আৰু কালত অস্তিত্ব নাই, কিন্তু সাপডালৰ উপজীৱিতা আছে।

নব্য বাস্তৱবাদীসকলে কয় যে বস্তুনিষ্ঠবাদী জগতখনৰ অস্তিত্বৰ জগতখনৰ দ্বাৰা নিঃশেষকৰণ নঘটে। বস্তুনিষ্ঠবাদী জগতখন হ'ল উপজীৱী জগত। আনহাতে অস্তিত্বৰ জগতখন হ'ল ইয়াৰ এক অংশ। যাৰ অস্তিত্ব আছে তাৰ উপজীৱিতা আছে কিন্তু ইয়াৰ বিপৰীতটো সত্য নহয়। নব্য বাস্তৱবাদী সকলে অস্তিত্ব () আৰু উপজীৱিতা ()ৰ মাজৰ প্রভেদবোৰ নিৰূপন কৰি ভ্রমোৎপাদক বিষয়বস্তু ()ৰ বস্তুনিষ্ঠতাক সুৰক্ষা প্রদান কৰিছিল। বাস্তৱ ভৌতিক বস্তুৰ থকাৰ দৰে ভ্রমোৎপাদক বস্তুবোৰৰ স্থান আৰু কালত কোনো অস্তিত্ব নাথাকে। কিন্তু সেইবোৰ ভৌতিক বস্তুৰ দৰেই অভিজ্ঞতাৰ একোটা বস্তু /বিষয় হ'ব পাৰে আৰু সত্বাৰ সর্বাত্মক ব্রহ্মাণ্ডখনত এইবোৰৰ

অৱস্থিতি থাকে। অর্থাৎ, বস্তুনিষ্ঠ হোৱা আৰু বাস্তৱ হোৱা একেটা কথা নহয়। একেদৰে, মিছা (false) মানেই ব্যক্তিনিষ্ঠ হোৱা নুবুজায়। ই. বি. হ'ল্টৰ মতে, "বাস্তৱবাদৰ সাৰমর্ম সকলো বস্তুৱেই যথার্থ বুলি জোৰ দিয়াটো নহয়; ইয়াৰ পৰিৱর্তে যিটো হয় সেইটোত, যিটোআছে সেইটোত আৰু যিটো যিধৰণে আছে সেইটোত জোৰ দিয়াটোহে বাস্তৱবাদ।" অর্থাৎ, নব্য বাস্তৱবাদত ভ্রান্ত বিষয় বস্তুক অবাস্তৱ অথচ বস্তুনিষ্ঠ সত্বা (objective entity) বুলি ধৰা হয়।

কিন্তু নব্য বাস্তৱবাদে কোনো স্থানিক-কালিক (spatio temporal) অস্তিত্ব নথকা উপজীৱী সত্বা (Subsistent entities) থাকিব পাৰে বুলি কৰা দাবীটো অলীক। সত্বা উপজীৱী অথবা অস্তিত্বধাৰী যিয়েই নহওক কিয় সেইবোৰ মনৰ দ্বাৰা ভবা হ'ব লাগিব। সপোন, ভ্রম আৰু মানসিক বিভ্রম বস্তুনিষ্ঠ হ'ব নোৱাৰে। এইবোৰ ব্যক্তিনিষ্ঠ, কাৰণ বিভিন্ন ব্যক্তিৰ বাবে এইবোৰৰ ৰূপ ভিন ভিন হ'ব পাৰে।

নব্য বাস্তৱবাদে সকলো সম্পর্ককে বাহ্যিক বুলি ধৰি লয়। সম্পর্কবোৰ সংশ্লিষ্ট বস্তুৰ বাহ্যিক বিষয়। এই জগতখন হ'ল পৰস্পৰৰ সৈতে বাহ্যিকভাৱে সম্পর্কিত বস্তুৰ সর্বমুঠ ফল। এই জগতখন একক ব্রহ্মাণ্ড নহয়, কিন্তু বহুব্রহ্মাণ্ডৰ সমষ্টি। সম্পর্কবোৰ বস্তুনিষ্ঠ আৰু মনৰ ওপৰত নির্ভৰশীল নহয়। সম্পর্কবোৰ মনৰ ব্যক্তিনিষ্ঠ সৃষ্টি নহয়; সম্পর্কবোৰ মনৰ পৰা স্বতন্ত্র। স্থান, কাল, কাৰণত্ব হেতুতা আদি যথার্থ আৰু অস্তিত্বধাৰী। নব্য বাস্তৱবাদীসকলে এই জগতখনক পৰম সত্বাৰ প্রকাশ বুলি গণ্য নকৰে। তেওঁলোকে এক বহুত্ববাদী ব্রহ্মাণ্ডত বিশ্বাসী।

সমালোচকসকলে দাঙি ধৰা যুক্তি অনুসৰি সকলো সম্পর্ক বাহ্যিক নহয়। কিছুমান সম্পর্ক আভ্যন্তৰীণ। বস্তু (matter), স্থান (space) আৰু কাল (time) পৰস্পৰে পৰস্পৰৰ অবিচ্ছেদ্য অংশ। এই তিনিটা উপাদান হ'ল ভৌতিক ব্রহ্মাণ্ডখনৰ আধাৰ। তিনিওটাৰে মাজত আভ্যন্তৰীণ সম্পর্ক আছে। এই আভ্যন্তৰীণ সম্পর্কবোৰৰ ভিতৰতেই আন বহুতো বস্তুৰ মাজত বাহ্যিক সম্পর্ক আছে। যেনে- মোৰ হাত আৰু কলম এটাৰ মাজত হোৱা সংযোগটো এটা বাহ্যিক সম্পর্ক।

নব্য বাস্তৱবাদ হ'ল বুদ্ধিবাদী (intellectualistic) আৰু বিশ্লেষণাত্মক প্রকৃতিৰ। ই জগতৰ বৌদ্ধিক বিশ্লেষণ আৰু বিশ্লেষণাত্মক প্রকৃতিৰ। ই জগতৰ বৌদ্ধিক বিশ্লেষণ পদ্ধতি আৰু বোধগম্যতাত বিশ্বাস কৰে। বুদ্ধিমত্তাই জগতৰ প্রকৃতি বুজি পায়। নব্য বাস্তৱবাদে বিশ্লেষণক দার্শনিক অনুসন্ধানৰ একমাত্র পদ্ধতি বুলি গণ্য কৰে। ই.জি. স্পাউল্ডিং -ৰ ভাষাত, "জনাৰ এটা পদ্ধতি হিচাপে বিশ্লেষণে এনে সত্বা অথবা অংশ আৱিষ্কাৰ কৰে যিবোৰ বিশ্লেষণৰ বাবে লোৱা সামগ্রিকতা এটাৰ সমানেই বাস্তৱ।" অর্থাৎ, এটা সামগ্রিকতা আৰু ইয়াৰ বিভিন্ন অংশ সমানেই বাস্তৱ। বিশ্লেষণে এইবোৰক মিছা বুলি প্রতিপন্ন নকৰে। ই কেৱল সামগ্রিকতাত লুকাই থকা অংশবোৰ আৱিষ্কাৰ কৰে। এই অৱস্থানটোক 'বিশ্লেষণাত্মক বাস্তৱবাদ' (Analytical Realism) বোলে।

নব্য বাস্তৱবাদৰ সবাতোকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটোক ডব্লিউ. টি. মার্ভিনে 'জ্ঞান মীমাংসাবাদৰ পৰা অধিবিদ্যাৰ মুক্তি (the emanicpation of metaphysics from epistemology)

বুলি অভিহিত কৰিছে। ইয়াৰ অর্থ হ'ল- জ্ঞানৰ প্রকৃতিত মূলতঃ বস্তুৰ প্রকৃতি বিচাৰি চাব নালাগে। বস্তুক সদায় বস্তুনিষ্ঠ পটভূমিত বস্তুনিষ্ঠ পদ্ধতিৰে অধ্যয়ন কৰা উচিত। জ্ঞান মীমাংসাই বাস্তৱ সম্পর্কীয় কোনো তত্ত্ব আগনবঢ়ায় আৰু কোনো অধিবিদ্যামূলক সমস্যা সমাধান নকৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ছগৰাকী আমেৰিকান বাস্তৱবাদীয়ে মিলি প্রকাশ কৰা গ্রন্থখনৰ নাম কি?

.....

.....

প্রশ্ন নং ২ ঃ নব্য বাস্তৱবাদীসকলৰ মতে জ্ঞানৰ তাৎক্ষণিক বিষয় বিস্তুৰ কাৰিকৰী নামটো কি?

.....

.....

৪.৪ জ্ঞান মীমাংসীয় অদ্বৈতবাদ

প্রধান জ্ঞান মীমাংসীয় প্রশ্নটো হ'ল- অনুভূত বিষয় বস্তুটো সংখ্যাগতভাৱে বিষয় বস্তুটো যেনেকুৱা (অনানুভূত) সেইটোৰ অনুৰূপনে (অর্থাৎ, এক আৰু সদৃশ সত্বাৰ দৰে) ? নব্য বাস্তৱবাদে ইয়াৰ সমর্থন কৰে। অর্থাৎ, নব্য বাস্তৱবাদৰ মতে দুয়োটাই একে। তেওঁলোকৰ মতে "জ্ঞানৰ বিষয়বস্তুবোৰ, যিবোৰ জ্ঞান সংঘটিত হোৱাৰ সময়ত মনত থাকে নাইবা মনৰ আগত ধৰা দিয়ে, সেই বিষয়বস্তুবোৰ জ্ঞাত বস্তুৰ সৈতে সংখ্যাগতভাৱে সদৃশ।" "অন্য অর্থত, যেতিয়া সচেতনতাই বস্তুবোৰ আয়ত্ব কৰি লয় তেতিয়া বস্তুবোৰ নিজেই সচেতনাতৰ বিষয়বস্তু হৈ পৰে; আৰু এই একেবোৰ বস্তুৱেই তথাকথিত বাহ্যিক জগতখনত আৰু আত্মজিজ্ঞাসাৰ ফলত প্রকট হোৱা বিভিন্নতাত ধৰা পৰে।" জ্ঞাত বিষয় বস্তু আৰু প্রকৃততে বিষয় বস্তুটো যিটো এই দুটা কথা একেই বুলি মানি লোৱা দৃষ্টিভংগীটোৱেই হ'ল জ্ঞান মীমাংসীয় অদ্বৈতবাদ। ই জ্ঞানমীমাংসীয় দ্বৈতবাদৰ বিপৰীত। দ্বৈতবাদৰ মতে জ্ঞাত বিষয় বস্তু আৰু প্রকৃততে বিষয় বস্তুটো যিটো- এই দুয়োটাই পৃথক সত্বা।

নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱবাদে জ্ঞানমীমাংসীয় অদ্বৈতবাদক সমর্থন কৰে। এই বাস্তৱবাদে প্রতিপন্ন কৰাৰ চেষ্টা কৰে যে সাক্ষাৎজ্ঞান ()এ কোনো বিষয় বস্তু সলনি নকৰে, কিন্তু বিষয় বস্তুটোৰ স্বতন্ত্র অস্তিত্ব বুজি পায়। সেয়েহে পৰীয়ে 'জ্ঞানমীমাংসীয় অদ্বৈতবাদ'ক নব্য বাস্তৱবাদৰ আধাৰ বুলি কৈছে। ই ধাৰণা আৰু বস্তুৰ মাজৰ পার্থক্য নিৰূপণ কৰে। বিষয়বস্তুৰ দিশেৰে দুয়োটাৰে মাজত পার্থক্য নাই যদিও দুয়োটা উপাদানকে দুটা ভিন্ন শিতানত ৰখা হয়।

যেনেদৰে এগৰাকী ব্যক্তি দুটা নাইবা ততোধিক সংগঠনৰ সদস্য হ'ব পাৰে, ঠিক তেনেদৰে একেটা বিষয়বস্তুৱেই সম্পৰ্কৰ এটা সমষ্টিৰ অধীনত বাহ্যিক জগতখনৰ এটা উপাদান গঢ়িব পাৰে। একে সময়তে আন এক সম্পৰ্ক সমষ্টিৰ অধীনত বিষয়বস্তুটো ধাৰণাৰ জগতখনৰ এটা অংশ হ'ব পাৰে। নব্য বাস্তৱবাদীসকলৰ লক্ষ্য হ'ল ব্যক্তিনিষ্ঠতা নাইকিয়া কৰা আৰু মানসিক পৰিঘটনাবোৰক একোটা বিষয়নিষ্ঠ যুক্তিযুক্ত পদ্ধতিৰে ব্যাখ্যা কৰা। ই. বি. হ'ল্টে সচেতনতা ()ৰ সংজ্ঞ দাঙি ধৰি কৈছে যে ই হ'ল স্নায়ু প্ৰণালীৰ নির্দিষ্ট সঁহাৰিৰ দ্বাৰা সংজ্ঞাৱদ্ধ ব্ৰহ্মাণ্ডৰ এক প্ৰস্থচ্ছেদ। অর্থাৎ, সচেতনতাৰ কোনো ব্যক্তিনিষ্ঠ অস্তিত্ব নাই। ই হ'ল ভৌতিক পৰিৱেশৰ প্ৰতি জীৱই প্ৰদর্শন কৰা নির্দিষ্ট সঁহাৰিৰ দ্বাৰা সংজ্ঞাৱদ্ধ বিষয় বস্তুৰ একোটা নির্দিষ্ট সংগ্ৰহ মাত্ৰ। ই হ'ল কোনো এক বিশেষ আৰু সুনির্দিষ্ট পটভূমিত সজ্জিত কোনো এক নির্দিষ্ট বিষয় বস্তুৰ এক বিশেষ শ্ৰেণীবিভক্তকৰণ প্ৰক্ৰিয়া। সচেতন বিভিন্নতা (Conscious manifold) গঢ়ি তোলা বিষয়। বস্তুবোৰ হয়তো এতিয়াও আন বিভিন্নতাবোৰৰ অংশ নাই হোৱা আৰু এতিয়াও দৰাচলতে সেইটো পৰিৱেশৰ অবিচ্ছেদ্য অংশ যিটো পৰিৱেশে এনে সংগ্ৰহ সৃষ্টি কৰে। নব্য বাস্তৱবাদীসকলৰ মতে বিষয় বস্তুৰ ভাষাত বিশেষভাৱে জ্ঞানৰ আকলন কৰা উচিত। আমি যিবোৰ বস্তুৰ বিষয়ে সচেতন সেইবোৰৰ বাহিৰে আন কোনো সচেতনতা নাই।

নব্য বাস্তৱবাদীসকলে পোষকতা কৰা জ্ঞানমীমাংসীয় অদ্বৈতবাদৰ আপাতঃ সৰল উপৰি পৃষ্ঠৰ আঁৰত যথেষ্ট জটিলতা লুকাই আছে। নব্য বাস্তৱবাদীসকলৰ মতে জ্ঞান সংঘটিত হোৱাৰ সময়ত মনৰ আগত থকা অথবা মনত ধৰা পৰা জ্ঞানৰ বিষয়বস্তুবোৰ জ্ঞাত বিষয়ৰ সৈতে সংখ্যাগতভাৱে সদৃশ। এই দৃষ্টিভংগীটোৱে মানসিক কার্য আৰু বিষয় বস্তুৰ মাজৰ প্ৰভেদক সম্পূর্ণৰূপে আওকাণ কৰে। অথচ, এই প্ৰভেদ হ'ল সকলো ধৰণৰ অভিজ্ঞতাৰ আধাৰ। এই দৃষ্টিভংগীয়ে সচেতনতাক বস্তু বিষয়ৰ পর্যায়লৈ পর্যবসিত কৰে।

যদি অনুভূতিত ধৰা পৰা তাৎক্ষণিক ডেটাবোৰ কোনো স্বতন্ত্ৰ ভৌতিক বস্তুৰ অনুৰূপ, তেন্তে সেই একেটা বস্তুয়েই কেনেদৰে দুই অথবা ততোধিক ব্যক্তিৰ বাবে একে সময়তে বেলেগ বেলেগ ধৰণৰ হ'ব পাৰে? আকৌ, যদি জ্ঞাত বিষয় বস্তু এটা প্ৰকৃততে বিষয় বস্তুটো যিটো সেইটোৱেই হয়, তেন্তে আমি কেনেকৈ ত্ৰুটি (erron) আৰু ভ্ৰম (illusion)ৰ ব্যাখ্যা আগবঢ়াব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ জ্ঞান মীমাংসীয় অদ্বৈতবাদ কি?

.....

.....

৪.৫ সৰল বাস্তৱবাদ আৰু নব্য বাস্তৱবাদ

সৰল বাস্তৱবাদ ()ক জনপ্ৰিয় বাস্তৱবাদ, সাধাৰণভাৱে বোধগ্ৰাহ্য বাস্তৱবাদ () , স্বাভাৱিক বাস্তৱবাদ আৰু প্ৰত্যক্ষ বাস্তৱবাদ বুলিও কোৱা হয়। সৰল বাস্তৱবাদৰ মতে, ধাৰণাবোৰ হ'ল বাহ্যিক বাস্তৱ বস্তু আৰু এই বস্তুবোৰৰ বৈশিষ্ট্যসমূহৰ হুবহু প্ৰতিচ্ছবি। বস্তুৰ সকলোবোৰ গুণ বৈশিষ্ট্যই বাস্তৱ আৰু বস্তুনিষ্ঠ অস্তিত্বধাৰী প্ৰকৃতিৰ। গুণ বৈশিষ্ট্যবোৰে বস্তুত নিজেই অস্তিত্ব বৰ্তাই ৰাখে। অৰ্থাৎ, বস্তুৰ ৰং, সোৱাদ, গোন্ধ, উষ্ণতা আৰু শীতলতাৰ দৰে বৈশিষ্ট্যবোৰ ইয়াৰ সম্প্ৰসাৰণ, দুৰ্ভেদ্যতা, গতি, স্থবিৰতা আৰু গাঢ়তা আদি বৈশিষ্ট্যৰ দৰেই চৰম আৰু বস্তুনিষ্ঠ। বস্তুৰ প্ৰাথমিক বৈশিষ্ট্যবোৰ হ'ল সম্প্ৰসাৰণ, দুৰ্ভেদ্যতা, গতি, সুপ্তাৱস্থা আৰু স্থবিৰতা। বস্তুৰ গৌণ বৈশিষ্ট্যবোৰ হ'ল ৰং, সোৱাদ, গোন্ধ, তাপমান ইত্যাদি। বস্তু আৰু ইয়াৰ আটাইবোৰ গুণ বৈশিষ্ট্যৰ অস্তিত্ব আছে আৰু এইবোৰৰ বিষয়ে মন জ্ঞাত। প্ৰাথমিক বৈশিষ্ট্যবোৰ মানৱ প্ৰজ্ঞাৰ পৰা স্বতন্ত্ৰ, কিন্তু গৌণ বৈশিষ্ট্যবোৰ মানৱ প্ৰজ্ঞা নিৰ্ভৰশীল।

সৰল বাস্তৱবাদৰ দৰে নব্য বাস্তৱবাদেও বস্তুৰ প্ৰাথমিক গুণ, গৌণ গুণ আৰু তৃতীয়ক বৈশিষ্ট্যবোৰক বাস্তৱ তথা বস্তুনিষ্ঠ বুলি মানি লয়। ইয়াৰে কোনটো গুণ বৈশিষ্ট্যই কেৱল মন প্ৰসূত ব্যক্তিনিষ্ঠ ধাৰণা নহয়। অৰ্থাৎ বস্তুৰ সম্প্ৰসাৰণ, গাঢ়তা, স্থবিৰতা আৰু গতি (প্ৰাথমিক বৈশিষ্ট্য)ৰ লগতে ৰং, ধ্বনি, সোৱাদ, গোন্ধ, উষ্ণতা আৰু শীতলতা (গৌণ বৈশিষ্ট্য) তথা সৌন্দৰ্য আৰু কুৎসিত ৰূপ (তৃতীয়ক বৈশিষ্ট্য) আদিক নব্য আৰু সৰল দুয়োবিধ বাস্তৱবাদেই বস্তুনিষ্ঠ আৰু বাস্তৱ বুলি গণ্য কৰে।

সৰল বাস্তৱবাদৰ মতে বিষয় /বস্তুবোৰ সচেতনতাত প্ৰত্যক্ষভাৱে উপস্থাপিত হয় আৰু যেনেদৰে উপস্থপিত হয় বিষয় /বস্তুবোৰ ঠিক তেনেকুৱাই। বিষয় /বস্তুক ধাৰণাই সচেতনতাত উপস্থাপন নকৰে। এইবোৰে নিজেই প্ৰত্যক্ষভাৱে সচেতনতাত উপস্থাপিত হয়। সচেতনতা হ'ল পোহৰৰ ৰশ্মিৰ দৰে। ই আমাৰ ইন্দ্ৰিয়বোৰৰ মাজেৰে পোহৰ নিক্ষেপ কৰে আৰু জগতখনৰ হুবহু ৰূপটো আমাৰ আগত উজলাই তোলে।

সৰল বাস্তৱবাদৰ দৰে নব্য বাস্তৱবাদেও প্ৰত্যক্ষ বাস্তৱবাদৰ পোষকতা কৰে আৰু প্ৰত্যক্ষৰ উপস্থাপনবাদী তত্ত্বত বিশ্বাস কৰে। " ধাৰণাই আমাৰ সচেতনতাত বিষয় /বস্তুবোৰ উপস্থাপন নকৰে। এইবোৰে নিজেই প্ৰত্যক্ষভাৱে সচেতনতাত উপস্থাপিত হয়।"

বাস্তৱবাদৰ এটা তত্ত্বৰূপে সৰল বাস্তৱবাদৰ দুৰ্বলতাটো হ'ল ই ভ্ৰম আৰু বিভ্ৰম আদিৰ ব্যাখ্যা আগবঢ়াব নোৱাৰে। সৰল বাস্তৱবাদত সপোন, বিভ্ৰম, দিবাস্বপ্ন আৰু দ্বি-দৰ্শনৰ দৰে পৰিঘটানাবোৰৰ ব্যাখ্যা নাই। এই পৰিঘটনাবোৰৰ পৰা হোৱা অভিজ্ঞতাৰ বিষয়বোৰৰ জগতত ঘটি থকা প্ৰকৃত ঘটনাসমষ্টিত অস্তিত্ব থকা বুলি ক'ব নোৱাৰি। এইবোৰক জাগতিক অথবা ভৌতিক সত্বা বুলি ক'ব নোৱাৰি। এইবোৰে মানুহৰ মনত ধাৰণা অথবা মানসিক স্থিতিৰূপে নিজ অস্তিত্ব বৰ্তাই ৰাখে বুলি ক'ব পাৰি।

নব্য বাস্তৱবাদে অনুভূতি লব্ধ ডেটাবোৰক ভৌতিক অস্তিত্বলৈ পৰ্যবসিত কৰে। কিন্তু ই

ভ্রমোৎপাদক অভিজ্ঞতাবোৰ ব্যাখ্যা কৰিব নোৱাৰে। নব্য বাস্তৱবাদৰ মতে যি ভ্রমোৎপাদক তাৰ সকলো অভিজ্ঞতাৰ পৰা স্বতন্ত্র উপজীৱিতা থাকে। কিন্তু সময় আৰু স্থানত ইয়াৰ অস্তিত্ব নাই বাবে ইয়াক অবাস্তৱ বুলি গণ্য কৰা হয়। এই দৃষ্টিভংগীত থকা সমস্যাটো হ'ল ই আমাৰ তাৎক্ষণিক অনুভৱৰ বিৱৰণৰ বিপৰীতে স্থিতি গ্রহণ কৰে। এটা ভ্রমোৎপাদক বিষয় /বস্তুবোৰ আমি স্থান আৰু কালত অস্তিত্ব থকা বিষয় /বস্তু বুলি ধৰি লওঁ। ইয়াক আমি সত্বাৰ কে অস্পষ্ট জগতৰ উপজীৱী সত্বা বুলি নাভাবো।

এগৰাকী নব্য বাস্তৱবাদী ই.বি. হ'ল্টে ভ্রমোৎপাদক আৰু বিভ্রম সৃষ্টিকাৰী বিষয় বস্তুত এক ধৰণৰ বাস্তৱ আৰোপ কৰিছে। সপোন, ভ্রম আৰু বিভ্রম আদি মনৰ পৰা স্বতন্ত্র। এইবোৰৰ একোটা বাস্তুৱ বস্তুনিষ্ঠ অস্তিত্ব থাকে। কিন্তু সপোন, ভ্রম আৰু বিভ্রমক বস্তুনিষ্ঠ অস্তিত্বধাৰী বুলি বিবেচনা কৰিলে বিষয়টো সদৌ-বস্তুনিষ্ঠবাদৰ দিশে গতি কৰিব। সদৌ-বস্তুনিষ্ঠবাদৰ সাৰ হ'ল কেৱল বিষয় /বস্তুৰ অস্তিত্ব আছে। এই ভাৱধাৰাই মন, সচেতনতা নাইবা ব্যক্তিনিষ্ঠ অস্তিত্ব মানি নলয়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে বহল অর্থত নব্য বাস্তৱবাদ হ'ল সৰল অথবা স্বাভাৱিক বাস্তৱবাদলৈ কৰা প্রত্যাৱর্তন। সপোন আৰু ভ্রম ব্যাখ্যা কৰিব নোৱাৰাৰ বাবে সৰল বাস্তৱবাদক পূর্বতে এৰাই চলা হৈছিল। কিন্তু, নব্য বাস্তৱবাদৰ দিশেৰে সৰল বাস্তৱবাদৰ যথেষ্ট ঐতিহাসিক তাৎপর্য আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সৰল বাস্তৱবাদক আন কি কি নামেৰে জনা যায়?

.....

.....

প্রশ্ন নং ৫ ঃ বস্তুৰ প্রাথমিক গুণ / বৈশিষ্ট্যবোৰ কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ নব্য বাস্তৱবাদে প্রত্যক্ষ বাস্তৱবাদৰ পোষকতা কৰেনে?

.....

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাস্তৱবাদৰ সংশোধিত ৰূপৰ প্ৰতিনিধিত্ব কৰা নব্য বাস্তৱবাদ হ'ল এটা দার্শনিক আন্দোলন। ঊনবিংশ শতিকাৰ চৰম আদর্শবাদৰ বিৰোধ হিচাপে প্রধানকৈ নব্য বাস্তৱবাদী আন্দোলনৰ বিকাশ ঘটিছিল।
- নব্য বাস্তৱবাদ অথবা নতুন বাস্তৱবাদ মূলতঃ এনে এক সূত্র যিটোৱে জনাৰ প্রক্রিয়াটো আৰু জ্ঞাত বস্তুৰ মাজৰ সম্পর্ক অধ্যয়নৰ সহায় কৰে।
- The New Realism গ্রন্থৰ প্রণেতা হ'ল্ট, মার্ভিন, মণ্টেগু, পেৰী, পিট্‌কিন আৰু স্পাউলডিং-এ প্রত্যক্ষ বাস্তৱবাদৰ পোষকতা কৰিছিল তথা প্রত্যক্ষৰ উপস্থাপনবাদী তত্ত্বত বিশ্বাস কৰিছিল।
- নব্য বাস্তৱবাদৰ মতে বাহ্যিক বস্তু নাইবা বিষয়বোৰ মনৰ পৰা স্বতন্ত্র আৰু বাহ্যিক ৰূপে অনুভূত হয়। বিষয় নাইবা বস্তুবোৰ ধাৰণাৰ মাধ্যমেৰে অনুভূত নহয়।
- নব্য বাস্তৱবাদীসকলৰ মতে আনকি সপোন, ভ্রম, বিভ্রম আদিৰো বস্তুনিষ্ঠ অস্তিত্ব আছে।
- বাস্তৱ ভৌতিক বস্তুৰ থকাৰ দৰে ভ্রমোৎপাদক বস্তুবোৰৰ স্থান আৰু কালত কোনো অস্তিত্ব নাথাকে। কিন্তু সেইবোৰ ভৌতিক বস্তুৰ দৰেই অভিজ্ঞতাৰ একোটা বিষয় বস্তু হ'ব পাৰে আৰু সত্বাৰ সর্বাত্মক ব্রহ্মাণ্ডখনত এইবোৰৰ অৱস্থিতি থাকে।
- নব্য বাস্তৱবাদে সকলো সম্পর্ককে বাহ্যিক বুলি ধৰি লয়। সম্পর্কবোৰ সংশ্লিষ্ট বস্তুৰ বাহ্যিক বিষয়। এই জগতখন হ'ল পৰস্পৰৰ সৈতে বাহ্যিকভাৱে সম্পর্কিত বস্তুৰ সর্বমুঠ ফল। এই জগতখন একক ব্রহ্মাণ্ড নহয়, কিন্তু বহুব্রহ্মাণ্ডৰ সমষ্টি।
- পেৰীয়ে 'জ্ঞানমীমাংসীয় অদ্বৈতবাদ'ক নব্য বাস্তৱ বাদৰ আধাৰ বুলি কৈছে। ই ধাৰণা আৰু বস্তুৰ মাজৰ পার্থক্য নিৰূপণ কৰে। বিষয়বস্তুৰ দিশেৰে দুয়োটাৰে মাজত পার্থক্য নাই যদিও দুয়োটা উপাদানকে দুটা ভিন্ন শিতানত ৰখা হয়।
- সৰল বাস্তৱবাদৰ মতে, ধাৰণাবোৰ হ'ল বাহ্যিক বাস্তৱ বস্তু আৰু এই বস্তুবোৰৰ বৈশিষ্ট্যসমূহৰ হুবহু প্রতিচ্ছবি। বস্তুৰ সকলোবোৰ গুণ বৈশিষ্টই বাস্তৱ আৰু বস্তুনিষ্ঠ অস্তিত্বধাৰী প্রকৃতিৰ। সৰল বাস্তৱবাদৰ দৰে নব্য বাস্তৱবাদেও বস্তুৰ প্রাথমিক গুণ, গৌণ গুণ আৰু তৃতীয়ক বৈশিষ্ট্যবোৰক বাস্তৱ তথা বস্তুনিষ্ঠা বুলি মানি লয়।
- বহল অর্থত নব্য বাস্তৱবাদ হ'ল সৰল অথবা স্বাভাৱিক বাস্তৱবাদলৈ কৰা প্রত্যাৱর্তন। নব্য বাস্তৱবাদৰ দিশেৰে সৰল বাস্তৱবাদৰ যথেষ্ট ঐতিহাসিক তাৎপর্য আছে।



৪.৭ অধিক জানিবলৈ

1) Datta, D.M., (1972) *The Chief Currents of Contemporary Philosophy*, Patna: Bharati Bhawan
2) Chakravarthy, D.K. (1993) *Fundamental Questions of Epistemology and Metaphysics*, Guwahati: Manthan Prakash
3) Bhattacharyya, H. M., (1969) *The Principles of Philosophy*. University of Calcutta
4) Sinha, Jadunath, (2009) *Introduction to Philosophy*. Kolkata: New Central Book Agency (P) Ltd.
5) Chakravarti, Sibapada.(1992) *An Introduction to Philosophy*. Calcutta: S.P.Ghose



৪.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ The New Realism

২নং প্রশ্নৰ উত্তৰ ঃ সংবেদন অথবা 'Sensa'

৩নং প্রশ্নৰ উত্তৰ ঃ জ্ঞাত বিষয় /বস্তু আৰু প্রকৃততে বিষয় /বস্তুটো যেনেকুৱা -এই দুয়োটা কথা সম্পূর্ণ একে।

সৎ-চিৎ- আনন্দৰ অর্থ হৈছে অস্তিত্ব, জ্ঞান আৰু আনন্দ বা কৃপা । 'সৎ'ৰ অর্থ স্থায়ী অস্তিত্ব, 'চিৎ'ৰ অর্থ জ্ঞান আৰু 'আনন্দ'ৰ অর্থ কৃপা, যি ব্রহ্মৰ অনিবার্য্য বৈশিষ্ট্য।

৪নং প্রশ্নৰ উত্তৰ ঃ জনপ্রিয় বাস্তৱবাদ, সাধাৱণভাৱে বোধগ্রাহ্য বাস্তৱবাদ, স্বাভাৱিক বাস্তৱবাদ অথবা প্রত্যক্ষ বাস্তৱবাদ।

৫নং প্রশ্নৰ উত্তৰ ঃ সম্প্রসাৱণ, গাঢ়তা, স্থবিৰতা আৰু গতি।

৬নং প্রশ্নৰ উত্তৰ ঃ হয়, নব্য বাস্তৱবাদে প্রত্যক্ষ বাস্তব বাদৰ পোষকতা কৰে।



৪.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন-

প্ৰশ্ন ১ঃ নব্য বাস্তৱবাদ ক'ত বিকশিত হৈছিল?

প্ৰশ্ন ২ঃ The New Realism নামৰ গ্ৰন্থখন কোনে লিখিছিল?

প্ৰশ্ন ৩ঃ নব্য বাস্তৱবাদ প্ৰত্যক্ষ নে পৰোক্ষ বাস্তৱবাদ?

প্ৰশ্ন ৪ঃ সংবেদন (Sewsa) মানে কি?

প্ৰশ্ন ৫ঃ দাৰ্শনিক অনুসন্ধানত নব্য বাস্তৱবাদীসকলে কি পদ্ধতি ব্যৱহাৰ কৰিছিল?

প্ৰশ্ন ৬ঃ নব্য বাস্তৱবাদীসকলৰ মতে সম্পৰ্ক কেনেধৰণৰ?

(খ) চমু প্ৰশ্ন (উত্তৰ প্ৰায় ১০০-১৫০ মান শব্দৰ ভিতৰত কৰিব)।

প্ৰশ্ন ১ঃ 'জ্ঞানমীমাংসীয় অদ্বৈতবাদ' ৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ঃ সৰল বাস্তৱবাদ সম্পৰ্কে এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্নঃ (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত কৰিব)।

প্ৰশ্ন ১ঃ নব্য বাস্তৱবাদৰ তত্ত্বটো বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ নব্য বাস্তৱবাদ আৰু নতুন বাস্তৱবাদৰ মাজৰ সম্পৰ্ক আলোচনা কৰক।

****

অধ্যায় ৫ঃ ব্যক্তিনিষ্ঠ ভাববাদ- বার্কলী

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ব্যক্তিনিষ্ঠ ভাববাদৰ অর্থ

৫.৪ বার্কলীয় ভাববাদ

৫.৫ বার্কলীৰ ভাববাদঃ ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ

৫.৬ আত্মজ্ঞানবাদঃ বার্কলী এগৰাকী আত্মজ্ঞানবাদী আছিল নেকি

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যক্তিনিষ্ঠ ভাববাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- জ'র্জ বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদ বর্ণনা কৰিব পাৰিব
- ব্যক্তিনিষ্ঠ ভাববাদ আৰু বস্তুনিষ্ঠ ভাববাদৰ মাজৰ পার্থক বুজি পাব

৫.২ পৰিচয়

ভাববাদ (Idealism) হ'ল এটা প্রণালীৱদ্ধ দর্শন। ই বস্তু (matter) তকৈ আত্মা / চিৎ (spirit)ৰ শ্রেষ্ঠত্বৰ কথা কয়। ভাববাদে সাক্ষাৎজ্ঞান সমৃদ্ধ মন (Knowing mind) ৰ পৰা স্বতন্ত্র বাহ্যিক বস্তুবোৰৰ বাস্তৱিকতাক অস্বীকাৰ কৰে। ভাববাদে দৃঢ়তাৰে যে মনোবাহ্য (extra-mental) কোনো বাস্তৱিকতা নাই। সকলো জ্ঞাতব্য (Knowable) সত্ত্বাই হ'ল সচেতনতাৰ একোটা বিষয়বস্তু। মন হ'ল প্রধান বাস্তৱিকতা। ধাৰণাবোৰে মনৰ পৰা স্বতন্ত্র বাহ্যিক বস্তুৰ প্রতিনিধিত্ব নকৰে। ভাববাদৰ সূত্রটোৰ মতে বাস্তৱ হ'ল ভাব অথবা মন-নির্ভৰ।

ভাববাদৰ বহুতো ৰূপ আছে। যেনে- জ'র্জ বার্কলীৰ ব্যক্তি নিষ্ঠ ভাববাদ (Subject Idealism), ইমানুৱেল কাণ্টৰ প্রপঞ্চীয় ভাববাদ (Phenomenalistic Idealism), জ'র্জ ৱিলহেম ফ্রেডৰিক্ হেগেলৰ বস্তুনিষ্ঠ- ভাববাদ (Objective Idealism) ইত্যাদি। জ'র্জ বার্কলীৰ অধ্যয়ন পদ্ধতি হ'ল ভাববাদী। তেওঁৰ দর্শন অনুসৰি আত্মা / চিৎ আৰু ইয়াৰ ধাৰণাবোৰেৰে বাস্তৱ গঢ় লৈ উঠে।

৫.৩ ব্যক্তিনিষ্ঠ ভাববাদৰ অর্থ

ব্যক্তিনিষ্ঠ ভাববাদ হ'ল এটা দার্শনিক দৃষ্টিভংগী। এটা উপলব্ধি কৰিব পৰা মন (perceiving) ত থকা অস্তিত্ববোৰৰ বাহিৰে আন একোৰে অস্তিত্ব নাই বুলি থকা ধাৰণাটো হ'ল এই দৃষ্টিভংগীৰ আধাৰ। ভাববাদৰ মতে স্বাভাৱিক জগত (natural world) খনৰ কোনো বাস্তৱ অস্তিত্ব নাই। যিসকলে উপলব্ধি কৰিব পাৰে সেইসকলৰ মনতহে ইয়াৰ অস্তিত্ব আছে। ব্যক্তিনিষ্ঠ ভাববাদে বাহ্যিক বস্তু (external objects)ৰ অস্তিত্বক অস্বীকাৰ কৰে। ই তেনে সকলো বস্তুক উপলব্ধি কৰিব পৰা সসীম মনৰ ব্যক্তিনিষ্ঠ ধাৰণালৈ পর্যবসিত কৰে। সসীম মন (finite minds) আৰু এনে মনত সৃষ্ট ধাৰণাবোৰেই হ'ল একমাত্র বাস্তৱিকতা। ইয়াৰ বাহিৰত আন কোনো জগত নাই। এই দৃষ্টিভংগীটোকেই বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদ বুলি জনা যায়।

৫.৪ বার্কলীয় ভাববাদ

জ'র্জ বার্কলী (১৬৮৫-১৭৫৩) আছিল এগৰাকী আইৰিছ বিশ্বপ আৰু দার্শনিক। তেওঁক আধুনিক যুগৰ ভাববাদৰ জনক বুলি অভিহিত কৰিব পৰা যায়। এই খ্যাতনামা ভাববাদীগৰাকীয়ে সকলো ধৰণৰ ইন্দ্রিয়াতীত মনোবাহ্য বস্তু / ধাৰণাৰ অস্তিত্ব অগ্রাহ্য কৰিছে। বার্কলীৰ ভাববাদক লকে কৰা বৈশিষ্ট্য/ গুণৰ অ-মনোবৈজ্ঞানিক মুখ্য তথা গৌণ শ্রেণীবিভাজনৰ এটা যুক্তিসংগত পৰিণাম আগবঢ়োৱা দর্শন বুলি গণ্য কৰা হয়. কাৰণ, বার্কলীয়ে জন লকৰ অভিজ্ঞতাবাদ (expiricism) ৰ বিকাশ ঘটাই ভাবভাদত ইয়াৰ যুক্তিসংগত ফলাফলবোৰ প্রতিপন্ন কৰি দেখুৱাইছিল। লকে কৈছিল যে আমি বাহ্যিক বস্তুবোৰ প্রত্যক্ষভাৱে উপলব্ধি /অনুভৱ কৰিব নোৱাৰো। কিন্তু সেই বস্তুবোৰৰ প্রভাৱ স্বৰূপে সৃষ্টি হোৱা ধাৰণাৰ জৰিয়তে আমি বস্তুবোৰৰ পৰোক্ষ জ্ঞান লাভ কৰিব পাৰোঁ।

লকে এয়াও কৈছিল যে যদি মুখ্য গুণ / বৈশিষ্ট্য অন্তর্নিহিত থকা কোনো 'বস্তু' (substance) অজ্ঞাত, তেন্তে আমি বস্তুটোৰ অস্তিত্ব আছে বুলিও ক'ব নোৱাৰো। সেয়েহে বার্কলীয়ে নিজৰ দর্শনত কৈছে যে আমাৰ মন আৰু মনত উৎপন্ন হোৱা ধাৰণাবোৰ হ'ল একমাত্র বাস্তৱিকতা আৰু ইয়াৰ বাহিৰত আন কোনো জগত নাই। যিবোৰ মনে বস্তু এটাৰ বিষয়ে জানে সেইবোৰ মনৰ বাহিৰত বস্তুটোৰ কোনো বাহ্যিক অস্তিত্ব নাই। বার্কলীয়ে যুক্তি দর্শাইছিল যে কোনো বস্তুৰ উপলব্ধিতেই বস্তুটোৰ অস্তিত্ব থাকে (প্রত্যক্ষতে বস্তুটো বিদ্যামান / Esse-est-percipi)। অর্থাৎ 'হ'বলৈ' নাইবা 'অস্তিত্ব থাকিবলৈ' কোনো বস্তু আমাৰ উপলব্ধিত ধৰা দিব লাগিব অথবা বস্তুটো জ্ঞাত হ'ব লাগিব। মনোবাহ্য বস্তুৰ অস্তিত্ব হ'ল কেৱল এটা নির্বিচাৰাত্মক (dogmatic) আৰু বাগাড়ম্বৰপূর্ণ অনুমান। জগতত মন আছে বুলি ধৰি লোৱাতকৈ মনতেই জগতখন আছে বুলি ধৰিব লাগিব। এই স্থিতি টোকেই প্রায়েই ব্যক্তিনিষ্ঠ ভাববাদ বুলি শ্রেণীবিভক্ত কৰা হয়।

বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদক কেতিয়াবা মনোবাদ (Mentalism) বুলিও কোৱা হয়। বার্কলীৰ দাবী অনুসৰি সকলো বাস্তৱ বস্তুৱেই মানসিক। এই দৃষ্টিভংগীটোক অভৌতিকতাবাদ (Immaterialism) বুলিও জনা যায়। কাৰণ, বার্কলীয়ে ভৌতিক বস্তুৰ বাস্তৱিকতা অগ্রাহ্য কৰে। বার্কলীৰ তত্ত্বটোক আধ্যাত্মবাদ (spiritualism) বুলিও অভিহিত কৰা হয়। কাৰণ, তেওঁ কেৱল আত্ম/ চিতৰ বাস্তৱিকতাত বিশ্বাস কৰে আৰু সসীম আত্ম /চিৎ তথা এনে আত্ম/ চিতৰ ধাৰণাবোৰ মানি লয়। অর্থাৎ, বার্কলীৰ তত্ত্বৰ সাৰমর্ম হ'ল কোনো মনোবাহ্য বস্তু নাই আৰু কেৱল মন অথবা আত্ম/ চিত তথা সেইবোৰত অস্তিত্ব থকা ধাৰণাবোৰহে বাস্তৱ।

বার্কলীয়ে বস্তুৰ মুখ্য আৰু গৌণ গুণ /বৈশিষ্ট্যৰ মাজত কোনো প্রভেদ নাই বুলি কৈছিল। আনহাতে, লকৰ মতে ওজন, বিস্তৃতি, গাঢ়ত্ব আদিৰ দৰে মুখ্য গুণ /বৈশিষ্ট্যবোৰ বস্তুনিষ্ঠ আৰু সোৱাদ, ৰং আদিৰ দৰে গৌণ গুণ/ বৈশিষ্ট্যবোৰ হ'ল আমাৰ মনৰ ব্যক্তিনিষ্ঠ স্থিতি। বার্কলীয়ে ইয়াৰ বিপৰীতে মুখ্য গুণ/ বৈশিষ্ট্যবোৰৰ ব্যক্তিনিষ্ঠতা সম্পর্কে তলৰ যুক্তিবোৰ আগবঢ়াইছিল-

১। যদি ৰং, সোৱাদ আদিৰ দৰে গৌণ গুণ/ বৈশিষ্ট্যবোৰৰ আমাৰ সংবেদনশীলতা অবিহনে অস্তিত্ব থাকিব নোৱাৰে, তেন্তে সেইবোৰ আমাৰ মনৰ ধাৰণা হ'ব। বিস্তৃতি, ওজন, গাঢ়ত্ব আদিৰ দৰে মুখ্য গুণ ১। যদি ৰং, সোৱাদ আদিৰ দৰে গৌণ গুণ/ বৈশিষ্ট্যবোৰো আমাৰ মনৰ ধাৰণা। কাৰণ, মনেহে এই কথাবোৰ উপলব্ধি / অনুভৱ কৰে।

২। গৌণ গুণ/ বৈশিষ্ট্যবোৰৰ দৰে মুখ্য গুণ/ বৈশিষ্ট্যবোৰো ব্যক্তিভেদে ভিন ভিন হ'ব পাৰে। শিল এটা কোনোবা এজন মানুহৰ বাবে গধুৰ আৰু আন এজনৰ বাবে পাতল হ'ব পাৰে।

৩। মুখ্য আৰু গৌণ গুণ/ বৈশিষ্ট্যবোৰক পৰস্পৰৰ পৰা পৃথককৈ উপবব্ধি /অনুভৱ কৰিব নোৱাৰি। সম্প্রসাৰিত বস্তু এটাক ৰং বিহীনভাৱে আৰু ৰঙীন বস্তু এটাক কোনো সম্প্রসাৰণ অবিহণে ধাৰণা কৰাটো অসম্ভৱ। সেয়েহে, বার্কলীৰ মতে বস্তুৰ মুখ্য আৰু গৌণ দুয়োবিধ গুণ /বৈশিষ্ট্যই ব্যক্তিনিষ্ঠ।

বার্কলীয়ে পুনৰ কৈছে যে বস্তু এটাই সৃষ্টি কৰা বোধ/ অনুভূতি (**sensation**)ৰ পৰা পৃথককৈ বস্তুটো কেতিয়াও উপলব্ধি কৰিব নোৱাৰি। তেওঁৰ ভাষাত, "কোনো এটা বস্তুৰ প্রকৃত বোধ /অনুভূতিৰ সৃষ্টি নোহোৱালৈকে বস্তুটো দেখা নাইবা অনুভৱ কৰাতো মোৰ বাবে অসম্ভৱ। সেয়েহে কোনো ইন্দ্রিয়গ্রাহ্য বস্তু অথবা বিষয়ক ইয়াৰ বোধ /অনুভূতি অথবা উপলব্ধিৰ পৰা পৃথক কৰি বস্তুটোৰ বিষয়ে ধাৰণা কৰাটোও অসম্ভৱ। দৰাচলতে বস্তু আৰু বোধ /অনুভূতি একেই আৰু সেয়েহে দুয়োটাকে পৰস্পৰৰ পৰা পৃথক কৰিব নোৱাৰি। এটা বস্তুক ইয়াৰ বোধ/ অনুভূতিৰ পৰা আঁতৰাই পৃথককৈ উপলব্ধি কৰিব নোৱাৰি। সেয়েহে উপলব্ধিত ধৰা দিয়া বস্তু এটা কোনো এক বোধ/ অনুভূতিৰ সদৃশ। মনৰ বাহিৰত ইয়াৰ কোনো অস্তিত্ব নাই।

আমাৰ উপলব্ধি কৰিব পৰা মনৰ বাহিৰত বস্তুৰ জগতখনৰ কোনো অস্তিত্ব নাই বুলি বার্কলীয়ে কৰা অনুমানৰ পৰা কেইটামান গুৰুত্বপূর্ণ প্রশ্নৰ উদ্ভৱ হ'ব পাৰে।

যদি বস্তুবোৰ কেৱল আমাৰ মনৰ ধাৰণাহে তেন্তে আমি সেইবোৰৰ বিষয়ে চিন্তা কৰাটো বাদ দিলে বস্তুবোৰ অস্তিত্বহীন হৈ পৰিব নেকি? বার্কলীয়ে কোৱা কথাৰ পৰা আমাৰ মনলৈ অহা প্ৰথম ভাৱটো হ'ল আমাৰ চিন্তাৰ পৰা স্বতন্ত্রভাৱে কোনো বস্তুৰ অস্তিত্ব নাই। কিন্তু, আমি কেনেকৈ এই তত্ত্বটোৰ সহায়ত সুসামঞ্জস্যতাৰে দৃষ্টিগোচৰ হৈ থকা বস্তুনিষ্ঠতা, স্বতন্ত্রতা, স্থায়ীত্ব আৰু বিশ্বৰ একতা ব্যাখ্যা কৰিব পাৰিম?

বার্কলীয়ে তেওঁৰ শেহতীয়া লেখনীবোৰত এনেধৰণৰ প্ৰশ্নবোৰৰ উত্তৰ দি থৈ গৈছে। অৱশ্যে পৰৱর্তী সময়ত তেওঁৰ ভাববাদে সমীম মনৰ সলনি অসীম মন (Infinite Mind)ক আধাৰ হিচাপে গ্ৰহণ কৰিছিল। তেওঁ কৈছিল যে স্থায়ীত্ব আৰু ধাৰণা প্ৰণালী (system of ideas) ৰ একতা, যাক আমি জগত (world) বুলি কওঁ তাৰ বিষয়ে ব্যাখ্যা কৰিবলৈ আমি এটা পৰম আৰু বিশ্বজনীন মনৰ কথা অনুমান কৰিব লাগিব। এই মনটোৰ চিন্তাত থকা ধাৰণাবোৰৰ , মানুহৰ সমীম মনলৈ স্থানান্তৰ ঘটে আৰু আংশিক পুনৰ উৎপাদন হয়। অর্থাৎ, বস্তু হ'ল ঐশ্বৰীয় মন (Divine mind) ৰ ধাৰণা। মানৱ উপলব্ধি হ'ল এই ঐশ্বৰীয় মনত অন্তর্নিহিত নিগূঢ়তাৰ প্ৰকাশ্য ৰূপ।

বার্কলীয়ে তেওঁৰ আৰম্ভণিৰ লেখনীবোৰত স্থানান্তৰত প্ৰকাশ কৰিছিল যে আমাৰ সমীম মনত থকাৰ বাহিৰে জগতখনৰ আন কোনো অস্তিত্ব নাই। ঈশ্বৰে আমাৰ মনত ধাৰণা সৃষ্টি কৰে অথবা ধাৰণাৰ উত্থান ঘটায়। এনে ধাৰণাই বস্তু গঢ় দিয়ে। এই ধাৰণাবোৰৰ কেৱল আমাৰ মনতহে অস্তিত্ব থাকে। মানৱ মনত ঈশ্বৰে ধাৰণা প্ৰণালীৰ কেৱল এখন জগতহে সৃষ্টি কৰিছে। সেয়েহে মানৱ ধাৰণাৰ এক প্ৰণালী হোৱাত বাদে জগতৰ আন কোনো অস্তিত্ব নাই। ই হ'ল সম্পূর্ণ ব্যক্তিনিষ্ঠ ভাববাদ। ইয়াৰ মতে সমীম মনত কেৱল ব্যক্তিনিষ্ঠ জগতৰ অস্তিত্ব আছে।

কিন্তু, বার্কলীয়ে তেওঁৰ জীৱনৰ পাচৰ পর্যায়ৰ লেখনীবোৰত স্পষ্টভাৱে কৈছিল যে ঈশ্বৰে নিজৰ মনতহে জগতখনক এক ধাৰণা প্ৰণালীৰূপে সৃষ্টি কৰিছে আৰু বর্তাই ৰাখিছে। আৰু আমাৰ উপলব্ধি হ'ল ঐশ্বৰীয় মনৰ ধাৰণাবোৰৰ এক সীমিত দৃষ্টিভংগীৰে ঘটা পুনঃ উৎপাদন। বার্কলীৰ এই চিন্তাই জগতখনৰ এটা বস্তুনিষ্ঠ অস্তিত্বৰ কথা বুজায়।

মনৰ সাক্ষাৎজ্ঞানৰ ওপৰত বস্তুৰ অস্তিত্ব নির্ভৰশীল বুলি বার্কলীয়ে আগবঢ়োৱা যুক্তিক বর্তমান সময়ৰ বিভিন্ন বাস্তৱবাদী ধাৰা সমর্থনকাৰীয়ে চোকা ভাষাৰে সমালোচনা কৰিছে।

বাস্তৱবাদীসকলৰ মতে বস্তুৰ অস্তিত্ব আছে। এই অস্তিত্ব মন আৰু মনৰ সাক্ষাৎজ্ঞানৰ পৰা স্বতন্ত্র। ইয়াৰ বিষয়ে মনৰ জ্ঞান নাথাকিলেও এই অস্তিত্বত কোনো প্ৰভাৱ নপৰে। (Esse is percipi) - ইয়াৰ অর্থ হ'ল সত্বা আছে, আৰু সেইবাবেই ইয়াক উপলব্ধি/ অনুভৱ কৰিব পাৰি। যদি কোনো সত্বা নাইবা বস্তু নাথাকিলহেঁতেন, তেন্তে ইয়াৰ বিষয়ে কোনো উপলব্ধি/ অনুভৱ নহ'লহেঁতেন। বস্তুৰ সত্বা নাইবা অস্তিত্বৰ

বার্কলীয়ে ভূলকৈ ভবাৰ দৰে উপলব্ধি /অনুভৱ অনুসৰিহে উপস্থিতি নাথাকে। বস্তুৰ সত্বা অথবা অস্তি ত্ব আছে বাবেহে ইয়াৰ বিষয়ে উপলব্ধি /অনুভৱ কৰিব পাৰি। সাক্ষাৎজ্ঞান () হ'ল এটা ব্যক্তিনিষ্ঠ মানসিক স্থিতি। কিন্তু ই মনৰ পৰা স্বতন্ত্র কোনো বস্তুৰ কথা বুজায়।

বার্কলীয়ে যুক্তি দর্শাইছিল যে যেতিয়া আমি কোনো এটা বস্তু (যেনে-নীলা) ৰ কথা উপলব্ধি /অনুভৱ কৰোঁ, তেতিয়া একে সময়তে বস্তুটোৰ এক বোধ/ অনুভূতিৰো সৃষ্টি হয়। প্রকৃত উপলব্ধিৰ পৰা আমি এই দুয়োটা উপাদানকে কেতিয়াও পৃথক কৰিব নোৱাৰোঁ। অর্থাৎ, দুয়োটা উপাদানেই পৰস্পৰৰ সদৃশ। বোধগ্রাহ্য বস্তু (নীলা)টো নীলাৰ অনুভূতিৰ সৈতে একে হ'ব লাগিব। বার্কলীৰ মতে 'নীলা' আৰু 'নীলাৰ বোধ /অনুভূতি' ইটো সিটোৰ সদৃশ। কাৰণ, দুয়োটাকে পৰস্পৰৰ পৰা পৃথককৈ উপলব্ধি কৰিব নোৱাৰি। কিন্তু, বার্কলীৰ যুক্তিৰ সমালোচনাত কোৱা হৈছে যে অবিচ্ছেদতাই পৰিচয় প্রতিপন্ন নকৰে। যদি A আৰু B ক পৰস্পৰৰ পৰা পৃথককৈ উপলব্ধি অথবা ধাৰণা কৰিব নেৱাৰি, তেন্তে সেই কথাটোৱে এয়া প্রতিপন্ন নকৰে যে বস্তু দুটা পৰস্পৰৰ সদৃশ। অবিচ্ছেদ্যতাৰ পৰা পৰিচয় সৃষ্টি নহয়।

এয়াও সত্য যে আমি জনা বস্তুবোৰে আমাৰ সৈতে একোটা প্রজ্ঞাত্মক সম্পর্ক স্থাপন কৰি বর্তি থাকে। কিন্তু ইয়াৰ মানে এইটো নহয় যে এই সম্পর্কৰ বাহিৰত বস্তুবোৰৰ অস্তিত্ব থাকিব নোৱাৰে। আনহাতে, এয়াও সত্য যে উপলব্ধি নকৰা বস্তুবোৰৰ বিষয়ে আমি সকলো কথা জানিব নোৱাৰোঁ। কিন্তু ইয়াৰ অর্থ এইটো নহয় যে আমাৰ উপলব্ধিৰ বাহিৰত কোনো বস্তু নাই।

হিউমে বিশ্বাস কৰিছিল যে আত্মজ্ঞানবাদ (Solipsism) হ'ল বার্কলীৰ (esse-est-percipi) সূত্রৰ যৌক্তিক পৰিণাম। আত্মজ্ঞানবাদৰ মতে কেৱল্ মই' আৰু 'মোৰ ধাৰণাবোৰ'ৰহে অস্তিত্ব আছে। যদি বাস্তৱ হ'বলৈ উপলব্ধিত ধৰা দিব লাগে, তেন্তে সকলোৰে ক্ষেত্রত একমাত্র বাস্তৱ বস্তুবোৰ হ'ব ব্যক্তিৰ নিজৰ মন আৰু অবিজ্ঞতাসমূহ। সেয়েহে হিউমে বার্কলীৰ ভাৱবাদক আত্মজ্ঞানবাদলৈ বিকশিত কৰিছিল। কিন্তু বার্কলী এই ক্ষেত্রত অনমনীয় আছিল যে আমাৰ মনৰ বোধ /অনুভূতিবোৰ ঈশ্বৰনির্ভৰ। অর্থাৎ, ঈশ্বৰৰ ধাৰণাটোৱে বার্কলীৰ দর্শনক সম্পূর্ণৰূপে আত্মজ্ঞানবাদত লীন যোৱাৰ পৰা ৰক্ষা কৰিছিল। কিন্তু তেওঁ নিজৰ দর্শনত যেনেদৰে ঈশ্বৰক পৰিচয় কৰাই দিছিল সেইটোৱে তেওঁৰ তত্ত্বৰ দুর্বলতাহে প্রমাণিত কৰিছিল যেন লাগে। সেই দিশৰ পৰা ক'ব পাৰি যে সম্পূর্ণ বিশুদ্ধ ব্যক্তিনিষ্ঠ ভাববাদ এক অসিদ্ধ দর্শন।

বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদত থকা এই আসোঁৱাহবোৰৰ বাবে ইয়াক জ্ঞানৰ প্রকৃতি আৰু বস্তু ব্যাখ্যাকাৰী শুদ্ধ তত্ত্ব বুলি গ্রহণ কৰিব পৰা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ ঃ ব্যক্তিনিষ্ঠ ভাববাদক আন কি কি নামেৰে জনা যায়?

প্রশ্ন নং২ ঃ বার্কলীৰ মতে Esse-est-percipi মানে কি?

৫.৫ বার্কলীৰ ভাৱবাদঃ ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ

প্রখ্যাত ভাববাদী জ'র্জ বার্কলীয়ে সকলো ধৰণৰ ইন্দ্রিয়াতীত মনোবাহ্য বাস্তৱিকতাৰ অস্তিত্ব নুই কৰিছে। তেওঁৰ মতে ভৌতিক অবয়ৱ (material bodies) বোৰ কেৱল ধাৰণাহে। কোনো মনে এই অবয়বোৰ উপলব্ধি কৰাটোতহে এইবোৰৰ অস্তিত্ব নিহিত থাকে। কিন্তু বার্কলীয়ে ঐশ্বৰিয় উপলব্ধি (Divine perception) ৰ আধাৰত বাস্তৱিকতা, বাহ্যিকতা আৰু বাস্তৱ জগতৰ স্থায়ীত্ব ব্যাখ্যা কৰিছিল। প্রশ্নটো হ'ল- আমি বার্কলীৰ ভাববাদক কি বুলি ক'ম? ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ?

এই প্রশ্নৰ উত্তৰ দিয়াৰ আগতে আমি ব্যক্তিনিষ্ঠ ভাববাদ আৰু বস্তুনিষ্ঠ ভাববাদৰ অর্থ বুজি পাব লাগিব। আক্ষৰিক অর্থত ব্যক্তিনিষ্ঠ ভাববাদ মানে হ'ল সমীম মনৰ চেতনাত থকাত বাদে বস্তুৰ জগতখনৰ আন ক'তো কোনো অস্তিত্ব নাই বুলি ভবা ধাৰণাটো। অন্য অর্থত, ব্যক্তিনিষ্ঠ ভাববাদক মতে সমীম ব্যক্তিৰ মনত থকা এটা ধাৰণা প্রণালী ৰূপেহে জগতৰ অস্তিত্ব আছে। আহহাতে, বস্তুনিষ্ঠ ভাববাদৰ আক্ষৰিক অর্থ অনুসৰি আমাৰ সমীম মনৰ পৰা স্বতন্ত্র অথবা বস্তু নিষ্ঠভাবে জগতখনৰ অস্তিত্ব আছে। কিন্তু এই জগতখনৰ ঈশ্বৰৰ সার্বজনীন মনত উন্মেষ ঘটিছে আৰু ঈশ্বৰৰ মনত নিহিত আছে। অন্য অর্থত, বস্তুনিষ্ঠ ভাবভাদৰ মতে ঈশ্বৰে তেওঁৰ নিজৰ মনত এই জগতখন এক ধাৰণা প্রণালীৰূপে সৃষ্টি কৰিছে আৰু বর্তাই ৰাখিছে। আমাৰ উপলব্ধিবোৰ হ'ল ঐশ্বৰীয় মনৰ ধাৰণাবোৰৰ আমাৰ নিজৰ মনবোৰত ঘটা পুনঃ সৃষ্টি । যদি এয়াই ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ ভাববাদৰ মাজৰ পার্থক্য হয়, তেন্তে বার্কলীয়ে প্রথম অৱস্থাত বিকশিত কৰা তত্ত্বটোক ব্যক্তিনিষ্ঠ আৰু পৰৱর্তী কালত আলোচনা কৰা তত্ত্বটোক বস্তুনিষ্ঠ বুলি ক'ব পৰা যায়।

কিন্তু বার্কলীৰ পূৱবর্তী তথা পৰৱর্তী দুয়োটা তত্ত্বকে প্রথাগতভাৱে ব্যক্তিনিষ্ঠ ভাববদৰ শ্রেণীত ৰখা হয়। হেগেল আৰু নব্য-হেগেলবাদী দার্শনিকসকলৰ তত্ত্ববোৰকহে বস্তুনিষ্ঠ ভাববাদৰ শুদ্ধ বুলি মানি লোৱা হয়।

বার্কলীৰ সমালোচকসকলে উত্থাপন কৰা আন এটা প্রশ্ন হ'ল বার্কলীক ব্যক্তিনিষ্ঠনে বস্তুনিষ্ঠ ভাববাদী বুল ধৰ হ'ব? বার্কলীৰ এচাম প্রশংসকে বার্কলীৰ পৰৱর্তী দার্শনিক চিন্তাৰ বিকাশ অধ্যয়ন কৰি তেওঁৰ ভাববাদক বস্তুনিষ্ঠ বৈশিষ্ট্যৰ বুলি মানি লৈছে। কিন্তু অধিকাংশ সমালোচকৰ মতে বার্কলীৰ ভাববাদত হেগেল আৰু তেওঁৰ অনুগামীসকলে আহৰণ কৰা বস্তুনিষ্ঠ ভাববাদৰ সম্পূর্ণ গূঢ়ার্থৰ উপস্থিতি দেখা নায। এই খিনিতে হেগেলীয় তত্ত্ব কোনবোৰ দিশত

বার্কলীৰ পৰৱৰ্তী তত্ত্বটোতকৈ পৃথক সেয়া পৰীক্ষা কৰি চোৱা যাওক। বার্কলীয় তত্ত্বৰ দৰে হেগেলীয় তত্ত্বটোৱেও পৰৱৰ্তী সময়ত এই অনুমান ব্যক্ত কৰিছিল যে এই জগতখন ঈশ্বৰ অথবা পৰম মনৰ সর্বাত্মক শক্তি আৰু চেতনাত সৃষ্টি হৈছে, বর্তি আছে আৰু নিহিত আছে। কিন্তু হেগেলীয় ভাববাদ অনুসৰি বস্তুৰ জগত এখনৰ ক্রমবিকাশ আৰু তদাৰক ঈশ্বৰ অথবা পৰম সত্ত্বাৰ মৌলিক প্রকৃতিৰ অন্তর্নিহিত বিষয়। অর্থাৎ, ঈশ্বৰৰ মূর্ত আত্ম-সচেতন জীৱনৰ বাবে জগত এখনৰ অস্তিত্ব এক আৱশ্যকীয় উপাদান। ঈশ্বৰে নিজে নিজকে এক মূর্ত সত্ত্বাৰূপে গঢ় দিছে। বস্তুৰ জগতখনৰ সচেতন বিষয়বোৰ তেওঁৰ নিজৰ দ্বাৰা সৃষ্ট আৰু নিজৰ জৰিয়তে এই বিষয়বোৰ বর্তি থাকে। ঈশ্বৰ অথবা পৰম ধাৰণাটোৱে ইয়াৰ স্ব-পৃথকীকৰণ আৰু স্ব-বৈষয়িকীকৰণৰ দ্বাৰা বস্তু আৰু মনৰ জগতত অনুভূত হয়। পৰম ধাৰণা (Absolute Idea) আৰু বস্তু তথা মনৰ জগতখনৰ মাজত অবিচ্ছেদ্য সম্পর্ক আছে। ইটোক এৰি সিটোৰ অস্তিত্ব নাই। যদি বস্তুনিষ্ঠ ভাববাদৰ ধাৰণাটোৰ উন্মেষ ঘটাৰ এই বোৰেই মৌলিক চিন্তা হয়, তেন্তে আমি বার্কলীৰ ভাববাদক বস্তুনিষ্ঠ বুলি ক'ব নোৱাৰো। বার্কলী আৰু তেওঁৰ অনুগামীসকলে ঈশ্বৰক এক চিন্তাশীল সত্ত্বাৰ ৰূপত অনুমান কৰিছিল। বস্তুৰ জগত এখন নাথাকিলেও এই সত্ত্বাটোৰ অস্তিত্ব থাকিব। অর্থাৎ, বস্তুৰূপে কোনো এখন জগতৰ অস্তিত্ব ঈশ্বৰৰ সচেতন জীৱনৰ বাবে মুঠেও আৱশ্যকীয় নাইবা অপৰিহার্য নহয়। ঈশ্বৰ কেৱল তেওঁৰ কৰণীয়বোৰৰ মাজৰ পৰা বাছৰি কৰা কার্যটোৰ ওপৰতহে নির্ভৰশীল। সেয়েহে এই তত্ত্বক এক পৃথক অর্থতহে ব্যক্তিনিষ্ঠ বুলি ক'ব পাৰি।

সামৰণিত ইয়াকে ক'ব পাৰি যে বার্কলীয় ভাৱবাদে বস্তুনিষ্ঠ ৰূপ লোৱাৰ প্রয়াস কৰিছিল যদিও শেষলৈকে ব্যক্তিনিষ্ঠ ৰূপতেই ৰৈ গ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বার্কলীৰ ভাববাদত ঈশ্বৰৰ সচেতন জীৱনৰ বাবে জগতক আৱশ্যকীয় বুলি ভবা হয়নে?

প্রশ্ন নং ৪ ঃ কাৰ তত্ত্বক বস্তুনিষ্ঠ ভাববাদৰ শুদ্ধ ৰূপ বুলি ধৰা হয়?

৫.৬ আত্মজ্ঞানবাদ ঃ বার্কলী এগৰাকী আত্মজ্ঞানবাদী আছিল নেকি

'আত্মজ্ঞানবাদ'ৰ ইংৰাজী প্রতিশব্দ 'Solipsism' ৰ মূল হ'ল দুটা লেটিন শব্দ- 'solus' আৰু 'ipse'। ইয়াৰ অর্থ হ'ল 'কেৱল ময়েই' (myself alone)। আত্মজ্ঞানবাদ অনুসৰি কেৱল মই (I) আৰু মোৰ ধাৰণাবোৰ (my ideas) ৰহে অস্তিত্ব আছে (I and my ideas alone exist)। ইয়াৰ অর্থ হ'ল, মই মোৰ অস্তিত্ব আৰু মোৰ ধাৰণা সম্পর্কে নিশ্চিত আৰু এইবোৰ বাস্তৱ। মই নিজ বাদে আৰু নিজৰ ধাৰণাবোৰৰ বাহিৰে আন একো নাজানো। "প্রতিগৰাকী ব্যক্তিয়েই কেৱল

নিজৰ মাজতে আৱদ্ধ- solus ipse"।

এইখিনিতে উদয় হোৱা প্ৰশ্নটো হ'ল- 'বার্কলী এগৰাকী আত্মজ্ঞানবাদী আছিল নেকি?' এয়া সত্য যে বার্কলীয়ে দৃঢ়তাৰে কৈছিল যি বাস্তৱ সেয়া সকলো মানসিক। কিন্তু কেৱল এই মন্তব্যৰ আধাৰত আমি তেওঁক এগৰাকী আত্মজ্ঞানবাদী বুলি ক'ব নোৱাৰোঁ। বার্কলী আত্মজ্ঞানবাদী নাছিল। তেওঁ বিশ্বাস কৰিছিল যেকোনো বাহ্যিক কার্যকলাপৰ ফলেই হ'ল অভিজ্ঞতা আৰু এই অভিজ্ঞতা কেৱল আমাৰেই নহয়। তেওঁ স্ব-সত্বাৰ যাদুকৰী চক্ৰৰ পৰা বাহিৰ হ'বলৈ ঈশ্বৰৰ ধাৰণাটোৰ ওপৰত নির্ভৰ কৰিছিল। তেওঁ কৈছিল যে আমাৰ মনৰ বোধ / অনুভূতিবোৰ ঈশ্বৰৰ ওপৰত নির্ভৰশীল। আমাৰ সকলো বোধ/ অনুভূতিৰ কাৰণ হ'ল ঈশ্বৰ। বার্কলীয়ে সমীম চিত / আত্মা আৰু ঈশ্বৰৰ অস্তিত্বক স্বীকৃতি দিছিল। ঈশ্বৰে সমীম মনত কিছুমান স্থিৰ নীতি নিয়ম অনুসৰি বোধ/ অনুভূতিৰ উদ্ৰেক কৰে। আকৌ, অন্য সমীম চিত / আত্মায়ো আমাৰ মনত কিছুমান নির্দিষ্ট বোধ / অনুভূতিৰ জন্ম দিয়ে। আৰু ঈশ্বৰৰ প্ৰতি থকা আমাৰ বিশ্বাসে এই বোধ / অনুভূতিৰ অস্তিত্ব তথা আমাৰ এইবোৰৰ সৈতে সম্পর্ক নিশ্চিত কৰে। অর্থাৎ, ঈশ্বৰৰ ধাৰণাটোৱে বার্কলীৰ দর্শনক আত্মজ্ঞানবাদত লীন যোৱাৰ পৰা ৰক্ষা কৰিছে।

দার্শনিক জ'নষ্ট'নৰ মতে, "বার্কলীৰ দর্শন দৰাচলতে আত্মজ্ঞানবাদ নহয়। কাৰণ, তেওঁ এয়া মানি লৈছিল যে- (ক) এই জগতখনত 'মই' আৰু 'মোৰ ধাৰণা'বোৰৰ উপৰি অন্য সমীম চিত/ আত্মা আৰু সেইবোৰৰ ধাৰণাও সন্নিৱিষ্ট আছে আৰু (খ) মই মোৰ উপস্থাপনবোৰৰ/ প্ৰদর্শনবোৰৰ উৎস নহয়, কিন্তু সেইবোৰৰ বাবে মই ঈশ্বৰৰ ওপৰত নির্ভৰশীল-ঈশ্বৰে সেইবোৰ মোৰ মনত এটা সুস্থিৰ আৰু নিয়মীয়া ক্ৰমত উন্মেষ ঘটাই থাকে।"



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ লেটিন শব্দ 'solus' আৰু 'ipse' ৰ অর্থ কি?



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তিনিষ্ঠ ভাববাদ হ'ল এটা দার্শনিক দৃষ্টিভংগী। এটা উপলব্ধি কৰিব পৰা মনত থকা অস্তিত্ববোৰৰ বাহিৰে আন একোৰে অস্তিত্ব নাই বুলি থকা ধাৰণাটো হ'ল এই দৃষ্টিভংগীৰ আধাৰ। যিসকলে উপলব্ধ কৰিব পাৰে সেইসকলৰ মনতহে স্বাভাৱিক জগতখনৰ অস্তিত্ব আছে।

- খ্যাতনামা ভাববাদী জ'র্জ বার্কলীয়ে সকলো ধৰণৰ ইন্দ্রিয়াতীত মনোবাহ্য বস্তু /ধাৰণাৰ অস্তিত্ব অগ্রাহ্য কৰিছে।
- বার্কলীয়ে নিজৰ দর্শনত কৈছে যে আমাৰ মন আৰু মনত উৎপন্ন হোৱা ধাৰণাবোৰ হ'ল একমাত্র বাস্তৱিকতা আৰু ইয়াৰ বাহিৰত আন কোনো জগত নাই।
- বার্কলীয়ে যুক্তি দর্শাইছিল যে কোনো বস্তুৰ উপলব্ধিতেই বস্তুটোৰ অস্তিত্ব থাকে (প্রত্যক্ষতে বস্তুটো বিদ্যমান /(Esse-est, percipi)। অর্থাৎ, 'হ'বলৈ' নাইবা 'অস্তিত্ব থাকিবলৈ' কোনো বস্তু আমাৰ উপলব্ধিত ধৰা দিব লাগিব অতবা বস্তুটো জ্ঞাত হ'ব লাগিব।
- বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদক মনোবাদ, অভৌতিকতাবাদ অথবা আধ্যত্মবাদ বুলিও জনা যায়। কাৰণ, এই তত্ত্বটোৰ মতে কোনো মনোবাহ্য বস্তু নাই আৰু কেৱল মন অথবা আত্ম/ চিত তথা সেইবোৰত অস্তিত্ব থকা ধাৰণাবোৰহে বাস্তৱ।
- বার্কলীয়ে কৈছিল যে স্থায়ীত্ব আৰু ধাৰণা প্রণালীৰ একতা যাক আমি জগত বুলি কওঁ, তাৰ বিষয়ে ব্যাখ্যা কৰিবলৈ আমি এটা পৰম আৰু বিশ্বজনীন মনৰ কথা অনুমান কৰিব লাগিব। এই মনটোৰ চিন্তাত থকা ধাৰণাবোৰৰ মানুহৰ সসীম মনলৈ স্থানান্তৰ ঘটে আৰু আংশিক পুনৰ উৎপাদন হয়। অর্থাৎ, বস্তু হ'ল ঐশ্বৰীয় মনৰ ধাৰণা।
- বার্কলীয়ে যুক্তি দর্শাইছিল যে আমি যেতিয়া কোনো এটা বস্তু (যেনে-নীলা)ৰ কথা উপলব্ধি /অনুভৱ কৰোঁ, তেতিয়া একে সময়তে বস্তুটোৰ এক বোধ /অনুভূতিৰো সৃষ্টি হয়। প্রকৃত উপলব্ধিৰ পৰা আমি এই দুয়োটা উপাদানকে কেতিয়াও পৃথক কৰিব নোৱাৰোঁ। অর্থাৎ, বোধগ্রাহ্য বস্তু (নীলা) টো নীলাৰ অনুভূতিৰ সৈতে একে হ'ব লাগিব। বার্কলীৰ মতে 'নীলা' আৰু 'নীলাৰ বোধ /অনুভূতি ইটো সিটোৰ সদৃশ। কাৰণ, দুয়োটাকে পৰস্পৰৰ পৰা পৃথককৈ উপলব্ধি কৰিব নোৱাৰি।
- হিউমে বিশ্বাস কৰিছিল যে আত্মজ্ঞানবাদ হ'ল বার্কলীৰ esse-est-percipi সূত্রৰ যৌক্তিক পৰিণাম। আতুজ্ঞানবাদৰ মতে কেৱল 'মই' আৰু 'মোৰ ধাৰণাবোৰ'ৰহে অস্তিত্ব আছে। যদি বাস্তৱ হ'বলৈ উপলব্ধিত ধৰা দিব লাগে, তেন্তে সকলোৰে ক্ষেত্রত একমাত্র বাস্তৱ বস্তুবোৰ হ'ব ব্যক্তিৰ নিজৰ মন আৰু অভিজ্ঞতাসমূহ। সেয়েহে হিউমে বার্কলীৰ ভাববাদক আত্মজ্ঞানবাদলৈ বিকশিত কৰিছিল।
- আক্ষৰিক অর্থত ব্যক্তিনিষ্ঠ ভাববাদ মানে হ'ল সসীম মনৰ চেতনাত থকাত বাদে বস্তুৰ জগতখনৰ আন ক'তো কোনো অস্তিত্ব নাই বুলি ভবা ধাৰণাটো। আনহাতে, বস্তুনিষ্ঠ ভাববাদৰ আক্ষৰিক অর্থ অনুসৰি আমাৰ সমীম মনৰ পৰা স্বতন্ত্র অথবা বস্তুনিষ্ঠভাৱে জগতখনৰ অস্তিত্ব আছে। কিন্তু এই জগতখনৰ ঈশ্বৰৰ সার্বজনীন মনত উন্মেষ ঘটিছে আৰু ঈশ্বৰৰ মনত নিহিত আছে।
- হেগেলীয় ভাববাদ অনুসৰি বস্তুৰ জগত এখনৰ ক্রমবিকাশ আৰু তদাৰক ঈশ্বৰ অথবা পৰম সত্তাৰ মৌলিক প্রকৃতিৰ অন্তর্নিহিত বিষয়। অর্থাৎ, ঈশ্বৰৰ মূর্ত আত্ম-সচেতন জীৱনৰ

বাবে জাগত এখনৰ অস্তিত্ব এক আৱশ্যকীয় উপাদান। বার্কলী আৰু তেওঁৰ অনুগামীসকলে ঈশ্বৰক এক চিন্তাশীল সত্ত্বাৰ ৰূপত অনুমান কৰিছিল। বস্তুৰ জগত এখন নাথাকিলেও এই সত্ত্বাটোৰ অস্তিত্ব থাকিব। অর্থাৎ, বস্তুৰূপে কোনো এখন জগতৰ অস্তিত্ব ঈশ্বৰৰ সচেতন জীৱনৰ বাবে মুঠেও আৱশ্যলীয় নাইবা অপৰিহার্য নহয়। ঈশ্বৰ কেৱল তেওঁৰ কৰণীয়বোৰৰ মাজৰ পৰা বাছনি কৰা কার্যটো ওপৰতহে নির্ভৰশীল।

- 'আত্মজ্ঞানবাদ'ৰ ইংৰাজী প্রতিশব্দ 'solipsism' ৰ মূল হ'ল দুটা লেটিন শব্দ- 'solus' আৰু 'ipse' । ইয়াৰ অর্থ হ'ল 'কেৱল ময়েই' (myself alone)।
- বার্কলী আত্মজ্ঞানবাদী নাছিল। তেওঁ বিশ্বাস কৰিছিল যে কোনো বাহ্যিক কার্যকলাপৰ ফলেই হ'ল অভিজ্ঞতা আৰু এই অভিজ্ঞতা কেৱল আমাৰেই নহয়। তেওঁ স্ব-সত্ত্বাৰ যাদুকৰী চক্রৰ পৰা বাহিৰ হ'বলৈ ঈশ্বৰৰ ধাৰণাটোৰ ওপৰত নির্ভৰ কৰিছিল। ঈশ্বৰৰ ধাৰণাটোৱে বার্কলীৰ দর্শনক আত্মজ্ঞানবাদত লীন যোৱাৰ পৰা ৰক্ষা কৰিছে।



৫.৮ অধিক জানিবলৈ

1) Bhattacharyya, H. M.(1969). *The Principles of Philosophy*. University of Calcutta.
2) Sinha, Jadunath (2009). *Introduction to Philosophy*. Kolkata: New Central Book Agency.
3) Chatterjee, Phanibhusan (1951). *Outlines of General Philosophy.* Published by the Author.
4) Chakravarty, Sibapada (1992). *An Introduction to Philosophy* Calcutta: J.N.Ghose & Sons.
5) Masih, Y.(1990). *A Critical History of Modern Philosophy*, Delhi: Motilal Banarasidasss



৫.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ মনোবাদ, অভৌতিকতাবাদ আৰু আধ্যাত্মবাদ।

২নং প্রশ্নৰ উত্তৰঃ 'হ'বলৈ' নাইবা 'অস্তিত্ব থাকিবলৈ' কোনো বস্তু আমাৰ উপলব্ধিত ধৰা দিব লাগিব অথবা বস্তুটো জ্ঞাত হ'ব লাগিব।

৩নং প্রশ্নৰ উত্তৰঃ বার্কলীৰ ভাববাদ অনুসৰি বস্তুৰূপে কোনো এখন জগতৰ অস্তিত্ব ঈশ্বৰৰ সচেতন জীৱনৰ বাবে মুঠেও আৱশ্যকীয় নাইবা অপৰিহার্য নহয়।

৪নং প্রশ্নৰ উত্তৰঃ হেগেল আৰু নব্য-হেগেলীয়সকলৰ তত্ত্বক।

৫নং প্রশ্নৰ উত্তৰঃ কেৱল ময়েই (myself alone)



৫.১০ আৰ্হি প্রশ্ন

(ক) অতি চুটি প্রশ্ন

প্রশ্ন ১ঃ আধুনিক যুগৰ ভাববাদৰ জনক কোন?

প্রশ্ন ২ঃ সমীম মনত সৃষ্ট সকলো বোদ/ অনুভূতিৰ কাৰণ কোন?

প্রশ্ন ৩ঃ বার্কলীৰ বক্তিনিষ্ঠ ভাববাদক কিয় অভৌতিকতাবাদ বুলি কোৱা হয়?

প্রশ্ন ৪ঃ বার্কলীৰ ব্যক্তিনিষ্ঠ ভাববাদক কিয় আধ্যাত্মবাদ বুলি কোৱা হয়?

প্রশ্ন ৫ঃ বার্কলীৰ মতে বস্তুৰ মুখ্য গুণ /বৈশিষ্টবোৰ ব্যক্তিনিষ্ঠনে?

প্রশ্ন ৬ঃ বার্কলীয়ে জ'ন লকে নির্ধাৰণ কৰা মুখ্য আৰু গৌণ গুণ /বৈশিষ্টৰ মাজৰ পার্থক্য মানি লৈছিলনে?

(খ) চুটি প্রশ্ন (প্রায় ১০০-১৫০ মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ ব্যক্তিনিষ্ঠ ভাববাদ সম্পর্কে এটি চমুটোকা লিখক।

প্রশ্ন ২ঃ আত্মজ্ঞানবাদ সম্পর্কে এটি চমুটোকা লিখক।

(গ) ৰচনা ধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ বার্কলীৰ দর্শন বর্ণনা কৰক।

প্রশ্ন ২ঃ ব্যক্তিনিষ্ঠ ভাৱবাদৰ সংজ্ঞা লিখক। আপোনাৰ সংজ্ঞাটো বার্কলীৰ তত্ত্বৰ দার্শনিক স্থিতি নিৰূপণৰ বাবে প্রয়োগ কৰক।

****

অধ্যায় ৬ ঃ বস্তুনিষ্ঠ ভাববাদ-হেগেল

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ বস্তুনিষ্ঠ ভাববাদৰ অর্থ
৬.৪ হেগেলৰ বস্তুনিষ্ঠ ভাববাদ
৬.৫ হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতি
৬.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বস্তুনিষ্ঠ ভাববাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- হেগেলৰ পৰম (Absolute) অথবা বস্তুবাদী ভাববাদ আলোচনা কৰিব পাৰিব
- হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতি বর্ণনা কৰিব পাৰিব
- ভাৰতীয় দর্শনৰ বিভিন্ন প্রকাৰ সম্প্রদায়সমূহৰ দার্শনিক ধাৰণাসমূহ ব্যাখ্য কৰিবলৈ সক্ষম হ'ব

৬.২ পৰিচয়

আধুনিক সময়ত ভাববাদৰ মনোবৈজ্ঞানিক ভেটিটো গঢ়ি দিয়া দার্শনিক গৰাকী হ'ল বার্কলী। দার্শনিক কাণ্টৰ হাতত এই দর্শনে এক জ্ঞানমীমাংসীয় আৰু আনুষ্ঠানিক ৰূপ লাভ কৰিছিল। কিন্তু এই দর্শনে প্রকৃতার্থত দার্শনিক মনৰ জ্ঞানক্ষুধা তথা জ্ঞানপিপাসা নিৰসনত ব্যর্থ হৈছিল। কাৰণ, ই এটা ঐকিক আধ্যাত্মিক নীতি (Unitary Spiritual Principle)ত অভিজ্ঞাতাৰ সকলো দিশৰ সমন্বয় সাধনৰ মৌলিক বিশ্বজনীন নীতি এটাৰ ঐক্য স্থাপন কৰিব পৰা নাছিল। সেয়েহে, কাণ্টৰ উত্তৰসূৰী চিন্তাবিদসকলে বার্কলী আৰু কাণ্টৰ জ্ঞান মীমাংসীয় ভাববাদ (epistmological idealism)ক ভাববাদৰ এটা অধিভৌতিক (metaphysical) ৰূপ দিছিল। জ্ঞানমীমাংসীয় ভাববাদ অনুসৰি আমাৰ জ্ঞাত বস্তুবোৰ হ'ল কেৱল ধাৰণা নাইবা মানসিক নির্মাণ। আহহাতে, অধিভৌতিক ভাববাদ (Metaphysical Idealism) এ বাস্তৱৰ প্রকৃতি সম্পর্কে কিছু কথা কয় আৰু এই ভাববাদ অনুসৰি বাস্তৱ আদর্শগত, মানসিক অথবা আধ্যাত্মিক। হেগেলে

দেখুৱাইছিল যে জ্ঞানৰ জগতখন মানসিক নির্মাণৰ ওপৰত নির্ভৰশীল যদিও এক ব্যক্তিগত মনৰ উৰ্দ্ধত ইয়াৰ অস্তিত্ব থাকে। জ্ঞান আৰু বাস্তৱ, চিন্তা আৰু সত্ত্বা হ'ল সদৃশ। হেগেলীয় ভাববাদত আমি ভাববাদৰ এটা অধিক স্পষ্ট আৰু বিস্তৃত ৰূপ দেখা পাওঁ।

৬.৩ বস্তুনিষ্ঠ ভাববাদৰ অর্থ

বাস্তৱ অথবা বাহ্যিক জগতখনৰ বস্তুনিষ্ঠ অস্তিত্ব আছে বুলি কোৱা দার্শনিক দৃষ্টিভংগীটোৱেই হ'ল বস্তুনিষ্ঠ ভাববাদ। সেয়েহে এই দৃষ্টিভংগীটো বাস্তৱিক অথবা বস্তুনিষ্ঠ। একে সময়তে এই দৃষ্টিভংগীটোৱে জগতখন এক পৰম ধাৰণা অথবা চিন্তাৰ পৰা উদ্ভূত বুলি কয় বাবে ইয়াক এক ভাববাদী দৃষ্টিভংগী বুলি কোৱা হয়। অর্থাৎ, ই বস্তুনিষ্ঠ আৰু ভাববাদী দৃষ্টিভংগী বুলি কোৱা হয়। অর্থাৎ, ই বস্তুনিষ্ঠ আৰু ভাববাদী দুয়োটাই। সেয়েহে, ইয়াক পৰম ভাববাদ (Absolute Idealism), ভাৱবাদী বাস্তৱবাদ (Idealistic Realism) বাস্তৱবাদী ভাৱবাদ (Realistic Idealism) নাইবা সংক্ষেপে ভাব-বাস্তৱবাদ (Ideal-Realism) বুলিও কোৱা হয়।

৬.৪ হেগেলৰ বস্তুনিষ্ঠ ভাববাদ

জার্মান দার্শনিক জ'র্জ ৱিলহেম ফ্রেডৰিক হেগেল (১৭৭০-১৮৩১)ক বিপৰীত ভাবৰ সামঞ্জস্য স্থাপনত দ্বন্দ্বাত্মক প্রক্রিয়া প্রয়োগকাৰী দার্শনিকৰূপে জনা যায়। হেগেলৰ সন্মুখত থকা মৌলিক প্রশ্নটো আছিল- এই বিশ্বব্রহ্মাণ্ডৰ পৰম নীতিৰ প্রকৃতি আৰু বৈশিষ্ট্য কি হোৱা উচিত? এই প্রকৃতি আৰু বৈশিষ্ট্যৰ ভিত্তিত আমি মন আৰু স্বভাৱৰ উৎপত্তি, বৃদ্ধি তথা বিকাশৰ লগতে সিহঁতৰ পাৱস্পৰিক সম্পর্ক ব্যাখ্যা কৰিব পৰা যায়। এই পৰম নীতি তেওঁ পৰম কাৰণ, চিন্তা নাইবা ধাৰণাত বিচাৰি পাইছিল। হেগেলৰ মতে, পৰম ধাৰণা (Absolute Idea) হ'ল এটা সক্রিয় গতিশীল নীতি। সেয়েহে ই ক্রিয়া কৰিব, বাঢ়িব তথা বিকশিত হ'ব লাগিব। পৰম চিন্তাৰ বস্তু হ'ল জগত আৰু এই জগতখন ইয়াৰ বাবে 'অপৰ' (Other)। জগতত মন আৰু স্বভাৱ, ব্যক্তি আৰু বস্তু, স্ব-সত্ত্বা আৰু অ-সত্ত্বা দুয়োটাই থাকে। হেগেলৰ মতে ব্যক্তি আৰু বস্তু, মন আৰু জগত পাৱস্পৰিক সম্পর্ক থাকে। দুয়োটাই হ'ল পৰম আত্ম / চিত (Absolute Spirit) ৰ প্রকটভৱন। এই জগতখন হ'ল ঈশ্বৰৰ চিন্তা আৰু কার্যকলাপৰ বস্তু। ইয়াত আৰু ইয়াৰ জৰিয়তে ঈশ্বৰে নিজকে এক বিমূর্ত শক্তি নাইবা সম্ভাৱনীয়তাৰ পৰা এক মূর্ত আত্ম-সচেতন ব্যক্তি আৰু বস্তুৰ বাস্তৱিকতাৰূপে প্রতিষ্ঠা কৰে। ইয়াৰ দ্বাৰা ঈশ্বৰেই সমীম মনৰ পৰা স্বতন্ত্র কিন্তু ঐশ্বৰিক মন (Divine Mind) ৰ অংশ স্বৰূপ বস্তুৰ অস্তিত্বক স্বীকৃত দিয়ে।

সসীম মন আৰু বস্তুবোৰৰ পৰমৰ জীৱনৰ প্রয়োজনীয় কাৰক হিচাপে অস্তিত্ব থাকে। এক আত্ম-সচেতন, সক্রিয় আৰু চিন্তাশীল সত্ত্বাৰূপে ঈশ্বৰক সসীম বস্তু আৰু মনৰ এখন জগত

লাগে। কার্যকলাপ নথকাকৈ জীৱন কেনেদৰে থাকিব অথবা প্রকাশ নথকাকৈ প্রকৃত শক্তি কেনেকৈ থাকিব? আমি এয়া এৰি ল'ব লাগিব যে সমীম সত্ত্বাৰ জগতখনৰবিৱর্তন আৰু সংৰক্ষণ হ'ল ঐশ্বৰীয় জীৱনৰ এক আৱশ্যকীয় অংশ। ঈশ্বৰ হ'ল পৰম ব্যক্তি (Absolute subject) আৰু এই সত্ত্বাটোৰ সৈতে সম্পর্ক নথকাকৈ কোনো বস্তুৰ অস্তিত্ব থাকিব নোৱাৰে। ঈশ্বৰৰ এক বাস্তৱ আত্ম-সচেতন শক্তিৰূপে যিটো অস্তিত্ব আছে সেই অস্তিত্বটো আন্তঃ সম্পর্কযুক্ত বস্তুৰ ব্রহ্মাণ্ডখনত প্রকট হয়। সসীম বস্তু আৰু মনৰ জগতখনৰ বাহিৰে ঈশ্বৰ কেৱল এক বিমূর্ত সম্ভাৱনীয়তা হৈ পৰিব। ঈশ্বৰ এক মূর্ত জীৱন্ত শক্তি হৈ নাথাকিব। অর্থাৎ, সসীম সত্ত্বাবোৰ এক বাস্তৱ অস্তিত্ব আছে। কিন্তু এই বাস্তৱিকতা আপেক্ষিক, নির্ভৰশীল অথবা চর্তসাপেক্ষ।

এই জগতখন হ'ল পৰম অথবা ঈশ্বৰৰ বাহ্যিক প্রকাশভৱন। সসীম মনবোৰ হ'ল ঈশ্বৰৰ সীমিত পুনঃসৃষ্টিকৰণ। সসীম মনৰ বাবে এই জগতখন (বাধগম্য) হোৱাৰ কাৰণ হ'ল ই ঈশ্বৰৰ অভিব্যক্তি। ঈশ্বৰ হ'ল অনন্ত আত্মা / চিত। সসীম মনবোৰ ঈশ্বৰ সদৃশ। মানৱ মনে যিবোৰ সমশ্রেণী বৈশিষ্ট্যৰ জৰিয়তে জানে ঈশ্বৰে ঠিক সেইবোৰ বৈশিষ্ট্যৰে নিজৰ মাজত জগতখন উদ্ভৱ কৰে। চিন্তাৰ গঠন বাস্তৱৰ গঠনৰ সৈতে একে। "আমি যিটোক প্রকৃতি (nature) বুলি কওঁ, সেয়া হ'ল চিন্তাৰ বহিঃ প্রকাশ; ই হ'ল বাহ্যিক ৰূপত প্রকট হোৱা পৰম যুক্তি (absolute Reason)। কিন্তু প্রকৃতি ইয়াৰ চূড়ান্ত লক্ষ্য নহয়। ইয়াৰ প্রত্যাৱর্তনে মানৱ আত্ম-চেতনাত অধিক সম্পূর্ণ ৰূপত প্রকট হয় আৰু অৱশেষত কলা, ধর্ম তথা দর্শনত সম্পূর্ণ বাস্তৱত পৰিণত হয়।" হেগেলৰ বস্তুনিষ্ঠ ভাববাদ অনুসৰি পৰম আত্মা / চিত বিশ্বজনীন যুক্তিৰূপে প্রকৃতি আৰু মনত অন্তর্নিহিত হৈ থাকে। ই প্রকৃতিত অচেতন যুক্তিৰূপে নিহিত থাকে আৰু সসীম মনত ইয়াৰ চেতন যুক্তিলৈ ৰূপান্তৰ ঘটে। পৰম হ'ল বিশ্বজনীন যুক্তি। বস্তু, জীৱন আৰু মনত ইয়াৰ অধিকৰ পৰা অধিকতৰ প্রকাশ ঘটে। ই মানৱ মনত সচেতনতাৰ ৰূপ লয়। ব্যক্তিগত মন হ'ল ব্যক্তিনিষ্ঠ মন। সমাজখন হ'ল বস্তুনিষ্ঠ মন। ঈশ্বৰ হ'ল পৰম মন।

হেগেলৰ পৰম ভাববাদক একত্ববাদী আধ্যাত্মবাদ (monistic spiritualism) বোলা হয়। কাৰণ, ই এক আধ্যাত্মিক বাস্তৱিকতাক সকলোৰে উৎস আৰু আধাৰ বুলি গ্রহণ কৰে। এই আধ্যাত্মিক নীতিৰ বস্তুভিত্তিককৰণৰ ফলত সৃষ্টি হোৱা বস্তু আৰু মনৰ জগতখন প্রকৃতি আৰু নিত্যত্বৰ দিশেৰে পৃথক নহয়। বৰঞ্চ দুয়োটা কথাই এই আধ্যাত্মিক নীতিৰ সদৃশ। কিন্তু একে সময়তে এই জগতখনৰ নিজস্ব অস্তিত্ব আছে। অৱশ্যে এই অস্তিত্ব সীমিত প্রকৃতিৰ। অর্থাৎ, একতা অথবা আধ্যাত্মিক নীতি এটা বিমূর্ত একতা নহয়, ই বহুত্বৰ মাজৰ একতা (Unity in plurality)। হেগেলে স্ব-সত্ত্বা (one self) আৰু অপৰ সত্ত্বা (other)ৰ মাজত এটা বাস্তৱ যোগসূত্র স্থাপন কৰিব বিচাৰিছিল। সেয়েহে তেওঁ এই সত্ত্বা দুটাক এক সর্বাত্মক পৰম আত্মা/ চিতৰ প্রকাশ বুলি ধৰি লৈছিল। এই আত্মা /চিতত সকলো সমীম সত্ত্বা বিৰাজ আৰু বিচৰণ কৰে। চিন্তা হ'ল বাস্তৱিকতা, কিন্তু ব্যক্তিগত চিন্তা আংশিকভাৱেহে বাস্তৱ। সর্বত্মক (all-inclusive) আৰু সম্পূর্ণ

সুসংগত (all-coherent) পৰম সত্ত্বা নাইবা চিন্তাহে বাস্তৱিকতাৰ সম্পূৰ্ণ ৰূপ। সসীম শক্তিসম্পন্ন জ্ঞেতা (knower) আৰু জ্ঞাত বস্তুটো হ'ল সৰ্বত্মক পৰম চিন্তা (inclusive Absolute) ৰ প্ৰকাশ। সেয়েহে উৎসৰ দিশেৰে দুয়োটা সদৃশ। এইটো কাৰণতে বস্তু এটা ব্যক্তিৰ বাবে দুৰ্বোধ্য নহয়। 'মই বাস্তৱিকতাক ই যেনেকুৱা ঠিক তেনেদৰেই জানিব পাৰোঁ, কাৰণ মই নিজেই সেই বাস্তৱিকতা' (I can know the reality as it is in itself, because I am that reality myself)। এই অধ্যয়ন শেষত আমি হেগেলৰ এফাকি জনপ্ৰিয় সিদ্ধান্ত বাক্য মানি ল'ব পাৰোঁ। হেগেলে কৈছিল "যি যুক্তিসংগত সেয়াই বাস্তৱ আৰু যি বাস্তৱ সেয়াই যুক্তিসংগত" (Whatever is rational is real and whatever is real and whatever is real is rational)। চিন্তাৰ নিয়মেই হ'ল প্ৰকৃতিৰ নিয়ম। চিন্তাৰ যুক্তিযুক্ততাই প্ৰকৃতিত থকা এক সদৃশ যুক্তিযুক্ততা প্ৰমাণিত কৰে। এই যুক্তিযুক্ততা অবিহনে চিন্তাৰ বাবে বস্তুনিষ্ঠ প্ৰকৃতি দুৰ্বোধ্য হৈ ৰ'ব।

হেগেলৰ পৰম ভাববাদ সূত্ৰতো বহুতো উলাই কৰিব নোৱাৰা গুৰুত্বপূৰ্ণ সত্য নিহিত আছে। ই ভাববাদ বাস্তৱবাদৰ সত্যবোৰৰ সংমিশ্ৰণ ঘটায়। বস্তুনিষ্ঠ ভাববাদে বাহ্যিক জগতৰ বাস্তৱিকতাৰ লগতে সসীম মন আৰু ঈশ্বৰৰ বাস্তৱিকতাক মানি লয়। ই জগতখন জনাত মানৱ মনৰ সামৰ্থকো মানি লয়। ই মানৱ মনত জগতৰ বোধগম্যতাকো স্বীকাৰ কৰে। হেগেলে মনক জীৱন্ত, গতিশীল আৰু মূৰ্ত বুলি বিবেচনা কৰে। তেওঁ ইয়াক এক সক্ৰিয় নিয়মৰ পৰা প্ৰকৃতি বুলি গণ্য কৰে। জ্ঞানৰ বস্তুনিষ্ঠ জগতখন ব্যক্তিগত মন (বাস্তৱবাদ) পৰা যথেষ্ট স্বতন্ত্ৰ কিন্তু সাধাৰণ অথবা বিশ্বজনীন যুক্তি (ভাববাদ)ৰ পৰা স্বতন্ত্ৰ নহয়। এই বিশ্বজনীন যুক্তি হ'ল বাস্তৱবাদ বাহাল ৰাখোঁতা।

হেগেলৰ মতে পৰম বাস্তৱ হ'ল গতিশীল পৰম আত্ম / চিত। এক মূৰ্ত শক্তি আৰু আত্ম-সচেতন চিত ৰূপে ই বাস্তৱ ৰূপ লয়। সমীম বস্তু আৰু মনৰ সমগ্ৰ পৃথিৱীখন এই বাস্তৱে সৃষ্টি কৰে আৰু বৰ্তাই ৰাখে।

হেগেলে যদিও এক দৰ্শন প্ৰণালী গঢ়ি তোলাৰ বাবে যথেষ্ট প্ৰয়াস চলাইছিল তথাপিও তেওঁৰ ভাববাদে সমগ্ৰ দাৰ্শনিক জগতখনক প্ৰভাৱিত কৰিব নোৱাৰিলে। হেগেলে প্ৰয়োজনাধিক ভাৱে পৰম আত্মা / চিত্ত (Absolute Spirit) অথবা বিশ্বজনীন যুক্তি (Universal Reason)ত জোৰ দিছিল। তেওঁ মানৱ স্বতন্ত্ৰতা (human freedom) ক নিচেই সামান্য গুৰুত্ব দিছিল। পৰম আত্মা / চিত্তক হেগেলে অত্যধিক গুৰুত্ব দিছিল বাবে তাক সম্পূৰ্ণ নিয়তিবাদ (Complete determinism) বুলি অপব্যাখ্যা আগবঢ়োৱা হৈছে। তেওঁৰ তত্ত্বটোক বিচাৰ পৰমতাবাদ( ) বোলা হৈছিল। সকলোৱেই যুক্তি /কাৰণ (All is reason)। যি বাস্তৱ সেয়াই যৌক্তিক। যি যৌক্তিক সেয়াই বাস্তৱ। সকলো পৰম আত্মা / চিত্তে নিৰ্ণয় কৰে যেন বোধ হয়। ই প্ৰকৃতিৰ বিৱৰ্তন নিৰ্ণয় কৰে, মানৱ ইতিহাস নিৰ্ণয় কৰে, জীৱন আৰু ব্যক্তিগত সসীম আত্মাৰ বিকাশ নিৰ্ণয় কৰে। এই ব্যাখ্যা আগবঢ়াবলৈ যাওঁতে হেগেলে মানৱ আত্মা / চিত্তৰ গুৰুত্ব আৰু তাৎপৰ্যক হেয় কৰিছিল।

হেগেলে কৈছিল যে মানৱ স্বতন্ত্রতা পৱম নহয়, ঐশ্বৱিক স্বতন্ত্রতা দ্বাৱা ই সীমিত। অর্থাৎ, ঐশ্বৱিক স্বতন্ত্রতাই মানৱ স্বতন্ত্রতা, মানৱ উদ্যম আৰু মানৱীয় সৃজনশীলতাক যেন গ্রাসহে কৱি হৈছে। হেগেলে পৱম মন (Absolute Mind) ৱ বিষয়ে মাত্রাধিক কথা অধ্যয়ন কৱিছিল যেন অনুমান হয়।



অগ্রগতি নিৱীক্ষণ

প্রশ্ন নং১ঃ হেগেলৱ ভাববাদ অনুসৱি পৱম আত্মা চিত প্রকৃতি তথা মনত অন্তর্নিহিত থাকেনে?

.....

.....

প্রশ্ন নং২ঃ হেগেলৱ মতে ব্যক্তি আৰু বস্তু পৱস্পৱ সম্বন্ধযুক্তনে?

.....

.....

৬.৫ হেগেলৱ দ্বন্দ্বাত্মক পদ্ধতি

'দ্বন্দ্বাত্মক' শব্দৱ সমার্থক ইংৱাজী শব্দ 'dialectic' ৱ অর্থ হ'ল 'প্রশ্নৱ সহায়ত আলোচনা কৱাৱ কলা'। বর্তমান এই শব্দটো যুক্তি প্রদর্শনৱ দুটা ভিন্ন ৰূপ বুজাবলৈ ব্যৱহাৱ কৱা হয়। পৱস্পৱ বিৱোধিতা (contradiction) অথবা বৈপৱীত্য (oppositions) বিচাৱি উলিয়াই এনে যুক্তি প্রদর্শন কৱা হয়। বৈপৱীত্যক নঞার্থক তর্ক (negative dialectic) আৰু পৱস্পৱ বিৱোধিতাক সদর্থক তর্ক (positive dialectic) বুলিব পাৱি। হেগেলে সদর্থক দ্বন্দ্বত্মক পদ্ধতি অনুসৱণ কৱিছিল। কাৱণ, ই মূলতঃ দুটা বিপৱীত ভাৱৱ সামঞ্জস্য সাধন (reconciliation) অথবা একত্রিতকৱণ (unification) প্রক্রিয়া। হেগেলে দ্বন্দ্বাত্মক পদ্ধতি অনুসৱি চিন্তা আৰু বাস্তৱক গতিশীল আৰু বিকাশশীল বুলি বিৱেচনা কৱিছিল। বাস্তৱ যিহেতু মূলগতভাৱে যুক্তিসংগত, সেয়েহে ইয়াক কেৱল চিন্তাৱ দ্বাৱাহে জানিব পাৱি। এই জগতখন স্থিৱ নহয়, ই আগবাঢ়ি গৈ আছে, ই গতিশীল। চিন্তা অথবা যুক্তিৱ বৈশিষ্ট্যও একে। হেগেলে কৈছিল যে পৱস্পৱ বিৱোধিতাই হ'ল সকলো জীৱন আৰু গতিবিধিৱ মূল। এই জগতৱ সকলোৱেই পৱস্পৱ বিৱোধী। সকলোৱেই পৱিৱর্তন প্রৱণতা দেখুৱায়, ইয়াৱ বৈপৱীত্যক অতিক্রম কৱে। এই গতিবিধি অবিৱতভাৱে চলি থাকে আৰু বৈপৱীত্যবোৱ পাৱ কৱা হয় আৰু বৈপৱীত্যৱ মাজত সামঞ্জস্য স্থাপিত হয়। অর্থাৎ, ই এক একত্রভৱন ঘটা সমগ্রতাৱ অংশ হৈ পৱে। বস্তুৱ এই নিজৱ বৈপৱীত্যক অতিক্রম কৱাৱ প্রক্রিয়াটোকে হেগেলে দ্বন্দ্বাত্মক প্রক্রিয়া বুলি কৈছিল।

এনে এক গতিশীল প্রকৃতি জনাৰ আৰু অনুসৰণ কৰাৰ পদ্ধতিটোও একেবাৰে সামৰণিলৈকে সম্পূৰ্ণ উপযুক্ত হ'ব লাগিব। হেগেলৰ মতে প্ৰমেয় (thesis), বিৰোধাভাস (anti-thesis) আৰু তাত্ত্বিক দ্বন্দ্ব (synthesis)ৰ দ্বন্দ্বাত্মক পদ্ধতিৰ দ্বাৰা চিন্তাবোৰ অতি সৰল, বিমূৰ্ত আৰু শূন্য ধাৰণাৰ পৰা জটিলতৰ, মূৰ্ত আৰু সমৃদ্ধ ধাৰণাত পৰিণত হয়। হেগেলে দ্বন্দ্বাত্মক পদ্ধতিৰ তিনিটা মূহুৰ্ত ( ) নাইবা পৰ্যায় ( ) আছে। আমি এটা বিমূৰ্ত সাৰ্বজনীন ধাৰণাৰে ( ) আৰম্ভ কৰোঁ, এই ধাৰণাটোৰে কিছুমান পৰস্পৰ বিৰোধিতাৰ জন্ম দিয়ে ( ); এই পৰস্পৰ বিৰোধী ধাৰণাবোৰৰ মাজত এটা তৃতীয় ধাৰণাৰ যোগেদি সামঞ্জস্য স্থাপন কৰা হয়। অৰ্থাৎ, এই তৃতীয় ধাৰণাটো সেয়েহে অন্য দুটা ধাৰণাৰ একত্ৰ ৰূপ ( )। হেগেলে আঙুলিয়াই দেখুৱাইছিল যে মানুহৰ চিন্তাবোৰ দ্বন্দ্বাত্মকভাৱে আগবাঢ়ে। ইয়াৰ গতিবিধিত পৰস্পৰ বিৰোধিতা আৰু সামঞ্জস্য স্থাপন এই দুয়োটা প্ৰক্ৰিয়া জড়িত হৈ থাকে। আমি জানো যে এটা ধাৰণা ইয়াৰ বৈপৰীত্য অথবা পৰস্পৰ বিৰোধী ধাৰণাৰ সৈতে থকা সম্পৰ্কৰ আধাৰত বুজিব পাৰি। আমি বুজিব পাৰোঁ যে A হ'ল A। অৰ্থাৎ, আমি A ত তেতিয়াই এটা সুনিৰ্দিষ্ট অৰ্থ আৰোপ কৰিব পাৰিম যেতিয়া আমি A নোহোৱা কোনো এটা বস্তুৰ সৈতে থকা ইয়াৰ বৈসাদৃশ্যবোৰ জানিম। যদি আমি এই প্ৰমেয় অথবা সিদ্ধান্তৰ সহায়ত আৰম্ভ কৰোঁ যে 'Aৰ অস্তিত্ব আছে,' তেন্তে আমি ..ৰ অস্তিত্ব নাই' বোলা বিৰোধাভাসটো অতিক্ৰম কৰিবই লাগিব। এই বিৰোধাভাস প্ৰমেয়ৰ সমানেই নিশ্চিত। কিন্তু দুয়োটাৰে মাজত থকা বিপৰীত্যই আমাৰ মনক এক উচ্চতৰ একত্ৰভৱনত অথবা B তাত্ত্বিকদ্বন্দ্বত দুয়োটাৰে সামঞ্জস্য সাধন কৰিবলৈ উদ্বুদ্ধ কৰি তোলে। কিন্তু এই B তাত্ত্বিক দ্বন্দ্বটো নিজে এক প্ৰমেয় আৰু ই B' নহয়' বোলা বিৰোধাভাসটো সৃষ্টি কৰিব পাৰে। পুনৰ ইয়াৰ এটা উচ্চতৰ তাত্ত্বিক দ্বন্দ্বত দুয়োটাৰে মাজত সামঞ্জস্য স্থাপন হ'ব। এনেকৈয়ে আমাৰ চিন্তাই তেতিয়ালৈকে গতি কৰি থাকে যেতিয়ালৈকে ই সৰ্বোচ্চ অথবা পৰম তাত্ত্বিক দ্বন্দ্বটোত উপনীত নহয়। এই পৰম তাত্ত্বিক দ্বন্দ্বই আন সকলোবোৰ পৰস্পৰ বিৰোধিতা অথবা বৈপৰীত্য বুজি পায় আৰু সেইবোৰৰ মাজত সামঞ্জস্য স্থাপন কৰে।

এইখিনিতে মনত ৰাখি থোৱা ভাল হ'ব যে হেগেলৰ মতে এই দ্বন্দ্বাত্মক প্ৰক্ৰিয়াটো কেৱল এক যুক্তিসংগত প্ৰক্ৰিয়া অথবা মানৱ চিন্তাৰ প্ৰক্ৰিয়া নহয়। ই সামগ্ৰিক জগতখনৰ প্ৰক্ৰিয়া। দাৰ্শনিকৰ মনত থকা ধাৰণাবোৰৰ দ্বন্দ্বাত্মক ক্ৰমবিকাশ আৰু জগতৰ বস্তুনিষ্ঠ ক্ৰমবিকাশৰ মিল আছে। চিন্তা আৰু বাস্তৱৰ গতিবিধি প্ৰমেয় আৰু বিৰোধাভাসৰ বৈপৰীত্যৰ সহায়ত জানিব পাৰি। প্ৰমেয় আৰু বিৰোধাভাসৰ সামঞ্জস্য সিহঁতৰ তাত্ত্বিক দ্বন্দ্বৰ দ্বাৰা বুজিব পাৰি। এই তাত্ত্বিক দ্বন্দ্বই আন এক নতুন প্ৰমেয়ৰ ৰূপ লয়- তাৰপৰা পুনৰ একোটা বিৰোধাভাসৰ সৃষ্টি হয় আৰু এক উচ্চতৰ তাত্ত্বিক দ্বন্দ্বৰ সহায়ত দুয়োটাৰে পুনৰ সামঞ্জস্য স্থাপন কৰা হয়। মানৱ মন দ্বন্দ্বাত্মক প্ৰক্ৰিয়াৰে আগবাঢ়ে। কাৰণ মানৱ মন হ'ল মূলতঃ পৰম বাস্তৱৰ এক পুনৰসৃষ্টি। এই পৰম বাস্তৱ হ'ল দ্বন্দ্বাত্মকভাৱে আগবঢ়া এক মানসিক সত্ত্বা। ই বিশ্বব্ৰহ্মাণ্ডৰ তাত্ত্বিক ক্ৰমবিকাশৰ জৰিয়তে বাস্তৱ ৰূপ লয় আৰু নিজকে প্ৰকট কৰে। চিন্তাৰ সঞ্চৰণ বস্তুৰ গতিবিধিৰ মাজত অনুৰূপতা

আছে। চিন্তাৰ দ্বন্দ্বাত্মক গতিবিধি আৰু বাস্তৱৰ দ্বন্দ্বাত্মক গতিবিধিৰ মাজত অনুৰূপতা আছে। অর্থাৎ, চিন্তা আৰু বাস্তৱ দৰাচলতে সদৃশ। চিন্তাৰ সংৰচনাই বাস্তৱ সংৰচনাৰ সৈতে অনুৰূপত্য প্রদর্শন কৰে। বাস্তৱ যুক্তিসংগত। যুক্তিসংগতাই বাস্তৱ। বৈচিত্র্যৰ জৰিয়তে ঐক্যৰ পৰা বৈচিত্র্যৰ মাজত ঐক্যলৈ এটা দ্বন্দ্বাত্মক প্রক্রিয়া ক্রিয়াশীল হৈ থাকে। চিন্তা আৰু বাস্তৱে একে নিয়ম অনুসৰণ কৰে। তর্ক (logic) আৰু পৰাবিদ্যা (metaphysics) একে। মানৱ চিন্তাৰ আৱশ্যকীয় নিয়ম অথবা ধাৰণা অনুসৰি আমাৰ হাতত তাত্ত্বিক সত্য (ontological truth) জনাৰ উপায় আছে। ড° প'লচেনৰ ভাষাত, "ধাৰণাৰ দ্বন্দ্বাত্মক বিকাশ ধাৰণাৰ বস্তুনিষ্ঠ প্রক্রিয়াৰ ব্যক্তিনিষ্ঠ পুনৰাবৃত্তি মাথোন। অর্থাৎ, ই নিজেই পৰম বাস্তৱ।" ধাৰণাৰ দ্বন্দ্বাত্মক বিকাশৰ জৰিয়তে আমি বাস্তৱৰ প্রকৃত জ্ঞান পাব পাৰোঁ। হেগেলৰ মতে এয়াই দর্শন অধ্যয়নত দ্বন্দ্বাত্মক পদ্ধতি প্রয়োগৰ গুৰুত্ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতিত কিমানটা মূহুর্ত অথবা পর্যায় আছে?

.....

.....

প্রশ্ন নং ৪ ঃহেগেলৰ মতে দর্শনত দ্বন্দ্বাত্মক পদ্ধতিৰ কেনেধৰণৰ গুৰুত্ব আছে?

.....

.....



৬.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- বাস্তৱ অথবা বাহ্যিক জগতখনৰ বস্তুনিষ্ঠ অস্তিত্ব আছে বুলি কোৱা দার্শনিক দৃষ্টিভংগীটোৱেই হ'ল বস্তুনিষ্ঠ ভাববাদ। একে সময়তে এই দৃষ্টিভংগীটোৱে জগতখন এক পৰম ধাৰণা অথবা চিন্তাৰ পৰা উদ্ভূত বুলি কয় বাবে ইয়াক এক ভাববাদী দৃষ্টিভংগী বুলি কোৱা হয়।
- হেগেলৰ মতে, পৰম ধাৰণা হ'ল এটা সক্রিয় গতিশীল নীতি। সেয়েহে ই ক্রিয়া কৰিব, বাঢ়িব তথা বিকশিত হ'ব লাগিব। পৰম চিন্তাৰ বস্তু হ'ল জগত আৰু এই জগতখন ইয়াৰ বাবে 'অপৰ' (other)
- বস্তুনিষ্ঠ ভাববাদে সমীম মনৰ পৰা স্বতন্ত্র কিন্তু ঐশ্বৰিক মনৰ অংশস্বৰূপ বস্তুৰ অস্তিত্বক স্বীকৃতি দিয়ে।

- এই জগতখন হ'ল পৰম অথবা ঈশ্বৰৰ বাহ্যিক প্ৰকাশভৱন। সসীম মনবোৰ হ'ল ঈশ্বৰৰ সীমিত পুনঃসৃষ্টিকৰণ। সসীম মনৰ বাবে এই জগতখন বোধগম্য হোৱাৰ কাৰণ হ'ল ই ঈশ্বৰৰ অভিব্যক্তি।
- হেগেলৰ বস্তুনিষ্ঠ ভাববাদ অনুসৰি পৰম আত্মা/ চিত বিশ্বজনীন যুক্তি ৰূপে প্ৰকৃতি আৰু মনত অন্তর্নিহিত হৈ থাকে। ই প্ৰকৃতিত অচেতন যুক্তি ৰূপে নিহিত থাকে আৰু সমীম মনত ইয়াৰ চেতন' যুক্তিলৈ ৰূপান্তৰ ঘটে।
- হেগেলৰ পৰম ভাববাদক একত্ববাদী আধ্যাত্মবাদ বুলিও কোৱা হয়। কাৰণ, ই এক আধ্যাত্মিক বাস্তৱিকতাক সকলোৰে উৎস আৰু আধাৰ বুলি গ্ৰহণ কৰে।
- চিন্তাৰ যুক্তিযুক্ততাই প্ৰকৃতিত থকা এক সদৃশ যুক্তিযুক্ততা প্ৰমাণিত কৰে। এই যুক্তিযুক্ততা অবিহনে চিন্তাৰ বাবে বস্তুনিষ্ঠ প্ৰকৃতি দুৰ্বোধ্য হৈ ৰ'ব।
- হেগেলৰ পৰম ভাববাদ সূত্ৰটোৱে ভাববাদ আৰু বাস্তৱবাদৰ সত্যবোৰৰ সংমিশ্ৰণ ঘটায়। বস্তুনিষ্ঠ ভাববাদে বাহ্যিক জগতৰ বাস্তৱিকতাৰ লগতে সসীম মন আৰু ঈশ্বৰৰ বাস্তৱিকতাক মানি লয়।
- হেগেলে সদৰ্থক দ্বন্দ্বাত্মক পদ্ধতি অনুসৰণ কৰিছিল। কাৰণ, ই মূলতঃ দুটা বিপৰীত ভাবৰ সামঞ্জস্য সাধন অথবা একত্ৰিতকৰণ প্ৰক্ৰিয়া।
- হেগেলে কৈছিল যে মানুহৰ চিন্তাবোৰ দ্বন্দ্বাত্মকভাৱে আগবাঢ়ে। ইয়াৰ গতিবিধিত পৰস্পৰ বিৰোধিতা আৰু সামস্য স্থাপন এই দুয়োটা প্ৰক্ৰিয়া জড়িত হৈ থাকে।
- দাৰ্শনিকৰ মনত থকা ধাৰণাবোৰৰ দ্বন্দ্বাত্মক ক্ৰমবিকাশ আৰু জগতৰ বস্তুনিষ্ঠ ক্ৰমবিকাশৰ মিল আছে। চিন্তা আৰু বাস্তৱৰ গতিবিধি প্ৰমেয় আৰু বিৰোধাভাসৰ বৈপৰীত্যৰ সহায়ত জানিব পাৰি। প্ৰমেয় আৰু বিৰোধাভাসৰ সামঞ্জস্য সিহঁতৰ তাত্ত্বিক দ্বন্দ্বৰ দ্বাৰা বুজিব পাৰি। এই তাত্ত্বিক দ্বন্দ্বই আন এক নতুন প্ৰমেয়ৰ ৰূপ লয়- তাৰপৰা পুনৰ একোটা বিৰোধাভাসৰ সৃষ্টি হয় আৰু এক উচ্চতৰ তাত্ত্বিক দ্বন্দ্বৰ সহায়ত দুয়োটাৰে পুনৰ সামঞ্জস্য স্থাপন কৰা হয়।
- ধাৰণাৰ দ্বন্দ্বাত্মক বিকাশৰ জৰিয়তে আমি বাস্তৱৰ প্ৰকৃত জ্ঞান পাব পাৰো।



৬.৭ অধিক জানিবলৈ

1) Thilly, Frank, (1949) *A History of Philosophy*, New York: Holt and Company, New York
2) Bhattacharyya, H. M. (1969) *The Principles of Philosophy*, University of Calcutta
3) Sinha, Jadunath (2009), *Introduction to Philosophy*, New Central Book Agency, Kolkata

4) Chatterji, Phanibhusan (1951) *Outlines of General Philosophy*, Calcutta: Published by the Author

5) Chakravarty, Sibapada (1992) *An Introduction to Philosophy*, J.N.Ghose & Sons, Calcutta



৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ হয়, পৰম আত্মা /চিত বিশ্বজনীন যুক্তি ৰূপে প্রকৃতি আৰু মনত অন্তর্নিহিত হৈ থাকে।

২ নং প্রশ্নৰ উত্তৰ ঃহেগেলৰ মতে ব্যক্তি আৰু বস্তু, মন আৰু জগতৰ পাৰস্পৰিক সম্বন্ধ আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ হেগেলে দ্বন্দ্বাত্মক পদ্ধতিৰ তিনিটা মূহুর্ত অথবা পর্যায় থকাৰ কথা কৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ হেগেলৰ মতে দর্শনত দ্বন্দ্বাত্মক পদ্ধতিৰ গুৰুত্ব আছে. কাৰণ, ধাৰণাৰ দ্বন্দ্বাত্মক বিকাশৰ জৰিয়তে আমি বাস্তৱৰ প্রকৃত জ্ঞান পাব পাৰোঁ।



৬.৯ আৰ্হি প্রশ্ন

(ক) অতি চুটি প্রশ্ন-

প্রশ্ন ১ঃ বস্তুনিষ্ঠ ভাববাদে বস্তুৰ অস্তিত্বক স্বীকৃতি দিয়েনে?

প্রশ্ন ২ঃ বিচাৰ পৰমতাবাদ মানে কি?

প্রশ্ন ৩ঃ প্রকৃতি স্থিৰনে গতিশীল?

প্রশ্ন ৪ঃ ব্যক্তিৰ বস্তুনিষ্ঠনে ব্যক্তিনিষ্ঠ মন থাকে?

প্রশ্ন ৫ঃ হেগেলৰ বস্তুনিষ্ঠ ভাববাদৰ মতে এই জগতখন মানৱ মনৰ বোধগম্যনে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ হেগেলৰ বস্তুনিষ্ঠ ভাববাদৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতিৰ বিষয়ে এটা চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ হেগেলৰ বস্তুনিষ্ঠ ভাববাদৰ সমালোচনামূলক ব্যাখ্যা দাঙি ধৰক।

প্রশ্ন ২ঃ হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতিটো বর্ণনা আৰু পৰীক্ষা কৰক।

*** ***** ***

অধ্যায়-৭ দেহ-মনৰ সম্পৰ্ক

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ দেহ-মন সম্পৰ্কে ডেকার্টৰ ধাৰণা
৭.৩.১ পাৰস্পৰিক ক্ৰিয়াবাদ
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্ৰগতিৰ খতিয়ান
৭.৭ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দেহ-মন সম্বন্ধে ডেকার্টৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- পাৰস্পৰিক ক্ৰিয়াবাদ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়টিয়ে দেহ-মন সম্বন্ধে বিভিন্ন দাৰ্শনিকসকলে আগবঢ়োৱা ধাৰণাবোৰৰ লগত আপোনাক পৰিচিত কৰাব। ইয়াত আমি ডেকার্টৰ পাৰস্পৰিক ক্ৰিয়াবাদ, স্পি'নোজাৰ সমান্তৰালবাদ, লাইব্‌নিৎজৰ পূৰ্বপ্ৰতিস্থিত সামঞ্জস্যবাদ, লাইব্‌নিৎজৰ ধাৰণাৰ ওপৰত ৰাছেলৰ মতামত আৰু ষ্ট্ৰ'ছনৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম।

৭.৩ দেহ-মন সম্পৰ্কে ডেকার্টৰ ধাৰণা

ডেকার্টৰ দেহ-মন সম্পৰ্কীয় ধাৰণা তেওঁ স্ব-আৰোপিত সন্দেহৰ পৰা অনিবাৰ্য ভাৱে নিঃসৃত হৈছে আৰু এই স্ব-আৰোপিত সন্দেহেই হৈছে তেওঁৰ দৰ্শনৰ পথ প্ৰদৰ্শক। বুদ্ধিবাদী দাৰ্শনিক হিচাপে তেওঁ মত পোষণ কৰে যে দেহ আৰু মন দুটা স্বতন্ত্ৰ দ্ৰব্য। দেহ-মন সম্পৰ্কে আমি বিভিন্ন ধাৰণা পাওঁ, যেনেঃ উপলক্ষবাদ, স্পি'নোজৰ সমান্তৰালবাদ, লাইব্‌নিৎজৰ পূৰ্বপ্ৰতিস্থিত সামঞ্জস্যবাদ আৰু বাৰ্কলিৰ আত্মগত ভাববাদ, ইত্যাদি। আধুনিক দৰ্শনত এই সমস্যাটো ভিন্ন ধৰণে দৃঢ়ভাৱে আলোচিত হৈছে।

এতিয়া দেহ-মন সম্পৰ্কে ডেকার্টৰ দার্শনিক ধাৰণা আলোচনা কৰিম। ডেকার্ট আছিল এজন দ্বৈতবাদী, কাৰণ তেওঁ জ্ঞানক ধাৰণা (Idea) আৰু বস্তুগত ধাৰণা (Ideas of things) এই দুভাগত ভাগ কৰিছিল। দর্শনৰ ইতিহাসত দার্শনিক ল'কে প্ৰথমে জ্ঞানক দ্বৈত ভাগত ভাগ কৰিছিল আৰু ডেকার্টে তেওঁক অনুসৰণ কৰিছিল। বার্কলিয়ে এই দ্বৈত ধাৰণাক সমালোচনা কৰিছিল। আনকি বার্কলিয়ে ল'কৰ মুখ্য আৰু গৌণ গুণৰ ধাৰণাকো অস্বীকাৰ কৰিছিল। এতিয়া আমি ডেকার্টৰ পাৰস্পৰিক ক্ৰিয়াবাদৰ ওপৰত মনোনিবেশ কৰিম।



জন ল'ক ঃ (১৬৩২-১৭০৪) ইংৰাজ দার্শনিক। অভিজ্ঞতাবাদৰ মূল প্ৰবর্তক। তেওঁৰ মতে অভিজ্ঞতাই হ'ল জ্ঞানৰ উৎস।

৭.৩.১ পাৰস্পৰিক ক্ৰিয়াবাদ

দ্বৈতবাদী হিচাপে ডেকার্টে কয় যে মনৰ যিহেতু চেতনা আছে গতিকে ইয়াক বিস্তৃতিৰ প্ৰয়োজন নাই। একেদৰে ভৌতিক দেহৰ যিহেতু বিস্তৃতি আছে, গতিকে তাত চেতনাৰ প্ৰয়োজন নাই। গতিকে দেহ আৰু মন দুটা স্বতন্ত্ৰ, স্বনির্ভৰশীল দ্ৰব্য।

মানব দেহত ভৌতিক শৰীৰ আৰু মন দুয়োটাই আছে। মানব দেহক এটা যন্ত্ৰৰ লগত তুলনা কৰা হৈছে। যেনেকৈ এটা যন্ত্ৰ শক্তিৰে চালিত হয়, ঠিক তেনেকৈ মানব দেহটোও হৃদপিণ্ডত উৎপাদিত শক্তিৰে চালিত হয়। দৈহিক যন্ত্ৰটোত কিছুমান প্ৰয়োজনীয় অঙ্গ বিকল হ'লেই মৃত্যু ঘটে। দেহ-মনৰ বাহিৰেও ঈশ্বৰে তেওঁৰ সৃষ্ট মানব দেহটোত অতিৰিক্তভাৱে আত্মাক সংযোজন কৰিছে আৰু সেয়েহে ক'ব পাৰি যে শৰীৰ আৰু আত্মাৰ মাজত কোনো প্ৰকৃত সম্পৰ্ক নাই। সিহঁত হৈছে এটা আনটোৰ সম্পূৰ্ণ বিপৰীত। এই দেহ-মনৰ সম্পৰ্কক এজন পৰিচালক (Pilot) আৰু তেওঁৰ যন্ত্ৰৰ লগত তুলনা কৰিব পাৰি।

যদিও আমি দেহ-মনৰ কোনো সম্পৰ্ক নাই বুলি ভাবিছো, তথাপি ক'ৰবাত, কোনো এটা পর্যায়ত সিহঁতৰ মাজত সম্পৰ্ক নিৰীক্ষণ কৰো। এই ক্ষেত্ৰত ডেকার্টে দেহ আৰু মনৰ মাজত পাৰস্পৰিক ক্ৰিয়াবাদৰ উল্লেখ কৰিছে। পাৰস্পৰিক ক্ৰিয়াবাদৰ ক্ষেত্ৰত ভৌতিক দেহৰ ক্ৰিয়াসমূহ কেতিয়াবা মনৰ দ্বাৰা আৰু কেতিয়াবা মনৰ ক্ৰিয়াসমূহ প্ৰভাৱান্বিত হয়। উদাহৰণ স্বৰূপে, যদিও ইন্দ্ৰিয় প্ৰত্যক্ষ, কল্পনা, স্মৃতি আৰু মননশীলতা (Act of remembering)ক মানসিক ক্ৰিয়া হিচাপে বিবেচনা কৰা হয় তথাপি এই ক্ৰিয়াবোৰে ভৌতিক বস্তুকো নির্দেশ কৰে। সেইদৰে শাৰীৰিক ক্ৰিয়া, যেনে - খোৱা, খেলা, কাম কৰা আদি ক্ৰিয়াই মানসিক ক্ৰিয়াকে নির্দেশ কৰে। উদাহৰণ হিচাপে আমি যেতিয়া লিখি থাকো তেতিয়া তাত আমাৰ শৰীৰটোৰ লগতে আমাৰ চিন্তা শক্তিয়ো সমানেই জড়িত হৈ থাকে। সেয়ে ক'ব পাৰি যে মন আৰু দেহে এটাই আনটোৰ ওপৰত ক্ৰিয়া কৰে। শৰীৰক বাদ দি মানসিক ক্ৰিয়া বা মনক বাদ দি শাৰীৰিক ক্ৰিয়া সম্ভৱ নহয়। দুয়োটাৰে মাজত আন্তৰিক সম্পৰ্ক আছে; কিন্তু ডেকার্টে দ্বৈতবাদৰ পৰিসীমাৰ ভিতৰত এই সম্পৰ্ক স্পষ্টভাৱে ব্যাখ্যা কৰিব পৰা নাই। তেওঁ দেহ আৰু মনক একে বুলি স্বীকাৰ নকৰিবলৈ সতর্ক কৰিছে। আনহাতে দেহ-মনৰ নিবিড়ৰ সম্পৰ্কক

যদি স্বীকাৰ কৰা হয়, তেনেস্থলতো ডেকার্টে কৈছে যে দেহ (বিস্তৃতি) আৰু মন (চেতনা) গঠনত একে হ'লেও (Unity of composition), সিহঁত স্বৰূপত একে নহয়। গতিকে দেহ-মনৰ সম্বন্ধক দুটা পদার্থৰ সংমিশ্ৰণৰ লগত তুলনা কৰিব নোৱাৰি। ডেকার্টে দেখুৱাইছে যে যদিও চিন্তা ইন্দ্ৰিয়ৰ (Sense organ) দ্বাৰা প্ৰভাৱান্বিত হয়, তথাপিও চিন্তা কিন্তু ইন্দ্ৰিয়ৰ দ্বাৰা উৎপন্ন নহয়। ইন্দ্ৰিয় সংবেদন, অনুভূতি, ৰুচি, ইত্যাদি ইন্দ্ৰিয়ৰ লগত জড়িত হ'লেও সিহঁতৰ উৎস হৈছে আত্মা। ডেকার্টেৰ মতে দেহ আৰু মন পৃথক হোৱা স্বত্বেও সিহঁতৰ মাজত সংযোগ সম্ভৱ আৰু এই সংযোগ ঈশ্বৰৰ দ্বাৰা সৃষ্ট। তেঁও দেহ আৰু মনক এটাক আনটোৰ কাৰণ বুলি ক'ব নোখোজে। অৱশ্যে কেতিয়াবা তেওঁ সিহঁতৰ মাজত কার্যকৰণ সম্পৰ্ক স্বীকাৰ নকৰাও নহয়। যদিও আত্মাৰ দেহৰ লগত সংযোগ ঘটে, তথাপি ইয়াৰ প্ৰকৃত অৱস্থান হৈছে মগজুত থকা শীর্ষ বা পায়েনিয়েল গ্ৰন্থি (Pineal gland)। এই গ্ৰন্থি হৈছে মগজুৰ অবিছিন্ন অংগ। দৈহিক সঞ্চাৰে স্নায়ুত থকা জান্তব পদার্থক উত্তেজিত কৰে আৰু এই উত্তেজনাই ভৌতিক বস্তু সম্পর্কে সংবেদনৰ সৃষ্টি কৰি মগজুত থকা শীর্ষ গ্ৰন্থিলৈ প্ৰেৰণ কৰে আৰু এইদৰে মগজুত সংবেদনৰ উৎপত্তি হয়। ঠিক সেইদৰে আত্মায়ো এই গ্ৰন্থিক চালিত কৰে আৰু চালিকা শক্তি জান্তব পদার্থলৈ (Animal Spirit) পৰিবর্তিত হয় আৰু সিহঁতৰ দ্বাৰা উৎপাদিত এই চালিকা শক্তিয়ে স্নায়ু আৰু মাংসপেশীক সঞ্চালন কৰে। এই ক্ষেত্ৰত দেহ-মনৰ সম্পৰ্ক হৈছে কার্য-কাৰণযুক্ত আৰু এই সম্পৰ্ক সম্ভৱ হৈছে দেহৰ শীর্ষ গ্ৰন্থি (Pineal gland) মাধ্যমত। দেহ আৰু মনৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া কেনেকৈ সম্ভৱ হ'ব পাৰে, তাক ব্যাখ্যা কৰাত ডেকার্টে বিফল হৈছে। এইখিনিতে আন এটা দ্বৈতবাদী ধাৰণা উপবস্তুবাদ আলোচনা কৰা সমীচীন হ'ব।

পাইনিয়েল গ্ৰন্থিঃ মূৰৰ লাওখোলাৰ পিচফালে অৱস্থিত এবিধ সৰু গ্ৰন্থি যিয়ে স্তন্যপায়ী ৰস উৎপন্ন কৰে।

উপবস্তুবাদ এটা দ্বৈত ধাৰণা আৰু ই কয় যে মন দেহৰ পৰা সম্পূর্ণ পৃথক। এই মতানুসাৰে মনে কেতিয়াবা কেতিয়াবা নিত্যান্তভাৱে দেহৰ ওপৰত নির্ভৰ কৰে। গতিকে মানসিক ক্ৰিয়াবোৰ হৈছে দেহত হোৱা ক্ৰিয়াৰ ফল স্বৰূপ কিন্তু মনে দেহক প্ৰভাৱান্বিত কৰিবলৈ সম্পূর্ণ অপাৰগ। গতিকে দেখা গৈছে যে পাৰস্পৰিক ক্ৰিয়াবাদৰ এটা অংশ উপবস্তুবাদে স্বীকাৰ কৰিছে। দৈহিক ক্ৰিয়াই মানসিক ক্ৰিয়াৰ সৃষ্টি কৰে। কিন্তু মনে দেহৰ ওপৰত ক্ৰিয়া কৰা কথাটো উপবস্তুবাদে গ্ৰহণ নকৰে। ক্ৰিয়াৰ মতে মনত উৎপত্তি হোৱা সকলো ঘটনাই দৈহিক ক্ৰিয়াৰ উপৰুৱা সৃষ্টি (By product)। এই ধাৰণাক উপবস্তুবাদ নামে জনা যায়।

যদিও ভোক, পিয়াহ, আবেগ, আশা আদিৰ ক্ষেত্ৰত দেহ আৰু মনৰ মাজত ক্ৰিয়া প্ৰতিক্ৰিয়া দেখা যায়, তথাপিও ডেকার্টে ঘোৰা আৰু আৰোহীৰ সাদৃশ্যৰ উপমাৰে দেহ-মনৰ স্বাভাৱিক সম্পৰ্কক অস্বীকাৰ কৰিব খোজে। যেনেকৈ আৰোহীয়ে তেওঁৰ হেচুকেৰে ঘোৰাৰ গতিবেগ তীব্ৰ কৰিব বিচাৰে, তেনেকৈয়ে মনে নিজৰ শক্তি প্ৰদান নকৰাকৈ ভৌতিক দেহেটো সঞ্চালনক প্ৰভাবান্বিত কৰিব পাৰে। কিন্তু দেহ আৰু মনৰ

এই সম্পৰ্ক আসোৱাহমুক্ত নহয়। আৰোহী আৰু ঘোৰাৰ সম্পৰ্কৰ দৰে দেহ-মনৰ সম্পৰ্ক মূৰ্ত শব্দত (Concrete term) আলোচনা কৰিব নোৱাৰি। ঘোৰা আৰু আৰোহীৰ দৰে দেহ-মনৰ সম্পৰ্ক যান্ত্রিক নহয়। দেহ আৰু মন স্বৰূপতে পৃথক। কিন্তু ঘোঁৰা আৰু আৰোহীৰ স্বৰূপ অনিবাৰ্য ভাৱে একে। যদিও দেহ মনৰ মাজত প্রত্যক্ষ সম্বন্ধ স্থাপন কৰিব নোৱাৰি, তথাপি সিহঁতৰ অন্তঃৰস্থ সম্পৰ্কক স্বীকাৰ কৰিবই লাগিব। যিহেতু এই সম্পৰ্ক মানবৰ লগত জড়িত, গতিকে সিহঁতৰ মাজত কিছু পৰিমাণৰ পাৰস্পৰিক ক্রিয়া প্রতিক্রিয়া নুই কৰিব নোৱাৰি। জান্তব পদাৰ্থৰ মাধ্যমত দেহ আৰু মনে পাৰস্পৰিক প্রভাৱ বিস্তাৰ কৰে। যদি আমি মানি লওঁ যে জান্তব পদাৰ্থই আমাৰ মনক কাৰ্যৰ বাবে উদ্যত কৰিছে তেনে ক্ষেত্রত দেহ-মনৰ মাজত পাৰস্পৰিক ক্রিয়া সম্ভৱ হ'ব পাৰে। যদিহে মনক প্রভাবান্বিত কৰা জান্তব পদাৰ্থ তেনেহ'লে দেহ আৰু মন বা মন আৰু দেহৰ মাজত ক্রিয়া প্রতিক্রিয়া স্বীকাৰ কৰাত একো অসুবিধা নহয়। অৱশ্যে এই ক্ষেত্রত ডেকার্টৰ ভূমিকা স্পষ্ট নহয়, কাৰণ ভৌতিক জগতক ব্যাখ্যা কৰিবলৈ তেওঁ যান্ত্রিক আৰু আধ্যাত্মিক দুয়োটা নীতিৰে সহায় লৈছে।

গিলবার্ট ৰাইলঃ ১৯ আগষ্ট ১৯০০- ৬ অক্টোবৰ ১৯৭৬ ইংৰাজ দার্শনিক

দেহ আৰু মনক পৃথক বুলি ভবাৰ বাবেই সমস্যাৰ উদ্ভৱ হৈছে। ব্যক্তিক মন আৰু দেহৰ ধাৰণাৰে বিশ্লেষণ কৰিবলৈ বিচৰা ডেকার্টৰ দর্শনে ব্যক্তি সম্পৰ্কে সম্পূর্ণ তথ্য আগবঢ়াবলৈ বিফল হৈছে। সাধাৰণতে, মানুহক ভৌতিক (দেহ)আৰু মানসিক (মন) - এই দুই ভাগত ভগাই বিশ্লেষণ কৰা নহয়। এনে ধাৰণাই প্রকৃত সমস্যাৰ সৃষ্টি কৰে। কিয়নো দেহৰ বিস্তৃতি আছে চেতনা নাই আৰু মনৰ চেতনা আছে বিস্তৃতি নাই। গতিকে দেহ আৰু মনৰ স্বৰূপ পৃথক বুলি মানিবলৈ বাধ্য হওঁ। গতিকে দুটা বিপৰীত অস্তিত্ব (Entity)ৰ মাজত সম্পৰ্ক স্থাপন কৰা কঠিন। গতিকে ডেকার্টে দেহ মনৰ সম্পৰ্কৰ সন্তোষজনক ব্যাখ্যা দিব পৰা নাই।

গিলবার্ট ৰাইলে কৈছে যে দেহ-মন সম্পৰ্কে ডেকার্টৰ দ্বৈতবাদী ধাৰণাই প্রত্যয়গত দোষ (Categorical mistake) সূচনা কৰিছে। কাৰণ দেহ আৰু মনৰ প্রকাৰ ভিন্ন। মন হৈছে চেতন আৰু দেহ হৈছে ভৌতিক। গতিকে দেহৰ ওপৰত মনৰ বা মনৰ ওপৰত দেহৰ প্রত্যক্ষ বা পৰোক্ষ কোনো ধৰণৰ পাৰস্পৰিক ক্রিয়া প্রতিক্রিয়া ব্যাখ্যা কৰাৰ প্রচেষ্টাই প্রত্যয়গত দোষৰ উদ্ভৱ কৰে।

কিন্তু গুৰুত্বপূর্ণ প্রশ্নটো হ'ল, মানসিক ক্রিয়াই জড় দেহক নির্দেশ কৰে নেকি? ডেকার্টৰ মতে মানসিক ক্রিয়াই জড় দেহক নির্দেশ নকৰে। কেবল মাত্র জড় দেহক প্রতিনিধিত্বহে কৰে। ডেকার্টৰ মতে প্রকৃতিত এনে ধৰণৰ জড় বস্তু আছে যিবোৰে ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰে। কিন্তু জড় বস্তুটোক জনাৰ আগতে আমি তাৰ মুখ্য গুণবোৰকহে জানো। কিন্তু গৌণ গুণসমূহ যিহেতু জড় বস্তুৰেই নিজেই প্রক্ষেপ কৰে, গতিকে সেইবোৰে আমাক বিবুদ্ধিত পেলাই। সেই বাবে ডেকার্টেই মত পোষণ কৰে যে জড় দেহে মানব দেহৰ মাজেদি মানসিক প্রতিক্রিয়াক প্রভাবিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

ক) ডেকার্টৰ মতে মন আৰু দেহ দুটা পৃথক দ্রব্য। (শুদ্ধ /অশুদ্ধ)

খ) লকে প্রথমে জ্ঞানৰ ক্ষেত্রত দ্বৈতবাদৰ ধাৰণা আগবঢ়াইছিল। (শুদ্ধ /অশুদ্ধ)

গ) পাৰস্পৰিক ক্রিয়াবাদৰ মতবাদটো ল'কে আগবঢ়াইছিল। (শুদ্ধ /অশুদ্ধ)

ঘ) ডেকার্টে মত পোষণ কৰে যে মগজুত থকা পাইনিয়েল গ্রন্থি হৈছে আত্মাৰ সঞ্চাৰ পথ (Locus)(শুদ্ধ/অশুদ্ধ) (শুদ্ধ /অশুদ্ধ)

ঙ) ৰাইলৰ মতে ডেকার্টেৰ দ্বৈতবাদৰ ধাৰণাই প্রত্যয়গত দোষৰ উদ্ভৱ কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ পাৰস্পৰিক ক্রিয়াবাদ বুলিলে কি বুজাই? (১০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

প্রশ্ন নং ৩ ঃ ডেকার্টেৰ পাৰস্পৰিক ক্রিয়াবাদৰ সমালোচনাত্মক ব্যাখ্যা দিয়ক (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....



চিন্তা-চর্চা কৰক ৭.১

আপুনি পাৰস্পৰিক ক্রিয়াবাদ সমর্থন কৰেনে? যদি কৰে, যুক্তি সহকাৰে আলোচনা কৰক।



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেহ-মনৰ সমস্যা সম্পৰ্কে ডেকার্টে পাৰস্পৰিক ক্ৰিয়াবাদৰ ধাৰণাটো আগবঢ়াইছিল। তেওঁৰ মতে দৈহিক ক্ৰিয়াবোৰৰ ওপৰত মনৰ প্ৰভাব পাব। সেইদৰে মানসিক ক্ৰিয়াবোৰো দেহৰ দ্বাৰা প্ৰভাবিত হয়। গতিকে মন আৰু দেহে এটাই আনটোৰ ওপৰত পৰস্পৰ ক্ৰিয়া কৰে।
- ডেকার্টে উপলক্ষ্যবাদৰ প্ৰবৰ্তন কৰিছিল। ইয়াৰ মতে জড় বস্তু চিন্তাৰ কাৰণ নহ য । সেইদৰে চিন্তা বা মানসিক অৱস্থাও জড় বস্তুৰ কাৰণ নহয়। বৰং ঈশ্বৰে জড় বস্তু আৰু মনক উপলক্ষ্য হিচাপে লৈ নিজৰ চিন্তা আৰু ইচ্ছাক কাৰ্যকৰী কৰে। উপবস্তুবাদ এটা দ্বৈত ধাৰণা আৰু ই কয় যে মন দেহৰ পৰা সম্পূৰ্ণ পৃথক। এই মতানুসাৰে মনে কেতিয়াবা কেতিয়াবা নিত্যান্তভাৱে দেহৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে মানসিক ক্ৰিয়াবোৰ হৈছে দেহত হোৱা ক্ৰিয়াৰ ফল স্বৰূপ কিন্তু মনে দেহক প্ৰভাৱান্বিত কৰিবলৈ সম্পূৰ্ণ অপাৰগ।
- উপবস্তুবাদ এটা দ্বৈত ধাৰণা আৰু ই কয় যে মন দেহৰ পৰা সম্পূৰ্ণ পৃথক। এই মতানুসাৰে মনে কেতিয়াবা কেতিয়াবা নিত্যান্তভাৱে দেহৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে মানসিক ক্ৰিয়াবোৰ হৈছে দেহত হোৱা ক্ৰিয়াৰ ফল স্বৰূপ কিন্তু মনে দেহক প্ৰভাৱান্বিত কৰিবলৈ সম্পূৰ্ণ অপাৰগ।



৭.৫ অধিক জানিবলৈ

1. A.E. Taylor (2004) . *Elements of Metaphysics,* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics* : Methuen & Co.Ltd. London.
3. Gottfried Martin (1968) . *General Metaphysics - Its problem and Method,* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective,* Kalyani Publishers, Guwahati.
5. J. N. Sinha (1985). *Introduction to Philosophy*. New Central Book Agency, Calcutta

6. Dutta, D.H. ( ) *Chief Currents of Contemporary philosophy* :
7. Russell, Bertsand (2001). *The Problems of philosophy*- Oxford University Press, Oxford.
8. Goswami, S.P. (2006). *Persons A Starwsonian Study :* Guwahati : Anwesha
9. Thrilly, Mark (.....) A History of Western Philosophy,.....
10. Shaffer A. Jerome (1968). Philosophy of Mind, U.S.A Prentice-Hall, Inc., Eaglewood Cliffs, N.J.

অসমীয়া গ্ৰন্থ

১। ভট্টাচার্য্য, জ্যোৎস্না দর্শনৰ পৰিচয় ঃ
২। দেৱী, অঞ্জলী পাশ্চাত্য দর্শন ঃ

৭.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ

(ক) শুদ্ধ
(খ) শুদ্ধ
(গ) অশুদ্ধ
(ঘ) শুদ্ধ
(ঙ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰঃ পাৱস্পৰিক ক্রিয়াবাদৰ মতে দৈহিক ক্রিয়াবোৰ মানসিক ক্রিয়াৰ দ্বাৰা প্রভাৱান্বিত হয়। সেইদৰে মানসিক ক্রিয়াবোৰ দৈহিক ক্রিয়াৰ দ্বাৰা প্রভাৱিত হয়। উদাহৰণ হিচাপে, সংবেদন, কল্পনা, স্মৃতি, স্মৰণ আদি ক্রিয়াবোৰে ভৌতিক বস্তুক নির্দেশ কৰে; সেইদৰে, দৈহিক কার্য, যেনে - খোৱা, খেলা, কাম কৰা ইত্যাদিয়ে মানসিক ক্রিয়াক নির্দেশ কৰে। আমি যেতিয়া বিশেষ খেলা খেলো (ফুটবল, ক্রিকেট, টেনিছ) তেতিয়া আমাৰ শৰীৰটোৰ লগতে আমাৰ মন বা চিন্তা শক্তিয়েও সমানে অংশ লয়। সেইবাবেই ক'ব পাৰি যে দেহ আৰু মনে পৰস্পৰ ক্রিয়া কৰে।

৩নং প্রশ্নৰ উত্তৰঃ ডেকার্টেৰ পাৱস্পৰিক ক্রিয়াবাদক গিলবার্ট ৰাইলে সমালোচনা কৰিছিল।

মনৰ গুণ হৈছে চেতনা আৰু দেহটো যাৰ গুণ বিস্তৃতি হৈছে ভৌতিক। গতিকে মনক দেহৰ আলমত বা দেহক মনৰ আলমত ব্যাখ্যা কৰাটো দোষযুক্ত, গতিকে ৰাইলৰ মতে ডেকার্টৰ ধাৰণা 'প্ৰকাৰগত দোষত' দূষিত।



৭.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ পাৰস্পৰিক ক্ৰিয়াবাদ কোনে প্ৰবৰ্তন কৰিছিল?

প্ৰশ্ন ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদ কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পাৰস্পৰিক ক্ৰিয়াবাদৰ চমু বৰ্ণনা দিয়ক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ উপলক্ষ্যবাদ

প্ৰশ্ন ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পাৰস্পৰিক ক্ৰিয়াবাদ কি? বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদৰ সীমাবদ্ধতাবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ঃ দেহ-মন সম্পৰ্কীয় সমান্তৰালবাদ, পাৰস্পৰিক ক্ৰিয়াবাদ আৰু পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদৰ ভিতৰত কোনটো মতবাদক আপুনি অগ্ৰাধিকাৰ দিয়ে? আলোচনা কৰক।

প্ৰশ্ন ৪ঃ পাৰস্পৰিক ক্ৰিয়াবাদ আৰু সমান্তৰালবাদৰ মাজত আপুনি কিবা পাৰ্থক্য বিচাৰি পায় নেকি? আলোচনা কৰক।

*** ***** ***

অধ্যায়-৮ দেহ-মনৰ সম্পৰ্কঃ সমান্তৰালবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ দেহ মন সম্পৰ্কে স্পি'নোজাৰ ধাৰণা
৮.৩.১ সমান্তৰালবাদ
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দেহ-মন সম্বন্ধে দার্শনিকৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- দেহ-মন সম্বন্ধে স্পি'নোজাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব

৮.২ পৰিচয়

আগৰ অধ্যায়ত আপোনালোকে ডেকার্টৰ পাৰস্পৰিক ক্রিয়াবাদ সম্পৰ্কে অধ্যয়ন কৰিছে, এতিয়া এই অধ্যায়ত আপোনালোকে স্পি'নোজাই আগবঢ়োৱা সমান্তৰালবাদৰ ধাৰণা অধ্যায়ন কৰিবলৈ পাব। এই অধ্যয়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল ঃ

- দেহ-মন সম্পৰ্কে স্পি'নোজাই আগবঢ়োৱা মতামত
- সমান্তৰালবাদৰ ধাৰণা।
- সম্পৰ্কক এজন পৰিচালক (Pilot) আৰু তেওঁৰ যন্ত্রৰ লগত তুলনা কৰিব পাৰি।

৮.৩ দেহ-মন সম্পৰ্কে স্পিনোজাৰ ধাৰণা

দেহ-মনৰ আলোচনাত স্পিনোজায়ো যোগ দিছিল। তেওঁৰ দেহ-মন সম্পৰ্কীয় ধাৰণা তেওঁৰ দ্রব্যৰ ধাৰণাৰ পৰা নিঃসৃত হৈছে। তেওঁৰ মতে, ঈশ্বৰ হৈছে পৰম দ্রব্য আৰু তেওঁৰ পৰাই সকলো উদ্ভৱ হৈছে আৰু তেওঁৰ জৰিয়তে সকলো ব্যাখ্যা সম্ভৱ। গতিকে তেওঁ দেহ-মনৰ

সমস্যাটোও ঈশ্বৰৰ মাধ্যমেৰে সমাধান কৰিছে। তেওঁ দেহ আৰু মনক পৃথক বুলি স্বীকাৰ কৰা বিপৰীতে সিহঁতক একোটি মাত্ৰ পৰম দ্ৰব্য দুটা বিকাৰ (mode) বুলিহে গণ্য কৰিছে।

৮.৩.১ সমান্তৰালবাদ

স্পিনোজাৰ দেহ-মনৰ ধাৰণাক সমান্তৰালবাদ বুলি জনা যায়। তেওঁৰ মতে জড় আৰু মন অৰ্থাৎ বিস্তৃতি আৰু চেতনা, একেটা পৰম দ্ৰব্যৰ পৰম দিশ মাত্ৰ। তেওঁৰ বিপৰীতে ডেকার্টে ধাৰণা কৰিছিল যে দেহ আৰু মন দুটা স্বতন্ত্ৰ আৰু স্বনিৰ্ভৰশীল দ্ৰব্য। স্পিনোজাই ডেকার্টেৰ লগত একমত নাছিল কাৰণ স্পিনোজাৰ মতে দ্ৰব্য হৈছে এক অখণ্ড সমগ্ৰ। গতিকে দ্ৰব্য কেবল এটাহে হ'ব পাৰে; যদি একাধিক হয়, তেন্তে এটাই আনটোক সীমিত কৰিব আৰু ফলত দ্ৰব্যৰ স্বাভাৱিক প্ৰকৃতি বিনষ্ট হ'ব।

স্পিনোজাৰ মতে পাৰস্পৰিক ক্ৰিয়াবাদৰ প্ৰসঙ্গত ডেকার্টেৰ স্থিতি সন্তোষজনক নহয় কিয়নো এই ধাৰণা ডেকার্টেৰ দ্বৈত ধাৰণাৰ পৰিপন্থী। বিশেষকৈ তেওঁৰ পাচৰ কার্টেচিয়ানসকলে যেতিয়া দেহ মনৰ সম্পৰ্কক 'উপলক্ষ বাদেৰে' ব্যাখ্যা কৰিব বিচাৰিলে, তেতিয়া ডেকার্টেৰ স্থিতি পূৰ্বতকৈ বেছি দুৰ্বল হ'ল। উপলক্ষবাদৰ মতেভৌতিক দেহ চিন্তাৰ কাৰণ বা চিন্তা ভৌতিক দেহৰ কাৰণ নহয়। ইয়াৰ মতে মানসিক ক্ৰিয়াৰ অনুৰূপ দৈহিক ক্ৰিয়া আৰু দৈহিক ক্ৰিয়াৰ অনুৰূপ মানসিক ক্ৰিয়া সংঘটিত হয় ঈশ্বৰৰ দ্বাৰা। উদাহৰণ স্বৰূপে আমি যেতিয়া কওঁ, এজন মানুহে সফলভাৱে কাৰ্য সম্পাদন কৰিলে, তাৰ অৰ্থ এইটো নহয় যে মানুহজনে কামটো কৰিলে; বৰং ঈশ্বৰেহে তেওঁৰ ইচ্ছা শক্তিৰ আলমলৈ জাগতিক পৰিবৰ্তন আনিলে, অৰ্থাৎ কাৰ্যটো সম্পাদন কৰোৱালে। সেয়ে দেহ আৰু মন হৈছে ঈশ্বৰৰ চিন্তা শক্তি আৰু ক্ৰিয়া সম্পাদনৰ উপলক্ষ। দৰ্শনৰ ইতিহাসত কার্টেচিয়ানসকলৰ এই ধাৰণাক উপলক্ষবাদ বুলি জনা যায়। কিন্তু দেহ মনৰ সম্বন্ধৰ ক্ষেত্ৰত স্পিনোজাই ঈশ্বৰৰ হস্তক্ষেপ স্বীকাৰ নকৰে। গতিকে তেওঁ কার্টেচিয়ান দ্বৈত্বাদক অগ্ৰাহ্য কৰি নিজৰ সমান্তৰাল বাদৰ পোষকতা কৰে।

ফেকনাৰ ঃ ১৮০১-১৮৮৭ জার্মান অনুসন্ধানমূলক মনোবিজ্ঞানী।

এই মতবাদৰ মতে দেহ আৰু মন হৈছে একেটি পৰম দ্ৰব্যৰ দুটা বিকাৰ। একে দ্ৰব্যৰে দুটা দিশ হিচাপে সিহতৰ মাজত পাৰস্পৰিক ক্ৰিয়া সম্ভৱ নহয়। ফেকনাৰেও সমান্তৰালবাদৰ প্ৰতিনিধিত্ব কৰিলেও তেওঁ দেহ-মনক সম মৰ্যাদা প্ৰদান নকৰে; অৱশ্যে তেওঁ দুয়োটাৰে মাজত পাৰ্থক্যও স্বীকাৰ নকৰে। কিন্তু স্পিনোজাই দেহ-মনৰ পাৰ্থক্য মানি লয় আৰু দুয়োটাৰে সমান মৰ্যাদা স্বীকাৰ কৰে। ফেকনাৰে ক'ব খোজে যে প্ৰত্যেক জড় বস্তুতে চেতনা নিহীত থাকে, অৰ্থাৎ জগতৰ প্ৰত্যেক বস্তুতেই আত্মা নিহীত হৈ আছে। ফেকনাৰে এইদৰে চেতনাৰ প্ৰাধান্য আৰু জড় বস্তুৰ ওপৰত তাৰ নিয়ন্ত্ৰণ স্বীকাৰ কৰিছে । এইখিনিতে ফেকনাৰ আৰু স্পিনোজাৰ দ্ৰব্য সম্পৰ্কীয় ধাৰণাৰ অমিল আহি পৰিছে। ফেকনাৰৰ ধাৰণা সম্পূৰ্ণভাৱে সৰ্বচিত্তবাদী; (Panpsychistic) কিন্তু স্পিনোজাই দেহ আৰু মনক সমান্তৰাল বুলি স্বীকাৰ কৰি মত পোষণ কৰে যে ইহঁতৰ

সৰ্বচিত্তবাদ ঃ দৰ্শনত সৰ্বচিত্তবাদ বুলিলে বুজাই যে সকলো পদাৰ্থৰে এটা মানসিক দিশ থাকে।

এটাই আনটোৰ ওপৰত প্ৰাধান্য বিস্তাৰ নকৰে। এই মতবাদৰ মতে দেহৰ জৰিয়তে মনক বা মনৰ জৰিয়তে দেহক ব্যাখ্যা কৰিব নোৱাৰি। ইহঁত কেৱল এটা মাত্ৰ সাৰ্বজনীন সত্তা 'ঈশ্বৰ'ৰ দুটা বহিঃপ্ৰকাশ। কিন্তু একে সত্তাৰ প্ৰকাশ যদিও সিহত এটা আনটোৰ কাৰণ নহয়, বৰং সিহত পৰম দ্ৰব্য বা চৰম কাৰণৰ পৰা উদ্ভৱ হোৱা কাৰ্যহে। গতিকে সিহঁত কেবল এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ। এই ভিত্তিত স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত সমান্তৰালবাদ বুলি জনা যায়।

যদি দেহ আৰু মনে পৰস্পৰ ক্ৰিয়া নকৰে, তেন্তে সিহঁতৰ মাজত সম্বন্ধ কেনেকৈ সম্ভৱ হয়? স্পিনোজাৰ মতে সিহঁতে সমান্তৰালভাৱে ক্ৰিয়া কৰে। সিহঁত নিজৰ প্ৰকৃতিত স্বতন্ত্ৰ আৰু অসীম। সিহঁতৰ এটাই আনটোৰ অবিহনে ঈশ্বৰৰ অসীমতাৰ প্ৰকাশ কৰিব পাৰে। কাৰণ ঈশ্বৰৰ অনুপম অসীম প্ৰকৃতিৰ মাজত বিস্তৃতি (দেহ) আৰু চেতনাও (মন) আছে। গতিকে এখন চছমাৰ ধেনুভেৰীয়া (Concave) আৰু দুৰাপিঠিয়া (Convex) আইনাৰ দৰে দেহ আৰু মনো একেজন ঈশ্বৰৰে দুটা অবিচ্ছেদ্য প্ৰকাশ। এটা দিশৰ পৰা ঈশ্বৰ বিস্তৃত আৰু আনটো দিশৰ পৰা তেওঁ চেতন। গতিকে দেহ আৰু মন একে ঈশ্বৰৰ দুটা অংশ আৰু সিহঁতে এটাই আনটোক হস্তক্ষেপ নকৰাকৈ সমান্তৰালকৈ ক্ৰিয়া কৰিব পাৰে। অৱশ্যে সিহঁত এটাৰ অবিহনে আনটোৰ স্বাধীন অস্তিত্ব নাই। এইদৰে স্পিনোজাৰ সমান্তৰালবাদে ভাববাদ আৰু জড়বাদক অস্বীকাৰ কৰাৰ লগতে দেহৰ ওপৰত মনৰ বা মনৰ ওপৰত দেহৰ অস্তিত্ব অস্বীকাৰ কৰিছে।

স্পিনোজাৰ সমান্তৰালবাদ গ্ৰহণযোগ্য নহয়। তেওঁৰ মতে দ্ৰব্যৰ বিস্তৃতি আৰু চেতন আছে আৰু মানব মনে এই দুটা গুণক জানিব পাৰে। কিন্তু প্ৰশ্ন হয় মানুহে কেবল দুটা গুণকহে কিয় জানিব পাৰে আৰু আনবোৰক নোৱাৰে? স্পিনোজাই এই প্ৰশ্নৰ উত্তৰত কৈছে যে সীমিত মানুহৰ ঈশ্বৰক জনাৰ ক্ষমতাও সীমিত। আনহাতে ঈশ্বৰৰ গুণসমূহ স্বৰূপগতভাৱেই যদি অসীম হয়, তেন্তে মানৱ মনৰ পৰিধি কেবল চিন্তাতেই সীমিত হ'ব নোৱাৰে; অৰ্থাৎ মানৱ মনে চিন্তাৰ পৰিধি অতিক্ৰম কৰিব লাগিব। গতিকে দেহ-মন সম্পৰ্কত স্পিনোজাৰ সমান্তৰালবাদী ধাৰণা গ্ৰহণযোগ্য নহয়।

স্পিনোজাৰ দ্বি-পক্ষ সিদ্ধান্তই কিছুমান আসোৱাহ সৃষ্টি কৰে। দেহ মনক ব্যাখ্যা কৰিবলৈ তেওঁ কেতিয়াও এটাৰ ওপৰত আনটোক প্ৰাধান্য দিয়া নাই। আনহাতে ভাববাদী পক্ষপাতৰ পৰাও তেওঁৰ ধাৰণা মুক্ত নহয়, কাৰণ তেওঁ বাৰে বাৰে কৈছে যে দ্ৰব্য হৈছে এক অখণ্ডিত সমগ্ৰ; আৰু দেহ আৰু মন দ্ৰব্যৰ দুটা দিশ। দ্ৰব্য হৈছে নিৰ্বিশেষ, অসীম, অখণ্ডিত, সমগ্ৰ আৰু সকলো বস্তুৰ আধাৰ। এই দৃষ্টিকোণৰ পৰা তেওঁৰ সমান্তৰালবাদ সন্তোষজনক নহয়।

জ্ঞান বিদ্যা সম্পৰ্কীয় ঃ জ্ঞানৰ তত্ত্বৰ লগত জড়িত। জ্ঞান বিদ্যা হ'ল দৰ্শনৰ এটা শাখা যিয়ে জ্ঞানৰ উৎপত্তি আৰু স্বৰূপৰ বিষয়ে অনুসন্ধান কৰে।

জন ল'ক ঃ (১৬৩২-১৭০৪) ইংৰাজ দাৰ্শনিক। অভিজ্ঞতাবাদৰ মূল প্ৰবৰ্তক। তেওঁৰ মতে অভিজ্ঞতাই হ'ল জ্ঞানৰ এক মাত্ৰ উৎস।

তাত্ত্বিক ঃ যি পদাৰ্থ বিজ্ঞানৰ পিছত আহে। তাত্ত্বিকৰ অৰ্থ এইটোও যে প্ৰকৃতিৰ উৰ্দ্ধত যাৰ অস্তিত্ব আছে। চমুকৈ ই সত্তাৰ অনুসন্ধান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পুৰণ কৰক

ক) স্পিনোজাৰ মতে -------- আৰু -------- দ্রব্যৰ দুটা গুণ ।

খ) স্পিনোজাৰ দেহ-মনৰ ধাৰণাক ---------- বুলি জনা যায়।

গ) স্পিনোজাৰ মতে ---------- হৈছে এক আৰু অখণ্ডিত সমগ্র।

ঘ) ------ মতে দেহ আৰু মন এক অখণ্ডিত সমগ্রৰ দুটা দিশ।

প্রশ্ন নং ২ ঃ উপলক্ষ্যবাদৰ প্রৱর্তক কোন?

.....

.....

প্রশ্ন নং ৩ ঃ সমান্তৰালবাদ কি? (১০০ টা শব্দত উত্তৰ লিখক)

.....

.....

প্রশ্ন নং ৪ ঃ স্পিনোজাৰ মতবাদক কিয় মনোদৈহিক সমান্তৰালবাদ বুলি কোৱা হয়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৫ ঃ স্পিনোজাৰ ধাৰণা কিয় সন্তোষজনক নহয় ? (৫০ শব্দৰ ভিতৰত)

.....

.....

.....



চিন্তা-চর্চা কৰক ৮.১

আপুনি সমান্তৰালবাদ সমর্থন কৰেনে? যদি কৰে আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দি আলোচনা কৰক।



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেহ আৰু মনক দুটা দ্ৰব্য হিচাপে বিবেচনা কৰাৰ পৰিৰ্তে স্পিনোজাই দেহ আৰু মনক পৰম দ্ৰব্য ঈশ্বৰৰ বিকাৰ বুলি মত পোষণ কৰে। স্পিনোজাৰ দেহ মনৰ মতবাদক সমান্তৰালবাদ বুলি জনা যায়।
- উপলক্ষবাদৰ মতেভৌতিক দেহ চিন্তাৰ কাৰণ বা চিন্তা ভৌতিক দেহৰ কাৰণ নহয়। ইয়াৰ মতে মানসিক ক্ৰিয়াৰ অনুৰূপ দৈহিক ক্ৰিয়া আৰু দৈহিক ক্ৰিয়াৰ অনুৰূপ মানসিক ক্ৰিয়া সংঘটিত হয় ঈশ্বৰৰ দ্বাৰা। উদাহৰণ স্বৰূপে আমি যেতিয়া কওঁ, এজন মানুহে সফলভাৱে কাৰ্য সম্পাদন কৰিলে, তাৰ অৰ্থ এইটো নহয় যে মানুহজনে কামটো কৰিলে; বৰং ঈশ্বৰেহে তেওঁৰ ইচ্ছা শক্তিৰ আলমলৈ জাগতিক পৰিবৰ্তন আনিলে, অৰ্থাৎ কাৰ্যটো সম্পাদন কৰোৱালে।
- এই মতবাদৰ মতে দেহৰ জৰিয়তে মনক বা মনৰ জৰিয়তে দেহক ব্যাখ্যা কৰিব নোৱাৰি। ইহঁত কেৱল এটা মাত্ৰ সাৰ্বজনীন সত্তা 'ঈশ্বৰ'ৰ দুটা বহিঃপ্ৰকাশ। কিন্তু একে সত্তাৰ প্ৰকাশ যদিও সিহত এটা আনটোৰ কাৰণ নহয়, বৰং সিহত পৰম দ্ৰব্য বা চৰম কাৰণৰ পৰা উদ্ভৱ হোৱা কাৰ্যহে। গতিকে সিহঁত কেবল এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ। এই ভিত্তিত স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত সমান্তৰালবাদ বুলি জনা যায়।



৮.৫ অধিক জানিবলৈ

1. A.E. Taylor (2004) . *Elements of Metaphysics,* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics* : Methuen & Co.Ltd. London.
3. Gottfried Martin (1968) . *General Metaphysics - Its problem and Method,* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective,* Kalyani Publishers, Guwahati.
5. J. N. Sinha (1985). *Introduction to Philosophy*. New Central Book Agency, Calcutta

6. Dutta, D.H. ( ) *Chief Currents of Contemporary philosophy* :
7. Russell, Bertsand (2001). *The Problems of philosophy*- Oxford University Press, Oxford.
8. Goswami, S.P. (2006). *Persons A Starwsonian Study :* Guwahati : Anwesha
9. Thrilly, Mark (.....) A History of Western Philosophy,.....
10. Shaffer A. Jerome (1968). Philosophy of Mind, U.S.A Prentice-Hall, Inc., Eaglewood Cliffs, N.J.

অসমীয়া গ্ৰন্থ

১। ভট্টাচার্য্য, জ্যোৎস্না দর্শনৰ পৰিচয় ঃ
২। দেৱী, অঞ্জলী পাশ্চাত্য দর্শন ঃ

৮.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ ক) মন, দেহ খ) পাৰস্পৰিক ক্রিয়াবাদ গ) দ্রব্য

২নং প্রশ্নৰ উত্তৰঃ ক) স্পিনোজা খ) লাইব্‌নিৎজ

৩নং প্রশ্নৰ উত্তৰঃ এই মতবাদৰ মতে দেহ আৰু মন হৈছে এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ। এটা দ্রব্যৰ দুটা দিশ হিচাপে দেহ আৰু মনে পৰস্পৰ ক্রিয়া প্রতিক্রিয়া কৰিব নোৱাৰে। বৰং দুয়োটাই এটাৰ ওপৰত আনটোৱে প্রাধান্য নেদেখুৱাকৈ সমান্তৰালভাৱে কাম কৰে। দেহৰ জৰিয়তে মন বা মনৰ দ্বাৰা দেহৰ ক্রিয়া কলাপ ব্যাখ্যা কৰা নাযায়। সেয়ে দেহ আৰু মন এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ, স্পিনোজাৰ এই ধাৰণাক সমান্তৰালবাদ হিচাপে জনা যায়।

৪নং প্রশ্নৰ উত্তৰঃ স্পিনোজাৰ মতে, দেহ আৰু মন কোনোটোৱেই ইটো সিটোৰ কাৰণ হ'ব নোৱাৰে। এই ক্ষেত্রত দেহ আৰু মন এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ। সেয়ে স্পিনোজাৰ ধাৰণাক সর্বচিত্ত বাস্তববাদ নামে জনা যায়।

৫নং প্রশ্নৰ উত্তৰঃ স্পিনোজাৰ সমান্তৰালবাদ ভাববাদী পক্ষপাতৰ পৰা মুক্ত নহয় কাৰণ তেওঁৰ মতে দ্রব্য হৈছে এক অখণ্ড সমগ্র আৰু দেহ আৰু মন এই অখণ্ড সমগ্রৰ দুটা দিশ। ই নির্বিশেষ, অসীম, অখণ্ড, সমগ্র আৰু সকলো বস্তু এই অখণ্ড দ্রব্যৰ পৰা নিঃসৃত হৈছে। গতিকে, দৃষ্টিকোণৰ পৰা স্পিনোজাৰ কঠোৰ (Strict) সমান্তৰালবাদ গ্রহণযোগ্য নহয়।



৮.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ সমান্তৰালবাদৰ সূত্ৰ দিয়ক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ স্পিনোজাৰ সমান্তৰালবাদৰ ওপৰত চমু মতামত দিয়ক ।

প্ৰশ্ন ২ঃ সৰ্বচিত্ত বাস্তৱবাদ কি? চমুকৈ আলোচনা কৰক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ সমান্তৰালৱাদ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ স্পিনোজাৰ সমান্তৰালবাদ আলোচনা কৰক ।

প্ৰশ্ন ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদৰ সীমাবদ্ধতাবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দেহ-মন সম্পৰ্কীয় সমান্তৰালবাদ, পাৰস্পৰিক ক্ৰিয়াবাদ আৰু পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদৰ ভিতৰত কোনটো মতবাদক আপুনি অগ্ৰাধিকাৰ দিয়ে? আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পাৰস্পৰিক ক্ৰিয়াবাদ আৰু সমান্তৰালবাদৰ মাজত আপুনি কিবা পাৰ্থক্য বিচাৰি পায় নেকি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অধিবিজ্ঞান বিৰোধী ঃ কাণ্ট

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ অধিবিজ্ঞানৰ সম্ভাৱনীয়তা
৯.৪ আভ্যন্তৰীন বনাম অতীন্দ্রিয় অধিবিদ্যা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্রগতি খতিয়ান
৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নকৰি আপুনি ঃ—

- "প্রথম দর্শন" — হিচাপে অধিবিজ্ঞানৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- অধিবিজ্ঞানৰ বিলুপ্তিকৰণৰ বিষয়ে শিকিবলৈ সক্ষম হ'ব
- অধিবিজ্ঞানৰ সন্দর্ভত কাণ্টৰ স্থিতিক জানিবলৈ সক্ষম হ'ব
- কাণ্টৰ মতে, অতীন্দ্রিয় অধিবিজ্ঞান সম্ভৱ নে? তাক জানিবলৈ সক্ষম হ'ব
- আভ্যন্তৰীক অধিবিজ্ঞানৰ সম্পর্কত কাণ্টৰ স্থিতিৰ বুজ ল'বলৈ সক্ষম হ'ব।

৯.২ পৰিচয় ঃ

এৰিষ্ট'টলে অধিবিজ্ঞানক 'প্রথম দর্শন' হিচাপে বর্ণনা কৰিছে, যাক সত্ত্বা বা অস্তিত্বৰ বিজ্ঞান হিচাপে বুজিব লাগিব। এই সংজ্ঞাটোত বিজ্ঞান শব্দক কাৰণৰ দ্বাৰা হোৱা জ্ঞানৰ শাস্ত্রীয় অর্থত ব্যৱহাৰ কৰা হৈছে। ইয়াত জ্ঞানক মতামতৰ সৈতে তুলনা কৰা হৈছে। আনহাতে কাৰণক প্রাকৃতিক নিয়ম শৃংখলাত প্রথম নীতি বা বিধি হিচাপে ধৰা হৈছে এই অর্থত যে ইয়াতকৈ কোনো উচ্চ আৰু অধিক সম্পূর্ণ একো নাই। সেয়েহে, অধিবিজ্ঞান আৰম্ভ হয় 'সত্ত্বা' সম্পর্কীয় মৌলিক প্রশ্ন উত্তৰৰ মাজত যিকোনো অনুসন্ধানক অন্তর্ভুক্ত কৰিবলৈ। এইদৰে দর্শনৰ বিভাগসমূহৰ এক মুখ্য অংশ হিচাপে অধিবিজ্ঞানক প্রকৃতিগতভাৱে ঠাৰৰ কৰা হয়।

অধিবিজ্ঞান বিৰোধী (anti - metaphysics) হৈছে চিন্তাৰ এক প্ৰকাৰ, যিয়ে অধিবিজ্ঞানৰ বিনস্ত তাক দাবী কৰে। ই অধিবিজ্ঞানক জ্ঞানৰ অগ্ৰগতিত এক প্ৰতিবন্ধক হিচাপে মানি লয়। অধিবিজ্ঞান বিৰোধীয়ে সাব্যস্ত কৰিব বিচাৰে যে অধিবিজ্ঞানে সত্ত্বাৰ কোনো সত্য উক্তি উত্থাপন কৰিব নোৱাৰে; তাৰ পৰিবৰ্ত্তে ই হৈছে এক প্ৰকাৰ স্পষ্ট 'সাথঁৰ' (Paradox) আৰু "উজ্বলি থকা অসত্যতা" বিশেষ।

সেয়েহে, অধিবিজ্ঞান, যাক এটা সময়ত "বিজ্ঞানৰ ৰাণী" আখ্যা দিয়া হৈছিল, বৰ্ত্তমান দৰ্শনৰ পৰিসৰত পৰিত্যক্ত হৈ পৰিছে। অধিবিজ্ঞানৰ পৰম্পৰাগত অৰ্থ আধুনিক দাৰ্শনিক সকলোৰ দ্বাৰা সমৰ্থিত নহয়, যিসকলে এই মত বা দৃষ্টিভঙ্গী অৱলম্বন কৰে যে মৌলিক পূৰ্বানুমানৰ সহায়েৰে সামগ্ৰিক ভাৱে জগতৰ বিষয়ে দাৰ্শনিকসকলোৰ অভিজ্ঞতাক ব্যাখ্যা কৰিবলৈ অধিবিজ্ঞানে চেষ্টা কৰে। অধিবিজ্ঞানৰ এই সংজ্ঞাটো ভাষা ব্যৱস্থাৰ প্ৰশ্নৰ সৈতে সম্পৰ্কযুক্ত। A.J.Ayer ৰ মতে, জগতৰ অৰ্থ দাৰ্শনিকসকলৰ ধাৰণাগত প্ৰণালীৰ ওপৰত নিৰ্ভৰশীল। তেওঁ আঙুলিয়াই দিয়ে যে, "দৰ্শনে ভাষাৰ সংগঠনক পুনৰ ৰূপ প্ৰদানৰ দ্বাৰা ৰীতিগতভাৱে জগত পৰিবৰ্তন কৰিব পাৰে।" "(Philosophy can change the world formally by refashioning the structure of the language.)"

এইয়াই হৈছে বিভিন্ন সময়ত দাৰ্শনিকসকলৰ বিভিন্ন সম্প্ৰদায়ে অধিবিজ্ঞানক কেনেকৈ পৰিবৰ্তিত দৃষ্টিভঙ্গীৰ সৈতে চায় আৰু ব্যাখ্যা কৰে।

বিভিন্ন সময়ত বিভিন্ন অধিবৈজ্ঞানিকৰ হাতত অধিবিজ্ঞানে বিভিন্ন বাহ্যিক আকাৰ ল'ব লগা হৈছে। কিন্তু অধিবিজ্ঞানিকসকলে বুজোৱাৰ দৰে ই হৈছে সত্তাৰ আৱশ্যকীয় বিজ্ঞান। আমাৰ যুগটো এক বিজ্ঞানৰ যুগ, কিন্তু কোনো সদায়ৰ বাবে পূৰ্ণ বা সঠিক নহয়, কেতিয়াবা, ই কেতবোৰ, অযুক্তিকৰ নাইবা অসঙ্গঁত কথাও আকোঁৱালি লয়। সেইকাৰণে, বৈজ্ঞানিক অসঙ্গঁত কথা অৰ্থহীনৰ দ্বাৰা প্ৰভাৱান্বিত কেতবোৰ দাৰ্শনিকে "no more metaphysics" বুলি দাবী উঠাইছে।

যিহেতু নতুন পৰ্য্যবেক্ষনৰ সৈতে অধিবিজ্ঞানৰ বিভিন্ন প্ৰকাৰ আছে, সেয়ে বহিষ্কৰণৰ এক উদ্দেশ্য নাইবা বিলুপ্তি কৰণৰ দাবীৰ সৈতে অধিবিজ্ঞান বিৰোধীৰো বিভিন্ন প্ৰকাৰ আছে। বিদ্ৰুপভাৱে, প্ৰত্যেক অধিবিজ্ঞান বিৰোধীৰ নিদৰ্শনত অধিবিজ্ঞানক সমালোচনা কৰি ইয়াৰ সম্ভাৱনীয়তাৰ কেতবোৰ প্ৰমাণ আগবঢ়ায়, এনেধৰণৰ পদ্ধতিসমূহে যিকোনো অধিবৈজ্ঞানিক প্ৰণালীৰ বিৰুদ্ধে যুক্তিৰ অধিবৈজ্ঞানিক পদ্ধতিৰ পৰা নিজকে হাত সৰাব নোৱাৰে। R.G. Collingwood য়ে কয় যে অধিবিজ্ঞান যে অসম্ভৱ এই নীতিৰ লগত যিয়েই থিতাপি লয়, সি অৱশেষত অধিবিজ্ঞানৰেই কিছুক্ষেত্ৰত প্ৰবৃত্ত হয়।

এই অধ্যায়টিত আমি অধিবিজ্ঞান বিৰোধীত Kant ৰ স্থিতিক পৰীক্ষা কৰি চাম।

৯.৩ অধিবিজ্ঞানৰ সম্ভাৱনীয়তা

দৰ্শনৰ প্ৰতি এক সবিচাৰবাদী দৃষ্টিৰে Kant য়ে তেওঁৰ অধিবিজ্ঞান বিৰোধীৰ বিকাশ ঘটাইছে। "নিৰ্বিচাৰবাদী তন্দ্ৰা" dogmatic slumber ৰ পৰা সাৰ পাই Kant য়ে বিশ্বাস কৰে যে ঈশ্বৰ, ইচ্ছাৰ স্বতন্ত্ৰতা আৰু আত্মাৰ অমৰত্ব আদিক গণ্য কৰি উল্‌ফ (wolff) ৰ অধিবিজ্ঞান সমুচিত। তেওঁ হিউমৰ সংশয়বাদৰ দ্বাৰাও আকৰ্ষিত হোৱা নাই। উল্‌ফৰ দাৰ্শনিক সম্প্ৰদায়ৰ নিৰ্বিচাৰবাদৰ লগতে হিউমৰ সংশয়বাদক পৰিহাৰ কৰাৰ উদ্দেশ্যে, Kant য়ে জ্ঞানৰ এক সবিচাৰবাদ মতবাদৰ পক্ষ সমৰ্থন কৰিছে, য'ত তেওঁ অধিবিজ্ঞানক প্ৰত্যাখান কৰিছে।

এই ভিত্তিত যে অধিবিজ্ঞান বিজ্ঞান নহয়। তেওঁ পোষণ কৰে যে গণিত শাস্ত্ৰ আৰু পদাৰ্থবিজ্ঞানৰ বিপৰীতে অধিবিজ্ঞানে সংশ্লেষক অভিজ্ঞতা পূৰ্ব অৱধাৰণক উৎপন্ন কৰিব নোৱাৰে। তেওঁৰ মতে জ্ঞান হৈছে ইন্দ্ৰিয় অভিজ্ঞতা আৰু অৱবোধৰ প্ৰকাৰসমূহৰ এক সংযোজন; আৰু ইন্দ্ৰিয় অভিজ্ঞতা সম্ভৱ হয় সংবেদনশীলতাৰ কেৱল দুটা অভিজ্ঞতা পূৰ্ব আকাৰৰ সৈতে; সেয়া হ'ল দেশ আৰু কাল। ইন্দ্ৰিয় অভিজ্ঞতা, অৱবোধৰ প্ৰবৰ্গ আৰু সংজ্ঞাৰ আকাৰ — এইবোৰ আৱশ্যকীয় চৰ্তক জ্ঞানৰ সম্ভাৱনীয়তাৰ বাবে কেৱল ব্যৱহাৰিক জগতখনৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিব পাৰি; আৰু অজ্ঞাত আৰু অজ্ঞেয় বিষয় বা বস্তু সমূহক একাষৰীয়া কৰি থোৱা হয়। যদি পাৰমাৰ্থিক বস্তু বা বিষয়সমূহ অজ্ঞেয় হয়, তেন্তে Kant ৰ মতে অধিবিজ্ঞান সম্ভৱ হ'ব নোৱাৰে। তথাপি, Kant এইখিনিতেই ৰৈ যোৱা নাই। তেওঁ যুক্তি দৰ্শাইছে যে যদিও অধিবিজ্ঞান অসম্ভৱ, তথাপি বৌদ্ধিক লোকৰ অধিবিজ্ঞানত আলোচিত বস্তু বা বিষয়ক জানিবলৈ ইচ্ছা থাকে।

অধিবিজ্ঞানৰ অসাম্ভাৱ্যতাৰ বিষয়ে যুক্তি প্ৰদৰ্শন কৰাত Kant কৃতকাৰ্য্য হৈছে নে নাই এই সন্দৰ্ভত প্ৰশ্ন উদয় হয়। এই স্পষ্ট প্ৰশ্নটো উদয় হৈছে, কাৰণ অজ্ঞাত পাৰমাৰ্থিক বিষয়টো Kant ৰ দৰ্শনৰ ব্যাখ্যাৰ বাবে অতি প্ৰয়োজনীয়। Kant য়ে আমাৰ ইন্দ্ৰিয় অভিজ্ঞতাৰ উৎস হিচাপে পাৰমাৰ্থিক বস্তু বা বিষয়ক সত্য ৰূপে মানি লৈছে। সেয়ে, পাৰমাৰ্থিক বস্তু বা বিষয়সমূহ দেশ কাল বিহীনভাৱে অস্তিত্বশীল হ'ব লাগিব। অতীন্দ্ৰিয়, সত্বা অজ্ঞাত আৰু অজ্ঞেয়, কিন্তু ইয়াৰ অস্তিত্বক জ্ঞানৰ অবিহনেই চিন্তা কৰিব পৰা যায়।

ৰাছেলৰ মতে, "Kant ৰ দৰ্শনত অতীন্দ্ৰিয় সত্বা এক অসুবিধা জনক উপাদান।" তথাপি ইয়াক দাৰ্শনিক আলোচনাৰ পৰা সহজে প্ৰত্যাখ্যান কৰিব নোৱাৰি, যিহেতু ই গুৰুতৰ ভাৰ বহন কৰে। অতীন্দ্ৰিয় সত্বাৰ ধাৰণাটোৰ অসংলগ্নতা আৰু বিৰোধও আছে।

এইবোৰ অসংলগ্নতাৰ ভিতৰত কিছুমান হ'ল—

(১) অতীন্দ্ৰিয়সত্বা অজ্ঞাত; একেসময়তে ইয়াৰ অস্তিত্বক জানিব পাৰি।

(২) অৱবোধৰ প্ৰবৰ্গসমূহক অতীন্দ্ৰিয় বস্তু বা বিষয়ৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি, আনহাতে, একেটা সময়তে ই ব্যৱহাৰিক বস্তু নাইবা বিষয়ৰ কাৰণ হিচাপে পৰিগণিত হয়।

অতীন্দ্ৰিয় সত্বাৰ সন্দৰ্ভত Kant ৰ ব্যাখ্যাৰ এইবোৰ অসংলগ্নতা আহিছে এক নিৰ্বিচাৰবাদী চিন্তাৰ পৰা এক অধিক সবিচাৰবাদী স্থিতিলৈ তেওঁৰ চিন্তাত থকা তেওঁৰ পৰিবৰ্তনৰ

পৰা। কিন্তু তেওঁৰ সবিচাৰবাদ অসংলগ্ন হৈ পৰিছে, যিহেতু অতীন্দ্রিয় সত্ত্বা এক স্বতন্ত্র বস্তু, সকলো প্রাথমিক আৰু দ্বিতীয় শ্রেণীৰ গুণৰে সৈতে পৰিগণিত হৈছে আৰু অৱভাসক আত্মগত ইন্দ্রিয় উপাও হিচাপে গ্রহণ কৰা হৈছে। এই ভিত্তিত, অতীন্দ্রিয় বস্তু বা বিষয় প্রকৃতার্থত অনাৱশ্যক হৈ পৰিছে আৰু Kant য়ে সেয়ে অতীন্দ্রিয় সত্ত্বাৰ ধাণাটোক একেবাৰে নষ্ট কৰি পেলোৱাটো উচিত। প্রফেচ্ৰ ৰে তেওঁৰ গ্রন্থ "Kants Solution for verification in Metaphysics" অত দেখুওৱায় যে Kant য়ে ভুলকৈ ব্যাখ্যা আগবঢ়াইছে এই কথা দৃঢ়ভাবে দাবী কৰি যে কেৱল অৱভাসৰ ক্ষেত্রতহে অভিজ্ঞতামূলক জ্ঞান সম্ভৱ, অতীন্দ্রিয় সত্ত্বাৰ ক্ষেত্রত নহয়। তাৰোপৰি তেওঁ এই মতামতকো আপত্তি জনায় যে ইন্দ্রিয় অভিজ্ঞতাৰ দ্বাৰা প্রাপ্ত জ্ঞান মুঠতে ভ্রান্ত বা অলীক। Drye য়ে দেখুওৱায় যে Kant ৰ দ্বাৰা আগবঢ়োৱা ইন্দ্রিয়গ্রাহ্য আৰু অতীন্দ্রিয় বস্তুৰ মাজৰ পার্থক্যই অভিজ্ঞতামূলক জ্ঞানৰ সীমিত কৰিব নোৱাৰে। তাৰ পৰিবর্ত্তে, পার্থক্যটো কৰা হৈছে বস্তুবোৰক প্রধানকৈ অৱভাস আৰু জ্ঞান স্বৰূপ সত্ত্বা হিচাপে দেখুৱাবলৈহে, লগতে এইটো বুজাবলৈ যে প্রকৃত সত্ত্বাৰ কেতবোৰ অংশ প্রকৃততে আমাৰ ইন্দ্রিয় সংবেদনৰ দ্বাৰা আমি জ্ঞাত হওঁ। Dryer য়ে প্রকাশ কৰিছে Kant য়ে কেনেকৈ যুক্তি আগবঢ়াইছে যে এক সমগ্রতা ৰূপে প্রকৃত সত্ত্বাৰ কোনো জ্ঞান পাব নোৱাৰি। ইয়াৰ কাৰণ হৈছে জগতখনক এক সামগ্রিক হিচাপে কৰা চিন্তা, আমি এটা বস্তুৰ চিন্তা কৰিব লাগে, যাৰ কোনো অভিজ্ঞতামূলক জ্ঞান নাথাকে। Kant য়ে এটা বস্তু দেখিবলৈ কেনে আৰু বস্তুটো আচলতে কি তাক দেখুওৱাবলৈ এই পার্থক্যৰ সূচনা কৰিছে।

এনেধৰণৰ ব্যাখ্যাৰ সৈতে আমি ব্যৱহাৰিক বস্তু বা বিষয়ৰ দৰে অতীন্দ্রিয় বস্তু বা বিষয়কো প্রকৃত ৰূপত ঠিৰাং কৰিব পাৰোঁ। অতীন্দ্রিয় সত্ত্বাবোৰ আমাৰ আগত প্রতিভাত নহয়, ই অভিজ্ঞতামূলক অর্ন্তপ্রজ্ঞাৰ পৰিসীমালৈ নাহিবও পাৰে। যিহেতু অভিজ্ঞতামূলক অর্ন্তপ্রজ্ঞা আমাৰ জ্ঞানৰ চর্তবোৰৰ মাজৰ এটা, সেয়ে, অতীন্দ্রিয় সত্ত্বাৰ জ্ঞান অজ্ঞেয়। কিন্তু যেতিয়াই ই আমাৰ আগত দৃশ্যমান হয়, তেতিয়াই ই আমাক অতীন্দ্রিয় সত্তাৰ বিষয়ে অৱগত কৰায়। সেইকাৰণে, স্বাভাৱিকভাৱে, অধিবিজ্ঞান যদি প্রকৃত সত্ত্বাৰ জ্ঞান, তেন্তে Kant ৰ অধিবিজ্ঞান বিৰোধীতাত অধিবিজ্ঞানৰ সম্ভাৱনীয়তা থাকে আৰু তেওঁক সঠিকভাৱে এজন অধিবৈজ্ঞানিক ৰূপে গ্রহণ কৰিব পৰা যায়।

৯.৪ আভ্যন্তৰীক বনাম অতীন্দ্রিয় অধিবিজ্ঞান

"আধিবৈজ্ঞানিক ব্যৱস্থা" (Metaphysical System) ত S.N. Hampshire য়ে আঙুলিয়াই দেখুওৱাইছে যে Kant যে কোনো ঠাইত এই কথা প্রমাণ কৰা নাই যে অধিবিজ্ঞানৰ দৰে একো বস্তু নাই, তেওঁ কেৱল প্রমাণ কৰিছে যে অতীন্দ্রিয় অধিবিজ্ঞান বুলি একো নাই। Kant বৰং পৰম্পৰাগত অধিবিজ্ঞানৰ অদৃষ্টৰ বিষয়ে সংশয়বাদী, যিহেতু ইয়াত সংশ্লেষক অভিজ্ঞতাপূর্ব জ্ঞান নিহিত থাকে। অতীন্দ্রিয় দর্শনৰ এক নতুন বিজ্ঞানৰ সৈতে পৰম্পৰাগত অধিবিজ্ঞানক স্থানান্তৰ কৰিবলৈ তেওঁ প্রস্তাৱ কৰিছে। এই অনুসন্ধান বস্তুৰ সৈতে বৰ বেছিকৈ

আৰম্ভ হোৱা নাই; বৰঞ্চ বস্তুৰ প্ৰতি আমাৰ জ্ঞানৰ প্ৰকাৰ বা ৰূপৰ সৈতেহে আৰম্ভ হৈছে। অৱশ্যে ই যিমান দূৰলৈ অভিজ্ঞতাপূৰ্ব হোৱাৰ সম্ভাৱনা থাকে সিমান দূৰলৈ। Kant যে যুক্তি দৰ্শায় যে সংশ্লেষক অভিজ্ঞতা পূৰ্ব নীতিসমূহৰ আভ্যন্তৰীক আধিবৈজ্ঞানিক জ্ঞান আমাৰ আছে, যিয়ে সকলো সাম্ভাব্য মানৰ অভিজ্ঞতাক গঠন কৰে, কিয়নো সিহঁত আমাৰ স্বজ্ঞাৰ বিশুদ্ধ ৰূপ (দেশ ও কাল) আৰু আমাৰ অৱবোধৰ বিশুদ্ধ ধাৰণাৰ ওপৰত ভিত্তিশীল। কিন্তু এই আভ্যন্তৰীক অধিবিজ্ঞানৰ বাবে দিয়া Kant ৰ যুক্তি তেওঁৰ এই দাবীৰ ওপৰত প্ৰতিষ্ঠিত যে মানৰ জ্ঞান আহে কেৱল ধাৰণাবোৰক বুদ্ধিত প্ৰয়োগ কৰাৰ পৰাহে, নাইবা অধিক স্পষ্টকৈ নীতিবোৰৰ মধ্যস্থতাত ধাৰণাবোৰক অৱভাসত প্ৰয়োগ কৰা। এই মুখ্য দাবীয়ে নিৰ্দ্দেশ কৰে সেই অতীন্দ্ৰিয় আধিবৈজ্ঞানিক জ্ঞানক, অৰ্থাৎ বস্তুৰ জ্ঞানক, যিয়ে সাম্ভাব্য মানৰ অভিজ্ঞতাৰ পৰিসৰ অতিক্ৰম কৰে যি আমাৰ বাবে অসম্ভৱ; যিহেতু ই অৰ্ন্তপ্ৰজ্ঞা নাইবা schemata স্বতন্ত্ৰ বাহুল্য ধাৰণাবোৰক জৰিত কৰাব। মুঠতে, এইয়াই হৈছে 'Transcendental Aanlylic' — ত Kant য়ে ক'ব বিচৰা কথা অৰ্থাৎ জ্ঞান স্বৰূপ সত্তা (Things-in-themselves) হিচাপে বস্তুৰ অজ্ঞাত পৰিসৰ বা ক্ষেত্ৰক একাষৰীয়া কৰি ব্যৱহাৰিক জগতত সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ সম্ভাৱনীয়তা। তথাপি, Kant য়ে 'Transcendental Dialectic' ত ও যুক্তি প্ৰদৰ্শন কৰিছেযে অতীন্দ্ৰিয় অধিবিজ্ঞান কেৱল সম্ভৱেই নহয়, প্ৰকৃতও। তেওঁ এই স্থিতি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে যে বিশেষকৈ তিনিটা অতীন্দ্ৰিয় বস্তুৰ বিষয়ে আমাৰ অভিজ্ঞতাপূৰ্ব জ্ঞান থাকিব পাৰে; মানৰ আত্মা, সমগ্ৰ জগত আৰু ঈশ্বৰ। "Dialectic" ত Kant ৰ প্ৰধান লক্ষ্যসমূহৰ ভিতৰত ই হৈছে এটা, যাক তেওঁ অতীন্দ্ৰিয় আধিবৈজ্ঞানিক দাবীসমূহৰ বাবে যুক্তি বিচাৰি পাবলৈ প্ৰধানকৈ "Critique" ৰ ২য় খণ্ডত আলোচনা কৰিছে।

Kant য়ে জোৰ দিয়ে যে যদিও বিশুদ্ধ বুদ্ধিয়ে প্ৰমাণ কৰিব নোৱাৰে যে এক অমৰ আত্মা, এক পূৰ্ণ আৰু অনিবাৰ্য্য ঈশ্বৰ ইত্যাদি আছে; তথাপি ইয়াক কোনেও মিছা বুলি প্ৰমাণ ও কৰিব নোৱাৰে। এইদৰে, বিশুদ্ধ বুদ্ধিৰ তাত্বিক যুক্তিবোৰে আত্মাৰ অমৰত্ব, ব্যক্তি স্বাতন্ত্ৰ্যতা আৰু ঈশ্বৰৰ অস্তিত্বৰ ওপৰত বিশ্বাসৰ সম্ভাৱনীয়তাৰ বাবে এক ঠাই এৰি থৈ যায়। তেওঁ এইটোও পোষণ কৰিছে যে, অন্য ধৰণেৰে ইয়াক প্ৰমাণ কৰিব নোৱাৰিলে, আমি ভাবি ল'বলৈ বাধ্য যে আমাৰ ক্ষমতাৰ স্বভাৱৰ ওপৰত ভিত্তিশীল সকলোবোৰ বস্তু বা বিষয় সিহঁতৰ সঠিক ব্যৱহাৰৰ সৈতে উদ্দেশ্যমুখী আৰু সংগত হ'বই লাগিব, যদি কেৱল আমি এক নিশ্চিত ভূলধাৰণাৰ বিৰুদ্ধে সিহঁতক ৰক্ষণাবেক্ষন দিব পাৰো আৰু সিহঁতৰ সঠিক দিশক বিচাৰি উলিৱাও। ই এই কথা দেখুৱাবলৈ Kant ক লৈ যায় যে বিশুদ্ধ বুদ্ধি, কল্পনাশীল ভ্ৰান্তিৰ কেৱল এক উৎস হ'ব নোৱাৰে, বৰঞ্চ ইয়াৰ এক যথার্থ ব্যৱহাৰো থাকিব লাগিব। Kant য়ে যুক্তি দৰ্শায় যে বিশুদ্ধ বুদ্ধিৰ যথার্থ ব্যৱহাৰ দুই তৰপীয়াঃ এহাতে, তেওঁ Transcendental Dialectic ৰ পৰিশেষত যুক্তি দিয়ে বিনাচৰ্তৰ বুদ্ধিৰ ধাৰণাসমূহে বৈজ্ঞানিক অনুসন্ধানৰ পৰিচালনাৰ বাবে বৰ লাগতিয়াল "regulative principles" ৰ সৃষ্টি কৰে আৰু আনহাতে তেওঁ "Doctrine of Method" — ত 'বিশুদ্ধ বুদ্ধিৰ বিধি' ত যুক্তি দৰ্শায়ে চৰ্তবিহীন বৈধ নৈতিক আইনবোৰ উদ্ভৱ কৰে। জগতখন

প্ৰকৃততে কেন্ৰে বৰ্ণনাতকৈ ই কেনেকুৱা হোৱা উচিতৰ এক পৰামৰ্শ ৰূপে তেওঁ সেই বৈধ চৰ্তহীন নৈতিক আইনসমূহক উল্লেখ কৰিছে।

এনেকৈ আমি দেখা পাওঁ যে 'Dialectic' ত Kant ৰ যি পৰিকল্পনা, সি 'Analytic' ৰ পৰিকল্পনাৰ পৰা তলত উল্লেখিত দিশসমূহত পৃথক। প্ৰথমে, 'Dialectic' ৰ বিষয়বস্তু সাধাৰণ অধিবিদ্যাৰ বিষয়ে নহয়; বৰঞ্চ বিশেষ অধিবিজ্ঞানৰ পৰম্পৰাগত বিজ্ঞানহে, যি এক বিশেষ সত্ত্বাৰ লগত জড়িত। লাইব্নিজ আৰু উলফ্ ৰ পৰম্পৰাত বিশেষ অধিবিজ্ঞানৰ প্ৰধান বিষয়বোৰ হৈছে — আত্মা (বৌদ্ধিক মনোবিজ্ঞান), সমগ্ৰ জগত (বৌদ্ধিক সৃষ্টিবিজ্ঞান) আৰু ঈশ্বৰ (বৌদ্ধিক ধৰ্মতত্ব)। Kant য়ে এইবোৰক অতীন্দ্ৰিয় অধিবিজ্ঞানৰ বিভাগ হিচাপে বিভক্ত কৰিছে, কাৰণ সিহঁতে বস্তুৰ বিষয়ে অভিজ্ঞতাপূৰ্ব জ্ঞানৰ সৈতে সম্পৰ্ক ৰখাটোক বুজায়, যিয়ে সাম্ভাব্য অভিজ্ঞতাৰ পৰিসৰক অতিক্ৰম কৰে। ২য়তে, অতীন্দ্ৰিয় অধিবিজ্ঞান মানৱ বুদ্ধিৰ কিবা এক স্বাভাৱিক বিষয় আৰু তাক কেতিয়াও নিমূল কৰিব নোৱাৰি। "Transcendental Dialectic" —ৰ প্ৰথম গ্ৰন্থখনৰ পৰিচয় অংশত তেওঁ বুদ্ধিৰ ক্ষমতাৰ বিষয় এটাৰ বিকাশ কৰিছে, যাৰ মতে, মানৱ বুদ্ধিয়ে অনিবাৰ্য্যভাৱে আত্মা, সামগ্ৰিক জগত আৰু ঈশ্বৰৰ ধাৰণাক উৎপন্ন কৰিব পাৰে; তথাপি এইবোৰ ধাৰণা মায়াময়, কিয়নো সিহঁতে আমাক অতীন্দ্ৰিয় বস্তু, চিন্তাৰ অভিজ্ঞতাপূৰ্ব জ্ঞান এৰাব নোৱাৰাকৈ প্ৰদান কৰে যেন লাগে; আনকি সিহঁত কেৱল আত্মগত ধাৰণাহে। Kant য়ে ইয়াত অৱবোধ আৰু বুদ্ধিৰ ক্ষমতাৰ মাজত পাৰ্থক্য নিৰূপন কৰিছে। অৱবোধৰ ধাৰণা আৰু নীতিবোৰে সিহঁতৰ এক অতীন্দ্ৰিয় ব্যৱহাৰক তৈয়াৰ কৰিবলৈ আমাক নিতান্তৰূপে আজ্ঞা নিদিয়ে; এই ভুলটোৰ কাৰণ অৱবোধৰ নীতিবোৰ নিজে নহয়, বৰঞ্চ সিহঁতক ব্যৱহাৰ কৰাৰ আমাৰ ইচ্ছাধীন অপব্যৱহাৰ, যি সমালোচনাত জড়িত হ'বলৈ আমাৰ হাত সাৰিব পৰা ত্ৰুটিবোৰৰ দ্বাৰা ক্ৰমান্বয়ে কাৰণ হৈ পৰে। Kant য়ে অৱবোধৰ নীতিসমূহক স্বাভাৱিক বা আভ্যন্তৰিক (Immanent) আখ্যা দিছে, কাৰণ, সিহঁতৰ সঠিক প্ৰয়োগ সাম্ভাব্য অভিজ্ঞতাৰ সীমাৰ ভিতৰতে সামগ্ৰীকভাৱে আৰু সম্পূৰ্ণভাবে স্থগিত থাকে। কিন্তু "Dialectic" ত তেওঁ বুদ্ধিক এক স্পষ্ট জ্ঞানবিষয়ক ক্ষমতা ৰূপে পৰিচয় কৰাইছে, যাৰ নীতিবোৰক তেওঁ "অতীন্দ্ৰিয়" আখ্যা দিছে, কাৰণ সিহঁতে প্ৰকৃততে সেই সকলোবোৰ সীমাৰ দেওনা ভঙ্গঁ কৰিবলৈ আৰু সম্ভাৱনামূলক অভিজ্ঞতাৰ সীমা অতিক্ৰমি এক নতুন সামগ্ৰিক ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ দাবী প্ৰদান কৰাৰ হেতু আমাক উৎসাহ যোগায়। অন্য কথাত, বুদ্ধিয়ে কেৱল নিজে নিজৰ অধিকাৰী হৈ অতীন্দ্ৰিয় বস্তুৰ বিষয়ে অৱধাৰণা গঠন কৰিবলৈ আমাক আকাংক্ষা জন্মায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কোনে পৰাবিদ্যাক 'প্ৰথম দৰ্শন' হিচাপে অভিহিত কৰিছিল?

প্ৰশ্ন ২ ঃ কাণ্টৰ মতে, অধি পৰাবিদ্যা মানে কি?

প্ৰশ্ন ৩ ঃ বিজ্ঞানৰ ৰাণী হিচাপে কাক জনা যায়?
প্ৰশ্ন ৪ ঃ কাণ্টে কিহৰ ভিত্তিত পৰাবিদ্যাক নাকচ কৰিছিল?
প্ৰশ্ন ৫ ঃ সংবেদনশীলতাৰ অভিজ্ঞতাপূৰ্ব আকাৰ দুটা কি কি?
প্ৰশ্ন ৬ ঃ জ্ঞানৰ তিনিটা গুৰুত্বপূৰ্ণ চৰ্ত কি কি?



৯.৫ অধ্যাটিৰ পৰা আমি কি শিকিলোঁ

- এৰিষ্টটলে অধিবিজ্ঞানক 'প্ৰথম দৰ্শন' হিচাপে বৰ্ণনা কৰিছে, যাক সত্ত্বাৰ বিজ্ঞান হিচাপে বুজিব লাগে।
- অধিবিজ্ঞান বিৰোধী হৈছে চিন্তাৰ এক প্ৰকাৰ, যিয়ে অধিবিজ্ঞানৰ বিলুপ্তিক দাবী কৰে।
- অধিবিজ্ঞানৰ পৰম্পৰাগত অৰ্থক আধুনিক দাৰ্শনিকসকলোৰ দ্বাৰা সমৰ্থিত নহয়, যিসকলে এই মতামত পোষণ কৰে যে এক পূৰ্বানুমানৰ সহায়েৰে সামগ্ৰিক হিচাপে জগতৰ বিষয়ে অধিবৈজ্ঞানিকসকলে দাৰ্শনিকসকলোৰ অভিজ্ঞতাক ব্যাখ্যা কৰিবলৈ যত্ন কৰে।
- দৰ্শনৰ প্ৰতি এক সবিচাৰবাদী দৃষ্টিভঙ্গীৰে Kant য়ে তেওঁ অধিবিজ্ঞান বিৰোধীতাৰ বিকাশ ঘটাইছে।
- Kant য়ে জ্ঞানৰ এক সবিচাৰবাদী মতবাদৰ পক্ষপাতিত্ব কৰিছে, য'ত তেওঁ অধিবিজ্ঞান বিজ্ঞান নহয়ৰ ওপৰত ভিত্তি কৰি অধিবিজ্ঞানক প্ৰত্যাখান কৰিবলৈ চেষ্টা কৰিছে।
- তেওঁ পোষণ কৰে যে গণিতশাস্ত্ৰ আৰু পদাৰ্থবিজ্ঞানৰ বিপৰীতে, অধিবিজ্ঞানে সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞান দিব নোৱাৰে।
- Kant য়ে অতীন্দ্ৰিয় দৰ্শনৰ এক নতুন বিজ্ঞানৰ সৈতে পৰম্পৰাগত অধিবিজ্ঞানক স্থানান্তৰ কৰিবলৈ আহ্বান জনাইছে।
- Kant য়ে যুক্তি দৰ্শাইছে যে, আমি সংশ্লেষক অভিজ্ঞতাপূৰ্ব নীতিসমূহৰ আভ্যন্তৰীক আধিবৈজ্ঞানিক জ্ঞান পাব পাৰো, যিয়ে সকলো সাম্ভাব্য মানৰ অভিজ্ঞতাক গঠন কৰে।
- অতীন্দ্ৰিয় আধিবৈজ্ঞানিক জ্ঞান, অৰ্থাৎ বস্তুৰ জ্ঞান যিয়ে সাম্ভাব্য মানৰ অভিজ্ঞতাৰ পৰিসৰক অতিক্ৰম কৰি যায়— সি আমাৰ বাবে অসম্ভৱ।



৯.৬ অধিক জানিবলৈ

(১) Ayer, A.J. Metaphysics and Common sense, (London : Jones and Bartllet Publishers, 1994).

(২) Burnham, Douglas and Young Harvey Kants Critique of Pure Reason, (Edinburg : Edinburg University Press, 2007).

(৩) Cassirer, H. W. Kant's First Critique : An Appraisal of the Parmanent significance of Kant's Critique of Pure Reason. (London : George Allen & Unwin Limited, 1961).

(৪) Collingwood, R.G. An Essay on Metaphysics, (U.S.A : Ox ford University Press, 2002).

(৫) Dryer, D.P. Kant's Solution for verification in Metaphysics. (London : Routsedge, 2016).

(৬) Ewing, A.C., A short Commentary to Kant's Critique of Pure Reason, (London : The University of Chicago Press, 1970).

(৭) Falkenburg, Richard, History of Modern Philosophy (Calcutta : Progressive Publishers, 1977).

(৮) Hampshire, S. N. "Metaphysical system", in the Nature of Metaphysics, edited by D. F. Pears and others, (London : Macmillan, 1956).

(৯) Kant, Immanuel, Critique of Pure Reason, translated by N. K. Smith, (London : Macmillan, 1973).

(১০) ----------, Prolegomena to Any future Metaphysics : That will be Able to Come Forward as science, translated and edited by gary Halfield, (New York : Cambridge University Press, 2004).

(১১) O' Connor, D.J., (ed), A critical History of western Philoso phy, (New York) : The Free Press, 1964.

(১২) Russell, B., History of Western Philosophy, (London : Routledge 2004).

(১৩) Scruteen, Roger Kant, (London : Oxford University Press, 1982).

(১৪) Warnock, G.L. “Criticism of Metaphysics”, in Nature of Meta physics, edited by D. F. Pears and other, (London : Macmillan, 1959).

(১৫) Wood, Allen Kant, (London : Blackwell Publishing, 2005).



৯.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্টটল

২নং প্রশ্নৰ উত্তৰ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) হৈছে চিন্তাৰ এক প্রকাৰ, যিয়ে অধিবিজ্ঞানৰ বিনষ্ত তাক দাবী কৰে। ই অধিবিজ্ঞানক জ্ঞানৰ অগ্রগতিত এক প্রতিবন্ধক হিচাপে মানি লয়। অধিবিজ্ঞান বিৰোধীয়ে সাব্যস্ত কৰিব বিচাৰে যে অধিবিজ্ঞানে সত্বাৰ কোনো সত্য উক্তি উত্থাপন কৰিব নোৱাৰে; তাৰ পৰিবর্ত্তে ই হৈছে এক প্রকাৰ স্পষ্ট ‘সাথঁৰ’ (Paradox) আৰু “উজ্বলি থকা অসত্যতা” বিশেষ।

৩নং প্রশ্নৰ উত্তৰ ঃ পৰাবিদ্যা

৪নং প্রশ্নৰ উত্তৰ ঃ পৰাবিদ্যা বিজ্ঞান নহয়

৫নং প্রশ্নৰ উত্তৰ ঃ দেশ আৰু কাল

৬নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রিয় অভিজ্ঞতা, অবৰোধৰ প্রবর্গ, সজ্ঞাৰ আকাৰ



৯.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ কোনজন দার্শনিকে অধিবিজ্ঞানক (প্রথম দর্শন’ আখ্যা দিছে?

প্রশ্ন ২ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ Kant ৰ মতে “অতীন্দ্রিয় সত্বা অজ্ঞাত আৰু অজ্ঞেয়” — কথাষাৰ সচাঁ নে?

প্রশ্ন ৪ ঃ Kant ৰ মতে অতীন্দ্রিয় অধিবিজ্ঞান সম্ভৰ নে?

প্রশ্ন ৫ ঃ Kant য়ে তেওঁৰ অধিবিজ্ঞান সম্বন্ধীয় আলোচনাত কি আহ্বান জনাইছে?

(খ) চমু প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ এৰিষ্টটলে অধিবিজ্ঞানক কিয় 'প্রথম দর্শন' আখ্যা দিছে?

প্রশ্ন ২ ঃ অধিবিজ্ঞান বিৰোধী (anti - metaphysics) ৰ মূল উদ্দেশ্য কি?

প্রশ্ন ৩ ঃ Kant ৰ মতে অতীন্দ্রিয় অধিবিজ্ঞান কিয় সম্ভৱ নহয়?

প্রশ্ন ৪ ঃ Kant য়ে অববোধৰ নীতিসমূহক কিয় আভ্যন্তৰীক (Immanent) বুলি কৈছে?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৩৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ দর্শনৰ এটা বিভাগ হিচাপে অধিবিজ্ঞানক আলোচনা কৰক।

প্রশ্ন ২ ঃ দর্শনত অধিবিজ্ঞানৰ সম্ভাৱনীয় সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ Kant ৰ মতে অধিবিজ্ঞান সম্ভৱ নে? ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ Kant ৰ মতে অধিবিজ্ঞান বিৰোধী মতটো উল্লেখ কৰক। এই সন্দর্ভত Kant ৰ অৱস্থিতি আলোচনা কৰক।

****

অধ্যায় ১০ ঃ ব্যক্তি তাদাত্ম্য বা অনন্যতা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ দৈহিক মানদণ্ড
১০.৪ স্মৃতি মানদণ্ড
১০.৫ জাঁ পল ছার্ত্রেৰ ব্যক্তি তাদাত্ম্য সম্পৰ্কীয় মত
১০.৬ ব্যক্তি তাদাত্ম্য সম্বন্ধে এটি সূক্ষ্ম সমালোচনা
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- দৈহিক মানদণ্ড সম্পৰ্কে ব্যাখ্যা দাঙি ধৰিব পাৰিব
- মানসিক মানদণ্ড বৰ্ণনা কৰিব পাৰিব
- ব্যক্তি তাদাত্ম্য বা অনন্যতা সম্পৰ্কে জাঁ পল ছার্ত্রেৰ মত আলোচনা কৰিব পাৰিব
- ব্যক্তি তাদাত্ম্য বা অনন্যতা সম্পৰ্কে এক সমালোচনা দাঙি ধৰিব পাৰিব।

১০.২ পৰিচয়

ব্যক্তি তাদাত্ম্য সমস্যাটো হৈছে এজন ব্যক্তিৰ পৰিচয়ৰ ধাৰাবাহিকতা সম্পৰ্কে এক দাৰ্শনিক অনুসন্ধান। কিছুমান দাৰ্শনিকে এই সমস্যাটোৰ লগত জড়িত হ'ব নিবিচাৰে, কাৰণ তেওঁলোকৰ মতে সাদৃশ্য আৰু পৰিৱৰ্তন দুয়োটাই অসংগত (অমিল)। আনহাতে আন কিছুমানৰ মতে সাদৃশ্য আৰু পৰিৱৰ্তন সংগত। এই সম্পৰ্কে দাৰ্শনিকসকলে দুটা মানদণ্ড নিৰ্ণয় কৰিছে, যিয়ে ব্যক্তিগত ৰহস্যময় তাদাত্ম্যতা বা অনন্যতা ব্যাখ্যা কৰিব পাৰে। সেইকেইটা হৈছে— (১) দৈহিক বা শাৰীৰিক সাদৃশ্য বা তাদাত্ম্য (২) মানসিক সাদৃশ্য বা তাদাত্ম্য

এতিয়া আমি ব্যক্তি তাদাত্ম্যতা সমস্যাটো আলোচনা কৰিবৰ বাবে এই দুয়োটা মানদণ্ড বহলাই আলোচনা কৰিম।

১০.৩ দৈহিক মানদণ্ড

দৈহিক মানদণ্ড অনুসৰি ব্যক্তি তাদাত্ম্যক দৈহিক সাদৃশ্য বা তাদাত্ম্যৰ জৰিয়তে ব্যাখ্যা কৰিব পাৰি। 'Spiritualism' নামৰ প্ৰবন্ধত এফ, এইচ, ব্ৰেদলিয়ে (F. H. Bradley) যুক্তি দাঙি ধৰিছে যে ব্যক্তি অনন্যতা বা তাদাত্ম্যৰ বাবে দৈহিক সাদৃশ্য বা তাদাত্ম্য এক প্ৰয়োজনীয় মানদণ্ড। বি এ অ' উইলিয়ামে (B. A. O. William) 'Personal Identity and Individualism' নামৰ গ্ৰন্থত দেহৰ দ্বাৰা আত্মাৰ চিনাক্তকৰণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। ব্ৰেদলিৰ দৰে উইলিয়ামেও যুক্তি দিছে যে 'দৈহিক তাদাত্ম্যতা সদায়েই ব্যক্তি তাদাত্ম্যৰ বাবে প্ৰয়োজনীয়' (Bodily identity is always a necessary condition of personal identity)। কিন্তু এ জে আয়াৰে (A. J. Ayer) মত পোষণ কৰে যে ব্যক্তি তাদাত্ম্য দৈহিক সাদৃশ্য বা তাদাত্ম্যৰ জৰিয়তে ব্যাখ্যা কৰিব নোৱাৰি। কাৰণ যদিও আত্মাৰ তাদাত্ম্যতা, দেহৰ তাদাত্ম্যতাৰ ওপৰত নিৰ্ভৰ কৰে তথাপিও আত্মা বা ব্যক্তি আৰু দেহ একে নহয়। দেহ আমাৰ চিনাক্তকৰণ উপায় কিন্তু ই ব্যক্তি তাদাত্ম্যতাৰ উপায় হ'ব নোৱাৰে।

দার্শনিক ষ্ট্ৰ'ছন (Strawsan) আৰু আয়াৰে (Ayer) প্ৰত্যক্ষ বা পৰোক্ষভাৱে দৈহিক তাদাত্ম্যতাৰ মানদণ্ডক সমৰ্থন কৰিছে। ষ্ট্ৰ'ছনৰ মতে 'ব্যক্তি তাদাত্ম্য' ধাৰণাটোৰ 'তুলনামূলকভাৱে কম তাৎপৰ্য' আছে। তেওঁৰ মতে ব্যক্তিৰ ধাৰণাটোহে কেৱল আদিম। তেওঁৰ মতে এজন ব্যক্তিক আমি তেওঁৰ বাহ্যিক আৰু আন বৈশিষ্ট্যবোৰৰ জৰিয়তে চিনাক্ত কৰিব পাৰো। তেওঁ কোনো বিশেষ সচেতনতাৰ প্ৰাথমিক অস্তিত্বক অস্বীকাৰ কৰিছে আৰু দাবী কৰিছে যে দেহেই ব্যক্তিগত তাদাত্ম্যৰ মানদণ্ড।

ষ্ট'ছনৰ দৰে আয়াৰেও ব্যক্তি তাদাত্ম্যৰ ধাৰণাটো অলপ বেলেগ দৃষ্টিভংগীৰে আলোচনা কৰিছে। তেওঁ ব্যক্তি তাদাত্ম্যৰ সমস্যাটো স্বীকাৰ কৰা নাই। তেওঁৰ মতে দেহক বাদ দি কোনো প্ৰত্যক্ষ থাকিব নোৱাৰে। কোনো নিয়মৰ জৰিয়তে ব্যক্তি প্ৰত্যক্ষক বান্ধি ৰাখিব নোৱাৰি। স্মৃতি অভিজ্ঞতাৰ সমষ্টিৰ লগতে জড়িত। কিন্তু ই চক্ৰক দোষযুক্ত কাৰণ স্মৃতিয়ে ঘটনাৰ চিন্তাক নিৰ্দেশ দিয়াৰ উপৰিও ব্যক্তিৰ নিজস্ব অভিজ্ঞতাকো নিৰ্দেশ দিয়ে।

ব্যক্তি তাদাত্ম্য, দৈহিক তাদাত্ম্যৰ ওপৰত নিৰ্ভৰশীল মতটো সমালোচনা মুক্ত নহয় কাৰণ দেহমুক্ত অস্তিত্বৰ ক্ষেত্ৰত দৈহিক মানদণ্ড প্ৰযোজ্য নহয়। আয়াৰে ভাবে যে ষ্ট্ৰছনে 'অভিজ্ঞতাৰ সমষ্টিৰ ছবি' (Picture of a heap of experience) দ্বাৰা বিপথে পৰিচালিত হৈছিল, যিবোৰ সিহঁতৰ নিজ নিজ গৰাকীৰ লগত আৰোপিত হৈ আছে। কিন্তু এই ছবি সত্য নহয় কাৰণ ব্যক্তি তাদাত্ম্যৰ ক্ষেত্ৰত, "অভিজ্ঞতা এক শৰীৰৰ ওপৰত নিৰ্ভৰশীল নেকি?" প্ৰশ্নৰ অৱতাৰণা কৰিব নোৱাৰি। ব্যক্তিজনৰ উল্লেখ নকৰাকৈ ব্যক্তিৰ অভিজ্ঞতা গণনা কৰিব নোৱাৰি। আয়াৰৰ মতে ব্যক্তি এজনক তেওঁৰ শৰীৰৰ দ্বাৰা চিনাক্ত কৰিব পাৰি। অভিজ্ঞতাই ব্যক্তিৰ শৰীৰক নিৰ্দেশ দিয়ে, যি ঘটনাৰ অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় চৰ্ত। শৰীৰ নোহোৱাকৈ ঘটনাৰ অভিজ্ঞতাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেই বাবেই আয়াৰে মত পোষণ কৰে

যে অভিজ্ঞতাৰ বাবে ব্যক্তিৰ শৰীৰ বা দেহ অতি প্ৰয়োজনীয়। কিন্তু ই এইটো নুবুজায় যে মোৰ অভিজ্ঞতা আন এজন ব্যক্তিৰ আচৰণৰ ওপৰত নিৰ্ভৰশীল। তথাপি এইটো সিদ্ধান্তলৈ আহিব পাৰি যে তেওঁৰ শৰীৰ বা দেহ সম্পৰ্কীয় ব্যক্তি তাদাত্ম্যৰ মতবাদটোৰ বাবে ব্যক্তিৰ শাৰীৰিক অৱস্থা অত্যন্ত আৱশ্যক। আয়াৰে ব্যক্তি মানেই শৰীৰ অথবা মানসিক ঘটনা মানেই শাৰীৰিক ঘটনা বুলি ক'ব বিচৰা নাই। তেওঁ মানসিক ঘটনাৰ অৱস্থিতি আৰু পৰিচয় পৃথকে নিৰূপণ কৰিছে কিন্তু ই শৰীৰক বাদ দি সম্ভৱ হ'ব নোৱাৰে। সেইদৰে তেওঁৰ মতে ব্যক্তি তাদাত্ম্যৰ ক্ষেত্ৰত স্মৃতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে কিন্তু ই এই ক্ষেত্ৰত অত্যাৱশ্যকীয় চৰ্ত বা মানদণ্ড হ'ব নোৱাৰে। শৰীৰ বা দেহ নোহোৱাকৈ ই নিজস্বভাৱে ব্যক্তি তাদাত্ম্যৰ মানদণ্ড হ'ব নোৱাৰে। বাৰ্নাড উইলিয়াম Bernard William), টেৰেঞ্চ ফেনেলহিউমাণ্ড (Terence Phenelhumand) আৰু আন বহুতে ব্যক্তি তাদাত্ম্য, শাৰীৰিক বা দৈহিক তাদাত্ম্যৰ ওপৰত নিৰ্ভৰশীল বুলি মত পোষণ কৰে। আয়াৰৰ দৈহিক তাদাত্ম্য মতবাদে ব্যক্তিৰ দেহবিহীন অস্তিত্ব নুই কৰে। তথাপি ধৰ্মীয় দৃষ্টিকোণৰ পৰা শৰীৰবিহীন অস্তিত্ব বা মৃত্যুৰ পিছত জীৱন গ্ৰহণযোগ্য। এই প্ৰসংগত এন্‌টনী ফ্লিউৰে (Anthony Flew) কৈছে যে— 'a disembodied person is no more a special sort of person than is an imaginary person and disemdboiment is no more a possible state of a person than is non existence.' (Flew, A : can a man witness his own funeral?' in Blackstone, W. Teded.) Meaning and Existence (P-614) অৰ্থাৎ দেহহীন ব্যক্তি বিশেষ ব্যক্তি নহয় কেৱল কাল্পনিক ব্যক্তিহে আৰু দেহহীনতাৰ সম্ভাৱনা অস্তিতহীনতা বাদে আন হ'ব নোৱাৰে।

চিদ্‌নী শ্বমেকাৰৰ (Sydney Shoemaker) মতে স্মৃতিও এক মানদণ্ড কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ব্যক্তি তাদাত্ম্যৰ বাবে ই যুক্তিসংগতভাৱে প্ৰয়োজনীয়। দৈহিক তাদাত্ম্যৰ লগত সম্পৰ্কৰ অবিহনে স্মৃতি মানদণ্ডই স্বাধীনভাৱে ব্যক্তি তাদাত্ম্যৰ মানদণ্ড হিচাপে ব্যৱহৃত হ'ব নোৱাৰে। সেয়ে দৈহিক তাদাত্ম্য মৌলিক মানদণ্ড।

বাৰ্নাড উইলিয়ামছে (Bernard Williams) তেওঁৰ 'Personal Identity and Individualism'ত শ্বমেকাৰতকৈও আগতে এই সম্পৰ্কে এক ভিন্ন আৰু বিশ্বাসযোগ্য ধৰণেৰে মত দাঙি ধৰিছে। তেওঁ উদাহৰণ দাঙি ধৰিছে যে চাৰ্লছ যি 'গেই ফউক্‌চ' (Guy Fawkes) ৰ কৰ্ম আৰু অভিজ্ঞতাৰ স্মৰণ কৰিব পাৰে বুলি দাবী কৰে।

এই প্ৰসংগত উইলিয়ামে মত পোষণ কৰে যে যদি এইটো সম্ভৱ, তেন্তে চাৰ্লছে গেই ফৰ্ডকচ্‌ৰ অভিজ্ঞতা আৰু কৰ্মৰ দৰে নিজকে পৰিৱৰ্তন কৰা উচিত। সেইদৰে এইটোও অনুমান কৰিব পাৰি যে চাৰ্লচৰ ভায়েক ৰবাৰ্টেও ঠিক সেই ধৰণেই পৰিৱৰ্তন কৰা উচিত। আৰু দুয়োজনেই স্মৰণ কৰিব পাৰে বুলি দাবী কৰিব পাৰে যে গেই ফৰ্ডক্‌চৰ কৰ্ম আৰু অভিজ্ঞতা দুয়োজনৰে নিজৰ। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে দুয়ো একেলগে গেই ফউক্‌চ হ'ব নোৱাৰে। আৰু যদি সম্ভৱ হয়ো তেন্তে গেই ফউক্‌চ একে সময়তে দুঠাইত থাকিব নোৱাৰে

কাৰণ ই অযুক্তিকৰ। তাৰোপৰি যদি দুয়োজনেই গেই ফউক্চৰ দৰে একে হয় তেন্তে দুয়োৰে পৰস্পৰ মিল থাকিব যিটো অসংগত। (Proceedings of the Aristotelia Society, 1956-57)।

জড়বাদ এনে এক দার্শনিক তত্ত্ব য'ত মূল্য কেৱল জড় পদার্থৰ লগতেহে জড়িত, নৈতিক বা নান্দনিক গুণাৱলীৰ লগত নহয়। ব্যক্তি তাদাত্ম্য সম্পর্কীয় এই মতবাদে দুটা ক্ষেত্ৰ সামৰি লয়। সেইকেইটা হ'ল— (ক) মন সম্পর্কীয় দর্শন (খ) মার্ক্সীয় দর্শন। প্রথমটো মত অনুসৰি কেৱল জড় পদার্থহে অস্তিত্বশীল আৰু মন আৰু পদার্থক জড় পদার্থৰ পৰিৱর্তনৰ সহায়তহে ব্যাখ্যা কৰিব পাৰি। দ্বিতীয়টো মতে সামাজিক পৰিৱর্তনৰ কথা উল্লেখ কৰে। জড়বাদৰ কঠোৰতম মত অনুসৰি মনক সম্পূর্ণৰূপে মগজুৰ দ্বাৰা পৰিচালিত দৈহিক ক্রিয়াই নিয়ন্ত্রণ কৰে। ইয়াৰোপৰি তেওঁলোকে সকলো মানৱীয় বিজ্ঞানকে পদার্থৰ অধীনলৈ নিয়ে।

দ্বিতীয় প্রকাৰৰ দার্শনিক গোট যি ব্রেনটেনোৰ (Brentano) মতক সমর্থন কৰে, তেওঁলোকে দাবী কৰে যে মনৰ দুইপ্রকাৰৰ ক্রিয়াৰ মাজত পার্থক্য আছে। প্রথম প্রকাৰে খবৰ বা সম্ভেদ প্রক্রিয়াৰ লগত জড়িত যি প্রাকৃতিক নিয়মৰ অধীনত। আনহাতে দ্বিতীয়টো ইচ্ছাৰ লগত জড়িত যি প্রাকৃতিক নিয়মৰ কিছুমান বাধা নিষেধৰ পৰা স্বাধীন।

আন কিছুমান দার্শনিকে দৈহিক বা শাৰীৰিক মানদণ্ডক মানদণ্ড বুলিয়েই স্বীকাৰ নকৰে, কাৰণ কিছুমান ক্ষেত্রত আমি লক্ষ্য কৰো যে মানুহৰ শৰীৰটোৱেই ব্যক্তি (person) নহয়। উদাহৰণস্বৰূপে কমাত (Coma) অৱস্থাত থকা এজন ব্যক্তি যদিও জৈৱিকভাৱে জীৱিত কিন্তু শাৰীৰিক আৰু মানসিকভাৱে তেওঁ নিষ্ক্রিয় হৈ থাকে।



অগ্রগতি খতিয়ান

প্রশ্ন নং ১ ঃ ব্যক্তি তাদাত্ম্যৰ দুই প্রকাৰৰ মানদণ্ড কি কি?

.....

.....

প্রশ্ন নং ২ ঃ দৈহিক বা শাৰীৰিক মানদণ্ড সমর্থন কৰা দুজন দার্শনিকৰ নাম লিখক?

.....

প্রশ্ন নং ৩ ঃ ব্যক্তি তাদাত্ম্য সম্পর্কে জড়বাদী মতটো কি? (২০টামান শব্দত লিখক)

.....

.....

প্রশ্ন নং ৪ ঃ তলৰ বাক্যকেইটা শুদ্ধ নে অশুদ্ধ লিখক?

(ক)'দৈহিক তাদাত্ম্য, ব্যক্তি তাদাত্ম্য সম্পর্কীয় একমাত্র মানদণ্ড (শুদ্ধ/অশুদ্ধ)

(খ) দৈহিক মানদণ্ডৰ পৃষ্ঠপোষক বার্নার্ড উইলিয়াম (শুদ্ধ/অশুদ্ধ)

(গ)এৰিষ্টটলে দৈহিক মানদণ্ডৰ পৃষ্ঠপোষকতা কৰিছিল (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ জড়বাদৰ দুই প্ৰকাৰৰ ক্ষেত্ৰ কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ ব্যক্তি তাদাত্ম্যৰ ক্ষেত্ৰত কঠোৰতম জড়বাদ কি? (২০টামান শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা-চৰ্চা কৰক ১০.১

দৈহিক মানদণ্ডই ব্যক্তি তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড বুলি ভাবিব পাৰিনে? আলোচনা কৰক।

উত্তৰ ঃ .....

.....

.....

.....

১০.৪ স্মৃতি মানদণ্ড

এইটো স্বীকাৰ্য যে ব্যক্তি তাদাত্ম্য স্মৃতিৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। স্মৃতিক ব্যক্তি তাদাত্ম্যৰ মানদণ্ড হিচাপে ধৰা হয়। এজন ব্যক্তিয়ে তেওঁৰ শৰীৰৰ বিষয়ে নজনাকৈয়েও তেওঁ যে একেজনেই ব্যক্তি সেই কথা অনুভৱ কৰিব পাৰে। সেইবাবে যেতিয়া কোনোৱে দৈহিক মানদণ্ড প্ৰয়োগ নকৰে তেতিয়া তেওঁ স্মৃতি মানদণ্ড প্ৰয়োগ কৰিবই লাগিব।

ল'কে (Locke) কৈছে যে সচেতনতাই (Consciousness) হৈছে ব্যক্তি তাদাত্ম্যৰ মূল নীতি। তেওঁ যুক্তি দৰ্শাইছে যে আমাৰ অনন্যতা বা তাদাত্ম্য সচেতনতাৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে। আত্মা বা ব্যক্তিৰ বিভিন্ন সংবেদন, প্ৰত্যক্ষ, চিন্তা, অভিপ্ৰায় আদিক সচেতনতাইহে নিৰ্দেশ দিয়ে আৰু সেইটোৱেই বিভিন্ন সময়ত আত্মা বা ব্যক্তি যে একেই তাকো বিবেচনা কৰে। ল'কে স্পষ্টভাৱে ব্যক্ত কৰিছে যে ব্যক্তি তাদাত্ম্য কোনো আত্মিক দ্ৰব্য বা আত্মাই নিৰ্ণয় নকৰে কাৰণ যদি তেনে কোনো আত্মা আছে তেন্তে সেই আত্মা বা আত্মিক দ্ৰব্যই আকৌ শৰীৰ ধাৰণ কৰাৰ সম্ভাৱনা থাকিব। উদাহৰণস্বৰূপে ল'কে যুক্তি দৰ্শাইছে যে যদি ধৰা হয়,

'A' ব্যক্তিজনে চক্রেটিছৰ আত্মা ধাৰণ কৰে, কিন্তু যদি চক্রেটিছৰ চিন্তা আৰু কৰ্মৰ দৰে সচেতনতা তেওঁৰ নাথাকে তেন্তে তেওঁ কেতিয়াও চক্রেটিছৰ দৰে ব্যক্তি হ'ব নোৱাৰে।

স্মৃতিয়েই একমাত্ৰ মানদণ্ড বোলা ল'কৰ মতৰ লগত চক্রকাৰ যুক্তি জড়িত হৈ আছে। এই চক্রকাৰ যুক্তি পোন প্ৰথম বাটলাৰে (Butler) আঙুলিয়াই দেখুৱাইছে। স্মৃতিক ব্যক্তিৰ তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড বুলিব পাৰি বোলা ল'কৰ মতটো তেওঁ ব্যক্তি তাদাত্ম্যৰ সচেতনতাই ব্যক্তি তাদাত্ম্যক আগতীয়াকৈ ধাৰণ কৰাৰ ওপৰত ভিত্তি কৰি খণ্ডন কৰিছে। ই চক্রাকাৰ (circularity) দোষ বা আপত্তি।

ডেকার্টে (Descartes) কৈছে যে ব্যক্তিৰ ধাৰণাটোৰ চিন্তা আৰু বিস্তৃতি দুয়োটাই আছে। চিন্তাশীল ব্যক্তি হিচাপে তেওঁ অবিস্তাৰিত আকৌ দৈহিক দৃষ্টিকোণৰ ফালৰ পৰা বিস্তাৰিত। গতিকে ডেকার্টৰ মতে মন আৰু দেহ অপৃথক। ল'কে বস্তুৰ ক্ষেত্ৰত ডেকার্টৰ মতক সমৰ্থন কৰিছে কাৰণ বস্তুক দেহতহে বিচাৰি পোৱা যায়। তেওঁৰ মতে ব্যক্তি এজন 'চিন্তাশীল, যৌক্তিক আৰু ভাবুক জীৱ যি নিজকে বিভিন্ন সময়ত আৰু বিভিন্ন ঠাইত একে ব্যক্তি বুলি ভাবে। ডেকার্টৰ দৰে তেওঁ দেহ আৰু মনক অপৃথক বুলি নিঃসৃত কৰা নাই। ল'কৰ মূল উদ্দেশ্য হৈছে এজন ব্যক্তিৰ ধাৰাবাহিক তাদাত্ম্যতা বা অনন্যতাৰ মানদণ্ড নিৰ্ণয় কৰা।

ল'কে এজন ব্যক্তিৰ চিনাক্তকৰণৰ ক্ষেত্ৰত মানদণ্ডৰ ধাৰণা দিছে। ডেকার্টৰ দৰে তেওঁ ব্যক্তিজন কোন আৰু তেওঁৰ পুনৰ চিনাক্তকৰণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা নাই। এই ক্ষেত্ৰত ল'কে দুই ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। ব্যক্তি কি? কেনেদৰে আমি এজন ব্যক্তিক চিনাক্ত কৰিম? ল'কে কৈছে যে ব্যক্তি হৈছে 'a thinking intelligent being, that has reason and reflection and can consider itself as itself, the same thinking thing, in different times and places.' (1690, 11 chap, 27, section 9) অৰ্থাৎ ব্যক্তি হৈছে 'এক চিন্তাশীল, বুধিয়ক জীৱ, যাৰ যুক্তি আৰু প্ৰতিৰ্বতী আছে আৰু যিয়ে নিজকে বিভিন্ন ঠাই আৰু সময়ত এক বুলি নিৰ্ণয় কৰিব পাৰে।' ব্যক্তি সম্পৰ্কে এই সংজ্ঞাটোৱে যদিও ব্যক্তিৰ চিনাক্তকৰণৰ মানদণ্ডৰ আৱশ্যক নোহোৱাকৈ ব্যক্তিৰ অভ্যন্তৰীণ গুণৰাশিক উল্লেখ কৰে কিন্তু তেওঁ দ্বিতীয় প্ৰশ্নটোৰ লগতো জড়িত যে কেনেকৈ আমি এজন ব্যক্তি বিভিন্ন সময়ত একেজনেই ব্যক্তি বুলি চিনাক্ত কৰিম? ল'কে এই প্ৰশ্নটো তেওঁৰ 'An Essay Concerning Human Understanding' নামৰ কিতাপত এনেদৰে উত্থাপন কৰিছে 'For, it being the same consciousness that makes a man be himself to himself, personal identity depends on that only...' অৰ্থাৎ 'সেই একে সচেতনতায়েই এজন ব্যক্তিক তেওঁ হিচাপে চিনাক্ত কৰে আৰু তাতেই ব্যক্তি তাদাত্ম্য নিৰ্ভৰ কৰে।' এই কথাষাৰিৰ জৰিয়তে ল'কে কৈছে যে সচেতনতাৰ ধাৰাবাহিকতাই এজন ব্যক্তিৰ তাদাত্ম্যতাৰ ধাৰাবাহিকতা নিৰ্ণয় কৰে। ল'কে বাক্যটো এনেদৰে কৈ সমাপ্ত কৰিছে— 'Whether it be annexed solely to one individual substance, or can be continued in a succession of several substances.' (1690-Chap.27, Sec 10) অৰ্থাৎ 'প্ৰত্যেকটো দ্ৰব্যৰ লগত

যিয়েই সংযোগ নহওক কিয় অথবা বিভিন্ন দ্রব্যৰ অনুক্রমত অবিৰত হৈ থাকিব পাৰে।'

ডেকার্ট, হিউম আৰু কাণ্টে সচেতনতাকে ব্যক্তি তাদাত্ম্যৰ মূল চাবি বুলি কৈছে। বেছিভাগ আধুনিক দার্শনিক আৰু মনোবিজ্ঞানীয়ে যুক্তি দর্শাইছে যে যেতিয়ালৈ এজন ব্যক্তি আত্মসচেতন নহয় তেতিয়ালৈকে আচলতে তেওঁনো কোন তাৰ ধাৰণা হ'ব নোৱাৰে। ওলোটাকৈ ক'বলৈ হ'লে যেতিয়ালৈ এজন ব্যক্তি তাদাত্ম্য সম্পর্কে সচেতন নহয় তেতিয়ালৈকে তেওঁ আত্মসচেতন নহয়। দুয়োটা ধাৰণা এনে ধৰণেৰে জড়িত হৈ আছে যে এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। বহুতো দার্শনিকে যুক্তি দর্শাইছে যে আত্মসচেতনতা কেৱল এজন ব্যক্তিৰ নিজস্বতা জনাৰ বাবেই জৰুৰী নহয় ই সকলো সময়তে এজন ব্যক্তিৰ ভিতৰত যে এটায়েই আত্মা বর্তি আছে তাকো প্রতিষ্ঠা কৰে। ডেকার্ট নিজেই এজন উদাহৰণ, যি কৈছে যে আত্মা চিনাক্তকৰণৰ বাবে আত্মসচেতনতাই মানদণ্ড। 'মই কোন'? এই প্রশ্নৰ উত্তৰ দিবলৈ ডেকার্টে কৈছে যে 'মই এক অভিপ্রায় জড়িত বস্তু যি পোহৰ আৰু শব্দ প্রত্যক্ষ কৰিব পাৰো আৰু তাপ অনুভৱ কৰিব পাৰো।' ডেকার্টৰ আত্মাৰ ধাৰণাটো চিন্তা বা সচেতনতা, যি মানুহৰ মূল বুলি থিৰাং কৰা হৈছে। সাধাৰণতে প্রত্যেক ব্যক্তিৰেই এই সচেতনতা থাকে আৰু তাৰ দ্বাৰাই ব্যক্তিজনক চিনাক্ত কৰিব পাৰি। ডেকার্টে তেওঁৰ 'সন্দেহ' ধাৰণাৰ দ্বাৰা দেখুৱাব বিচাৰিছে যে শৰীৰৰ ধাৰণা ব্যক্তি তাদাত্ম্যৰ বাবে প্রয়োজনীয় নহয়। গতিকে তেওঁ সিদ্ধান্ত কৰিছে যে পুৰুষ বা মহিলা, ক'লা বা বগা, ওখ বা চাপৰ, সুন্দৰ বা কুৰূপা, শক্তিশালী বা দুর্বল এইবোৰ কেৱল মোৰ শৰীৰৰ লগত জড়িত হৈ থকা নাই আৰু প্রকৃততে এইবোৰ মোৰ পৰিচয়ৰ বা চিনাক্তকৰণৰ বাবে প্রয়োজনীয় নহয়। 'Myself identity is in my mind, thinking, doubting, feeling, perceiving imaging and describing. I am essentially a thing that thinks' (Discarts) অর্থাৎ 'মোৰ পৰিচয় হৈছে মোৰ মন, চিন্তা, সন্দেহ, অনুভৱ, প্রত্যক্ষ, কল্পনা আৰু ব্যাখ্যা। মই মূলতঃ এটা বস্তু যিয়ে চিন্তা কৰে।'

ডেকার্টে তেওঁৰ 'Meditation' গ্রন্থত উল্লেখ কৰিছে যে ব্যক্তি তাদাত্ম্য বা পৰিচয় সচেতনতাৰ ওপৰত নির্ভৰ কৰে। আমাৰ তাদাত্ম্য বা পৰিচয় আমাৰ শৰীৰৰ ওপৰত নির্ভৰ নকৰে যি সদায় একে থাকে আৰু সেয়ে মানুহৰ তাদাত্ম্য পৃথিৱীৰ সকলো বস্তুৰে তাদাত্ম্যকৈ পৃথক।

ডেকার্টৰ দৰে জন ল'কেও কৈছে যে আত্মসচেতনতাই (Self Consciousness) আত্মপৰিচয় বা তাদাত্ম্যৰ চাবি-কাঠি। কিন্তু ডেকার্টৰ দৰে তেওঁ কোৱা নাই যে আত্মপৰিচয় বা তাদাত্ম্য ব্যক্তিৰ মাজত অপৰিৱর্তনীয় হৈ থকা চিন্তাশীল দ্রব্য বা আত্মাৰ ওপৰত নির্ভৰ কৰে। কাৰণ ল'কৰ মতে আমাৰ জীৱন ধাৰাত আমাৰ আত্মা নতুন আত্মাৰ দ্বাৰা সলনি হ'ব পাৰে যেনেদৰে গছৰ বৃদ্ধিৰ ক্ষেত্রত নতুন কোষৰ গঠনে পুৰণা কোষ সলনি কৰে। গছজোপা একেই থাকে কাৰণ গছজোপাৰ শাৰীৰিক গঠন পৰিৱর্তন হ'লেও একে জীৱয়েই গছজোপাৰ মাজত নিহিত থাকে। সেইদৰে এজন ব্যক্তি সলনি নহয় বা একেই থাকে কাৰণ একেই

সচেতনতা আৰু স্মৃতি মানুহজনৰ মাজত উপস্থিত থাকে। গতিকে ল'কৰ মত আত্মা আৰু সচেতনতাৰ পৃথকীকৰণৰ ক্ষেত্ৰত ডেকাটৰ মততকৈ পৃথক। আমাৰ সচেতনতাকেই আমি আত্মা বুলি কওঁ।

ল'কৰ ব্যক্তি তাদাত্ম্যৰ মতবাদে আত্মাৰ আৱশ্যক নোহোৱাকৈ সচেতনতাৰ দ্বাৰা ব্যাখ্যা দাঙি ধৰে। ডেকার্টৰ মততকৈ ইয়াৰ সুবিধা আছে যদিও অসুবিধাও নথকা নহয়। যদিও আমি আমাৰ অতীতৰ অভিজ্ঞতাক মনত পেলাব পাৰো কিন্তু তাক পাহৰিব নোৱাৰো। কোনো মানুহে দাবী কৰিব নোৱাৰে যে তেওঁৰ জীৱনত ইতিমধ্যে ঘটা সকলো ঘটনা মনত পেলাব পাৰে। গতিকে স্মৃতি মানদণ্ড ব্যক্তি তাদাত্ম্যৰ সন্তোষজনক মানদণ্ড হ'ব নোৱাৰে।

আমাৰ স্মৃতি সদায়েই সঠিক নহয়। কেতিয়াবা আমি কেতিয়াও নঘটা ঘটনাও মনত পেলাও। উদাহৰণস্বৰূপে আমি মনত পেলাও যে এই কিতাপখন মোৰ বন্ধুৰ হাতত আছিল কিন্তু দুৰ্ভাগ্যজনকভাৱে কিতাপখন এতিয়া মোৰ আলমাৰিত আছে। গতিকে এনেক্ষেত্ৰত স্মৃতিয়ে কেতিয়াবা আমাক প্ৰতাৰণা কৰে। আকৌ আমি ভুৱা আৰু বিকৃত স্মৃতিৰ কথা কও। এনে ধৰণৰ স্মৃতিয়ে ব্যক্তি তাদাত্ম্যৰ মানদণ্ড হিচাপে সফল হ'ব নোৱাৰে। কাৰণ এইবোৰ প্ৰকৃত স্মৃতি নহয়। বৰঞ্চ এইবোৰক ওপৰুৱা স্মৃতি বুলিহে গণ্য কৰিব পাৰি। এনে ক্ষেত্ৰত আমি প্ৰকৃত আৰু অপ্ৰকৃত স্মৃতি বাছি উলিয়াব লাগিব। যদিহে আমি তাক কৰিব পাৰো তেতিয়াহে আমি স্মৃতি মানদণ্ডক ব্যক্তি তাদাত্ম্যৰ মানদণ্ড বুলিব পাৰিম। আকৌ এনে ওপৰুৱা আৰু প্ৰকৃত স্মৃতিৰ পাৰ্থক্য নিৰ্ণয়ৰ ক্ষেত্ৰত সম্ভৱতঃ আত্মপৰিচয়ৰ ধাৰণাও আহিব। গতিকে আমি স্মৃতিৰ ধাৰণাক ব্যক্তি তাদাত্ম্যৰ ব্যাখ্যাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰো। ইয়াত ব্যক্তি তাদাত্ম্যৰ ব্যাখ্যাৰ ক্ষেত্ৰত স্মৃতিক ব্যৱহাৰ কৰাতকৈ ব্যক্তি তাদাত্ম্যকহে স্মৃতিৰ ব্যাখ্যাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। সেইকাৰণে যদি আমি প্ৰকৃত স্মৃতিক প্ৰতিফলন কৰো, তেতিয়া আমি ক'ব পাৰো যে ল'কে ঘোঁৰাৰ আগত ঘোঁৰাগাড়ী বা বাগী লগাইছে, অৰ্থাৎ তেওঁ স্মৃতি মানদণ্ডক ব্যক্তি তাদাত্ম্যৰ সহায়ত ব্যাখ্যা কৰিছে।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ৭ ঃ ব্যক্তি তাদাত্ম্য সম্পৰ্কীয় স্মৃতি মানদণ্ড সমৰ্থন কৰা দুজন দাৰ্শনিকৰ নাম লিখক।

উত্তৰ ঃ .....

.....

প্ৰশ্ন নং ৮ ঃ স্মৃতি মানদণ্ড সম্পৰ্কে ল'কৰ মত লিখক (৪০টামান শব্দৰ ভিতৰত লিখক)

উত্তৰ ঃ .....

.....

.....

প্রশ্ন নং ৯ ঃ ল'ক মতৰ বিৰুদ্ধে বাটলাৰৰ চক্রুকাৰ আপত্তি বা দোষ কি? (৪০টামান শব্দৰ ভিতৰত লিখক)

উত্তৰ ঃ .....

.....

.....

.....

প্রশ্ন নং ১০ ঃ ল'ক আৰু ডেকার্টৰ ব্যক্তি তাদাত্ম্য সম্পর্কীয় মতৰ পার্থক্য কি? (৮৫ টামান শব্দৰ ভিতৰত লিখক)

উত্তৰ ঃ.....

.....

.....

.....

প্রশ্ন নং ১১ ঃ তলৰ বাক্য কেইটা শুদ্ধ নে অশুদ্ধ লিখক।

(ক) হিউমৰ মতে ব্যক্তি তাদাত্ম্য কাল্পনিক তাদাত্ম্যৰ বাদে একো নহয়। (শুদ্ধ/অশুদ্ধ)

(খ) হিউমৰ মতে মানুহ কিছুমান প্রত্যক্ষ বা অভিজ্ঞতাৰ সমষ্টি (শুদ্ধ/অশুদ্ধ)

(গ) ডেকার্টে তেওঁৰ 'Meditatian IV' নামৰ কিতাপত আত্ম তাদাত্ম্য বা পৰিচয় সচেতনতাৰ ওপৰত নির্ভৰ কৰে বুলি কৈছে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১২ ঃ স্মৃতি মানদণ্ডৰ এটা অসুবিধা উল্লেখ কৰক (১০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

উত্তৰ ঃ .....

.....

.....

.....

প্রশ্ন নং ১৩ ঃ তলৰ বাক্য কেইটা শুদ্ধ নে অশুদ্ধ লিখকঃ

(ক) এৰিষ্টটলে স্মৃতি মানদণ্ড বিশ্বাস কৰা নাছিল (শুদ্ধ/অশুদ্ধ)

(খ) হিউমৰ মতে 'I never can catch myself at any time without a perceptian and never can observe anything but the perception'

অর্থাৎ

'মই কেতিয়াও মোক প্রত্যক্ষ অবিহনে কোনো সময়তে ধৰি ৰাখিব নোৱাৰো আৰু কেতিয়াও প্রত্যক্ষৰ বাদে একো নিৰীক্ষণ কৰিব নোৱাৰো।' (শুদ্ধ/অশুদ্ধ)

(গ) স্মৃতি মানদণ্ড অনুসৰি স্মৃতিৰ সহায়ত ব্যক্তি তাদাত্ম্যৰ সংজ্ঞা দিব পাৰি (শুদ্ধ/অশুদ্ধ)

(ঘ) চক্রাকাৰ দোষ ল'কৰ ব্যক্তি তাদাত্ম্য মতৰ লগত জড়িত (শুদ্ধ/অশুদ্ধ)



চিন্তা চৰ্চা কৰক ১০.২

স্মৃতিয়েই ব্যক্তি তাদাত্ম্য একমাত্র মানদণ্ড বুলিব পাৰিনে? যদি হয় কিয় আলোচনা কৰক।

উত্তৰ ঃ .....

.....

.....

.....

১০.৫ জাঁ পল ছার্ত্রেৰ ব্যক্তি তাদাত্ম্য সম্পর্কীয় মত

সমসাময়িক দার্শনিক চিন্তাসমূহৰ এক উল্লেখযোগ্য ভাগ হৈছে অস্তিত্ববাদ। এই মত অনুসৰি ব্যক্তি তাদাত্ম্য বা পৰিচয় ব্যক্তিৰ ইচ্ছাৰ বা পছন্দৰ ওপৰত নির্ভৰশীল। ফ্রাঞ্চ দার্শনিক জাঁ পল ছার্ত্রে এজন উল্লেখযোগ্য অস্তিত্ববাদী দার্শনিক। তেওঁৰ মতে এজন ব্যক্তি নাইবা সকলো মানুহৰ বাবে ব্যক্তি তাদাত্ম্যৰ কোনো নির্দিষ্ট মানদণ্ড নাই। অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী। মানুহ নিজৰ কামৰ বাবে নিজেই দায়িত্বশীল আৰু যেতিয়া কোৱা হয় যে মানুহ নিজৰ কামৰ বাবে দায়িত্বশীল তাৰ অর্থ হৈছে মানুহ কেৱল নিজৰ ব্যক্তিত্বৰ বাবে দায়িত্বশীল নহয়, তেওঁ সকলো মানুহৰ বাবেই দায়িত্বশীল। ব্যক্তি তাদাত্ম্যৰ ক্ষেত্রত প্রশ্ন উঠিব পাৰে যে ব্যক্তি তাদাত্ম্য ইচ্ছাৰ ওপৰত নির্ভৰশীল নে? অস্তিত্ববাদীসকলৰ মতে ব্যক্তি এজনে নিজেই বিচাৰ কৰিব পাৰে কোনবোৰ ঘটনা বা তথ্য অস্তিত্বশীল। ঘটনা বা তথ্যই কেৱল আমাৰ পৰিচয় বা চিনাক্তকৰণৰ বাবে প্রয়োজনীয় নে? ছার্ত্রেই জার্মান দার্শনিক হিডেগাৰক (Heidegger) সমর্থন কৰি কৈছে যে এইটো সম্ভৱপৰ নহয়। এজন ব্যক্তি কোন আৰু বর্তমানলৈ তেওঁ কি কৰিলে তাৰ নির্দেশাত্মকভাৱেহে তথ্য বা ঘটনা এটা সত্য হয়। ব্যক্তি তাদাত্ম্য বা আত্ম তাদাত্ম্যৰ বিচাৰৰ বাবে, ব্যক্তিজনৰ বাবে সত্য তথ্য বা ঘটনাতকৈ বহু বেছি বিবেচনা কৰিব লাগে। ই এইটো নির্দেশ কৰে যে আমি তেওঁলোকৰ ভৱিষ্যতৰ পৰিকল্পনা, তেওঁলোকৰ উচ্চাকাংক্ষা, পৰিকল্পনা, অভিপ্রায়, আশা আৰু কল্পনা আদিও বিবেচনা কৰিব লাগিব। ছার্ত্রেই এইবোৰক ব্যক্তিজনৰ শ্রেষ্ঠতা বুলি অভিহিত কৰিছে। এনে ধৰণৰ ব্যক্তি সম্পর্কীয় মতে ব্যক্তি তাদাত্ম্যক জটিল আৰু পৃথক কৰিব নোৱাৰা কৰিব। উদাহৰণস্বৰূপে আমি ছার্ত্রেৰ কিতাপ 'Being and Nothingness'ত

থকা কু বিশ্বাসৰ (Bad Faith) কথা ক'ব পাৰো।

কু-বিশ্বাসে ইন্দ্রিয় সংযমক নির্দেশ দিয়ে। এইটো দুই ধৰণেৰে হ'ব পাৰে— হয়তো এজন ব্যক্তিৰ ব্যক্তি তাদাত্ম্যৰ লগত সম্পর্কিত তথ্য বা কর্ম গ্রহণ কৰিবলৈ অমান্তি হৈ অথবা বিপৰীত দিশত বিশ্বাস কৰি যে ব্যক্তিৰ কর্মই চূড়ান্তভাৱে আৰু অপৰিৱর্তনীয়ভাৱে ব্যক্তিজনৰ তাদাত্ম্য কাপুৰুষৰ দৰে প্রতিষ্ঠা কৰে। কু-বিশ্বাসৰ ক্ষেত্রত তেওঁ এটা উদাহৰণ দাঙি ধৰিছে— এজন সমকামীয়ে বাৰম্বাৰ এক অসহ্যকৰ দোষী ভাব অনুভৱ কৰে আৰু তেওঁৰ গোটেই অস্তিত্বটো সেই অনুভৱৰ ওপৰত নির্ভৰ কৰে। এজন ব্যক্তিয়ে ততালিকে ধৰিব পাৰে যে তেওঁ কু-বিশ্বাসত পৰিছে। ছার্ত্রে কয় যে " ব্যক্তি এজন যিজন তেওঁ হয় তেওঁ নহয় আৰু তেওঁ নহয় যিজন তেওঁ হয়।" 'One is what one is not, and one is not what one is' অর্থাৎ 'এজন ব্যক্তি যি তেওঁ সেইটো নহয়, আৰু এজন ব্যক্তি যি নহয়, তেওঁ সেইটো হয়।' ছার্ত্রেৰ সমকামীৰ উদাহৰণটোত এজন সমকামীৰ সমকামিতা তেওঁৰ অতীত কর্ম আৰু আকাংক্ষালৈকেহে বিস্তৃত। তথাপিও প্রকৃতার্থত তেওঁ সমকামীও নহয়। কাৰণ ভৱিষ্যতে তেওঁ তেওঁৰ জীৱনধাৰা সম্পূর্ণৰূপে সলাই তেওঁ যে অতীতত সমকামী আছিল তাক নুই কৰিব পাৰে। এজন ব্যক্তি যিমান দিন জীয়াই থাকে, তেওঁৰ অভিপ্রায়, পৰিকল্পনা, সপোন আৰু আশাই তেওঁৰ পৰিচয় দাঙি ধৰে। গতিকে 'মই কোন' সমস্যাটোৰ সমাধানে ব্যক্তি তাদাত্ম্যৰ প্রশ্নটো নাটকীয় আৰু জটিল কৰি তোলে।

১০.৬ ব্যক্তি তাদাত্ম্য সম্বন্ধে এটি সূক্ষ্ম সমালোচনা

চিডনী শ্বোমেকাৰে (Sydney Shoemaker) যুক্তি দিছে যে এইটো যুক্তিপূর্ণ সত্য যে স্মৃতি মানদণ্ড সাধাৰণতে সত্য, ই এক আগমন নহয়।

(ক) যদি কোনোবাই সঘনে কয় যে তেওঁ এনে ঘটনা মনত পেলাব পাৰে যি ঘটা নাই তেন্তে আমি সিদ্ধান্ত কৰিব পাৰো যে তেওঁ 'স্মৰণ' শব্দটো কেনেকৈ ব্যৱহাৰ কৰিব লাগে নাজানে।

(খ) এটি শিশুৱে কেৱল স্মৰণৰ সহায়ত ভাষা শিকে

(গ) স্মৃতি মানদণ্ড নহয়। শৰীৰ যি মই দেখিছো আৰু শৰীৰ যি মই এতিয়া স্মৰণ কৰাত সমর্থ- ইয়াৰ মাজৰ গুণগত সাদৃশ্যই হৈছে মানদণ্ড।

স্মৃতিয়ে কেৱল ব্যক্তিৰ পুনৰ চিনাক্তকৰণৰ ক্ষেত্রত আধা বিষয়বস্তুৰহে যোগান ধৰে।

হিউমৰ মতে ব্যক্তি তাদাত্ম্য, কাল্পনিক তাদাত্ম্যৰ বাদে একো নহয়। ই কাল্পনিক, কাৰণ স্মৃতি মানদণ্ড আৰু দৈহিক তাদাত্ম্য সম্পর্ক ৰহিত বা অপ্রাসংগিক। কিছুমান মৌলিক ধাৰণা লকৰ ব্যক্তি তাদাত্ম্যৰ ধাৰণাত আছে বুলি হিউমে অনুভৱ কৰিছিল। কিন্তু লকে দাবী কৰাৰ দৰে কেনো দেহহীন বা অজড় পদার্থৰ অস্তিত্ব নাই বুলি তেওঁ মত পোষণ কৰিছিল। হিউমৰ সংজ্ঞা অনুসৰি, মানুহ কিছুমান অভিজ্ঞতাৰ সমষ্টিৰ বাদে একো নহয়।

ব্যক্তিৰ ধাৰণাৰ বাবে দুয়োটাই অপৰিহার্য উপাদান বুলি ক'ব পাৰি। দৈহিক মানদণ্ড

মৌলিক কিন্তু স্মৃতি মানদণ্ড অপৰিহার্য কাৰণ জ্ঞানবিদ্যাৰ ক্ষেত্ৰত স্মৃতিৰ স্থান মৌলিক। কিন্তু সেয়ে স্মৃতিক তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড বোলাটো অসংগত হ'ব। আকৌ দৈহিক মানদণ্ডক স্মৃতি মানদণ্ডতকৈ বেছি ভাল বুলিবও নোৱাৰি। এইক্ষেত্ৰত শ্বোমেকাৰৰ মতটো উল্লেখনীয় 'Just as the memory criterion is dependent upon the bodily critierion, so also the bodily criterion dependent upon the mental criterion.' অর্থাৎ 'যেনেদৰে মানসিক বা স্মৃতি মানদণ্ড শাৰীৰিক বা দৈহিক মানদণ্ডৰ ওপৰত নির্ভৰশীল তেনেদৰে দৈহিক মানদণ্ডও মানসিক মানদণ্ডৰ ওপৰত নির্ভৰশীল। দৈহিক মানদণ্ড স্মৃতি মানদণ্ডতকৈ বিস্তৃত। দৈহিক মানদণ্ড অধিক বৈচিত্ৰময়। এজন ব্যক্তি দৈহিকভাৱে একে হয়নে নহয় তাক বিভিন্ন প্ৰকাৰৰে নির্ধাৰণ কৰিব পাৰি। উদাহৰণস্বৰূপে তেজ পৰীক্ষা, আঙুলিৰ চাপ, ছবি, সাক্ষীৰ ভাষ্য আদিৰ দ্বাৰা ব্যক্তি এজন পুনৰ চিনাক্তকৰণ কৰিব পাৰি।

অভিজ্ঞতালব্ধ আত্মাই এজন ব্যক্তিক চিনাক্ত কৰে। অতিন্দ্ৰীয় আত্মাই মানুহৰ সচেতনতাক সম্ভৰ কৰি তোলে। কিহে এজন ব্যক্তিক 'পল পল আৰু বছৰ বছৰ ধৰি' একেজন ব্যক্তি কৰি ৰাখে? শৰীৰ বা দেহৰ স্থান-কালৰ ধাৰাবাহিকতাই ইয়াৰ এটা অংশৰহে উত্তৰ দিব পাৰে। কিন্তু ডেকার্টকে ধৰি দার্শনিকসকলে দেখুৱাইছে যে ইয়েই পর্যাপ্ত নহয় সেয়ে তেওঁ কৈছে যে আত্মসচেতনতাই আত্ম তাদাত্ম্যৰ চাবি-কাঠি। উদাহৰণস্বৰূপে জ'নছৰ এটা তাৎক্ষণিক মগজুৰ অপাৰেচন হ'ল। তেওঁৰ মগজুটো ব্ৰাউনৰ মগজুৰ লগত সলনি কৰা হ'ল। শাৰীৰিকভাৱে তেওঁ জ'নছ হৈ থাকিল। তেওঁৰ ঘৰ, গাড়ী চলোৱাৰ প্ৰমাণ-পত্ৰ (driving licence) একেই থাকিল কিন্তু তেওঁৰ সকলো স্মৃতি আৰু ব্যক্তিত্ব ব্ৰাউনৰ দৰে হ'ল। এনে ক্ষেত্ৰত তেওঁ জনচ্ হৈ থাকিল নে? নে তেওঁ জনচ্ৰ শৰীৰত ব্ৰাউন হ'ল? ধৰা হ'ল তেওঁ ব্ৰাউন, তেন্তে তেওঁ জনচ্ৰ শৰীৰ জীৱিত আছে বুলি দাবী কৰিব পাৰেনে? এই উদাহৰণটোৱে অতি ভালদৰে দেখুৱাইছে যে দৈহিক তাদাত্ম্য বা স্মৃতি তাদাত্ম্য কোনোটোৱেই ব্যক্তি তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড হ'ব নোৱাৰে।

এজন ব্যক্তিৰ চিনাক্তকৰণৰ ক্ষেত্ৰত দুয়োটাই সমানে প্ৰয়োজনীয়। ব্যক্তি তাদাত্ম্য সম্পৰ্কীয় তথ্যবোৰ যদি আমি বিচাৰ কৰো তেন্তে দেখা যাব যে ব্যক্তিৰ পুনৰ চিনাক্তকৰণৰ বাবে দুয়োটাই সমানে আৱশ্যকীয়। সেই কাৰণে এই ধৰণৰ আলোচনাত এটা মানদণ্ড বাদ দি আনটোক লৈ আলোচনা কৰিলে, সি কেৱল আধৰুৱা আলোচনা হৈয়ে ৰ'ব।

ব্যক্তি তাদাত্ম্য সম্পৰ্কীয় আধুনিক মতবাদসমূহে স্মৃতিৰ ধাৰণা, আত্মসচেতনতা বা মনোবিজ্ঞানীক ধাৰাবাহিকতাৰ পৃষ্ঠপোষকতা কৰে। কিন্তু এৰিষ্টটলে ডেকার্ট বা লকৰ মানদণ্ডক বিশ্বাস কৰা নাছিল। এৰিষ্টটলৰ মতে, আত্ম তাদাত্ম্য মূলতঃ দৈহিক তাদাত্ম্য য'ত অকণো আত্মসচেতনতাৰ উল্লেখ নাই। হিউমেও লক আৰু ডেকার্টৰ আত্ম তাদাত্ম্যৰ মত সমর্থন কৰা নাই। তেওঁ কৈছে যিকোনো ধাৰণাক সংবেদনৰ পৰা নিঃসৃত কৰিব পাৰি। তেওঁ যুক্তি দর্শাইছে যে যেতিয়া আমি আত্মসচেতন হওঁ, তাৰ অর্থ এয়ে যে আমি আমাৰ অনুভৱ, চিন্তা আৰু প্ৰত্যক্ষ সম্পৰ্কে জ্ঞাত হওঁ। কিন্তু আমাৰ কোনো আত্মা বা চিন্তাশীল দ্ৰব্য সম্পৰ্কে সংবেদন নহয়। হিউমৰ মতে 'I never can catch myself at any time without a perception, and

can never observe anything but perception.' অর্থাৎ 'মই নিজকে প্রত্যক্ষৰ অবিহনে কোনো সময়তে ধৰি ৰাখিব নোৱাৰো আৰু প্রত্যক্ষৰ বাদে একো নিৰীক্ষণ কৰিব নোৱাৰো।' গতিকে তেওঁ সিদ্ধান্তলৈ আহিছে যে আত্মাৰ ধাৰণা কেৱল মাত্র কল্পনা। আমি কেতিয়াও চিৰস্থায়ী আত্মা সম্পর্কে জ্ঞাত হ'ব নোৱাৰো। আকৌ আমি এইটোও দাবী কৰা উচিত নহ'ব যে আমি সেই একেজনেই ব্যক্তি যি এবছৰ বা এক মুহূর্তৰ আগতে আছিলো। হিউমৰ মতে বস্তু বা ব্যক্তিৰ তাদাত্ম্যৰ ধাৰণাটোৰ উৎপত্তি হৈছে বস্তুৰ দেশ কালৰ ধাৰাবাহিকতাৰ পৰা। উদাহৰণস্বৰূপে এডাল গছত বিভিন্ন সময়ত একে ঠাইতে থাকে। কিন্তু মানুহৰ অভ্যাস হ'ল ঘূৰি-ফুৰা, গৰমত ইউৰোপলৈ যোৱা বা ষান্মাসিকৰ (Semester) বাবে কলেজলৈ যোৱা। তেতিয়াও আমি ব্যক্তিজনৰ চলন-ফুৰণত ধাৰাবাহিকতা লক্ষ্য কৰো। একেজন ব্যক্তিয়েই বিশেষ সময়ত বিশেষ ঠাইত ডাকপত্র গ্রহণ কৰে। গতিকে আমি সিদ্ধান্ত কৰিব পাৰো যে তেওঁ সেই একেই ব্যক্তি। দেশ কালৰ ধাৰাবাহিকতাৰ উপৰি আমি সাধাৰণতে সাদৃশ্যক তাদাত্ম্য বা পৰিচয়ৰ মানদণ্ড বুলি বিশ্বাস কৰো। সৰু সৰু পৰিৱর্তন যেনে চুলি কটা বা নতুন দাগ বা সাঁচ, আনকি ভৰি হেৰোৱা বা কিছু পৰিমাণে শল্য চিকিৎসা (Plastic Surgery) আদিক কিছু পৰিমাণে উলাই কৰিব পাৰি। দুজন ব্যক্তিৰ মাজত গভীৰ সাদৃশ্যতাৰ বাবে আমি তেওঁলোকক একে বুলি ভাবো। গতিকে হিউমে যুক্তি দর্শাইছে যে দেশ-কালৰ ধাৰাবাহিকতা আৰু সাদৃশ্যই, তাদাত্ম্যৰ নিশ্চয়তা প্রদান নকৰে।

কাণ্টে মন্তব্য কৰে যে আত্মা অভিজ্ঞতাৰ সমষ্টি নহয়। বৰঞ্চ ই এক অতিন্দ্রীয় সূতা বা জৰী যি একেলগে বান্ধি ৰাখে আৰু অভিজ্ঞতাৰ দৰেই ই সত্য। কাণ্ট, হিউমৰ সৈতে একমত যে চিৰস্থায়ী আত্মা অভিজ্ঞতাৰ বিষয়বস্তু নহয়। এইক্ষেত্রত কাণ্ট ডেকার্টৰ লগত সহমত। ডেকার্টে ভাবে যে আমি সকলো সময়তে আত্মসচেতন হৈ থাকো, কিন্তু কাণ্টে কৈছে যে এইটো প্রয়োজনীয় কেৱল 'সকলো অভিজ্ঞতাক সামৰি ল'বৰ বাবেহে'। আমাৰ বাবে সদায় সচেতন হৈ থকাটো প্রয়োজনীয় নহয়। কেৱল কিছুমান বিশেষ অভিজ্ঞতাৰ ক্ষেত্রতহে আত্মসচেতনতাৰ প্রয়োজন। ডেকার্টৰ মতে সেইটো সম্ভৱ নহয় কাৰণ মানুহৰ অস্তিত্বৰ বাবে আত্মসচেতন হৈ থকা দৰকাৰ। কিন্তু এইক্ষেত্রত কাণ্টে কৈছে যে মানুহ হিচাপে অস্তিত্ব থাকিবলৈ আত্মসচেতন 'হ'ব পাৰিব' ('to be able') লাগিব। কাণ্টে ডেকার্টৰ চিন্তন বা চিন্তা কৰা আত্মাক 'এক চিন্তন বস্তু' বোলা মতটো খণ্ডন কৰিছে। তেওঁ এই মতক অগ্রাহ্য কৰি কৈছে যে আত্মা আমাৰ অভিজ্ঞতা নহয় বৰঞ্চ ই অভিজ্ঞতাৰ পিছতহে আছে আৰু অভিজ্ঞতাৰ বাবে ই দায়িত্বশীলো। তেওঁ কয় যে আত্মাই কর্ম হিচাপেহে চিন্তা কৰে। কাণ্টৰ এই পৰিৱর্তিত আৰু সংশোধিত মতটো প্লেটো, খ্রীষ্টিয় মতত আৰু আধুনিক চিন্তাতো পোৱা যায়। আত্মা কেৱল আত্ম ধাৰণযুক্ত বস্তু, এক চিৰস্থায়ী পদার্থ, যি মৃত্যুৰ পিছতো বর্তি থাকে। আত্মাক কর্ম বুলি কৈ কাণ্টে পৰম্পৰাগত আত্মাৰ ধাৰণাক নিম্নগামী কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৪ ঃ ছার্ত্রেৰ মতে 'কু-বিশ্বাস' কি? (৯০টামান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

প্রশ্ন নং ১৫ ঃ ব্যক্তি তাদাত্ম্য সম্পর্কে ছার্ত্রেৰ মত কি? (৭০টামান শব্দৰ ভিতৰত লিখক)

উত্তৰ ঃ .....

.....

.....

.....



চিন্তা চর্চা কৰক ১০.৩

স্মৃতি আৰু দৈহিক মানদণ্ড ব্যক্তি তাদাত্ম্যৰ আলোচনাৰ বাবে সমানেই আৱশ্যকীয়নে? আপুনি কি ভাবে? আলোচনা কৰক।

উত্তৰঃ.....

.....

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সাধাৰণতে দার্শনিকসকলে ব্যক্তিৰ পুনৰ চিনাক্তকৰণৰ বাবে দুই ধৰণৰ মানদণ্ড গ্রহণ কৰে। সেইকেইটা হ'ল— দৈহিক আৰু স্মৃতি মানদণ্ড।

- বার্নাড উইলিয়ামচ, টেৰেঞ্চ পেনেল-হিউমেণ্ড আৰু আন কিছুমানৰ মতে ব্যক্তি তাদাত্ম্য দৈহিক মানদণ্ডৰ ওপৰত নির্ভৰ কৰে।
- শ্বোমেকাৰে মত পোষণ কৰে যে স্মৃতি মানদণ্ড হয় কিন্তু ই এইটো অর্থ নকৰে যে ই যুক্তিপূর্ণভাৱে আৱশ্যকীয় আৰু যথেষ্ট। শাৰীৰিক তাদাত্ম্য আৰু স্মৃতিৰ মাজত এক স্থায়ী সম্পর্কৰ ধাৰণা অবিহনে স্মৃতি কেতিয়াও মানদণ্ড হিচাপে ব্যৱহাৰ হ'ব নোৱাৰে।
- ল'কে ব্যক্তিৰ চিনাক্তকৰণৰ বাবে মানদণ্ডৰ ধাৰণাটোৰ সূচনা কৰিলে। কিন্তু ডেকার্টৰ নিচিনাকৈ তেওঁ ব্যক্তিজন কোন আৰু তেওঁ পুনৰ পৰিচয়ৰ বা চিনাক্তকৰণৰ বাবে কি মানদণ্ড দৰকাৰী তাৰ মাজৰ পার্থক্য নির্ণয় কৰা নাই।
- ডেকার্টে তেওঁৰ 'Meditation IV' নামৰ কিতাপত উল্লেখ কৰিছ যে ব্যক্তি তাদাত্ম্য সচেতনতাৰ ওপৰত নির্ভৰশীল। আমাৰ পৰিচয় আমাৰ শৰীৰৰ ওপৰত নির্ভৰ নকৰে, যি সদায় একে থাকে আৰু সেয়ে মানুহৰ তাদাত্ম্য পৃথিৱীৰ সকলো বস্তুৰে তাদাত্ম্যকৈ পৃথক।
- ডেকার্টৰ দৰে জন ল'কেও কৈছে যে আত্মসচেতনতাই ব্যক্তি তাদাত্ম্যৰ মূল চাবি-কাঠি। কিন্তু ডেকার্টৰ দৰে তেওঁ এইটো কোৱা নাই যে ব্যক্তি তাদাত্ম্য আমাৰ মাজত নিহিত থকা অপৰিৱর্তনশীল চিন্তাশীল দ্রব্য বা আত্মাৰ ওপৰত নির্ভৰশীল। ল'কৰ মতে আমাৰ জীৱনধাৰাত আমাৰ আত্মা নতুন আত্মাৰ দ্বাৰা সলনি হ'ব পাৰে যেনেদৰে গছৰ ক্ষেত্রত নতুন কোষৰ গঠনে পুৰণা কোষ সলনি কৰে। গছজোপা একেই থাকে কাৰণ গছজোপাৰ শাৰীৰিক গঠন পৰিৱর্তন হ'লেও একে জীৱ গছজোপাৰ মাজত নিহিত থাকে।
- দৈহিক মানদণ্ড অনুসৰি আত্ম তাদাত্ম্যক দৈহিক তাদাত্ম্যৰ সহায়ত সংজ্ঞা দিব পাৰি। 'Spiritualism' নামৰ প্রবন্ধত এফ এইচ ব্রেডলিয়ে যুক্তি দর্শাইছে যে দৈহিক তাদাত্ম্য, আত্ম তাদাত্ম্যৰ বাবে প্রয়োজনীয়। আত্মাৰ চিনাক্তকৰণৰ বাবে দেহৰ প্রয়োজনীয়তাৰ বিষয়ে বি এ অ' উইলিয়ামেও তেওঁৰ 'Personal Identity and Individualism' ত উল্লেখ কৰিছে। ব্রেডলিৰ দৰে উইলিয়ামেও যুক্তি দর্শাইছে যে ব্যক্তি তাদাত্ম্যৰ বাবে দৈহিক তাদাত্ম্য প্রয়োজনীয় চর্ত।
- এ জে আয়াৰে (A.J.Ayer) কৈছে যে ব্যক্তি তাদাত্ম্যক দৈহিক তাদাত্ম্যৰ সহায়ত সংজ্ঞা দিব নোৱাৰি। যদিও আত্মাৰ তাদাত্ম্য বা পৰিচয় দেহৰ তাদাত্ম্যৰ ওপৰত নির্ভৰ কৰে তথাপিও আত্মা বা ব্যক্তি আৰু দেহ একে নহয়। দেহ আমাৰ চিনাক্তকৰণৰ মাধ্যম, কিন্তু ই ব্যক্তি তাদাত্ম্যৰ সৈতে একে বুলিব নোৱাৰি।
- স্মৃতিয়েই ব্যক্তি তাদাত্ম্যৰ একমাত্র মানদণ্ড বোলা ল'কৰ মতৰ লগত চক্রাকাৰ যুক্তি জড়িত হৈ আছে। পোন প্রথমবাৰৰ বাবে বাটলাৰে ইয়াক আঙুলিয়াই দেখুৱাইছে। তেওঁ ব্যক্তি তাদাত্ম্যৰ সচেতনতাই, ব্যক্তি তাদাত্ম্যক আগতীয়াকৈ ধাৰণ কৰাৰ ওপৰত

ভিত্তি কৰি, ল'কৰ স্মৃতিয়েই ব্যক্তি তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড মতটো খণ্ডন কৰিছে। এইটো চক্ৰাকাৰ দোষ বা আপত্তি।

- ব্যক্তিৰ ধাৰণাৰ বাবে শৰীৰ বা দেহ আৰু স্মৃতি দুয়োটাই অপৰিহাৰ্য উপাদান। স্মৃতিকে তাদাত্ম্যৰ একমাত্ৰ মানদণ্ড বুলি ধৰিলে অসংগত হ'ব। আকৌ শাৰীৰিক মানদণ্ড স্মৃতি মানদণ্ডতকৈ বেছি ভাল বুলি কোৱাটোও অসংগত বা অযুক্তিকৰ হ'ব। এইক্ষেত্ৰত শ্বোমেকাৰৰ মত উল্লেখযোগ্য— যেনেদৰে স্মৃতি মানদণ্ড দৈহিক মানদণ্ডৰ ওপৰত নিৰ্ভৰশীল তেনেদৰে দৈহিক মানদণ্ডও স্মৃতি মানদণ্ডৰ ওপৰত নিৰ্ভৰশীল।'
- অস্তিত্ববাদে মন্তব্য কৰে যে ব্যক্তি তাদাত্ম্য ব্যক্তিৰ ইচ্ছাৰ বা পছন্দৰ (Choice) ওপৰত নিৰ্ভৰশীল। অস্তিত্ববাদৰ এজন মূল পৃষ্ঠপোষকে কয় যে ব্যক্তি বা আত্মতাদাত্ম্যৰ এজন ব্যক্তি নাইবা সকলো মানুহৰ বাবে কোনো নিৰ্দিষ্ট মানদণ্ড নাই। তেওঁ কৈছে যে ব্যক্তি তাদাত্ম্য বিচাৰৰ বাবে আমি মানুহৰ ভৱিষ্যৎ সম্পৰ্কে পৰিকল্পনা, উচ্চাকাংক্ষা, অভিপ্ৰায়, আশা আৰু কল্পনাক বিবেচনা কৰিব লাগিব।
- কু-বিশ্বাসে বৰ্তমানৰ স্থিতিৰ তুলনাত অতীতৰ আঁচনিৰ ক্ষেত্ৰত মানুহ নিজস্ব পৰিচয় অগ্ৰাহ্য কৰে।



১০.৮ অধিক জানিবলৈ

1. Soloman, C. Robert (2008) *Introducing Philosophy,* New York, Oxford University Press.
2. Roberts, Francis (2003) *The Philosophy Workbook.* Edinburgh, Edinburgh University Press.
3. Hospers, John (1971) *An Introduction to Philosophical Analysis.* New Delhi : Allied Publishers Private Limited.
4. Goswami, Sauravpran. *The Strawsonian Concept of Person.* Anwesha Book House.



১০.৯ অগ্ৰগতি খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ দৈহিক বা শাৰীৰিক আৰু স্মৃতি মানদণ্ড।

২নং প্ৰশ্নৰ উত্তৰ ঃ বার্নার্ড উইলিয়ামচ (Bernard Williams) টেৰেঞ্চ পেলেনহুমাণ্ড

(Terence Penelhumand)

৩নং প্রশ্নৰ উত্তৰ ঃ এই মত অনুসৰি পদার্থই একমাত্র অস্তিত্বশীল আৰু মন আৰু পদার্থক পদার্থৰ পৰিৱর্তনৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ মন সম্পর্কীয় দর্শন আৰু মার্ক্সীয় দর্শন।

৬নং প্রশ্নৰ উত্তৰ ঃ জড়বাদৰ কঠোৰতম মত অনুসৰি, মনক সম্পূর্ণৰূপে মগজুৰ দ্বাৰা পৰিচালিত দৈহিক ক্রিয়াই নিয়ন্ত্রণ কৰে।

৭নং প্রশ্নৰ উত্তৰ ঃ ল'ক, ডেকার্ট

৮নং প্রশ্নৰ উত্তৰ ঃ ল'কে কৈছে যে আমি সচেতনতাৰ দ্বাৰা আমাক চিনাক্ত কৰিব পাৰো। আত্মা বা ব্যক্তিৰ বিভিন্ন সংবেদন, প্রত্যক্ষ, চিন্তা, অভিপ্রায় আদিক সচেতনতাইহে নির্দেশ দিয়ে আৰু সেইটোৱেই বিভিন্ন সময়ত আত্মা বা ব্যক্তি যে একেই তাকো বিবেচনা কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ ল'কৰ ব্যক্তি তাদাত্ম্যৰ ক্ষেত্রত স্মৃতি মানদণ্ডৰ বিৰুদ্ধে বাটলাৰে চক্রাকাৰ আপত্তি বা দোষ উত্থাপন কৰিছে। তেওঁ কৈছে যে স্মৃতিয়েই আত্মাৰ পুনৰ চিনাক্তকৰণৰ বাবে একমাত্র মানদণ্ড। সচেতনতাই আত্ম তাদাত্ম্যক আগতীয়াকৈ ধাৰণ কৰাৰ ওপৰত ভিত্তি কৰি বাটলাৰে এই মত পোষণ কৰিছে ।

১০নং প্রশ্নৰ উত্তৰ ঃ ডেকার্টৰ দৰে জন ল'কেও কৈছে যে আত্মসচেতনতা আত্মতাদাত্ম্যৰ চাবি-কাঠি। ল'কৰ দৰে তেওঁ এইটো কোৱা নাই যে আত্মতাদাত্ম্য কোনো চিন্তাশীল দ্রব্য বা আত্মাৰ ওপৰত নির্ভৰ কৰে। এইক্ষেত্রত ল'কে কৈছে যে আমাৰ জীৱনধাৰাত আত্মাক নতুন আত্মাৰ জৰিয়তে সলনি কৰিব পাৰি। যেনেদৰে গছৰ বৃদ্ধিৰ ক্ষেত্রত নতুন কোষৰ গঠনে পুৰণা কোষক সলনি কৰে। গতিকে আত্মা আৰু সচেতনতাৰ পার্থক্যৰ ক্ষেত্রত ল'ক ডেকার্টতকৈ পৃথক। আমাৰ সচেতনতাকে আমি আত্মা বুলি কওঁ।

১১নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

১২নং প্রশ্নৰ উত্তৰ ঃ ল'কৰ মতবাদটো আসোৱাহমুক্ত নহয়। যদিও আমি আমাৰ অতীত অভিজ্ঞতাক মনত পেলাব পাৰো, তথাপিও তাত আমাৰ নিজস্ব অভিজ্ঞতাক পাহৰাৰ সম্ভাৱনা থাকি যায়। গতিকে প্রশ্ন উঠে আমি আমাৰ জীৱনত ঘটা সকলো ঘটনা মনত পেলাব পাৰোনে?

মানুহৰ বাবে জীৱনত ঘটা সকলো ঘটনা মনত ৰখাটো সম্ভৱ নহয়। আনকি যি ব্যক্তিৰ খুউব ভাল স্মৃতি আছে তেনে ব্যক্তিয়েও জন্মৰ সময়, কেতিয়া খোজ কাঢ়িছিল বা ২০০১ জুনত ৰাতিপুৱাৰ জলপান কি খাইছিল আদি মনত পেলাব নোৱাৰে। সেয়ে স্মৃতি মানদণ্ডক ব্যক্তি তাদাত্ম্যৰ সন্তোষজনক মানদণ্ড বুলিব নোৱাৰি।

১৩নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

১৪নং প্রশ্নৰ উত্তৰ ঃ কু-বিশ্বাসে অতীতত ঘটা ঘটনাক অস্বীকাৰ কৰি ব্যক্তিৰ নিজস্ব পৰিচয় অগ্রাহ্য কৰে। ছার্ত্রেই কয়— 'ব্যক্তি এজন যি জন তেওঁ হয় তেওঁ নহয় আৰু তেওঁ নহয় যিজন তেওঁ হয়'। ছার্ত্রেই সমকামীৰ উদাহৰণৰ দ্বাৰা কু-বিশ্বাসৰ ধাৰণা ব্যাখ্যা কৰিছে। এজন ব্যক্তিৰ সমকামিতা তেওঁৰ অতীত কর্ম আৰু আকাংক্ষাৰ পর্যায়লৈহে সমকামী। তেওঁৰ যিবোৰ অতীত কর্মই তেওঁক সমকামী হিচাপে আত্ম তাদাত্ম্যক নির্দেশ দিয়ে, সেইবোৰ অস্বীকাৰ কৰি তেওঁ কু-বিশ্বাসত পৰে।

১৫নং প্রশ্নৰ উত্তৰ ঃ ছার্ত্রেই মত পোষণ কৰে যে এজন ব্যক্তি বা সকলো মানুহৰ কাৰণে আত্ম তাদাত্ম্যৰ কোনো নির্দিষ্ট মানদণ্ড নাই। ছার্ত্রে কয় যে তাদাত্ম্যক আমি কেৱল তথ্য বা ঘটনাৰ পৰাই নিঃসৃত কৰিব পাৰো। তেওঁ মার্টিন হিদেগাৰৰ পৰা এই মত গ্রহণ কৰিছে। ব্যক্তিৰ তাদাত্ম্য বিবেচনা কৰিবৰ বাবে, আমি তথ্যৰ বাদেও ব্যক্তিজনৰ ভৱিষ্যৎ পৰিকল্পনা, তেওঁ আকাংক্ষা, পৰিকল্পনা, অভিপ্রায়, আশা আৰু কল্পনাৰ ওপৰতো নির্ভৰ কৰিব লাগিব।



১০.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন নং ১ঃ ব্যক্তি তাদাত্ম্যৰ মানদণ্ড কি?

প্রশ্ন নং ২ঃ কোনে দৈহিক তাদাত্ম্য সমর্থন কৰিছে?

প্রশ্ন নং ৩ঃ দৈহিক মানদণ্ড বুলিলে কি বুজা যায়?

প্রশ্ন নং ৪ঃ স্মৃতি মানদণ্ডক সমর্থন কৰা তিনিজন দার্শনিকৰ নাম লিখক।

প্রশ্ন নং ৫ঃ স্মৃতি মানদণ্ড কি?

প্রশ্ন নং ৬ঃ কু-বিশ্বাস কি?

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ঃ স্মৃতি মানদণ্ডৰ বিষয়ে চমু মন্তব্য দিয়ক।

প্রশ্ন নং ২ঃ দৈহিক মানদণ্ড কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৩ঃ ছার্ত্রেৰ 'কু-বিশ্বাস' ধাৰণাটো চমুকৈ লিখক।

প্রশ্ন নং ৪ঃ ল'কৰ ব্যক্তি তাদাত্ম্যৰ বিষয়ে চমু মন্তব্য দিয়ক।

(গ) চমুটোকা লিখক (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ঃ ডেকার্টৰ স্মৃতি মানদণ্ড সম্পর্কীয় মত

প্রশ্ন নং ২ঃ দৈহিক মানদণ্ড

প্রশ্ন নং ৩ঃ কু-বিশ্বাস

প্রশ্ন নং ৪ঃ ব্যক্তি তাদাত্ম্য সম্পর্কীয় ছার্ত্রেৰ মত

প্রশ্ন নং ৫ঃ ব্যক্তি তাদাত্ম্য সম্পর্কীয় ল'কৰ মত

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ঃ স্মৃতি মানদণ্ড কি? আলোচনা কৰক।

প্রশ্ন নং ২ঃ দৈহিক তাদাত্ম্য ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ঃ স্মৃতি মানদণ্ডৰ কিবা আসোৱাহ আছেনে? ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ঃ স্মৃতি মানদণ্ডতকৈ দৈহিক মানদণ্ডক বেছি সন্তোষজনক বুলি ভাবিব পাৰিনে? ব্যাখ্যা কৰক।

প্রশ্ন নং ৫ঃ স্মৃতি মানদণ্ডৰ কিবা আসোৱাহ আছেনে? আলোচনা কৰক।

****

অধ্যায় ১১ ঃ ষ্ট্ৰ'চনৰ ব্যক্তিৰ ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ব্যক্তিৰ ধাৰণা কি?
১১.৪ কর্তৃত্ববিহীন মতবাদ (No-ownership theory) সম্বন্ধে ষ্ট্ৰছনৰ অভিমত
১১.৫ ডেকার্টপন্থী মতবাদ (Cartesianism) সম্বন্ধে ষ্ট্ৰছনৰ অভিমত
১১.৬ P আৰু M বিধেয় সম্বন্ধে ষ্ট্ৰছনৰ অভিমত
১১.৬.১ P- বিধেয় সম্বন্ধে ষ্ট্ৰছনৰ ধাৰণা
১১.৬.২ ষ্ট্ৰছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নার্ড উইলিয়ামচৰ অভিমত
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ষ্ট্ৰছনৰ ব্যক্তিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা জানিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদ বর্ণনা কৰিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদৰ আসোঁৱাহ আলোচনা কৰিব পাৰিব,
- P- বিধেয়ৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- P- আৰু M- বিধেয়ৰ মাজত পার্থক্য দেখুৱাব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত ষ্ট্ৰ'ছনৰ (Strawson) ব্যক্তিৰ ধাৰণা সম্বন্ধে পৰিচয় আগবঢ়োৱা হৈছে। ষ্ট্ৰছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ বিখ্যাত গ্ৰন্থ 'Individuals' ৰ তৃতীয় অধ্যায় 'Essays in Descriptive Metaphysics'-ত সন্নিৱিষ্ট কৰা হৈছে। তেওঁ ইয়াত জগত সম্বন্ধে আমাৰ চিন্তাৰ যথার্থ প্রকৃতি আৰু গঠন বর্ণনা কৰিছে। কিন্তু পুনৰীক্ষণ অধিবিদ্যাৰ (Revisionary Metaphysics) দৰে এক উন্নত পর্যায়ৰ গঠন আগবঢ়াবলৈ চেষ্টা কৰা নাই। এই অধ্যায়ত

সন্নিৱিষ্ট কৰা মৌলিক ধাৰণাসমূহ হ'ল -

- ষ্ট্ৰছনৰ মতে ব্যক্তি কি?
- ডেকার্টৰ দ্বৈতবাদৰ সম্পর্কে ষ্ট্ৰচনৰ বিশ্লেষণ।
- ষ্ট্ৰছনৰ P আৰু M বিধেয়ৰ মাজৰ পার্থক্য।
- ষ্ট্ৰছনৰ P- বিধেয়ৰ ধাৰণাৰ বিষয়ে বার্নাড উইলিয়ামচৰ অভিমত।

১১.৩ ব্যক্তিৰ ধাৰণা কি?

সাধাৰণতে 'ব্যক্তি' শব্দটো 'মানুহ' শব্দৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু ষ্ট্ৰছনৰ দৃষ্টিভংগীত 'ব্যক্তি' শব্দটো এক বিশেষ অর্থত ব্যৱহাৰ কৰা হৈছে যদিও ই সাধাৰণ অর্থৰ পৰা পৃথক নহয়।

ষ্ট্ৰছনে প্রথমে ব্যক্তি (Persons) আৰু অব্যক্তি (Non-person) ৰ মাজত পার্থক্য নিৰূপণ কৰিবলৈ প্রয়াস কৰিছে। তেওঁ ব্যক্তি আৰু তেওঁলোকৰ অৱস্থাতিক বুজাবলৈ 'আমি নিজে আৰু আমাৰ নিজৰ অৱস্থিতি' (Ourselves and states of ourselves)- এই অভিব্যক্তিটো ব্যৱহাৰ কৰিছে। আনহাতে, 'যিটো আমাৰ নিজৰ নহয় অথবা নিজৰ অৱস্থিতি নহয়' (What is not ourselves or states of ourselves)- এই অভিব্যক্তিটো অব্যক্তি আৰু তেওঁলোকৰ অৱস্থিতিক বুজাবলৈ ব্যৱহাৰ কৰিছে। সাধাৰণতে আমি যেতিয়া নিজৰ কথা কওঁ তেতিয়া আমাৰ নিজৰ ক্ষেত্রত বহুতো বস্তু আৰোপ কৰোঁ। যেনে- ক্রিয়া আৰু অভিপ্রায় (মই ভাবো, মোৰ ভোক লাগিছে), প্রত্যক্ষ আৰু স্মৃতি (মই এইটো দেখো, মনত ৰাখো) ইত্যাদি। আকৌ, আমি কিছুমান আকস্মিক ক্রিয়া যেনে- সংবেদন, প্রত্যক্ষ আৰু অনুভৱৰ মাধ্যমেৰে কেৱল আমাৰ নিজৰ কথাকে নকওঁ, আনকি, উচ্চতা, ওজন, বৰণ, আকাৰ, আকৃতি আদি তুলনামূলকভাৱে স্থায়ী বৈশিষ্ট্যৰ মাধ্যমেৰেও আমি আমাৰ নিজৰ কথা কওঁ। যেনে- মই পাঁচফুট ওখ, মোৰ ওজন ৫০ কিলোগ্রাম, মই বগা আদি।

ষ্ট্ৰ'ছনে উল্লেখ কৰিছে যে আমাৰ নিজৰ বিষয়ে কোৱাৰ এই ধৰণ দুটাৰ মাজত পার্থক্য আছে। উচ্চতা, ওজন, বৰণ, আকাৰ আৰু আকৃতিৰ মাধ্যমত আমাৰ নিজৰ বিষয়ে উল্লেখ কৰাৰ দ্বিতীয় বিধ প্রকাৰত আমি জড় বস্তুৰ কথা উল্লেখ কৰাৰ দৰে হয় (খৰিডাল পাঁচফুট ওখ, ইয়াৰ ওজন ৫০ কিলো, ইয়াৰ বৰণ মুগা)। কিন্তু ক্রিয়া আৰু অভিপ্রায়, সংবেদনশীলতা, চিন্তা আৰু অনুভৱ আদিৰ মাধ্যমত নিজৰ বিষয়ে উল্লেখ কৰাৰ প্রথমবিধ প্রকাৰ জড় বস্তুৰ ক্ষেত্রত প্রযোজ্য নহয়। এই চেতনাযুক্ত অৱস্থাসমূহ কেৱল আমাৰ মাজতহে প্রযোজ্য। ষ্টছনে এই ক্ষেত্রত কৈছে যে যেতিয়া আমি নিজকে পাঁচফুট ওখ আৰু সুখী বা খঙাল বুলি কওঁ তেতিয়া আমি একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰোঁ। এইদৰে ষ্টছনে একে সময়তে একে অর্থত দৈহিক অৱস্থা আৰু চেতন অৱস্থা উভয়কে স্বীকাৰ কৰিছে। আন কথাত ক'বলৈ হ'লে আমি ক'ব পাৰো যে ষ্ট্ৰছনে শৰীৰ আৰু

মনৰ মাজৰ দ্বৈতবাদ স্বীকাৰ নকৰে, যিহেতু একেজন ব্যক্তিকে তেওঁৰ চিন্তা আৰু অনুভৱ অথবা তেওঁৰ উচ্চতা আৰু ওজন উভয় অৱস্থাৰ মাজেৰেই উল্লেখ কৰিব পৰা যায়।

ষ্ট্রছনৰ মূল ধাৰণাটো হ'ল একে সময়তে একেটা বস্তুত অর্থাৎ ব্যক্তিৰ ক্ষেত্রত দৈহিক গুণ আৰু চেতন অৱস্থা- উভয়কে আৰোপ কৰিব পাৰি। তেওঁৰ এই মূল ধাৰণাটো দুটা সম্ভাব্য প্রতিক্রিয়া (reaction) ষ্ট্রছনে আলোচনা কৰিছে। এই অভিযোগ বা প্রতিক্রিয়া কেইটাই উল্লেখ কৰিছে যে একেটা বস্তুতে যে আমি উভয় অৱস্থাকে আৰোপ কৰো, সেয়া হ'ল এক ভাষিক ভ্রম (Linguistic illusion)। ষ্ট্রছনে আলোচনা কৰা প্রথম অভিযোগটো ডেকার্টপন্থীসকলৰ পৰা আহিছে। তেওঁলোকৰ মতে, প্রকৃতার্থত এজন ব্যক্তি হ'ল দুটা স্বতন্ত্র পদার্থ বা বস্তুৰ সমাহাৰ। ইয়াৰ প্রত্যেকৰে নিজা গুণ আৰু বৈশিষ্ট্য আছে। এই পদার্থ বা বস্তুৰ কোনো গুণ বা বৈশিষ্ট্যই আনটোৰ গাত থাকিব নোৱাৰে। সেয়েহে একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰি বুলি কোৱা ষ্ট্রছনৰ অভিমতৰ বিৰুদ্ধে ডেকার্ট পন্থীসকলে অভিযোগ কৰিছে। তেওঁলোকে কৈছে যে চেতন অৱস্থা এটা দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয় আনহাতে, দৈহিক গুণ বা অৱস্থা আনটো দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয়।

১১.৪ কর্তৃত্ববিহীন মতবাদ সম্বন্ধে ষ্ট্রচনৰ অভিমত

ষ্ট্রছনে কৈছে যে তেওঁৰ ধাৰণাৰ বিৰুদ্ধে দ্বিতীয় অভিযোগটো উইট্‌গেনষ্টাইন (Wittgenstein) আৰু শ্লিক (Mortiz Schlick)ৰ ফালৰ পৰা আহিছে। এই অভিযোগ অনুসৰি, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব নোৱাৰি। এই অভিমতটোকে ষ্ট্রছনে নিজৰ কর্তৃত্ববিহীন (No-ownership) অথবা 'উদ্দেশ্যহীন' (No-subject) মতবাদ বুলি কৈছে। এই কর্তৃত্ববিহীনতাৰ মতবাদ বিশ্লেষণ কৰিবলৈ যাওঁতে ষ্ট্রছনে উইট্‌গেনষ্টাইনে আগবঢ়োৱা এক দৃষ্টান্তৰ সহায় লৈছে। উইট্‌গেনষ্টাইনে দুটা বাক্যত ব্যৱহৃত হোৱা 'মই'ৰ ব্যৱহাৰ উল্লেখ কৰিছে। যেনে- 'মোৰ দাঁত বিষাইছে' (I have a toothache) আৰু মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth), এই বাক্য দুটা যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্রকৃতিগতভাৱে সম্পূর্ণ পৃথক।

'মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth) বাক্যটোৱে বুজাইছে যে মোৰ মুখত এটা বেয়া দাঁত আছে। যেতিয়া মই কওঁ 'মোৰ এটা জুইশলা আছে (I have a match box) তেতিয়া মোৰ এটা জুইশলা বাকচ থকাৰ দৰে একে অর্থত মোৰ এটা বেয়া দাঁত থকা কথাটো বুজোৱা হৈছে। এই বাক্যটোৰ উল্লেখিত 'মই বা মোৰ' (I) যৌক্তিকভাৱে এজন পৃথক ব্যক্তি 'Skinner' ৰ সমার্থক। কাৰণ, Skinner ৰ এটা জুইশলা বাকচ থকা কথাটোতকৈ মোৰ এটা জুইশলা বাকচ থকা কথাটোৰ কোনো বিশেষ পার্থক্য নাই। ইয়াত 'I' আৰু 'Skinner'ক একে পর্যায়ত ৰাখি আমি কেৱল দৈহিক দিশটোৰ ওপৰতহে গুৰুত্ব প্রদান

কৰিছোঁ। এইদৰেই সেই বাক্যটোত 'I' আৰু 'Skinner' উভয়কে কেৱল জড় বস্তু হিচাপেহে জ্ঞান কৰা হৈছে। 'I' শব্দটোৰ এই ব্যৱহাৰ ‘থকা’ অর্থত লোৱা হৈছে। কিন্তু 'I' ৰ থকা অর্থতো 'I have a toothache' বাক্যটোৰ দ্বাৰা নির্দেশিত অর্থতকৈ পৃথক। দাঁতৰ বিষ হ’ল এক অভিজ্ঞতা, ই এক চেতন অৱস্থাক বুজায়। কিন্তু উইট্‌গেনষ্টাইনৰ মতে এনে অভিজ্ঞতা কোনো লোকৰে থাকিব নোৱাৰে। সেয়েহে অভিজ্ঞতা আহৰণ কৰাৰ বাবে ‘মই’ (ego)ৰ কোনো স্থান নাই।

ষ্ট্রˈছনে উইট্‌গেনষ্টাইনৰ দৃষ্টিভংগীৰে ‘থকা’ ক্রিয়াৰ (the verb to have) দুটা অর্থৰ মাজত পার্থক্য নিৰূপণ কৰিছে (having and having)। ‘থকা’ৰ প্রথম অর্থটোৱে এটা জুইশলা বাকচ অথবা এখন গাড়ীৰ নিচিনা যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব পৰা কথাটোক বুজাইছে। কিন্তু দাঁতৰ বিষৰ দৰে কিছুমান অভিজ্ঞতা সেই একে অর্থত লাভ কৰিব নোৱাৰি কাৰণ, ইয়াৰ কর্তৃত্ব সলনি কৰিব নোৱাৰি। ই ‘থকা’ৰ (having) দ্বিতীয় অর্থটোক বুজাইছে আৰু প্রকৃতার্থত ইয়াক থকা বুলি ক’ব নোৱাৰি। গতিকে, কোনো ব্যক্তিৰ দ্বাৰাই অভিজ্ঞতা আহৰণ কৰা নহয়, কেৱল যৌক্তিকভাৱে কোনো বিশেষ বস্তুৰ ওপৰত নির্ভৰ কৰা দৃষ্টিভংগীৰ ফালৰ পৰাহে ইয়াক মানি ল’ব পাৰি। কিন্তু ডেকার্টৰ দৃষ্টিভংগীত যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব নোৱাৰা অর্থত এজন ব্যক্তিয়ে অভিজ্ঞতা আহৰণৰ কর্তৃত্ব প্রদান কৰাৰ ক্ষেত্রত ‘মই’ক মিছা প্রতিপন্ন কৰা হৈছে। কিন্তু কর্তৃত্ববিহীন মতবাদৰ সমর্থকসকলে কয় যে যিহেতু সলনি কৰিব নোৱাৰা কর্তৃত্ব সম্ভৱ নহয়, গতিকে ‘মই’ (ego) বোলা ধাৰণাটো কল্পনা কৰি লোৱাৰ কোনো প্রয়োজন নাই আৰু সেয়ে ‘মই’ (ego)ক কর্তৃত্ব লাভ কৰাৰ ক্ষেত্রত অপসাৰণ বা বর্জন কৰাহে যুক্তিসংগত।

তথাপি কিন্তু ষ্ট্রˈছনে কর্তৃত্ববিহীন মতবাদটো আসোঁৱাহমুক্ত বুলি নাভাবে। তেওঁৰ মতে কর্তত্ববিহীন মতবাদে যৌক্তিকভাৱে সলনি কৰিব পৰা কর্তৃত্বৰ ওপৰতহে বিশ্বাস কৰে যাতে 'I have X (a match box)' উক্তিটো সম্ভাব্য হ’ব পাৰে, কাৰণ যিটো বস্তু বর্তমান মোৰ আছে সেই একেটা বস্তু অতীতত আন কাৰোবাৰো থাকিব পাৰে। তেওঁলোকেও বিশ্বাস কৰে যে আমাৰ অভিজ্ঞতাসমূহ আন কাৰোবাৰ থাকিব পাৰে এই অর্থতেই যে সেইবোৰ যৌক্তিকভাৱে কোনো এটা বিশেষ বস্তুৰ অৱস্থিতিৰ ওপৰত নির্ভৰশীল। গতিকে আমাৰ অভিজ্ঞতাসমূহ আহৰণ কৰা কথাটো নিশ্চিতভাৱে কর্তৃত্ব সলনি কৰিব পৰা অর্থতে গ্রহণ কৰিব লাগিব। ইয়াৰ দ্বাৰা বুজোৱা হৈছে 'I have a toothache' উক্তিটোও এটা সম্ভাব্য উক্তি। এই উক্তিটোৱে কর্তৃত্ববিহীন মতবাদৰ সমর্থক সকলৰ বাবে এনেধৰণৰ হ’ব ঃ " All my toothaches are bad by body B." ইয়াত ষ্ট্রˈছনে উল্লেখ কৰিছে যে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীক বিৰোধিতা নকৰাকৈ থকা অর্থত ‘মোৰ’ (my) শব্দটো বর্জন কৰিব নোৱাৰে। এটা বস্তুৰ বাবে ‘মোৰ’ 'All toothaches are causally dependent upon the states of body B." কাৰণ ই স্বাভাৱিকতেই এটা অসত্য উক্তি। আনহাতে যদি এজন ব্যক্তিয়ে

'মোৰ' (my) শব্দটো স্থানান্তৰ ঘটাই "Person's" অভিব্যক্তি ব্যৱহাৰ কৰে তেতিয়াও তেওঁ সম্বন্ধবাচক শব্দৰ (possessive word) পৰা হাত সাৰিব নোৱাৰে। কিন্তু যদি তেওঁ সেই শব্দটো "body B's" লৈ ৰূপান্তৰ কৰে তেন্তে উক্তিটো হ'ব "All body B's toothaches are causally dependent upon the states of body B."। স্বাভাৰিকতেই এই উক্তিটো তেতিয়া স্বতঃসত্য বা অনিবার্য্য সত্য হ'ব। কিন্তু তেওঁলোকে কৈছে যে সম্বন্ধ প্ৰকাশক সকলো উক্তি বা বাক্যই সম্ভাব্য, কাৰণ তেওঁলোকে কৰ্তৃত্ব সলনি কৰিব নোৱাৰা কোনো ধৰণৰ সম্বন্ধতে বিশ্বাস নকৰে। এইদৰে দেখা যায় যে কৰ্তৃত্ববিহীন মতবাদৰ সমৰ্থক সকল সংকটত (Dilemma) পৰিছে। তেওঁলোকে সম্বন্ধবাচক শব্দ 'my' বৰ্জন কৰিব নোৱাৰে আনহাতে যদি বৰ্জন কৰে তেন্তে তেওঁলোকৰ নিজৰ অৱস্থিতি ধৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ নিজৰ অৱস্থিতিটো হ'ল এয়ে যে- কৰ্তৃত্ব সদায় সলনি কৰিব পাৰি, যিহেতু সলনি কৰিব নোৱাৰা অৰ্থত 'মোৰ' (ego) দ্বাৰা অভিজ্ঞতা আহৰণ কৰা হয় বুলি কোৱা হয়, সেয়ে কোনো ব্যক্তিৰ দ্বাৰাই সেইবোৰ লাভ কৰা নহয়। অভিজ্ঞতা আহৰণ কৰা প্ৰসংগত 'মোৰ' শব্দটো অথবা আন যিকোনো সম্বন্ধবাচক শব্দ যেনে- তোমাৰ, তেওঁৰ, সিহঁতৰ, সেই লোকজনৰ আদি শব্দ বৰ্জন কৰিব নোৱাৰাৰ কাৰণ হ'ল দাঁতৰ বিষ, মূৰৰ বিষ, সুখ বা দুখ আদিৰ দৰে অভিজ্ঞতাবোৰ এজন ব্যক্তি বা লোকৰ প্ৰসংগ অবিহনে বুজিব নোৱাৰি। এইক্ষেত্ৰত ষ্ট্ৰছনে কৈছে- "কোনো লোকে ক'ব পাৰে, অৱস্থা বা অভিজ্ঞতাসমূহেই বিশেষ বস্তু ৰূপে ব্যক্তিজনৰ পৰিচয় বহন কৰে আৰু সেইটোৱেই হ'ল তেওঁৰ অৱস্থা বা অভিজ্ঞতাসমূহ।" (Individuals () 97)

কৰ্তৃত্ববিহীন মতবাদৰ এনেধৰণৰ বিসংগতি উল্লেখ কৰি ষ্ট্ৰছনে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে যে যৌক্তিকভাৱে কৰ্তৃত্বহীনতাৰ অৰ্থত এজন বিশেষ ব্যক্তিৰ দ্বাৰা অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবাৰ্যভাৱে আহৰণ কৰা হয়। কাৰণ, এয়া সম্ভৱ নহয় যে এজন ব্যক্তিৰ এক বিশেষ অৱস্থা বা অভিজ্ঞতা আন কাৰোবাৰো থাকিব লাগিব।

এই ক্ষেত্ৰত ষ্ট্ৰছনে আকৌ কৈছে যে এক অভিজ্ঞতা বা চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰোঁতে ইয়াৰ দুটা দিশ দেখিবলৈ পোৱা যায়। এটা হৈছে নিজৰ ক্ষেত্ৰত আৰু দ্বিতীয়টো হৈছে আনৰ ক্ষেত্ৰত। দাঁতৰ বিষৰ অভিজ্ঞতাটো মোৰ নিজৰ ক্ষেত্ৰত আৰোপ কৰিব পাৰি যেতিয়া মই কওঁ "I have a toothache" আনহাতে, ইয়াক আনৰ ক্ষেত্ৰতো আৰোপ কৰিব পাৰি যেতিয়া কোৱা যায় 'Mr. X has a toothache' ইয়াত গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে দুয়ো ধৰণৰ আৰোপ কৰাৰ ক্ষেত্ৰত ই একেটা অৱস্থাকে বুজাইছে। উভয় ক্ষেত্ৰতে দাঁতৰ বিষে একে অৰ্থকে বহন কৰিছে। অভিধানত দুই ধৰণৰ অৰ্থ দেখিবলৈ পোৱা নাযায়- এটা এক বিশেষ অৱস্থাৰ প্ৰথম পুৰুষ (First Person)ৰ বাবে আৰু আনটো দ্বিতীয় আৰু তৃতীয় পুৰুষৰ (Second and third person) এক বিশেষ অৱস্থাৰ বাবে।

আমি দেখিবলৈ পাওঁ যে অভিজ্ঞতা আৰু অৱস্থিতি আৰোপ কৰাৰ দ্বৈত পন্থা অৱলম্বন

কৰি ষ্ট্ৰ'ছনে কৰ্তৃত্ববিহীন মতবাদ আৰু ডেকার্টপন্থী মতবাদৰ দ্বাৰা উদ্ভূত আসোঁৱাহবোৰ আঁতৰ কৰিবলৈ প্ৰয়াস কৰিছে। লগতে আনৰ মনৰ সমস্যা (Problem of other minds) টোৱো সমাধান আগবঢ়াবলৈ চেষ্টা কৰা বুলি আমি ক'ব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ঃ নিম্নলিখিত উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(ক) ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ গ্ৰন্থ *'Individuals'*-ত পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

(খ) ষ্ট্ৰ'ছনে কৈছে যে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আমি একেটা বস্তুতে আৰোপ কৰোঁ। (শুদ্ধ /অশুদ্ধ)

(গ) ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি দুটা স্বতন্ত্ৰ পদাৰ্থ বা বস্তুৰ সমাহাৰ নহয়। (শুদ্ধ /অশুদ্ধ)

(ঘ) দ্বিতীয় প্ৰতিক্ৰিয়া মতে, আমাৰ চেতনাৰ অৱস্থাসমূহ যিকোনো ব্যক্তিৰ ক্ষেত্ৰতেই আৰোপ কৰিব নোৱাৰি। (শুদ্ধ /অশুদ্ধ)

(ঙ) ষ্ট্ৰ'ছনে কৈছে যে কৰ্তৃত্ববিহীন মতবাদ আসোঁৱাহমুক্ত। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং২ঃ ষ্ট্ৰ'ছনৰ মতে ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং৩ঃ ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং৪ঃ কৰ্তৃত্ববিহীন মতবাদ কি? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা চৰ্চা কৰক ঃ ১১.১

- কৰ্তৃত্ববিহীন মতবাদৰ কিবা আসোঁৱাহ আছেনে? আলোচনা কৰক।

উত্তৰঃ .....

.....

১১.৫ ডেকার্টপন্থী মতবাদৰ ওপৰত ষ্ট্রছনৰ অভিমত

ডেকার্টে দুবিধ দ্রব্যৰ কথা উল্লেখ কৰিছে - সেয়া হৈছে - মন আৰু শৰীৰ। ইহঁতৰ প্রত্যেকেই আনটোৰ পৰা স্বভাৱগতভাৱে পৃথক। মন হ'ল বিস্তৃতিহীন আৰু শৰীৰ হ'ল বিস্তৃতিযুক্ত। সেয়েহে তেওঁ কৈছে যে দৈর্ঘ, প্রস্থ, উচ্চতা, ওজন আদি যিকোনো দৈহিক গুণ মনৰ থাকিব নোৱাৰে। আকৌ চিন্তা, অনুভৱ, ইচ্ছা আদি যিকোনো চেতন অৱস্থাও শৰীৰৰ থাকিব নোৱাৰে। গতিকে, তেওঁৰ মতে একেটা বস্তুতে সেই দুয়ো ধৰণৰ গুণ আৰোপ কৰাটো মুঠেই সম্ভৱ নহয়। আমি ক'ব পাৰো যে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাই 'মই' (ego)ত আৰোপ কৰা হয়। এই 'মই' (ego)য়েই হ'ল আমাৰ অভিজ্ঞতাসমূহৰ গৰাকী।

কিন্তু আমাৰ অভিজ্ঞতা আহৰণ কৰাৰ ক্ষেত্রত ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটোৰ এটা অতি গুৰুত্বপূর্ণ অসুবিধা বুলি ষ্ট্রছনে আঙুলিয়াই দিছে। অসুবিধাটো এয়ে যে কোনো বস্তুৰ ক্ষেত্রত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য (identifiable) আৰু পৃথক অস্তিত্বযুক্ত (individualizable) হ'বই লাগিব। কিন্তু সমস্যাটো হ'ল এয়ে যে দৈহিক গুণ অবিহনে এটা মন (ego)ৰ চিনাক্তকৰণ কৰা সম্ভৱ নহয় আৰু তাৰ পৃথক অস্তিত্বও পাব নোৱাৰি; অর্থাৎ আমি মন (ego) বুলি কোনো বস্তুকে নির্দেশ কৰিব নোৱাৰোঁ। কাৰণ, আকাৰ, আকৃতি, ৰং বা অন্য দৈহিক গুণ অবিহনে কোনো বস্তুকে 'এইটো' (it) বুলি নির্দেশ কৰিব পৰা নাযায়। 'এইটো' মানে এটা বস্তুক বুজায় যি অন্য বস্তুবোৰৰ পৰা পৃথক। এই পৃথকত্বৰ মূল ভিত্তিটোৱে হ'ল ৰং, আকাৰ, আকৃতি আদিৰ দৰে দৈহিক গুণবোৰ। এটা বস্তু পৃথক বুলিলে ইয়াকে বুজা যায় যে ইয়াৰ বিশেষ অস্তিত্ব আৰু পৰিচয় আছে। কিন্তু আমাৰ মনক (ego) দৈহিক গুণ অবিহনে সেইদৰে চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

ষ্ট্রঁছনে ডেকার্টপন্থী মতবাদৰ এক আসোঁৱাহ (defence) আলোচনা কৰিছে। আমাৰ চেতনাৰ ভিত্তি অথবা মনটোক বিশেষ শৰীৰৰ প্রসংগত পৰোক্ষভাৱে একে বুলি ভাবিব পাৰি, যাৰ লগত আমাৰ মনটোৰ এক বিশেষ সম্পর্ক থাকে। কিন্তু এনে ধৰণৰ সমাধান মূল্যহীন কাৰণ, তেতিয়া আমাৰ শৰীৰতকৈ মনটোৰ (ego) ওপৰত অভিজ্ঞতাসমূহ আৰোপ কৰাৰ কোনো ভিত্তি নাথাকিব। তাৰোপৰি একেটা শৰীৰৰ লগত জড়িত এটাতকৈ অধিক মনৰ সম্ভাৱনা আমি নুই কৰিব নোৱাৰো। তেওঁ কৈছে "শৰীৰৰ স্বকীয়তাই ডেকার্টৰ আত্মাৰ স্বকীয়তা সম্বন্ধে নিশ্চয়তা প্রদান কৰিব নোৱাৰে।" (*Individuals,* 101)

এই সমস্যাটোৰ পৰা পৰিত্রাণ পোৱাৰ উপায় হিচাপে ষ্ট্রছনে ব্যক্তিৰ ধাৰণাটোৰ মৌলিকত্ব স্বীকাৰ কৰিছে। তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণা বুলিলে মই অস্তিত্ব (entity) সম্বন্ধীয় এক প্রকাৰ (type)ৰ ধাৰণাক বুজো য'ত চেতন অৱস্থাসমূহ আৰু দৈহিক গুণ, দৈহিক অৱস্থিতি আদি উভয় প্রকাৰৰ বিধেয়ই সেই ধৰণৰ এজন নির্দিষ্ট ব্যক্তিৰ ক্ষেত্রত সমানে

প্ৰযোজ্য। (*Individuals,* (p) 101-102)

ষ্ট্ৰ'ছনে যে ব্যক্তিৰ ধাৰণাটোক এক মৌলিক ধাৰণা বুলি কৈছে তাক ভাবিবলৈ বাধ্য- এহাতে অভিজ্ঞতাৰ এক বিষয় আৰু আনহাতে, দৈহিক গুণসমূহৰ এক বিষয়।" কিন্তু ষ্ট্ৰছনে এই দ্বৈততা প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত বহুতো অসুবিধা আঙুলিয়াই দিছে। সকলোবোৰ অসুবিধা বিবেচনা কৰি তেওঁ শেষত কৈছে যে ব্যক্তিৰ ধাৰণাটো হ'ল এক ব্যক্তিগত চেতনাতকৈ যৌক্তিকভাৱে পূৰ্ববৰ্তী ধাৰণা।

তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণাটোক এক জীৱ দেহ অথবা এক উদ্ভাসিত জীৱ বুলি বিশ্লেষণ কৰিব নোৱাৰি" (individual)103। তথাপি কিন্তু তেওঁ গৌণ বস্তুৰূপে এটা মনৰ (ego) অস্তিত্বৰ সম্ভাৱনীয়তা নুই কৰা নাই। " এজন ব্যক্তি এক উদ্ভাসিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত ব্যক্তি হ'ব পাৰে যেতিয়া ই এজন ব্যক্তিৰ পৰা যৌক্তিক ভাৱে ব্যক্তিত্বসূচক গুণ লাভ কৰে। (p) 103)

১১.৬ P - আৰু M- বিধেয়ৰ মাজত ষ্ট্ৰ'ছনৰ পাৰ্থক্য

ষ্ট্ৰ'ছনে উল্লেখ কৰিছে যে এজন লোকে চেতন অৱস্থাসমূহ নিজৰ ক্ষেত্ৰত আৰোপ কৰিব পাৰে কেৱল তেতিয়াহে যেতিয়া তেওঁ সেইবোৰ আনৰ গাত আৰোপ কৰে বা আৰোপ কৰিবলৈ প্ৰস্তুত থাকে। নিজৰ লগতে আন সকলোবোৰেই হ'ল এক অস্তিত্বৰ প্ৰকাৰ যিয়ে একে সময়তে চেতন অৱস্থা আৰু দৈহিক গুণ উভয়কে প্ৰকাশ কৰিবই। ইয়াত ষ্ট্ৰ'ছনে ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য দুই ধৰণৰ বিধেয়ৰ মাজত পাৰ্থক্য নিৰূপণ কৰিছে। প্ৰথমবিধ বিধেয়ক জড় বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি কিন্তু এই জড় বস্তুৰ ক্ষেত্ৰত চেতন অৱস্থা কেতিয়াও প্ৰয়োগ কৰিব নোৱাৰি। এই প্ৰথমবিধ বিধেয়ক তেওঁ M - বিধেয় বুলি কৈছে। ইয়াৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'বহা কোঠাত আছে' আদি। ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য আন সকলো বিধেয়ই দ্বিতীয়বিধ বিধেয়ৰ অন্তৰ্ভূক্ত। ইয়াৰ উদাহৰণ হ'ব- 'হাঁহি আছে', 'খোজ কাঢ়ি আছে', 'বিষাইছে', 'খুব চিন্তা কৰি আছে' আদি।

ষ্ট্ৰ'ছনে স্পষ্টভাবে কৈছে যে এই দুয়ো ধৰণৰ বিধেয়কে একেটা বস্তু অৰ্থাৎ ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰা হয়। ব্যক্তিৰ ধাৰণাটো এক মৌলিক ধাৰণা এই অৰ্থতেই যে ইয়াক মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়, কাৰণ এজন ব্যক্তি এটা মন আৰু এটা শৰীৰৰ সমষ্টি নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো 'প্ৰকাৰৰ সন্দিগ্ধতা' (type ambiguity) নাই। অৰ্থাৎ 'I' আৰু 'Smith' দুটা বেলেগ প্ৰকাৰৰ ব্যক্তি নহয়। কিছুমান বিধেয় যেনে- 'বহা কোঠাত আছে', 'শিলেৰে আঘাত কৰা হৈছে' আদিৰ ক্ষেত্ৰত এনে ধৰণৰ 'প্ৰকাৰৰ সন্দিগ্ধতা' দেখা যায়, কাৰণ এনে ধৰণৰ বিধেয়সমূহ যেতিয়া ব্যক্তি আৰু জড় বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয় তেতিয়া সিহঁতে সম্পূৰ্ণ পৃথক অৰ্থ বহন কৰে।

১১.৭ P - বিধেয় সম্বন্ধীয় ষ্ট্ৰ'ছনৰ ধাৰণা

P- আৰু M - এই দুইধৰণৰ বিধেয়ৰ ভিতৰত M- বিধেয়ৰ ক্ষেত্ৰত কোনোধৰণৰ অসুবিধা দেখা নাযায়, ই হৈছে দৈহিক গুণ আৰোপ কৰা বিধেয়। কিন্তু P- বিধেয়ৰ দ্বাৰা ষ্ট্ৰছনে বুজোৱা কথাখিনিয়ে এক বিশেষ গুৰুত্ব বহন কৰে। সেয়েহে জড়বস্তুৰ ক্ষেত্ৰত কোনো ধৰণে প্ৰয়োগ কৰিব নোৱাৰা সকলো ধৰণৰ গুণকে তেওঁ P- বিধেয়ৰ দ্বাৰা বুজাইছে। আন কথাত ক'বলৈ হ'লে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্ৰতহে আৰোপ কৰা হয়। কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক' অথবা 'বিষাদ অৱস্থাত আছে' আদিৰ দৰে চেতন অৱস্থা যুক্ত বিধেয় নহয়, তথাপি কিন্তু তেনে বিধেয়সমূহ আৰোপ কৰাৰ ক্ষেত্ৰত সিহঁতে এক চেতন অৱস্থাযুক্ত হৈ থকাৰ কথাকে সূচায়। সেয়েহে 'খোজ কাঢ়ি আছে' এবিধ চেতনযুক্ত বিধেয় নহয় যিহেতু চেতনাৰ লগত প্ৰত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই, তথাপি কিন্তু ই এক প্ৰকাৰ P- বিধেয় কাৰণ ইয়াক স্পষ্টভাৱে ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হয়, আন কোনো বস্তুৰ ক্ষেত্ৰত নহয়।

এটা P- বিধেয় অন্য লোকৰ আচৰণ বা চৰিত্ৰৰ পৰ্যবেক্ষণৰ ভিত্তিত আনৰ ক্ষেত্ৰত আৰোপ কৰা হয়। কিন্তু অন্যলোকৰ ক্ষেত্ৰত দেখিবলৈ পোৱা এনে ধৰণৰ আচৰণেই কেৱল একমাত্ৰ ভিত্তি নহয় যাৰ বাবে চেতন অৱস্থাৰ উপস্থিতি অনুমান কৰিব পৰা যায়। ষ্ট্ৰ'ছনে স্পষ্টভাৱে উল্লেখ কৰিছে যে আনৰ গাত P - বিধেয় আৰোপ কৰাৰ ক্ষেত্ৰত আচৰণেই হ'ল যুক্তিপূৰ্ণ যথাৰ্থ ভিত্তি। নিজৰ অৱস্থাৰ পৰা আনৰ ক্ষেত্ৰত চেতন অৱস্থা প্ৰয়োগ কৰাৰ যি সাদৃশ্য ভিত্তিক যুক্তি (Argument from Analogy) সি মুঠেই যুক্তিসংগত নহয়, কাৰণ ষ্ট্ৰ'ছনে কৈছে যে এক দৈহিক শৰীৰ যুক্ত হৈ থাকিলেহে বস্তু এটা সহজে বোধগম্য হয়। গতিকে আনৰ গাত চেতন অৱস্থাৰ উপস্থিতি সম্বন্ধীয় সংশয়ৰ প্ৰশ্নই নুঠে। এজন লোকৰ আচৰণে তেওঁৰ গাত এক চেতন অৱস্থা আৰোপ কৰা কথাটো যৌক্তিকভাৱে সাব্যস্ত কৰে। কিন্তু নিজৰ ক্ষেত্ৰত কেতবোৰ P- বিধেয় প্ৰয়োগ কৰিবলৈ যাওঁতে তেওঁ এক ভিত্তি ৰূপে এই আচৰণৰ ওপৰত নিৰ্ভৰ নকৰে যেনে - 'খঙাল হয়', 'দুখিত হয়', 'সুখী হয়' আদি। কিন্তু চৰিত্ৰ অথবা ক্ষমতা নিৰ্দেশক কিছুমান অন্য ধৰণৰ P- বিধেয়ৰ ক্ষেত্ৰত এজন লোকে নিজৰ গাত প্ৰয়োগ কৰিবলৈ হ'লেও একেটা আচৰণৰ ওপৰত ভিত্তি কৰিব লগা হয়। ইয়াত ষ্ট্ৰ'ছনে এটা সম্ভাব্য অসুবিধা বিবেচনা কৰিছে - সেয়া হ'ল উত্থাপিত প্ৰশ্নটো পুনৰ সমাধানৰ অসবিধাঃ P - বিধেয়সমূহৰ ভিতৰত প্ৰথম পুৰুষ নে তৃতীয় পুৰুষত আৰোপ কৰা বিধেয়সমূহ বেছি মৌলিক? ইয়াত দুটা বিপৰীত দৃষ্টিভংগী দেখা যায়। ধৰা হ'ল P - বিধেয় আৰোপ কৰা অভিব্যক্তিৰ সাৰ্বিক ৰূপটো আমি 'Px' বুলি লিখো। এতিয়া এটা দৃষ্টিভংগী অনুসৰি, সাধাৰণ অৰ্থত 'x' ৰ ঠাইত 'তেওঁ' (he), 'সেই লোকজন' (that person) আৰু আন তৃতীয় পুৰুষৰ সৰ্বনাম বা বিশেষ্য প্ৰতিস্থাপিত কৰা যায়। সেই ক্ষেত্ৰত 'x' ৰ ঠাইত 'I' ৰ ব্যৱহাৰ গৌণ হ'ব, ই যথোপযুক্ত নহ'ব। কিন্তু ষ্ট্ৰ'ছনে কৈছে, " এই বিধেয়সমূহৰ এটা অনিবাৰ্য লক্ষণ হ'ল এয়ে

যে সিহঁতৰ উভয়ৰে প্ৰথম আৰু তৃতীয় পুৰুষত আৰোপ কৰিব পৰা ব্যৱহাৰ আছে, সিহঁত উভয়কে নিজৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা যায়--- আৰু আনৰ ক্ষেত্ৰতো আৰোপ কৰিব পৰা যায়-- " (P108)। সিহঁতৰ ব্যৱহাৰ জানিবলৈ হ'লে আমি সিহঁতৰ ব্যৱহাৰৰ উভয় দিশকে জানিব লাগিব। অৰ্থাৎ এই P- বিধেয়সমূহ নিজৰ ক্ষেত্ৰত আৰোপ কৰিবলৈ হ'লে তেওঁ সেইবোৰ আনৰ গাত কেনেদৰে আৰোপ কৰা হয় জানিব লাগিব। তেওঁ এইটোও ক'ব লাগিব যে আনলোকে সেইবোৰ তেওঁলোকৰ নিজৰ লগতে তেওঁলোকৰ পৰা পৃথক ব্যক্তিসকলৰ ক্ষেত্ৰতো আৰোপ কৰিব পাৰে। এনে ধৰণে আৰোপ কৰাৰ উভয় প্ৰকাৰতে ই একেটা বস্তুকে বুজাইছে। ষ্ট্ৰ'ছনে এই ক্ষেত্ৰত হতাশাগ্ৰস্ত মানসিক অৱস্থাৰ উদাহৰণ আগবঢ়াইছে। যেতিয়া Mr. X এ কয়, "মই হতাশ হৈছোঁ", এয়া X ৰ এক অনুভৱ কিন্তু ই হ'ল আনৰ বাবে 'X' ৰ পৰ্যবেক্ষণমূলক আচৰণৰ এক বিশেষ অৱস্থা। কিন্তু উভয় ক্ষেত্ৰতে ই একেটা কথাকে বুজাইছে। ষ্ট্ৰ'ছনে কৈছে, "X" ৰ হতাশা হৈছে একেটা বস্তু যিটো X ৰ দ্বাৰা অনুভৱ কৰা হৈছে কিন্তু পৰ্যবেক্ষণ কৰা হোৱা নাই, আনহাতে আনৰ দ্বাৰা সেয়া পৰ্যবেক্ষণ কৰা হৈছে, কিন্তু অনুভৱ কৰা হোৱা নাই" P109। এনে ধৰণৰ দৃষ্টিভংগীয়ে আমাক দাৰ্শনিক সংশয়বাদ আৰু দাৰ্শনিক আচৰণবাদৰ মাজত থকা দ্বন্দ্বৰ পৰা বিৰত ৰাখিব পাৰে।

মুঠতে ষ্ট্ৰছনে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে যে চেতন অৱস্থাসমূহ আৰোপ কৰা একেটা বস্তুতে দৈহিক অৱস্থা বা গুণ ও আৰোপ কৰা হয়। এই চেতনাযুক্ত বিধেয়সমূহ আৰোপ কৰাৰ দুটা দিশ দেখা যায়- স্ব-আৰোপযোগ্য (self ascriptive) আৰু পৰাৰোপযোগ্য (other ascriptive)। যিহেতু উভয়ৰে স্থিতি একে সেয়ে কোনোটোৱে আনটোতকৈ মৌলিক নহয়। তাৰোপৰি তেওঁ কৈছে যে এনে ধৰণৰ দৃষ্টিভংগী তেতিয়াহে সম্ভৱ হৈ উঠিব যেতিয়া আমি ব্যক্তিৰ ধাৰণাৰ মৌলিকত্ব স্বীকাৰ কৰোঁ।

জানি থোৱা ভাল



সংশয়বাদঃ কিছুমান বিশেষ বিষয়বস্তু অথবা যিকোনো বস্তু সম্বন্ধীয় যৌক্তিক বিশ্বাস বা জ্ঞানক অসম্ভৱ বুলি স্বীকাৰ কৰা মতবাদকে সংশয়বাদ বোলে।

আচৰণবাদঃ এই মতবাদে কয় যে মানসিক অৱস্থাসমূহ হৈছে আমাৰ আচৰণগত স্বভাৱৰ যৌক্তিক ৰূপ। ই এজন ব্যক্তিৰ মানসিক দিশবোৰ বৰ্ণনা কৰে, সেয়ে ই হৈছে এজন ব্যক্তিৰ গাত দেখিবলৈ পোৱা আচৰণৰ বিভিন্ন প্ৰকৃতি বৰ্ণনা কৰাৰ এক সহজ পন্থা।

১১.৮ ষ্ট্রঁছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ ওপৰত বার্নাড উইলিয়াম্ছৰ অভিমত

বার্নাড উইলিয়াম্ছে তেওঁৰ গ্রন্থ 'Problems of the self' ত ষ্ট্রঁছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ কিছুমান আসোৱাঁহ উল্লেখ কৰিছে। তেওঁ কৈছে যে কিছুমান P- বিধেয়ৰ চেতনাৰ লগত কোনো সম্পর্কই নাই যেনে- 'বল খেলি আছে', 'ৰছী এডাল মেৰিয়াই আছে' অথবা 'বহা কোঠাত আছে' আদি। তেওঁ কৈছে, "যিহেতু আমি দেখিবলৈ পাওঁ যে বহুতো P- বিধেয় বাৰুকৈয়ে দৈহিক গুণ সম্পন্ন, গতিকে কোনটো দৈহিক গুণ প্রকৃতার্থত M- বিধেয় সেয়া আমাৰ বাবে আশ্চর্যজনক কথা।" এই বিধেয়বোৰ প্রায়ে সেই ব্যক্তিজনৰ লগত জড়িত দৈহিক ক্রিয়াৰ দ্বাৰা পৰিচালিত হয়। গতিকে সেইবোৰ স্বভাৱগতভাৱে M- বিধেয়ৰ পৰা পৃথক নহয়। আকৌ, 'পাহাৰৰ নামনিলৈ গৈ আছে'- বিধেয়টো আমি এজন ব্যক্তি, এটা কুকুৰ আৰু আনকি এটা নদীৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰোঁ। এতিয়া ষ্ট্রছনৰ দৃষ্টিত এজন ব্যক্তিৰ ক্ষেত্রত ই P- বিধেয় হ'ব, আনহাতে আন দুটা ক্ষেত্রত ই M- বিধেয় হ'ব।

এয়া উল্লেখ কৰিব পাৰি যে- যেতিয়া এটা নদীৰ ক্ষেত্রত প্রয়োগ কৰা হয় তেতিয়া 'পাহাৰৰ নামনিলৈ গৈ আছে' বিধেয়টো হ'ল এক আলংকাৰিক প্রয়োগ যিটো এজন ব্যক্তিৰ ক্ষেত্রত ইয়াৰ মূলগত আৰু যথার্থ ব্যৱহাৰৰ পৰা নিসৃত কৰা হৈছে। তাৰোপৰি, এইটোও ক'ব পাৰি যে ষ্ট্রছনৰ এটা দোষ হ'ল - তেওঁ নিম্নখাপৰ প্রাণীসমূহৰ বিষয়ে একো কোৱা নাই। এজন মানুহৰ দৰে একেটা অর্থত এটা কুকুৰেও দৌৰে। কিন্তু নিম্নখাপৰ প্রাণীৰ ক্ষেত্রত প্রযোজ্য এটা বিধেয়ক আমি P- বিধেয় বুলি ক'ব পাৰো নে নোৱাৰো- এই ক্ষেত্রত ষ্ট্রছনে একো কোৱা নাই।

আকৌ, যদিও ষ্ট্রঁছনে ব্যক্তিৰ ধাৰণাটোক শৰীৰ আৰু মন ৰূপে বিশ্লেষণ কৰাৰ বিৰোধিতা কৰিছে, তথাপি তেওঁ কৈছে যে আমাৰ মনটোৰ যৌক্তিকভাৱে এক গৌণ প্রকাৰৰ অস্তিত্ব থাকিব পাৰে। ষ্ট্রছনে কৈছে, "এজন ব্যক্তি এক উদ্ভাষিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত মনৰ অস্তিত্বসূচক এই কথাটো তেওঁৰ পৃথক অস্তিত্ব আৰু চিনাক্তকৰণৰ ধাৰণাটোৰ লগত নিমিলে। কাৰণ এটা অনুদ্ভাষিত মনৰ কোনো দৈহিক গুণ নাথাকে আৰু সেয়ে ইয়াৰ পৃথক অস্তিত্ব থাকিব নোৱাৰে অথবা চিনাক্ত কৰিব পৰা নাযায়। আকৌ, ষ্ট্রঁছনে ব্যক্তিৰ সংজ্ঞা দি কৈছে যে এজন ব্যক্তিৰ গাত আমি একে সময়তে দৈহিক আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰো। এই ক্ষেত্রতো আমি সম্ভৱতঃ এটা অনুদ্ভাষিত মনৰ কথা ক'ব নোৱাৰো যদিও মনটোৱে কোনো ধৰণৰ দৈহিক অৱস্থা উল্লেখ নকৰিলেও এজন ব্যক্তি থাকিব পাৰে।

এনেধৰণৰ আসোঁৱাহ থকা স্বত্বেও ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটোৱে আধুনিক বিশ্লেষণাত্মক দর্শনত এক অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰকঃ

ক) ডেকার্টৰ মতে, একেটা বস্তুতে আমি দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব নোৱাৰোঁ। (শুদ্ধ/অশুদ্ধ)

খ) ষ্ট্রবঁছনে কৈছে যে ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা (Primitive Concept)। (শুদ্ধ/অশুদ্ধ)

গ) ষ্ট্রবঁছনৰ মতে, ব্যক্তিৰ ধাৰণাটো মন আৰু শৰীৰ ৰূপে বিশ্লেষণ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

ঘ) ষ্ট্রবঁছনে কৈছে যে P - বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে প্রযোজ্য। (শুদ্ধ/অশুদ্ধ)

ঙ) বার্নাড উইলিয়ামচ্ এজন ষ্ট্রবঁছনৰ ব্যক্তি সম্বন্ধীয় ধাৰণাৰ সমালোচক নহয়। (শুদ্ধ/অশুদ্ধ)

১

প্রশ্ন নং৬ঃ ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটো ষ্ট্রবঁছনে কিদৰে সমালোচনা কৰিছে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৭ঃ M - বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৮ঃ ষ্ট্রবঁছনৰ P- বিধেয়ৰ ধাৰণা বুলিলে আপুনি কি বুজে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা চর্চা কৰকঃ ১১.২

- ষ্ট্রবঁছনৰ ব্যক্তিৰ ধাৰণাটো সন্তোষজনক হয় নে? আলোচনা কৰক।

উত্তৰঃ .....

.....

● ষ্ট্ৰ'ছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নাড উইলিয়ামচৰ সমালোচনা আপুনি সমর্থন কৰেনে? আলোচনা কৰক।

উত্তৰঃ .....

.....



১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ষ্ট্ৰ'ছনে কৈছে যে একে সময়তে একেটা বস্তু অর্থাৎ ব্যক্তিৰ গাত দৈহিক গুণ আৰু চেতনা অৱস্থা উভয়কে আৰোপ কৰা হয়।
- ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা এই অর্থতেই যে ইয়াক এক বিশেষ চেতনা অৱস্থা (মন) আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়। কাৰণ এজন ব্যক্তি মন আৰু শৰীৰৰ সমাহাৰ নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো প্ৰকাৰৰ দ্ব্যর্থকতা (Type ambiguity) নাই। অর্থাৎ 'I' আৰু 'Smith দুজন স্বতন্ত্ৰ প্ৰকাৰৰ ব্যক্তি নহয়।
- ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি প্ৰকৃতার্থত দুটা স্বতন্ত্ৰ দ্ৰব্য - মন আৰু শৰীৰৰ এক সমাহাৰ। ইহঁতৰ প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্য আছে।
- কর্তৃত্ববিহীন মতবাদৰ মতে, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতে আৰোপ কৰিব নোৱাৰি।
- ষ্ট্ৰ'ছনে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে যে যৌক্তিকভাৱে অ- কর্তৃত্বশীল দৃষ্টিভংগীৰ ফালৰ পৰা এজন বিশেষ ব্যক্তিৰ গাত অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবার্যভাৱে বিৰাজ কৰে।
- ষ্ট্ৰ'ছনে উল্লেখ কৰিছে যে অভিজ্ঞতা আৰু চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰাৰ দুটা দিশ দেখা যায় - এটা হৈছে নিজৰ ক্ষেত্ৰত আৰু আনটো হৈছে অন্য লোকৰ ক্ষেত্ৰত।
- ষ্ট্ৰ'ছনৰ মতে, ব্যক্তিৰ ধাৰণাটো হ'ল প্ৰকৃত দ্ৰব্য বা অস্তিত্বৰ এক প্ৰকাৰ (Type)-ৰ ধাৰণা। অর্থাৎ একেজন ব্যক্তিৰ ক্ষেত্ৰত দৈহিক আৰু মানসিক গুণ উভয়ে সমানে প্ৰযোজ্য হয়।
- ষ্ট্ৰ'ছনে M- বিধেয় আৰু P - বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে। M - বিধেয়বোৰ

জড় শৰীৰত (material bodies) প্ৰয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্ৰয়োগ কৰিব পৰা নাযায়। P - বিধেয় বুলিলে আমি হঁহা, খোজকঢ়া, চিন্তা কৰা আদি সকলো ধৰণৰ বিধেয়কে বুজোঁ আৰু এইবোৰ আমি ব্যক্তিৰ গাত আৰোপ কৰোঁ।

- ষ্ট্ৰ'ছনে স্পষ্টভাবে কৈছে M- বিধেয় আৰু P- বিধেয় উভয়কে একেটা বস্তু অৰ্থাৎ ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰা হয়।
- ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো যদিও আসোঁৱাহমুক্ত নহয়, তথাপি কিন্তু ই আধুনিক বিশ্লেষণাত্মক দৰ্শনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে।



১১.১০ অধিক জানিবলৈ

1. Sen, P.K. & Verma, R.R. (1995, ed): *The Philosophy of P.F. Strawson,* New Delhi: I.C.P.R.
2. Strawson, P.F. (1974): *Freedom and Resentment and Other Essays,* London: Metheun & Co.Ltd.
3. Shaffer, J.A. (1988): *Philosophy of Mind,* New Delhi: Prentice Hall of India Pvt. Ltd.
4. Ghose, R. (1990) : *The Idea of a Person,* Calcutta: Puthi Pustak.



১১.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ষ্ট্ৰ'ছনৰ মতে ব্যক্তিৰ ধাৰণাটো হ'ল এক মৌলিক ধাৰণা (primitive concept)। কাৰণ, ইয়াক এক বিশেষ মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব নোৱাৰি।

তেওঁ কৈছে যে একেটা বস্তু অর্থাৎ ব্যক্তিৰ ক্ষেত্রত M - বিধেয় আৰু P - বিধেয় উভয়কে আৰোপ কৰিব পাৰি। এজন ব্যক্তি মন আৰু শৰীৰৰ এক সমষ্টি নহয়। ব্যক্তিৰ ধাৰণাটো যৌক্তিকভাৱে এক বিশেষ চেতন সত্তাৰ পূর্বৱর্তী ধাৰণা। ইয়াক জীৱন্ত শৰীৰ অথবা উদ্ভাসিত জীৱ হিচাপে বিশ্লেষণ কৰিব নোৱাৰি।

৩নং প্রশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে এজন ব্যক্তি হ'ল প্রকৃতার্থত দুটা স্বতন্ত্র দ্রব্যৰ সমষ্টি। এই দ্রব্য দুবিধ হ'ল- মন আৰু শৰীৰ। ইহঁতৰ প্রত্যেকৰে সুকীয়া বৈশিষ্ট্য আৰু গুণ আছে। তেওঁলোকে কৈছে যে চেতন অৱস্থাসমূহ এটা দ্রব্যৰ গাত আৰোপ কৰা হয়। আনহাতে, দৈহিক গুণ আৰু অৱস্থাসমূহ আনটোৰ গাত আৰোপ কৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ উইটগেনষ্টাইন আৰু শ্লিকে (Mortic Schlick) অভিমত আগবঢ়াই কৈছে যে আমাৰ চেতনাৰ অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব পৰা নাযায় আৰু এই অভিমতকে ষ্ট্রঁছনে আত্মাৰ 'কর্তৃত্ববিহীন মতবাদ' বুলি অভিহিত কৰিছে। 'I' ৰ দুটা ব্যৱহাৰ সম্বন্ধীয় এটা উদাহৰণৰ সহায়ত আমি 'কর্তৃত্ববিহীন মতবাদ'টো বিশ্লেষণ কৰি দেখু�ৱাব পাৰোঁ। 'I have a toothache' আৰু 'I have a bad tooth'- এই বাক্য যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্রকৃতিগতভাৱে সম্পূর্ণ পৃথক। 'I have a bad tooth'- বাক্যটোত আমি কেৱল দৈহিক দিশৰ ওপৰতহে গুৰুত্ব প্রদান কৰিছোঁ। কিন্তু উইটগেনষ্টাইনে কৈছে যে দাঁতৰ বিষ (toothache) হ'ল এক অভিজ্ঞতা, এক চেতন অৱস্থা, যিকোনো লোকৰে থাকিব নোৱাৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ।

৬নং প্রশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাকে মনৰ (ego) ক্ষেত্রত আৰোপ কৰিব পাৰি। কিন্তু ষ্ট্রঁছনে এই ক্ষেত্রত এক গুৰুত্বপূর্ণ অভিযোগ উত্থাপন কৰিছে। তেওঁ কৈছে যে কোনো এটা বস্তুৰ গাত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য আৰু বিশেষ অস্তিত্বশীলযুক্ত হ'বই লাগিব। কিন্তু অসুবিধাটো হ'ল এয়ে যে যিকোনো দৈহিক গুণ অবিহনে এজন ব্যক্তিৰ মনটো (ego) চিনাক্ত কৰিব নোৱাৰি আৰু ইয়াৰ বিশেষ অস্তিত্ব বুজিব নোৱাৰি। কাৰণ, আকাৰ, আকৃতি, ৰং অথবা অন্য দৈহিক গুণ অবিহনে যিকোনো বস্তুকে 'এইটো' (it) বুলি নির্দেশ কৰিব নোৱাৰি। গতিকে, দৈহিক গুণ অবিহনে আমাৰ মনটোক চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

৭নং প্রশ্নৰ উত্তৰ ঃ ষ্ট্রঁছনে M- বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে।

M - বিধেয় হ'ল দৈহিক গুণ আৰোপ কৰা বিধেয়। M- বিধেয়সমূহ জড় বস্তুৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্ৰয়োগ কৰিব পৰা নাযায়। আনহাতে P- বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা এক প্ৰকাৰ গুণ। P - বিধেয় বুলিলে আমি আন সকলো বিধেয়কে বুজো যিবোৰ আমি ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ কৰোঁ। কিছুমান M- বিধেয়ৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'শোৱনি কোঠাত আছে' আদি। আনহাতে কিছুমান P- বিধেয়ৰ উদাহৰণ হ'ল - 'হাঁহি আছে', 'খোজ কাঢ়ি আছে, 'বিষাইছে', 'খুব চিন্তা কৰি আছে' আদি। এইদৰে দেখা যায় যে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্ৰতহে আৰোপ কৰিব পাৰি, আনহাতে M- বিধেয়সমূহ ব্যক্তি আৰু জড় বস্তু উভয়ৰে ক্ষেত্ৰত আৰোপ কৰিব পাৰি।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ষ্ট্ৰ'ছনৰ মতে P - বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা কিছুমান গুণ। P- বিধেয়ই কেৱল ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা সকলো ধৰণৰ গুণকে বুজায়। সেইবোৰ কেতিয়াও জড় বস্তুৰ গাত আৰোপ কৰিব নোৱাৰি। তথাপি কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক হয়', 'বিমর্ষ অৱস্থাত আছে' আদিৰ দৰে চেতনাযুক্ত বিধেয় নহয়। তেওঁ কৈছে যে 'খোজ কাঢ়ি আছে'- এটা চেতনাযুক্ত বিধেয় নহয় যিহেতু চেতন অৱস্থাৰ লগত প্ৰত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই। তথাপি কিন্তু ই এক প্ৰকাৰ P- বিধেয় কাৰণ, ই এজন ব্যক্তিৰ ক্ষেত্ৰত অভিব্যাপী অৰ্থত প্ৰযোজ্য, ই আন কোনো বস্তুৰ ক্ষেত্ৰতে নহয়।



১১.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ডেকার্টৰ মতে স্বতন্ত্ৰ দ্ৰব্য দুবিধ কি কি?

প্ৰশ্ন ২ঃ P- বিধেয়ৰ উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ঃ M বিধেয়ৰ উদাহৰণ দিয়ক

প্ৰশ্ন ৪ঃ মনৰ বৈশিষ্ট্য কি?

প্ৰশ্ন ৫ঃ 'কৰ্তৃত্ববিহীন মতবাদ' কোনে আগবঢ়াইছে?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ষ্ট্ৰ'ছনে আলোচনা কৰা প্ৰতিক্ৰিয়া কেইটা কি কি?

প্ৰশ্ন ২ঃ ষ্ট'ছনৰ মতে ব্যক্তি কি?

প্রশ্ন ৩ঃ M - বিধেয় কি?

প্রশ্ন ৪ঃ P- বিধেয় কি?

প্রশ্ন ৫ঃ চেতনাযুক্ত গুণসমূহ আৰোপ কৰাৰ দিশ দুটা কি কি?

প্রশ্ন ৬ঃ কর্তৃত্ববিহীন মতবাদ কি?

প্রশ্ন ৭ঃ 'ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা' - ইয়াৰ যথার্থতা বিচাৰ কৰক।

গ) **পার্থক্য নির্ণয় কৰক** (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ব্যক্তি সম্বন্ধীয় প্রথম প্রতিক্রিয়া আৰু দ্বিতীয় প্রতিক্রিয়া

প্রশ্ন ২ঃ M- বিধেয় আৰু P- বিধেয়

প্রশ্ন ৩ঃ ডেকার্টপন্থী মতবাদ আৰু কর্তৃত্ববিহীন মতবাদ

ঘ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কর্তৃত্ববিহীন মতবাদটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ২ঃ ষ্ট'ছনৰ দৃষ্টিভংগীৰে ডেকার্টপন্থী মতবাদটো আলোচনা কৰক।

প্রশ্ন ৩ঃ ষ্ট'ছনৰ P- বিধেয়ৰ ধাৰণাটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ৪ঃ ব্যক্তি সম্বন্ধীয় প্রথম আৰু দ্বিতীয় প্রতিক্রিয়াৰ মাজৰ বিবাদ আপুনি কিদৰে সমাধান কৰিব? আলোচনা কৰক।

প্রশ্ন ৫ঃ ষ্ট'ছনৰ ব্যক্তিসম্বন্ধীয় ধাৰণাটো আপুনি সন্তোষজনক বুলি ভাবেনে? আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দর্শাওক।

****

অধ্যায় ১২ ঃ মূল্যবাদৰ সমস্যা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মূল্য কি?
    ১২.৩.১ মানবিজ্ঞান
    ১২.৩.২ মূল্যৰ অর্থ
    ১২.৩.৩ মূল্যৰ সংজ্ঞা
১২.৪ মূল্যৰ প্ৰকাৰ
    ১২.৪.১ মূল্যসমূহ ঃ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ
    ১২.৪.২ অন্তর্নিহিত আৰু বাহ্যিক মূল্য
১২.৫ তথ্য আৰু মূল্যৰ সম্বন্ধ
১২.৬ বাস্তৱ সত্তা আৰু মূল্য
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্ৰগতিৰ খতিয়ান
১২.১০আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মূল্যৰ সংজ্ঞা আৰু ইয়াৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ মূল্যৰ বৰ্ণনা কৰিব পাৰিব
- অন্তর্নিহিত মূল্যৰ পৰা বাহ্যিক মূল্যৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- তথ্য - মূল্যৰ সম্বন্ধ নিৰ্ণয় কৰিব পাৰিব
- বাস্তৱতাত মূল্যৰ স্থানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়ত মূল্যৰ ধাৰণাৰ পৰিচয় দিয়া হ'ব। বৰ্তমানত মূল্যবোধৰ দ্বাৰা প্ৰৰোচিত নোহোৱা কোনো সামাজিক প্ৰায়োগিক দিশ নাই। প্লেটোৰ সময়ৰ পৰা আৰম্ভ কৰি নৈতিক মতবাদবোৰত মূল্যবোধে এক উল্লেখযোগ্য ভূমিকা বহন কৰিছে। বৰ্তমানৰ চলিত দৰ্শন আৰু

বিজ্ঞানত, মূল্যৰ পৰিসৰ অতি বহল। এই অধ্যায়ত, মূল্যৰ ধাৰণা, ইয়াৰ বিভিন্ন প্ৰকাৰ, তথ্য-মূল্যৰ সম্বন্ধ আৰু বাস্তৱতাত মূল্যৰ স্থানৰ বিষয়ে এক সম্যক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। এই উদ্দেশ্যত অৱতীৰ্ণ হ'বৰ বাবে আমি এই ধাৰণাৰ বিশেষ বিশ্লেষণত আগবাঢ়ি যাব লাগিব। মূল্য আত্মনিষ্ঠ নে বস্তুনিষ্ঠ? এই প্ৰশ্নলৈ বিভিন্ন জনৰ বিভিন্ন মত পোৱা যায়। মূল্যবাদৰ প্ৰধান ভাগ কেইটা হ'ল — অন্তর্নিহিত আৰু বাহ্যিক মূল্যসমূহ। এইখিনিতে আৰু এটা প্ৰশ্ন হ'ল মূল্যৰ অস্তিত্বক লৈ আৰু যদি ইয়াৰ অস্তিত্ব আছে, তেন্তে ই কেনে ভাৱে বস্তুৰ লগত সম্বন্ধিত। বাস্তৱ ক্ষেত্ৰত মূল্যৰ স্থানলৈও মাজে মাজে বহুতো আলোচনা আৰু বিভিন্ন মত পোৱা যায়।

এই অধ্যায় যিহেতুকে "মূল্যৰ ধাৰণাৰ" বিষয়টোৰ লগত জড়িত, সেয়ে ইয়াত "মান বিজ্ঞান" শব্দটোৰ বিষয়ে সবিশেষ জানিব লাগিব যিটো শব্দ বৰ্তমানত মূল্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে। ইয়াত মূল্যৰ অৰ্থ, সংজ্ঞা আৰু তাৎপৰ্যসমূহো জানিবলগীয়া গুৰুত্বপূৰ্ণ বিষয়।

১২.৩ মূল্য কি?

এই বিভাগটোত মূল্যৰ সংজ্ঞাৰ বিষয়ে আলোচনা কৰা হৈছে। এই প্ৰসঙ্গতে ইয়াৰ মানবিজ্ঞান, যি মূল্যৰ লগত জড়িত তত্ত্বৰ আধুনিক সংজ্ঞা ---- ইয়াৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি ইয়াত মূল্যৰ অৰ্থ, সংজ্ঞা আৰু তাৎপৰ্যৰ বিষয়েও আলোচনা আগবঢ়োৱা হৈছে।

১২.৩.১ মান বিজ্ঞান

মূল্যৰ ধাৰণাৰ বিষয়ে জনাৰ আগতে, দৰ্শনত "মান বিজ্ঞান" মানে কি তাক জনাটো প্ৰয়োজনীয়। দৰ্শনৰ যিটো শাখাত মূল্যৰ বিষয়ে অধ্যয়ন কৰা হয়, তাকে "মান বিজ্ঞান" বা "মূল্যবাদ" বুলি জনা যায় আৰু এইটো সমন্বয়মূলক ভাবে কৰা বৰ্তমানৰ এক আৱিস্কাৰ। "মান বিজ্ঞান"ৰ প্ৰধান উদ্দেশ্য মূল্যসমূহৰ সংজ্ঞা দিয়া আৰু সেইসমূহৰ স্বৰূপৰ বৰ্ণনা দি, মূল্যৰ এক সাধাৰণ মতবাদত অৱতীৰ্ণ হোৱা। ইয়াত পদ্ধতিসমূহৰ বিচাৰ কৰা হয়, যাৰ মাধ্যমেদি আমি ইয়াৰ জ্ঞান পাব পাৰো আৰু সমুচিত মূল্য নিৰ্দ্ধাৰণ কৰিব পাৰো। এই পদ্ধতিত ভিন্ ভিন্ মানুহৰ কাৰ্যাৱলী, বুদ্ধি, অনুভূতি, ইচ্ছা আদিবোৰকো সমানে গুৰুত্ব দিয়া হয়। আন এটা উদ্দেশ্য হৈছে - বিভিন্ন প্ৰকাৰৰ মূল্যৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা আৰু সেইবোৰ শ্ৰেণীভুক্ত কৰিবৰ বাবে উন্নয়নমূলক পদ্ধতি উলিওৱা, যেনে- সম্বন্ধিত মূল্য (relative values) আৰু পাৰমাৰ্থিক মূল্য (absolute values), যান্ত্ৰিক মূল্য আৰু উদ্দেশ্য প্ৰণোদিত মূল্য, অন্তর্নিহিত মূল্য আৰু বাহ্যিক মূল্য, আদৰ্শজনিত আৰু ব্যৱহাৰিক মূল্য। (আত্মগত আৰু বস্তুগত)।

১২.৩.২ মূল্যৰ অর্থ



যান্ত্রিক মূল্য - মূল্য হৈছে এটা সত্তা, যি উৎপন্ন কৰা অৱস্থাৰ মূল্যজনিত গুণাগুণৰ ওপৰত নির্ভৰশীল।

"মান বিজ্ঞান"ৰ বিষয়ে জনাৰ পিছত মূল্যার্থৰ পর্যবেক্ষণ কৰা যাওক। "মূল্য" এটা বিশেষ অনিশ্চিতার্থক শব্দ। মানৱ চৈতন্যত মূল্যবোধ এক বিশেষ গুণ। বিচাৰ, সম্বন্ধ, মনোনয়ন আৰু কার্য মূল্যায়নৰ ওপৰত ভিত্তি কৰি কৰা হয়। মূল্য শব্দটো নীতিশাস্ত্রলৈ বিশেষতঃ অর্থনীতিৰ পথেদিয়েই আহে। অর্থনীতি শাস্ত্রত ইয়াক বুজাবৰ কাৰণে (ক) মূল্যৰ ব্যৱহাৰ এনেদৰে কৰা হৈছে, যেনে - যি বস্তুৰ মানুহৰ আৱশ্যকতা বা আকাংক্ষাক সন্তুষ্ট কৰাৰ শক্তি আছে, (খ) মূল্য হৈছে পৰস্পৰ অদল-বদল কৰা বা এটা বস্তুৰ পৰিমাণ লৈ আন এটা বস্তু তাৰ বিনিময়ত ল'ব পৰাৰ ব্যৱস্থা। সাধাৰণতে এটা বস্তুক মূল্যৱান বুলি কোৱা হয় তেতিয়া, যেতিয়া ই মানুহৰ প্রয়োজনীয়তাক সন্তোষ দিব পাৰে।

মূল্য শব্দটো লেটিন "ভেলেৰে" শব্দৰ পৰা লোৱা হৈছে যাৰ অর্থ বলিষ্ঠ হোৱা বা যোগ্য হোৱা। গতিকে শব্দৰ ব্যুৎপত্তিগত অর্থ অনুযায়ী "মূল্য" শব্দই কিবা এটাৰ যোগ্য হোৱাৰ অর্থ কৰে। অক্সফর্ড ইংৰাজী অভিধান মতে মূল্য হ'ল যোগ্যতা, উপকাৰিতা, বাঞ্ছনীয়তা আৰু গুণে যাৰ ওপৰত নির্ভৰ কৰে। সাধাৰণতে মূল্য শব্দই আমি নির্দেশ কৰা ভাৱ, অনুভূতি, কার্য আৰু অভিজ্ঞতাবোৰৰ গুণাগুণজনিত অর্থ প্রকাশ কৰে। মূল্যসমূহ হ'ল, মূল্য নির্দ্ধাৰণৰ এক বিধি, যাক আমি শুদ্ধ কি আৰু অশুদ্ধ কি, কোনটো আৱশ্যকীয় আৰু কোনটো অনাৱশ্যকীয়, তাৰ বিচাৰ কৰিবলৈ ব্যৱহাৰ কৰো। আমাৰ মূল্য অৱধাৰণ সমূহো এনে ধৰণৰ বাক্যৰ মাধ্যমেদিয়েই প্রকাশ কৰা হয়, "তেওঁ এজন ভাল ব্যক্তি", "তেওঁ এজন সৎ মানুহ", "এইটো সূর্যাস্তৰ ধুনীয়া দৃশ্য", "আমি আমাৰ বয়সস্থসকলক সন্মান কৰা উচিত", ইত্যাদি।

ভাৰতীয় দর্শনত "মূল্য"ৰ ধাৰণাই মানৱ জীৱনৰ চাৰিটা উদ্দেশ্য সিদ্ধিৰ (চতুৰপুৰুষার্থৰ) প্রতিনিধিত্ব কৰে। যি সমূহ - (ক) ৰাজনৈতিক, অর্থনৈতিক মূল্য (অর্থ), (খ) সুখবাদী মূল্য (কর্ম), (গ) নৈতিক মূল্য (ধর্ম) আৰু (ঘ) ধর্মীয় আধ্যাত্মিক মূল্যৰ (মোক্ষ) লগত জড়িত।

গতিকে মূল্য শব্দটো, মন আকৃষ্ট কৰা, আনন্দ দিয়া, ভাল লগা, প্রাধান্য দিয়া, কর্তব্য, নৈতিক বাধ্যবাধকতা, আকাংক্ষা, আৱশ্যকতা, প্রয়োজনীয়তা, বিকর্ষণ আৰু আকর্ষণ আৰু এনে বহুতো নির্বাচিত উজ্বল মানদণ্ডত আৰোপ কৰা হয়। মুঠতে মূল্য শব্দটো এনে বহু ধৰণেৰে দর্শনৰ বাহিৰে ভিতৰে ব্যৱহাৰ কৰা হয়।

আমাৰ দৈনন্দিন কথোপকথন আৰু দর্শন সাহিত্যত "মূল্য" শব্দটো মুলতঃ তিনিটা ধৰণেৰে দৃষ্টিগোচৰ হয়, য'ত প্রায়ে ইটো সিটো পৰস্পৰৰ লগত ওপৰা ওপৰি হৈ থাকে। সেয়েহে মূল্যৰ ধাৰণা কেইটাও বিশৃঙ্খলমূলক।

১। মূল্য হৈছে যিটো বস্তু প্রয়োজনীয়।

২। মূল্য হৈছে মূল্যৱান (ক) এটা বস্তু বা (খ) সম্পত্তি (গুণ), কিবা এটা বস্তু যাৰ ওপৰত মূল্যায়ন আৰোপ কৰা হয়।

৩। মূল্য হৈছে এটা ধাৰণা, যিটোৱে বস্তু এটাৰ গুণবোৰ বা ঘটনাসমূহ মূল্যবান বুলি বিবেচিত কৰায়।

১২.৩.৩ মূল্যৰ সংজ্ঞা

মূল্যৰ অর্থৰ এক ধাৰণা কৰা হ'ল। এতিয়া মূল্যৰ সংজ্ঞাৰ বিষয়ে আলোচনা কৰা যাওক। নীতি বিজ্ঞানৰ আন্তর্জাতিক বিশ্বকোষ মতে - মূল্য হৈছে অস্তিত্বশীল বস্তু এটাই আহৰণ কৰা প্রয়োজনীয়, উত্তম, অর্থপূর্ণ বা আৱশ্যকীয় গুণৰ সৈতে একে পর্যায়ৰ গুণ বা ঘটনা বা এক স্পর্শৰ দ্বাৰা অনুভৱ কৰিব নোৱাৰা গুণ, যিটোত এক নিজস্ব অন্তর্নিহিত যোগ্যতা আছে।

ভিন্ন ভিন্ন দার্শনিকে বিভিন্ন ধৰণেৰে মূল্যৰ সংজ্ঞা দিবলৈ প্রচেষ্টা চলাইছে। ডব্লিউ. এম. আৰবানে সঠিকভাৱে কৈছে যে - "সেইটোৱেই মৌলিক আৰু অত্যাৱশ্যকীয়ভাৱে মূল্যবান যিটোৱে আত্ম উন্নতিৰ বা আত্ম উপলব্ধিৰ শিখৰলৈ আগুৱাই নিয়ে। মানুহ এক ব্যক্তি বা আত্মা। সেয়ে যিটো আত্ম উপলব্ধিৰ অনুকূল সেইটোৱেই অত্যাৱশ্যকীয়। মানুহ কেৱল প্রাণী নহয়। সেয়ে এজন মানুহৰ বাবে কেৱল বাঞ্ছিত বা জীৱনটো আগবঢ়াই নি সন্তুষ্টি লভাটোৱেই একমাত্র লক্ষ্য বা উদ্দেশ্য নহয়। কিন্তু যিটোৱে তেওঁৰ ব্যক্তিত্বক সন্তুষ্টি দিয়ে বা তেওঁৰ আত্ম উপলব্ধিত অৰিহণা যোগায়, সিহে মৌলিক ভাবে মূল্যবান। প্রথমতে দেখা যায় যিটোৱে আমাৰ আকাঙ্খাক সন্তুষ্টি দিয়ে সিয়ে ভাল বা মূল্যবান। কিন্তু আমি খুব ভালদৰে পৰীক্ষা কৰিলে দেখা পাওঁ যে আমাৰ বাঞ্ছনীয় বা আৱশ্যকীয়সমূহেই আমাৰ জীৱনটো ৰক্ষণ আৰু বর্ধনৰ লগত সম্বন্ধিত হৈ মূল্যবান হৈ পৰে। মানুহ কেৱল শৰীৰ আৰু মন নহয়। ই এক ব্যক্তি, এক আত্মা, এক অধ্যাত্ম। আমাৰ জীৱন মূল্যবান হৈ পৰে এই ধৰণৰ জীৱন ধাৰাৰ পৰাহে। কেৱল আমাৰ আকাঙ্খাসমূহক সন্তোষ দিয়াবোৰেই অত্যাৱশ্যকীয় মূল্যবান নহয়। মানুহ দৈহিক সুখ, স্বাচ্ছন্দ্য আৰু আকাঙ্খাৰ সন্তুষ্টিৰ উর্দ্ধলৈ গৈ অত্যাৱশ্যকীয়, অন্তর্নিহিত মূল্যৰ ধাৰণাত অৱতীর্ণ হ'বই লাগিব।

জেমছ ওৱার্ডে (James Ward) সঠিকভাৱে আঙুলিয়াই দিছে যে আকাঙ্খিত বস্তুটোৰ মাজতেই মূল্যৰ বাসস্থান, যিটো বস্তুৱে আকাঙ্খাক সন্তুষ্টি দিয়ে তাৰ মূল্য আছে। যেতিয়া এটা বস্তুৱে আমাৰ আকাঙ্খাক সন্তুষ্টি দিয়ে, তেতিয়াই আমাৰ আনন্দ বর্দ্ধন হয়। আনন্দৰ অনুভূতিয়েই হৈছে মূল্যভাৱ, কিন্তু ই নিজে মূল্য নহয়। আই মেকেঞ্জিৰ মতে আনন্দক সঠিককৈ মূল্যৰ ধাৰণাৰ দৰে বর্ণনা দিব পাৰি। আনন্দৰ অনুভূতি বিষয়বস্তুৰ আনুসঙ্গিক পদার্থ, কাৰণ তেওঁলোকে প্রদর্শন কৰা

সচেতনতাৰ বাবে সেইসমূহত কিছু মূল্য থাকে। মূল্যৰ স্থিতি বস্তুৰ ভিতৰত নিহিত থাকে যিয়ে আমাৰ আকাংক্ষাবোৰক সাকাৰ ৰূপ দিয়াত সহায় কৰে। যেতিয়াই সেইবোৰ লাভ কৰা হয়, আনন্দই তাক পৰিণাম হিচাপে নিশ্চিত কৰে।

বিংশ শতাব্দীত, আৰ. বি. পেৰীয়ে (R.B. Perry) মূল্যৰ ওপৰত দিয়া সংজ্ঞাই মান বিজ্ঞানৰ প্ৰতি বিশেষ ধৰণৰ মনোযোগ আকৃষ্ট কৰা দেখা যায়। আৰ বি পেৰীৰ মতে মূল্য হৈছে কোনোবা এজনৰ বস্তু এটাৰ প্ৰতি থকা আসক্তি বা অভিৰুচি, কাৰণ বস্তু আৰু ইয়াৰ অভিৰুচিৰ মাজৰ বিশেষ ধৰণৰ সম্বন্ধৰ পৰাই ইয়াৰ উদ্ভৱ হয়। সেয়ে তেওঁ অভিৰুচি বা আসক্তি শব্দটোৰে মূল্যৰ সংজ্ঞা দিছে। সেয়ে তেওঁ কৈছে যে - মূল্য হৈছে এটা বস্তুৰ এক বিশেষ ধৰণৰ গুণধৰ্ম যি বস্তুটোৰ ভিতৰত জড়িত হৈ তাক আসক্তিকৰ কৰি তোলে। কিন্তু আসক্তি আৰু মূল্যৰ মাজত থকা এই নিবিড় সম্বন্ধই এইটো নুবুজায় যে যি বস্তুত আমাৰ অভিৰুচি বা আসক্তি থাকে সেই বস্তুৰেই মূল্যবান।

জন ডিউৱিৰ (John Dewy) মতে মূল্য অভিৰুচিৰ লগত অভ্যন্তৰীণ ভাবে সম্বন্ধিত হ'ব পাৰে, কিন্তু প্ৰত্যেকবোৰ নহয়। যিবোৰ অভিৰুচিত বস্তু পৰ্যবেক্ষণমূলক সম্বন্ধৰ ওপৰত ভিত্তি কৰি বিচাৰৰ দ্বাৰা মানি লোৱা হয়। উদাহৰণ স্বৰূপে ক'ব পাৰি যেনে— আমি মিঠাই খুব ভাল পাওঁ, কিন্তু আমি যদি গম পাওঁ ই আমাৰ শৰীৰৰ বাবে ক্ষতিকাৰক, তেতিয়া আমাৰ বাবে ইয়াৰ মূল্য নাই। এইটোৱেই প্ৰতীয়মান কৰে যে আসক্তি বা অভিৰুচিয়েই মূল্যৰ মৌলিক পৰিমাপক সঁজুলি নহয়। শুদ্ধ আৰু অশুদ্ধ পৰিমাপৰ দ্বাৰাহে মূল্য নিৰ্ণয় কৰিব পৰা যায়। অভিৰুচি নথকা শুদ্ধ বস্তুটোও মূল্যবান হ'ব পাৰে আৰু অভিৰুচি থাককেই বা নাথাকক এটা অশুদ্ধ বস্তু মূল্যহীন হ'ব পাৰে।

অৱশেষত আমি মূল্যক এক অদ্বিতীয়, মৌলিক আৰু ব্যুৎপত্তি নিৰাকৰণ কৰিব নোৱাৰা ধাৰণা হিচাপে সংজ্ঞা দিব পাৰো, যাৰ নিজস্ব এক অস্তিত্ব আৰু সত্তা আছে। প্লেটোই প্ৰথমে আৱিস্কাৰ কৰা মতে ই সত্তাৰ অংশভুক্ত, যিটোৰ পৰিধি আমি আধ্যাত্মিকভাৱেহে আৱিষ্কাৰ কৰিব পাৰো। কিন্তু ইয়াক আমি পৰ্যবেক্ষণ কৰিব নোৱাৰো বা ধৰিব নোৱাৰো। নিকলাই হাৰ্টমেনে (Necolai Hartman) এই দৃষ্টিভঙ্গীৰ লগত সন্মতি দি কৈছে যে - "মূল্যবোৰ হ'ল সাৰবস্তু।" মূল্যসমূহ অস্তিত্বশীল সত্তাৰ আকৃতিত এক প্লেটনিক ধাৰণা। হাৰ্টমেনৰ মতে মূল্যবোৰৰ এক স্বকীয় স্থিতিগত আদৰ্শ স্বৰূপ মণ্ডল আছে, য'ত মূল্যসমূহ জন্মজাতীয় আৰু এই মণ্ডলৰ বিষয়বস্তু হোৱা বাবে মূল্যসমূহ স্ববিদ্যমান আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল নহয় বা পূৰ্ব অভিজ্ঞতাজনিত জ্ঞানবৃত্তি (Ethics, Vol.I, P.165)। ইয়াৰ পৰা আমি জানিব পাৰো যে মূল্যবোৰ কোনো আকৃতিগত বা অসাৰ বা নিৰ্বোধ গঠন নহয়। কিন্তু সেইসমূহ বিচাৰতত্ত্বৰ অধিকাৰী, চিন্তাধাৰাৰ দ্বাৰা সেইসমূহ চিধা-চিধি ভাবে জানিব পৰা নাযায়।



নিকলাই হার্টমেন (Necolai Hartman, 1882-1950)- এগৰাকী জার্মানিৰ বাস্তৱবাদী দার্শনিক। মূল গ্রন্থ- Three volumes of Ethics, Plato's Logic of Being, outlines of a Metaphysics of Knowledge

কিন্তু এক অন্তর্দৃষ্টিৰ দ্বাৰা সেইসমূহ তৎক্ষণাত আৱিস্কাৰ কৰিব পৰা যায়। বাস্তৱ সত্তাৰ পৰা মূল্যৰ সত্তা সদায় অতিন্দ্রীয়। সেয়ে হার্টমেনে সংজ্ঞা দিছে যে মূল্যৰ সত্তা হিচাপে এক আদর্শগত স্বঅস্তিত্ব আছে বা এইসমূহ নৈতিক আদর্শজনিত মণ্ডলৰ সত্তা। যদি মূল্য অস্তিত্ব বা সত্তামূলক হয়, তেন্তে সেইসমূহে মানবিজ্ঞানৰ অদ্বিতীয় আৰু মৌলিক স্বৰূপটো হেৰুৱাব। ইয়াত মূল্যসমূহ অধিবৈজ্ঞানিক অস্তিত্বশীল বস্তুৰ অংশীদাৰ হৈ পৰে। হার্টমেনে মূল্যৰ যথার্থতাক প্লেটনিক জগতৰ ভিতৰুৱা অতীন্দ্রিয় সত্তাসমূহত বর্ণাইছে।



চিন্তা চর্চা কৰক ঃ ১২.১

- 'মূল্য' বুলি ক'লে আপুনি কি বুজে? আলোচনা কৰক।
  উত্তৰঃ .....
  .....
- আৰ বি পেৰীৰ মূল্যৰ ওপৰত দিয়া সংজ্ঞাটো গ্রহণযোগ্যনে? যুক্তি আগবঢ়াওক ।
  উত্তৰঃ .....
  .....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ মূল্যৰ অর্থ কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....
.....

প্রশ্ন নং২ঃ ভাৰতীয় দর্শনত পোৱা চাৰিবিধ মূল্য কি কি?

.....
.....

প্রশ্ন নং৩ঃ নিকোলাই হার্টমেনৰ মতে মূল্য কি?

.....
.....

প্রশ্ন নং৪ঃ তলৰ বাক্যসমূহ শুদ্ধনে অশুদ্ধ বিচাৰ কৰক।

(ক) বিষয়নিষ্ঠবাদীসকলৰ মতে, মূল্য হৈছে বিচাৰৰ ভিত্তি। (শুদ্ধ/অশুদ্ধ)

(খ) আত্মনিষ্ঠবাদীসকলৰ বাবে মূল্য হৈছে বিচাৰৰ উৎপাদিত দ্রব্য।

(শুদ্ধ/অশুদ্ধ)

(গ) মূল্য শব্দটো অনিশ্চিতার্থক (শুদ্ধ/অশুদ্ধ)

(ঘ) নিকোলাই হার্টমেনৰ মতে মূল্যবোৰ সত্তামূলক (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং৫ঃ খালী ঠাই পূৰণ কৰক -

(ক) মান বিজ্ঞান দর্শনৰ এটা শাখা হিচাপে ..... জড়িত।

(খ) মূল্য শব্দটো লেটিন ..... পৰা আহিছে।

১২.৪ মূল্যৰ প্রকাৰসমূহ

এতিয়া কেনেভাৱে দার্শনিকসকলে মূল্যসমূহৰ পার্থক্য নির্ণয় কৰিছে তাক বিশ্লেষণ কৰা যাওক। মূল্যবাদত তিনিটা প্রথা বহুকালৰে পৰা চলি আহিছে।

- আত্মনিষ্ঠ
- বস্তুনিষ্ঠ
- নব্যকাণ্টিয় যুক্তিবাদ

আত্মনিষ্ঠ - ইয়াত ধৰা হয় যে মূল্যবান বস্তুসমূহেই কেৱল জৈৱিক সত্তাৰ আত্মনিষ্ঠ অৱস্থা।
বস্তুনিষ্ঠ - ই মানুহৰ লগত সম্বন্ধিত। সেয়ে এইসমূহৰ আমাৰ পৰা স্বাধীন অস্তিত্ব আছে।
নব্যকাণ্টিয়ান যুক্তি - ই নির্দেশ কৰে যে ব্যৱহাৰিক যুক্তিৰ ভিত্তিস্বৰূপ মূল্যক অপ্রমাণিতভাবেই স্বীকাৰ কৰি লোৱা হয়।

বিভিন্ন প্রথাৰে আৰু বিভিন্ন উদ্দেশ্যৰ বাবে দার্শনিকসকলে মূল্যসমূহৰ পার্থক্য নির্ণয় কৰিছে। মূল্য মতবাদৰ মাজৰ প্রধান পার্থক্য কেইটা হ'ল -

- আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ মূল্যসমূহ
- অন্তর্নিহিত আৰু বাহ্যিক মূল্যসমূহ

১২.৪.১ মূল্যসমূহ আত্মনিষ্ঠ বা বস্তুনিষ্ঠ

মূল্যসমূহ আত্মনিষ্ঠ নে বস্তুনিষ্ঠ এই মত লৈ অতীতৰে পৰা এক সমালোচনামূলক আলোচনা চলি আহিছে। এই প্রশ্ন লৈ দর্শনৰ ইতিহাসত ভিন্ন ভিন্ন মত পোৱা যায়।

আত্মনিষ্ঠভাবে মূল্যসমূহ -

অভিজ্ঞতাবাদী আৰু উপযোগিতাবাদী দার্শনিকসকলৰ মতে বস্তুবোৰৰ নিজস্ব কোনো স্বাভাৱিক মূল্য নাই। মনৰ পৰা স্বাধীনভাবে এটা তথ্য থাকিব পাৰে, কিন্তু তথ্যটোৰ মূল্য নির্ভৰ কৰে মনৰ লগত ইয়াৰ সম্বন্ধৰ ওপৰত, যিটোৱে ইয়াক সন্তোষ দিবই লাগিব। লৎজে (Lotze) মূল্যৰ সংজ্ঞা দি কৈছে যে আমি বিশ্বত যাক মূল্যবান বুলি কওঁ, সেইটো সম্পূর্ণভাবে অভিজ্ঞতাৰ পৰা লাভ কৰা সন্তুষ্টি আৰু আনন্দৰ

অনুভূতিৰ মাজত সোমাই থাকে। সন্তোষ আৰু আনন্দ আমাৰ মনৰ ভিতৰৰ এক অনুভূতি হোৱা বাবে মূল্য সম্পূৰ্ণৰূপে আত্মনিষ্ঠ। সমুচিত মূল্য নিৰ্দ্ধাৰণটো ব্যক্তিৰ অধিকতৰ পছন্দৰ ওপৰত নিৰ্ভৰ কৰে, কাৰণ কোনো এটা বস্তুৱে এজনক সন্তোষ দিলে, আনজনক সন্তোষ নিদিবও পাৰে। সৌন্দৰ্যৰ আদৰ্শ, দেশ অনুযায়ী, সময় অনুসৰি, মানুহে প্ৰতি ভিন্ন। এখন দেশৰ যিটো নৈতিকভাৱে শ্ৰেয় আন ঠাইত সেয়া অনৈতিক হ'ব পাৰে। সত্য, মঙ্গল , সুন্দৰ আৰু মানৱ মনৰ ভাৱ, অনুভূতি আৰু ইচ্ছা অবিহনে অৰ্থহীন। সেয়ে নিজস্ব ভাবে কোনো মূল্যবান নহয়, কিন্তু আমাৰ অনুভূতিয়ে ইয়াক মূল্যবান কৰে। মূল্যবোৰ আমাৰ মনৰ পৰিকল্পনা। বস্তুনিষ্ঠ সত্তা মূল্যহীন, আত্মনিষ্ঠবিদ সকলে মূল্যসমন্বিত বচনসমূহ এনেদৰে বিশ্লেষণ কৰিছে -- X ভাল বুলি কোৱাটো, X ক ভাল লগা বা মই X ক অনুমোদন কৰাৰ সমতুল্য। সেয়ে বস্তুসমূহ কেৱল বস্তু, তথ্যসমূহ কেৱল অস্তিত্বশীল তথ্যৰ বাহিৰে আন একো নহয়। সেইবোৰ ভালো নহয়, বেয়াও নহয়, ধুনীয়াও নহয়, কুৎচিতো নহয়। যদি এই গুণসমূহ তথ্যৰ ভিতৰত অস্তিত্বশীল হৈ থাকিলেহেতেন, বস্তুবোৰৰ দৰে সেইবোৰকো পৰ্যবেক্ষণ কৰিব পৰা গ'লহেতেন। আমি এই গুণবোৰ বস্তুৰ ভিতৰুৱা অস্তিত্ব হিচাপে পৰ্যবেক্ষণ কৰিব নোৱাৰো। গতিকে এইটো সিদ্ধান্ত কৰিব পাৰি যে মূল্যসমূহ বস্তুনিষ্ঠ নহয়। ওপৰত উল্লেখ কৰি অহা তৰ্কবিতৰ্কত এক গুৰুত্বপূৰ্ণ সত্যৰ উপাদান আছে। কিন্তু মূল্যবোৰ কেৱল আত্মনিষ্ঠ হিচাপে কৰা এই মতবাদটো সম্পূৰ্ণ শুদ্ধ নহয়।

বস্তুনিষ্ঠভাবে মূল্যসমূহ -

বস্তুনিষ্ঠ চিন্তাবিদসকলে যুক্তি দেখুৱাই যে মূল্য বস্তুৰ মাজত অন্তর্নিহিত হৈ থাকে। লট্‌জে কোৱাৰ দৰে মূল্য সন্তোষ বা আনন্দৰ দৰে একে পৰ্যায়ৰ নহয়, সন্তুষ্টিৰ অনুভূতি, মূল্যৰ অভিসূচক মাত্ৰ। ই মূল্য নহয়। বস্তুটোৰ মূল্য আছে, সেয়ে ই আমাক সন্তোষ দিয়ে। আমাৰ পৰীক্ষা বা সমুচিত মূল্যনিৰ্দ্ধাৰণ ভিন্ন, কিন্তু বস্তুটোৰ অন্তর্নিহিত স্বভাৱত কিবা এটা আছে যিটোৱে আমাক ক'বলৈ বাধ্য কৰায় যে এইটো ধুনীয়া বা শ্ৰেয়ঃ। যেতিয়া আমি কওঁ "ৰামধেনু ধুনীয়া" এই বিচাৰ আমাৰ মধুৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। ৰামধেনুৰ মাজত কিবা এটা বিশেষ বস্তু আছে, যিটোৱে আমাক সেই ধৰণেৰে বিচাৰ কৰিবলৈ বাধ্য কৰায়। সেয়ে মূল্য বস্তুনিষ্ঠ। বহলাই ক'বলৈ হ'লে, সৌন্দৰ্যৰ অস্তিত্ব সকলো মানুহৰ বাবে একে আৰু যথেষ্ট পৰিমাণৰ প্ৰশিক্ষণ বা শিক্ষাই সাধাৰণ মানৰ সৌন্দৰ্যমূলক বচনলৈ আনিবলৈ যত্ন কৰে। আমাৰ মূল্য নিৰ্দ্ধাৰণৰ ক্ষমতাৰ শিক্ষণীয় সম্ভাৱনা আৰু এইদৰে সাধাৰণ মানৰ উন্নয়নে দেখুৱাই যে মূল্যবোৰ সাৰ্বজনীন আৰু বস্তুনিষ্ঠ। সেয়ে আমি ক'ব পাৰো যে মূল্যবোৰ বস্তুনিষ্ঠ, যেনে- সত্য, সুন্দৰ আৰু শ্ৰেয় সমূহ তুলনাৰ দ্বাৰা নিৰ্ণিত বস্তুনিষ্ঠ মান বা আদৰ্শ। গতিকে মূল্যবোধ সম্পূৰ্ণভাবে আমাৰ মূল্যনিৰ্দ্ধাৰণৰ দ্বাৰা গঠিত নহয়। সেয়েহে মূল্যসমূহ সম্পূৰ্ণভাবে বস্তুনিষ্ঠও নহয়। আমি বিশ্বাস কৰো যে মূল্যসমূহৰ



ৰুডল্‌ফ হার্টমেন লট্‌জ (Rudolf Hartman Lotze, 1817-81)- এগৰাকী জার্মান দার্শনিক। তেওঁৰ লিখনিসমূহ- Metaphysik, Logic



আত্মনিষ্ঠ - আত্মসত্তাৰ অৱস্থা

মনৰ বা আনৰ দ্বাৰা মূল্য নির্ণায়ক নহ'লে মূল্যই নহয়।

মূল্যসমূহ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ উভয়ে -

এটা বিশেষ বস্তুৰ ভিতৰৰ মূল্য আত্মনিষ্ঠ নে বস্তুনিষ্ঠ এই বিষয়টোক লৈ দার্শনিকসকলে বিভিন্ন মতামত আগবঢ়াইছে। কিছুমান দার্শনিকে দুয়োটা সম্পূর্ণ মতামতৰ মাজত সমন্বয় আনিবলৈ চেষ্টা কৰিছে। এছ আলেকজেণ্ডাৰে (S. Alexender) মূল্যসমূহক মুখ্য আৰু গৌণ মূল্যৰ পৰা ভিন্ন তৃতীয় এবিধ গুণ বুলি বর্ণনা দিছে, যিসমূহ সম্পূর্ণভাবে বস্তুনিষ্ঠ। তেওঁৰ মতে মূল্যসমূহ আত্মনিষ্ঠ চর্তসাপেক্ষ বস্তুনিষ্ঠ গুণ। সত্য, সুন্দৰ আৰু মংগল এই আদর্শ বা মূল্যসমূহৰ অস্তিত্ব বস্তুত বিদ্যমান আৰু সেইবোৰ মানুহৰ মনৰ ভিতৰতো আছে। আমি এটা তথ্য সত্য বা সুন্দৰ বা মংগল বুলি বিচাৰ কৰো কাৰণ এই মূল্যসমূহ তথ্যৰ ভিতৰত আছে।



বস্তুনিষ্ঠ - প্রকৃত বস্তুটোত থকা স্বভাৱ। যিটোৰ অস্তিত্ব জ্ঞাত মনৰ পৰা স্বাধীন।

বস্তুৰ মূল্যসমূহৰ দুটা পৰিবর্তনীয় কার্য হ'ল- পাৰিপাৰ্শ্বিক (বিষয়নিষ্ঠ) আৰু জৈৱিক (আত্মনিষ্ঠ) বিষয়মূলক আৰু বিষয়ীমূলক। এটা বস্তুৰ মূল্য নির্ণয় কৰা হয়, মানুহৰ আকাংক্ষাৰ দ্বাৰা কিন্তু বস্তুটো আকাংক্ষাৰ হয় নে বা আকাংক্ষাৰ নহয় সেইটো সম্পূর্ণভাৱে নির্ভৰ কৰে, বস্তুটোৰ কিছুমান বিশেষ ধর্ম বা গুণৰ ওপৰত। উদাহৰণ স্বৰূপে ক'ব পাৰি - মানুহৰ যদি সোণৰ প্রতি আকাংক্ষা নাথাকিলেহেতেন তেনেহ'লে তাৰ কোনো মূল্য নাথাকিলেহেঁতেন। কিন্তু বোধহয় মানুহে ইয়াক পাবলৈ আকাংক্ষা কৰে কাৰণ ইয়াৰ চকমকনি আছে আৰু ই এবিধ স্থায়ী ধাতু।

মূল্যৰ বচনসমূহ সেয়ে তথ্য সমন্বিত বচন যিবোৰে মূল্যবান গুণসমূহৰ বর্ণনা দিয়ে। সত্য, সুন্দৰ আৰু মংগলৰ মূল্যসমূহৰ প্রগতিশীল উপলব্ধিয়েই হ'ল মানুহৰ জীৱন। সেইবিলাক মানুহৰ দ্বাৰা সৃষ্ট বস্তু নহয়, কিন্তু এই মূল্যসমূহ নিজেই মানুহৰ আগত প্রকাশিত হয়। বাহ্যিক আধ্যাত্মিক শক্তি ৰূপে মূল্যসমূহে মানুহক ওচৰ চপাই আনি, পূর্ণ আধ্যাত্মিক সত্তা স্বৰূপ কৰি তোলে। বাস্তৱ সত্তা নিজস্ব ভাৱেই মূল্যৱান। বহুতো চিন্তাবিদে, যিসকলে ভাবে যে মূল্য অন্তর্নিহিত, তেওঁলোকে বস্তুনিষ্ঠ আৰু আত্মনিষ্ঠতাৰ ওচৰত আহি এক প্রকাৰ সমন্বয়ত অৱতীর্ণ হ'বলৈ চেষ্টা কৰে।

১২.৪.২ অন্তর্নিহিত আৰু বহির্গত মূল্য

অন্তর্নিহিত মূল্যৰ ধাৰণাটোক বিভিন্ন ধৰণেৰে বিশ্লেষণ কৰা হৈছে। জি.ই.মুৰৰ (G.E.Moore) এক বিশেষ ভাৱধাৰাত পোৱা যায় যে অন্তর্নিহিত মূল্যবান বস্তুবোৰৰ উৎস, সিহঁতৰ নিজস্ব মূল্যসমূহেই। যি ক্ষেত্রত বহির্গত মূল্যবান বস্তুবোৰে সিহঁতৰ মূল্য আন এটা উৎসৰ পৰা উদ্ধৃত কৰে। অন্তর্নিহিত মূল্যৰ ভিত্তি মূল্যতেই, কিন্তু অন্যৰ পৰা লোৱা নহয়, বস্তুৰ স্বাভাৱিক অন্তর্নিহিত ধর্ম বা গুণ। জি ই মুৰে অন্তর্নিহিত

মূল্যৰ বস্তুসমূহক দৈহিক ঐক্যৰ নিচিনা বুলি বিবেচনা কৰে। মূল্যবান বস্তুবোৰৰ মিলনে এক দৈহিক পূৰ্ণতাৰ আকাৰ দিয়ে, যাৰ মূল্য সিহঁতৰ অংশীভূত মূল্যৰ সমষ্টিতকৈ বেছি মহৎ। এখন ৰঙীন চিত্ৰৰ পৃথক পৃথক ভাৱে ক্ষুদ্ৰতম মূল্য আছে। কিন্তু সম্পূৰ্ণ চিত্ৰখনৰ মূল্য বেছি।

ৰাইটৰ (Wright) মতে অন্তর্নিহিত মূল্য নিজৰ বাবেই মূল্যবান আৰু যান্ত্রিক মূল্য, ইয়াৰ পৰিণামৰ কাৰণে। ইয়াত যান্ত্রিক মূল্যক, বহির্গত মূল্য বুলি অর্থ কৰা হৈছে। উদাহৰণ স্বৰূপে ক'ব পৰা যায় যে সত্য, সুন্দৰ আৰু মংগল, ইত্যাদিবোৰ অন্তর্নিহিত মূল্য। এইসমূহৰ উদ্দেশ্য নিজতেই। এইসমূহ আন এটা উদ্দেশ্যত অৱতীর্ণ হোৱাৰ উপায় নহয়। নৈতিক মূল্যসমূহ নিজতেই শ্রেয়, কাৰণ এইসমূহ নৈতিক বাধ্য-বাধ্যকতা, নৈতিক কর্তব্য আৰু ভাল আচৰণ লৈ আগুৱাই নিয়াৰ অন্তর্ভুক্ত। অন্তর্নিহিত মূল্যসমূহৰ ক্ষেত্রত এটা মাত্র প্রশ্ন লৈয়ে বিভিন্ন মতামত উত্থাপিত হয় যে - এই মূল্যৰ অস্তিত্ব বস্তুত নে ব্যক্তিত থাকে। আনহাতে বহির্গত মূল্যৰ অর্থ হ'ল কিছুমান বস্তুৰ মূল্যৰ বাবে কিছুমান বস্তুৰ প্রয়োজন, যিবোৰ মূল্যৰ উদ্দেশ্য সিহঁতৰ নিজৰ মাজতে নাথাকে, গতিকে এইবিধ মূল্য আন কিছুমান বস্তুৰ উদ্দেশ্য সাধনৰ উপায়। সেইসমূহকে বহির্গত মূল্য বুলি কোৱা হয়। বহির্গত মূল্যৰ স্বৰূপ বিষয়ীমূলক আৰু প্রয়োজনীয়তাৰ মৌলিক তথ্য ইয়াৰ ভিত্তি। উপযোগিতাবাদীসকলৰ মতে মূল্যসমূহৰ পূর্বৱর্তী কোনো অস্তিত্ব নাই। এটা কৃতকার্যতামূলক পৰীক্ষণ পদ্ধতিৰ দ্বাৰা এইসমূহ মানুহৰ দ্বাৰা সৃষ্ট। যেতিয়াই সমস্যাৰ সমাধান হয়, তেতিয়াই এইসমূহ উদয় হয়। বহির্গত মূল্যৰ নিজস্ব বাঞ্ছনীয়তা বা প্রয়োজনীয়তা নাই। ধন আৰু সম্পত্তিক বহির্গত মূল্য বুলি ধৰা হয়, কাৰণ সেইসমূহ নিজৰ বাবে উপযোগী নহয়। কিন্তু আমাৰ আকাংক্ষাবোৰক সন্তোষ দিয়া বস্তুবোৰ কিনাত, এইসমূহ ব্যৱহাৰ কৰিব পাৰি বাবে সেইসমূহ মূল্যবান। সেয়ে ধনৰ বহির্গত মূল্য আছে। অন্তর্নিহিত মূল্য স্বকীয়ভাবেই মূল্যবান। আমি বহুত বস্তুক মূল্য দিওঁ। সেয়ে কোনবোৰ অন্তর্নিহিত আৰু কোনবোৰ বহির্গত তাক নির্ণয় কৰাটো কঠিন। সত্য, সুন্দৰ আৰু মংগলক মানুহৰ জীৱনৰ অন্তর্নিহিত মূল্য বুলি সার্বজনীন ভাবে মানি লোৱা হৈছে।

আধ্যাত্মিক - আত্মাৰ অধিকাৰত থকা।

অন্তর্নিহিত - পূর্ণৰ লগত অংশৰ সমন্বিত হোৱাৰ মূল্য।

এছ. আলেকজেণ্ডাৰ (S. Alexender, 1859-1938)- এগৰাকী বৃটিছ নব্য বাস্তৱবাদী। প্রধান লিখনি- Space, Time and Deity.

চিন্তা চর্চা কৰকঃ ১২.২

- আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ মূল্যবোৰৰ মাজত পার্থক্য আছেনে? আলোচনা কৰক।
  উত্তৰঃ .....
  .....
- বহির্গত মূল্যৰ পৰা অন্তর্নিহিত মূল্যক পার্থক্য কৰি দেখুৱাব পাৰিবনে? আলোচনা কৰক।

উত্তৰঃ .....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৬ঃ মূল্যৰ তিনিটা প্রধান প্রবাদ কি?

.....

.....

প্রশ্ন নং৭ঃ আত্মনিষ্ঠ মূল্য বুলি ক'লে কি বুজা যায়? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৮ঃ বস্তুনিষ্ঠ মূল্য বুলি ক'লে কি বুজা যায়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৯ঃ কোনে মূল্যক তৃতীয়ক গুণ হিচাপে বর্ণনা কৰে।

.....

.....

প্রশ্ন নং১০ঃ এচ্ আলেকজেণ্ডাৰৰ মতে মূল্যৰ ধাৰণাটোৰ বিষয়ে সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং১১ঃ অন্তর্নিহিত মূল্য কি? (৪০টা শব্দৰ ভিতৰত লিখক))

.....

.....

প্রশ্ন নং১২ঃ বহির্গত মূল্য কি? ((৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং১৩ঃ কিয় বহির্গত মূল্যৰ কাৰণ বিষয়ক মূল্য বুলি কোৱা হয়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং১৪ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক -

ক) অন্তর্নিহিত মূল্যৰ উদ্দেশ্য ইয়াৰ নিজৰ মাজতে থাকে। (শুদ্ধ/অশুদ্ধ)

খ) মূল্যসমূহ কেৱল বস্তুনিষ্ঠ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং১৫ঃ খালী ঠাই পূৰণ কৰক —

ক) জি ই মুৰে বস্তুসমূহৰ অন্তর্নিহিত মূল্যক ..... বিবেচনা কৰিছিল।

খ) বহির্গত মূল্যসমূহ ..... স্বভাৱৰ।

১২.৫ তথ্য আৰু মূল্য

এতিয়া তথ্য-মূল্যৰ সম্বন্ধটো বিশ্লষণ কৰা যাওঁক। তথ্য আৰু মূল্য দুই বিষয়ক লৈয়ে সকলো নৈতিক আলোচনা জড়িত। সাধাৰণতেই আমি নীতি শাস্ত্রত তথ্যৰ প্রশ্নৰ পৰাই মূল্যৰ বিবেচনালৈ আহো। ডেভিড হিউমেই (David Hume) প্রথমে নৈতিক অৱস্থাৰ এই সমস্যাৰ দিশটোলৈ দৃষ্টি আকর্ষণ কৰায়। তেওঁ এইদৰে কয় যে তথ্যৰ পৰা মূল্যলৈ যাব পৰাটো যুক্তিগত ভাবে সন্দেহযুক্ত। জি ই মূৰৰ মতে তথ্যবচনৰ পৰা মূল্যবচনৰ সংজ্ঞা দিয়াৰ অবৈধতাক পিছত প্রকৃতিবাদী দোষৰ দ্বাৰা চিহ্নিত কৰা হয়।

এটা বিশেষ প্রশ্ন হৈছে মূল্যসমূহৰ অস্তিত্ব আছেনে? যদি আছে কেনেকৈ সেইসমূহ তথ্যৰ লগত সম্বন্ধিত। তথ্যসমূহ প্রকৃতিত অস্তিত্বশীল বুলি বিবেচনা কৰা হয়। কিন্তু মূল্যসমূহ বস্তুৰ প্রয়োজনীয়তাৰ মূল্য নির্দ্ধাৰণৰ লগত সংযুক্ত। বস্তুনিষ্ঠ বিজ্ঞানৰ তথ্যৰ লগত সম্পর্ক। আনহাতে আদর্শনিষ্ঠ বিজ্ঞানৰ মূল্যৰ লগত সম্পর্ক আছে।

সাধাৰণতেই আমি তথ্যৰ অৱধাৰণা আৰু মূল্যৰ অৱধাৰণাৰ মাজত থকা পার্থক্য দেখো। তথ্যৰ অৱধাৰণা এটাই অভিজ্ঞতাজনিত তথ্যৰ বর্ণনা দিয়াতে নিজক সম্বন্ধ যুক্ত কৰে আৰু সেই বর্ণনা শুদ্ধও হ'ব পাৰে বা অশুদ্ধও হ'ব পাৰে। যেনে - "এই গোলাপটো ৰঙা" আনহাতে মূল্য অৱধাৰণে বস্তুটোৰ মূল্যৰ ওপৰত প্রয়োজনীয় গুণৰ বিচাৰ কৰিবলৈ চেষ্টা কৰে। যেনে- "ৰামধেনু ধুনীয়া"। সেয়ে তথ্যৰ অৱধাৰণাসমূহ প্রত্যক্ষ বা অনুমানৰ ওপৰত নির্ভৰশীল বর্ণনা, কিন্তু মূল্যৰ অৱধাৰণসমূহ মূল্য নির্ণায়ক। এই অৱধাৰণাসমূহে ভাল, বেয়া, শুদ্ধ, অশুদ্ধ, ধুনীয়া, কুৎসিত আদিৰ নিচিনা মূল্যৰ সহায়ত আদর্শ, শ্রেষ্ঠ, মান, নমুনাৰ নির্দেশ কৰে। আমি কিছুমান তথ্য অনুমোদন কৰা বা অনুমোদন নকৰা, ভাল লগা, বেয়া লগা বুলি প্রকাশ কৰো। সেয়ে তথ্যৰ অৱধাৰণে কেৱল বস্তুটোৰ বা তথ্যৰ প্রকৃত স্বৰূপৰ বর্ণনা দিয়ে। আনহাতে মূল্যৰ অৱধাৰণে কেৱল বস্তুটোৰ বর্ণনাই নিদিয়ে, বস্তুটোৰ প্রয়োজনীয়তাৰ মূল্যও নির্দ্ধাৰণ কৰে।

এই বর্ণনাসমূহ আৰু কিছু বহলাই কৰা যাওঁক। আমাৰ তথ্যজনিত বচনসমূহ প্রকৃত কার্যকৰী অৱস্থাৰ লগত সম্বন্ধিত। আনহাতে আমাৰ মূল্যজনিত বচনসমূহ কার্যকৰী অৱস্থাৰ আদর্শৰ লগত সম্বন্ধিত। মূল্যজনিত বচনসমূহ আদর্শজনিত, আদর্শৰ লগত জড়িত। সেয়ে বস্তুনিষ্ঠ বিজ্ঞানসমূহ বর্ণনামূলক বচনৰ পৰা পৃথক। তথ্যজনিত বচনে ঘটনাটো বা অৱস্থাটো কি সেইটো আমাক কয়। আনহাতে মূল্যজনিত বচনে ঘটনাটো বা অৱস্থাটো কেনে হোৱা উচিত তাৰ বিষয়ে



ডেভিড হিউম (David Hume, 1711-1776)- এগৰাকী বৃটিছ দার্শনিক। প্রধান কৃতিসমূহ- A treatise of Human Nature on enquiry concerning Human understanding.



প্রকৃতিবাদী দোষ - যিটো আকাংক্ষিত বা মন আকৃষ্ট কৰা আদি শব্দৰে প্রাকৃতিক বস্তুৰ মূল্যৰ সংজ্ঞা নিৰূপণ কৰাৰ লগত জড়িত।

আমাক কয়। সেয়ে মূল্যসমূহ তথ্যৰ সৈতে একে নহয় বা তথ্যলৈ আনিব পৰা নাযায়।

তথ্যজনিত বচনসমূহ বস্তুনিষ্ঠ কাৰণ, এইসমূহে বস্তুৰ গুণবোৰৰ বৰ্ণনা দিয়াতহে গুৰুত্ব দিয়ে। মূল্যজনিত বচনসমূহ সম্পূৰ্ণভাৱে আত্মনিষ্ঠ বা সম্পূৰ্ণভাৱে বস্তুনিষ্ঠও নহয়।

মূল্যজনিত বস্তুসমূহৰ আত্মনিষ্ঠতা ব্যক্তি এজনে দিয়া প্ৰাধান্য বা মূল্যায়নৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে মোৰ জ্ঞানৰ অবিহনেও এপাহ গোলাপ ফুল এটা তথ্য হ'ব পাৰে। কিন্তু চকুৰে দেখি তাক সমাদৰ নকৰিলে সুন্দৰ হ'ব নোৱাৰে। মূল্য নিৰ্দ্ধাৰিত ধাৰণাই যেনে- ভাল, বেয়া, ধুনীয়া ইত্যাদিবোৰে বিষয়ৰ কোনো এটা বস্তুৰ প্ৰতি থকা মনোভাৱ প্ৰকাশ কৰে। মুঠতে মূল্যজনিত বচনসমূহ আত্মনিষ্ঠ, এই কাৰণেই যে সেইবোৰ এক জ্ঞাত মনৰ দ্বাৰা কৰা সমাদৰ, মূল্যায়ন বা মূল্য নিৰ্দ্ধাৰণৰ ওপৰত নিৰ্ভৰশীল।

কিন্তু মূল্যজনিত বচনবোৰ বস্তুনিষ্ঠও। কেৱল আত্মনিষ্ঠ বুলি দেখুওৱা যুক্তি আংশিকভাবেহে সত্য। যেতিয়া আমি বিচাৰ কৰো যে এটা বস্তু ধুনীয়া, তেতিয়া আমি অনুভৱ কৰো যে বচনটো স্বেচ্ছাচাৰী জনিত নহয়। কিন্তু বিচাৰ কৰা বস্তুটোৰ মাজত কিবা এটা আছে, যিটোৱে তেনে ধৰণৰ আৱশ্যকীয় বচন তৈয়াৰ কৰিছে। মূল্যজনিত বচনে তথ্য-মূল্যৰ কিছুমান বস্তুনিষ্ঠ স্বভাৱৰ বৰ্ণনা দিয়ে। বস্তু এটা ভাল বা কাৰ্য এটাৰ শুদ্ধতা, কোনোবাজনৰ কেৱল ভাল লগা বা মানি লোৱাৰ ওপৰত নিৰ্ভৰ নকৰে। মুঠতে মূল্যজনিত বচনবোৰ বস্তুনিষ্ঠ এই কাৰণেই যে সেইবিলাক, যি সমূহ তথ্য, সেই তথ্য আৰু কাৰ্যবোৰ মূল্যৰ ওপৰত নিৰ্ভৰীল।



আদৰ্শনিষ্ঠ - মান নিৰ্দ্ধাৰণৰ লগত জড়িত

মূল্যজনিত বচনবোৰত তুলনামূলকভাৱে মূল্যায়নৰ এক মান বা আদৰ্শ জড়িত হৈ আছে আৰু এইটো কিবা এটা যিটোৱে আমাক পূৰ্ণভাৱে সন্তোষ দিয়ে। এই আদৰ্শটো ব্যক্তি এজনৰ কেৱল মনোনয়ন বা পছন্দৰ ওপৰত নিৰ্ভৰ নকৰে। আদৰ্শটো বস্তুনিষ্ঠ বা যথাৰ্থ এই কাৰণেই যে ই মূল্যায়নৰ আৱশ্যকীয় মান। মুঠতে তথ্যমূলক বচনসমূহ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ দুয়োটাই।

অৱশেষত আমি সিদ্ধান্তত আহিব পাৰো যে তথ্য আৰু মূল্যৰ মাজত সম্বন্ধ আছে। যদিও তথ্যৰ অস্তিত্ব জ্ঞাত মনৰ পৰা স্বাধীন, তথাপি ইয়াৰ মূল্যায়নৰ বাবে বা পছন্দৰ বাবে ই মনৰ ওপৰত নিৰ্ভৰশীল। সকলোবোৰ নৈতিক আলোচনা বৰ্ণনামূলক আৰু মূল্য নিৰ্ণায়ক এই দুয়োটাৰে সন্মিলিত ব্যৱহাৰৰ দ্বাৰা চিহ্নিত কৰা হয়।

১২.৬ বাস্তৱ সত্তা আৰু মূল্য

মূল্যবোধৰ ওপৰত এক বিশেষ ধাৰণা পোৱা হ'ল। আমি এতিয়া বস্তুসত্তাৰ ভিতৰত মূল্যৰ অৱস্থানৰ বিষয়ে আলোচনা কৰো। বাস্তৱ সত্তাৰ লগত মূল্যৰ সম্বন্ধক লৈ হোৱা সমস্যাটো অতীতৰ দাৰ্শনিক পদ্ধতিসমূহৰ মাজতো সদায় এক গুৰুত্বপূৰ্ণ স্থান আছিল। আদৰ্শনিষ্ঠ দৃষ্টিভঙ্গীৰ পৰা -

- মূল্যক বস্তু সত্তাৰ সৈতে অবিচ্ছেদ্যভাৱে যুক্ত কৰা হৈছে। যথাৰ্থতাই হ'ল মূল্যবান। যথাৰ্থ হোৱাটোৱেই পৰম মূল্যবান হোৱাৰ নিচিনা একে বস্তু বুলি বিবেচনা কৰি ব্যৱহাৰ কৰিছে। পূৰ্ণসত্তা, পূৰ্ণ বিবেকশীলৰ সমৰূপ বুলি ক'ব পাৰি (বিশ্বজনীন বিচাৰ শক্তি)। পূৰ্ণ বিবেকশীল

পূর্ণ মূল্যবান হ'বই লাগিব।

- বাস্তৱ সত্তাৰ পৰিমাণ মূল্যৰ মান বা মাত্রাৰ সৈতে একে।
- যথার্থ আৰু অযথার্থৰ মাজৰ প্রধান বৈসাদৃশ্যতাইও মূল্য আৰু মূল্যহীনৰ পার্থক্যতাৰ অর্থ কৰে।
- পৰম সত্তাই একে সময়তে পৰম মূল্যবান। পৰম মূল্য (অৱশেষত) হ'ল একমাত্র আদর্শ।

এই সকলোবোৰ উক্তিয়ে প্লেটোৰ ভাৱ মতবাদৰ অর্থ কৰা দেখা যায়। ভাৱ বা প্রত্যয়বোৰেই সাৰবস্তু বা মূল তত্ত্ব। প্লেটোৰ এই ভাৱ বা প্রত্যয়সমূহ এখন ৰাজ্যৰ অধিকাৰী, যিখন প্রকৃত বস্তুৰ ৰাজ্যৰ পৰা পৃথক। প্রত্যয় বা ভাববোৰেই বাস্তৱ সত্তাৰ মৌলিক তত্ত্ব। এই সকলো ভাৱৰ অতি উত্তম ভাৱটো হ'ল "মংগল"। মংগলৰ ভাৱধাৰাই হ'ল বাস্তৱ সত্তাৰ পৰম মৌলিক তত্ত্ব। সেয়ে প্লেটোৰ মতে ভাৱসমূহ প্রকৃত বস্তুতকৈ বেছি যথার্থ। প্লেটোই ধৰি লৈছিল যে মূল্যবোৰ বাস্তৱ সত্তাতকৈ বেছি উৎকৃষ্ট।

এফ এইচ ব্রেড্‌লী (F. H. Bradley, 1846-1924)- এগৰাকী বৃটিছ দার্শনিক। প্রধান লিখনি- Ethical Studies Appearance and Reality.

স্পিনোজা (Spinoza), ব্রেড্‌লি (Bradley), শংকৰে (Sankar) মত পোষণ কৰে যে মানৱ মূল্যতকৈ পূর্ণসত্তা বেছি শ্রেষ্ঠ। ব্রেড্‌লিৰ মতে মূল্যতো হৈছে এটা সম্বন্ধযুক্ত ধাৰণা আৰু সেয়ে পূর্ণৰ ক্ষেত্রত ইয়াক প্রয়োগ কৰিব নোৱাৰি, কাৰণ ই সকলো সম্বন্ধৰ ওপৰত। শংকৰেও ধৰি লৈছে যে মূল্যসমূহৰ ব্যৱহাৰিক দিশৰ পৰা যথার্থতা আছে। কিন্তু পাৰমার্থিক দিশৰ পৰা অস্তিত্বহীন। পাৰমার্থিক দিশৰ পৰা সেয়ে মূল্যসমূহ অসত্য বা কাল্পনিক। মানৱ দৃষ্টিকোণৰ পৰাহে কেৱল মূল্যবোৰ সত্য।

বেছিভাগ দার্শনিকে এই দৃষ্টিভংগীটোক মানি লোৱা নাই কাৰণ, এই দার্শনিক পদ্ধতিয়ে মূল্যবোৰ অসত্য বুলি কয়, আৰু নৈতিক আৰু আধ্যাত্মিক জীৱনৰ গুৰুত্ব উপলব্ধি নকৰে। আকৌ আধুনিক আৰু সমসাময়িক দার্শনিকসকলে সেয়ে উপলব্ধি কৰে যে মানৱমূল্যক বাস্তৱসত্তাৰ এটা অংশ বুলি ব্যৱহাৰ কৰা উচিত।

প্লেটো (Plato, B.C. 427-347)- এগৰাকী গ্রীক দার্শনিক। তেওঁৰ বহু বিস্তৃত লিখনি- The Dialogues which touch upon every major problems of Philosophy.

আমি মানৱ জাতিয়ে আমাৰ জীৱনত মূল্যক সম্পূর্ণভাৱে উপলব্ধি কৰিব নোৱাৰো। মূল্যসমূহ যথার্থ আৰু বস্তুনিষ্ঠ বুলি মানিবই লাগিব, নহ'লে আধ্যাত্মিক জীৱনৰ সকলো অর্থহীন হৈ পৰিব। গতিকে আমাৰ মূল্যবোৰ ৰক্ষণ বা সংৰক্ষণৰ বাবে এক অনন্ত পূর্ণসত্তা (ঈশ্বৰ) থাকিবই লাগিব। ঈশ্বৰপন্থী ভাববাদীসকলে ধৰি লৈছে যে মূল্যবোৰ হ'ল, বিশ্বজনীন মন ঈশ্বৰৰ দ্বাৰা পৰিকল্পিত, আকাংক্ষিত আৰু ইচ্ছাকৃত পূর্বজ্ঞাত পৰম উদ্দেশ্য। হেগেলৰ অনুসৰণকাৰী 'ৰয়চ'ৰ মতে পৰম সত্তা (ঈশ্বৰ) মানৱ মূল্যৰ ৰক্ষক। ই সকলো মূল্যৰ সন্তুষ্টি, কাৰণ এই সত্তা অসীম, আত্মচৈতন্য, ইচ্ছা আৰু প্রেম। প্রীংগল পেটিছনেও (Pringle Pattison) পূর্ণ সত্তাক সত্য, মংগল আৰু সুন্দৰৰ অনন্ত অবয়ৱৰ অঙ্গীভূত যেন বুলি মানি লৈছে। মানৱ সত্তাৰ বাবে পূর্ণ আৰু পৰম মূল্য কেৱল এটা আদর্শ। কিন্তু ঈশ্বৰৰ অভিজ্ঞতাত ই যথার্থ সত্য। ঈশ্বৰক আমাৰ মূল্য অৱধাৰণৰ পৰম মান বুলি মানি ল'ব পাৰি।



চিন্তা চৰ্চা কৰকঃ ১২.৩

- তথ্যজনিত বচন আৰু মূল্যাৰ্থক বচনৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়নে?

উত্তৰঃ .....

.....

- বাস্তৱ সত্তা আৰু মূল্যৰ মাজত সম্বন্ধ আছে বুলি মানি ল'ব পাৰিনে? আলোচনা কৰক।

উত্তৰঃ .....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১৬ঃ প্রকৃতিবাদী দোষ কি? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং১৭ঃ পোন প্রথমবাৰৰ বাবে কোনে তথ্যৰ পৰা মূল্যলৈ গতি কৰা ধাৰণাটো যুক্তিগতভাৱে সন্দেহযুক্ত বুলি অভিমত দিছিল?

.....

.....

প্রশ্ন নং১৮ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক -

ক) তথ্যমূলক বচনবোৰ বস্তুনিষ্ঠ বিজ্ঞানৰ বচন। (শুদ্ধ/অশুদ্ধ)

খ) প্লেটোই ধৰি লৈছিল যে মূল্যসমূহ বাস্তৱ সত্তাতকৈ উৎকৃষ্ট (শুদ্ধ/অশুদ্ধ)

গ) বাস্তৱবিজ্ঞান/ভৌতিক বিজ্ঞান তথ্যৰ লগত সম্পর্কিত। (শুদ্ধ/অশুদ্ধ)

ঘ) আদর্শনিষ্ঠ বা মানবিশিষ্ট বিজ্ঞান মূল্যৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

ঙ) মূল্যৰ অবধাৰণবোৰে আদর্শ, মান আদিক সূচায়। (শুদ্ধ/অশুদ্ধ)

চ) প্লেটোৰ মতে, ধাৰণাবোৰ হ'ল সাৰবস্তু বা মূলবস্তু । (শুদ্ধ/অশুদ্ধ)

ছ) শঙ্কৰৰ মতে, মূল্যসমূহৰ ব্যৱহাৰিক দিশৰ পৰা যথার্থতা আছে, কিন্তু পাৰমার্থিক দিশৰ পৰা অস্তিত্বহীন। (শুদ্ধ/অশুদ্ধ)



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত মূল্যৰ ধাৰণাৰ ওপৰত আলোচনা কৰা হ'ল। উপৰোক্ত আলোচনাৰ পৰা তলৰ সমীক্ষাখিনি পাওঁ।

- মূল্য শব্দটো অনিশ্চিতার্থক বুলি মানি ল'ব লাগিব। মূল্যই এটা কার্য, আচৰণ, বিধি আৰু বস্তু এটাক ভাল বা বেয়া কৰে।
- মূল্য সম্পর্কে দার্শনিকসকলৰ মাজত পৰস্পৰ বিৰোধী দৃষ্টিভঙ্গী আছে। শুদ্ধ আৰু অশুদ্ধৰ মানদণ্ডৰ দ্বাৰা মূল্য নির্ণয় কৰা হয়। বহুতে নিজৰ ভাৱধাৰাৰে মূল্যৰ সংজ্ঞা দাঙি ধৰিছে। যেনে- (ক) মূল্য প্রয়োজনীয়তা মূলক (খ) মূল্য আনন্দমূলক (গ) মূল্য অন্তর্নিহিতভাবে শুভ।
- বস্তুনিষ্ঠ আৰু আত্মনিষ্ঠ দুয়োটা উপাদানেই মূল্যত আছে। এই প্রশ্ন লৈ দার্শনিকসকলৰ মতৰ মাজত পার্থক্য আছে। মূল্যক আমাৰ আত্মিক মূল্য নির্দ্ধাৰণৰ দ্বাৰা অৱস্থা অনুযায়ী মানি লোৱা তথ্যৰ বাহ্যিক গুণ বুলি ক'ব পাৰি।
- সাধাৰণতে মূল্যক দুটা ভাগত ভাগ কৰিব পাৰি। জীৱনৰ কিছুমান মূল্যক সিহঁতৰ নিজস্বতাৰ কাৰণে বিচৰা হয়। যেতিয়া আন বিধক বাহ্যিক উদ্দেশ্যত উপায় হিচাপে আকাংক্ষা কৰা হয়। প্রথম বিধ সম্পূর্ণ ভাবে অন্তর্নিহিত মূল্য আৰু পিছৰ বিধ সম্বন্ধিত বা বহির্গত মূল্য। বহু বস্তু আছে যিবোৰ মূল্যবান। কোনবোৰ অন্তর্নিহিত আৰু কোনবোৰ বহির্গত তাক নির্দ্ধাৰণ কৰাতো খুব অসুবিধাজনক।
- মূল্য আৰু তথ্যৰ মাজত সম্বন্ধ আছে আৰু তাত্ত্বিক অনুসন্ধানেৰে মতসমূহ ভাগ কৰা হৈছে। তথ্যটো প্রকৃতিত যেনে ভাবে ঘটিছে বা আছে তেনেকুৱাই। কিন্তু মূল্য বস্তুটোৰ প্রয়োজনীয়তাৰ মূল্যায়নৰ সৈতে সংযুক্ত।
- দার্শনিক পদ্ধতিসমূহত বাস্তৱ সত্তাৰ মূল্যৰ লগত থকা সম্বন্ধৰ সমস্যাটোৱে সদায় গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছে। মূল্যসমূহ বাস্তৱ সত্তা আৰু পূর্ণ সত্তাৰ ৰক্ষক। এইটোৱেই মূল্যৰ সমাপ্তি। সেয়ে মূল্য বা আদর্শসমূহ মিথ্যা বা অসত্য নহয়। আধুনিক বা সমসাময়িক দার্শনিকসকলে উপলব্ধি কৰি কৈছে যে - মূল্যসমূহ বাস্তৱ সত্তাৰে অংশ বুলি ব্যৱহাৰ কৰা উচিত।



১২.৮ অধিক জানিবলৈ

1. John S. Mackenzie. *A manual of Ethics.*
2. William Lillies. *An Introduction to Ethics.*
3. J.N. Sinha. *Introduction to Philosophy.*
4. Perry. *General Theory of Value.*
5. পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় ঃ *নীতিশাস্ত্র।*



১২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ মূল্যক আকৃষ্ট, আনন্দ, পছন্দ, প্রাধান্য, কর্ত্তব্য, নৈতিক বাধ্যবাধকতা, আগ্রহ, আৱশ্যকতা, প্রয়োজনীয়তা, দ্বেষ আৰু আকর্ষণ আৰু আন বহুতো নির্বাচিত মৌলিক আদর্শ বুলি অভিহিত কৰিব পৰা যায়।

২নং প্রশ্নৰ উত্তৰ ঃ প্লেটোৰ আর্থিক মূল্য বা মান (অর্থ), সুখবাদী মূল্য (কাম), নৈতিক মূল্য (ধৈর্য), ধর্মীয় আধ্যাত্মিক মূল্য।

৩নং প্রশ্নৰ উত্তৰ ঃ নিকলাই হার্টমেনৰ মতে, মূল্যসমূহ সাৱবস্তু বা অন্তৱসত্তা আৰু স্ববিদ্যমান। সেয়ে, মূল্যসমূহ অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল নহয়। সেয়ে ই পূর্ব অভিজ্ঞতাজনিত জ্ঞানবৃত্তি কাৰণ, মূল্যসমূহক অন্তর্দৃষ্টিৰ দ্বাৰাহে জানিব পৰা যায়। গতিকে মূল্যসমূহক অতিন্দ্রীয় সত্তাৰ অংশ বুলি ভবা হয়। হার্টমেনে এই ক্ষেত্রত মূল্যসমূহ অস্তিত্বশীল সত্তাৰ আকৃতিত এক প্লেটনিক ধাৰণা।

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) উত্তৰঃ মূল্য (খ) উত্তৰ ঃ ভেলেৰে

৬নং প্রশ্নৰ উত্তৰ ঃ আত্মনিষ্ঠবাদ, বস্তুনিষ্ঠবাদ আৰু নব্যকান্টিয় যুক্তিবাদ।

৭নং প্রশ্নৰ উত্তৰ ঃ এই ধাৰাটোৱে উল্লেখ কৰে যে তথ্য এটাৰ মূল্য নির্ভৰ কৰে মানুহৰ মনৰ লগত। এইটোৱে ইয়াকে নির্দেশ কৰে যে মূল্যই সাধাৰণতে মানুহৰ সন্তুষ্টিৰ অথবা বস্তুৰ পৰা পোৱা সুখ যিবোৰ সাধাৰণতে মনৰ ওপৰতে নির্ভৰ কৰে। লৎজে এই তত্ত্বটো সমর্থন কৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ আত্মনিষ্ঠ চিন্তাবিদসকলৰ পথ অনুসৰণ নকৰি বস্তুনিষ্ঠবাদীসকলে মত পোষণ কৰে যে মূল্যবোধ বা মূল্য সাধাৰণতে মনৰ পৰা স্বতন্ত্রভাৱে থাকিব পাৰে। তেওঁলোকে বক্তব্য কৰে যে বস্তুৰ ওপৰতে মূল্য নির্ভৰ কৰে। সেয়ে, বস্তুৰ অস্তিত্ব মনৰ পৰা স্বতন্ত্র।

৯নং প্রশ্নৰ উত্তৰ ঃ এছ আলেকজেণ্ডাৰ।

১০নং প্রশ্নৰ উত্তৰ ঃ এছ আলেকজেণ্ডাৰে মূল্যসমূহক মুখ্য আৰু গৌণ মূল্যৰ পৰা ভিন্ন তৃতীয় এবিধ গুণ বুলি বর্ণনা দিছে।

১১নং প্রশ্নৰ উত্তৰ ঃ অন্তর্নিহিত মূল্যসমূহ নিজৰ মাজতে বর্তি থাকে। ইয়াক আন এটা উদ্দেশ্য সিদ্ধিৰ ক্ষেত্রত মাধ্যম হিচাপে ব্যৱহাৰ কৰা নহয়। উদাহৰণস্বৰূপে, সত্য, সুন্দৰ আৰু মঙ্গল, ইত্যাদিবোৰ অন্তর্নিহিত মূল্য।

১২নং প্রশ্নৰ উত্তৰ ঃ বর্হিগত মূল্য সাধাৰণতে কোনো উদ্দেশ্য এটা পূৰণ কৰাৰ ক্ষেত্রত মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে টকা বা পইচা, গাড়ী, কাপোৰ, খোৱা সামগ্রী, ইত্যাদিবোৰত ক্রয় কৰাৰ ক্ষেত্রত মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। এই ক্ষেত্রত টকা বা পইচাক বহির্গত মূল্য হিচাপে বিবেচনা কৰা হয়।

১৩নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ মূল্যৰ মাধ্যম হিচাপে কোনো এটা উদ্দেশ্য প্রাপ্তিৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয় তেনে মূল্যক সাধন মূল্য বুলি কোৱা হয়। উদাহৰণ স্বৰূপে টকা পইচা, সম্পত্তিক সাধন বুলি বিবেচনা কৰা হয়।

১৪নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

১৫নং প্রশ্নৰ উত্তৰ ঃ (ক) আঙ্গিক একতা (খ) আত্মনিষ্ঠ

১৬নং প্রশ্নৰ উত্তৰ ঃ তথ্য বচনৰ সহায়ত মূল্যবচনৰ সংজ্ঞা দিয়া প্রৱণতাৰ ক্ষেত্রত দার্শনিকসকলে এটা ভূলৰ বা ভ্রান্তিৰ সম্মুখীন হয়, উক্ত ভ্রান্তিক প্রকৃতিবাদী দোষ বুলি কোৱা হয়।

১৭নং প্রশ্নৰ উত্তৰ ঃ ডেভিদ হিউম

১৮নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ
(ঙ) শুদ্ধ (চ) শুদ্ধ (ছ) শুদ্ধ



১২.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ মূল্যবিজ্ঞান কি?

প্রশ্ন ২ঃ আত্মনিষ্ঠ মূল্য বুলিলে কি বুজা যায়?

প্রশ্ন ৩ঃ অন্তর্নিহিত মূল্য আৰু বহির্গত মূল্য সম্পর্কে সংজ্ঞা দিয়ক।

প্রশ্ন ৪ঃ প্রকৃতিবাদী দোষ কি?

প্রশ্ন ৫ঃ কোনে মূল্যক আত্মনিষ্ঠ আৰু বিষয়নিষ্ঠ বুলি স্বীকাৰ কৰে।

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ মূল্য সম্পর্কে চমুকৈ উত্তৰ দিয়ক।

প্রশ্ন ২ঃ মূল্য সম্পর্কে আত্মনিষ্ঠবাদীসকলে দিয়া বিশ্লেষণ চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ বহির্গত মূল্য কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ তথ্য-মূল্য সম্বন্ধ সর্ম্পকে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ মূল্য অৱধাৰণাবোৰ কি কি? তথ্যৰ অৱধাৰণাৰ লগত ইয়াৰ সম্পর্ক সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ মানবিজ্ঞান

প্রশ্ন ২ঃ ডব্লিউ বি. আৰবানৰ মূল্যৰ সংজ্ঞা

প্রশ্ন ৩ঃ অন্তর্নিহিত মূল্য

প্রশ্ন ৪ঃ প্রকৃতিবাদী দোষ

ঘ) পার্থক্য নির্ণয় কৰক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অন্তর্নিহিত মূল্য আৰু বহির্গত মূল্য

প্রশ্ন ২ঃ মূল্যবোৰ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ

প্রশ্ন ৩ঃ তথ্যৰ অৱধাৰণা আৰু মূল্যৰ অৱধাৰণা

ঙ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ মূল্যসমূহ কি? মূল্যৰ সংজ্ঞাসমূহৰ ব্যাখ্যা আগবঢ়াওক ।

প্রশ্ন ২ঃ বিভিন্ন ধৰণৰ মূল্যসমূহৰ বর্ণনা দিয়ক।

প্রশ্ন ৩ঃ তথ্য-মূল্যৰ সম্বন্ধৰ বর্ণনা আগবঢ়াওক।

প্রশ্ন ৪ঃ প্রকৃতিবাদী দোষ বুলিলে কি বুজা যায়? জি ই মূৰৰ ধাৰণাৰ লগত সঙ্গতি ৰাখি ইয়াক ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ বাস্তৱসত্তাত মূল্যৰ স্থান কি? ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ মূল্যসমূহ আত্মনিষ্ঠ নে বস্তুনিষ্ঠ? আলোচনা আগবঢ়াওক।

****

অধ্যায়- ১৩ সামান্য ঃ বস্তুবাদ (প্লেটো আৰু এৰিষ্ট'টল)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সামান্য ঃ ইয়াৰ প্ৰকৃতি আৰু মতবাদসমূহ
১৩.৪ বস্তুবাদ
১৩.৪.১ প্লেট'ৰ বস্তুবাদ
১৩.৪.২ এৰিষ্ট'টলৰ বস্তুবাদ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্ৰশ্ন
১৩.১ উদ্দেশ্য

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সামান্যৰ সমস্যাৰ বিষয়ে জানিবলৈ সুবিধা পাব
- সামান্য আৰু বিশেষ মাজৰ পাৰ্থক্যটোৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- সামান্যৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব
- বস্তুবাদ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব
- প্লেট' আৰু এৰিষ্ট'টলৰ সামান্য বস্তুবাদৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব।

১৩.২ পৰিচয় ঃ

এই অধ্যায়টিয়ে আপোনালোকক আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা উদ্ভৱ হোৱা সামান্যৰ সমস্যাবোৰৰ সৈতে পৰিচয় কৰিব। বিশেষ বস্তুবোৰ দেশ আৰু কাল (Space & Time) ত অস্তিত্বশীল, এই সাধাৰণ অভিজ্ঞতাৰ ই হৈছে এক বিষয়। এখন চকী, এখন মেজ, এটা গৰু, ৰঙা ৰং, এজোপা গছ আদিৰ দৰে বিশেষ বিশেষ বস্তুবোৰ এক বিশেষ দেশ আৰু এক বিশেষ কালত অস্তিত্বশীল। সিহঁত এটাৰ পৰা আনটো পৃথক আৰু সম্পূৰ্ণৰূপে অনন্য। তথাপিও আমি আমাৰ বন্ধু-বৰ্গক সিহঁতৰ নিজস্ব নামেৰে সম্বোধন কৰাৰ দৰে কিন্তু বিশেষ সমূহৰ প্ৰত্যেককে আমি এক নিৰ্দিষ্ট নামেৰে নামাতো। ইয়াৰ পৰিবৰ্তে আমি সিহঁতৰ কেতবোৰ গোট গঠন কৰোঁ,

সিহঁতক এক সমূহবোধক নাম প্রদান কৰোঁ, সিহঁতবোৰক এক বিশেষ শ্রেণীৰ অন্তর্ভূক্ত হিচাপে দেখুওৱায়। এতিয়া প্রশ্ন হয়- এটা বিশেষ শ্রেণীৰ অন্তর্গত কৰিবলৈ কিহে সহায় কৰে? সিহঁতক এটা গোট বা শ্রেণীৰ মাজত বান্ধি ৰাখিবলৈ কৰা আমাৰ চেষ্টাক কিহে সমর্থন আগবঢ়ায়? 'গৰু'ৰ মাজত অসংখ্য পার্থক্য থকা স্বত্ত্বেও কিয় 'সকলো গৰু'ক 'গৰু' শব্দটোৰে নামাকৰণ কৰা হয়? ইয়েই আচল সাৰ (Essence) নেকি, যাক এটা শ্রেণীৰ সকলো অঙ্গৰ দ্বাৰা সাধাৰণভাৱে অংশ লয়? নাইবা সিহঁতৰ মাজত ই সৰলভাৱে সাদৃশ্যতা নেকি? গতিকে ক'বলৈ গ'লে সামান্যৰ সমস্যা এইবোৰ প্রশ্নৰ লগতে জড়িত।

১৩.৩ সামান্য ঃ ইয়াৰ প্রকৃতি আৰু মতবাদসমূহ

প্রকৃতিত বস্তুবোৰৰ জ্ঞানৰ প্রধানকৈ আমি দুটা বহল ভাগ থকা দেখা পাওঁ- ঈন্দ্রিয়াগত (Sensuous) আৰু ধাৰণা বা প্রত্যয় মূলক (Conceptual)। ঈন্দ্রিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। সেয়ে আমি বস্তুৰ অনেকতাৰ বিশেষ জ্ঞানহে লাভ কৰোঁ, যেনে- এখন চকী, এখন মেজ, এজন মানুহ, এটা গৰু, এটা ৰঙা ৰং ইত্যাদি। আনহাতে, ধাৰণাগত বা প্রত্যয়গত জ্ঞানে বিশেষ বা স্বতন্ত্রতাৰ কোনো বর্ণনা নোহোৱাকৈয়ে এটা বস্তুৰ উপস্থাপন কৰে। সামান্য দেশ আৰু কালৰ সীমাৰে সীমিত নহয়। তথাপিও, ই এনে এক বস্তু বা বিষয়, যাৰ অবিহনে আমি বিশেষৰ কথা চিন্তাই কৰিব নোৱাৰো। যদিও আমি বিশেষ বিশেষ বস্তুবোৰ চাৰ পাৰো নাই স্পর্শ কৰিব পাৰোঁ; তথাপি সিহঁতক চিন্তা কৰা আৰু সিহঁতৰ বিষয়ে আলোচনা কৰাৰ বাবে আমি সাধাৰণ ধাৰণা ব্যৱহাৰ কৰিবই লাগিব। কিয়নো, এটা নির্দিষ্ট শ্রেণীৰ অন্তর্ভূক্ত হিচাপে সিহঁতক আমি প্রত্যক্ষ কৰোঁ। বিশেষ বস্তু সমূহৰ কেতবোৰ সাধাৰণ ধর্ম থাকে, যাৰ বাবে সিহঁতক একেলগে এটা শ্রেণীৰ অন্তর্ভূক্ত কৰা হয় আৰু একেটা নামেৰেই সম্বোধন কৰা হয়। ৰঙা, বগা, হালধীয়া, নীলা, সেইজীয়া আদিৰ মাজত কিবা সাদৃশ্য থকাৰ হেতু সিহঁতক 'ৰং'ৰ শ্রেণীত অন্তর্ভূক্ত কৰা হয়। ঠিক সেইদৰে, গৰু, কুকুৰ, মেকুৰী, ঘোঁৰা ইত্যাদিৰ মাজত সাধাৰণ ধর্ম লক্ষ্য কৰি আটাইকে জন্তুৰ শ্রেণীত অন্তর্ভূক্ত কৰা হয় আৰু 'জন্তু' এই একেটা নামেৰেই সকলোকে সম্বোধন কৰা হয়। এটা শ্রেণীৰ সকলো সদস্যৰ মাজত যি সাধাৰণভাৱে উপস্থিত থাকে, তাকে কোৱা হয় 'সামান্য' (Universal)। একে জাতি-ধর্ম বিশিষ্ট্য বস্তু সমূহক এক বিশেষ শ্রেণীৰ অন্তর্ভূক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰা হয়। গতিকে, যি সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ ক্ষেত্রত সমভাৱে উপস্থিত থাকে, তাকে সামান্য বোলা হয়।

এতিয়া, দার্শনিক সকলৰ মনত প্রায়ে জাগ্রত হোৱা জটিল প্রশ্ন সমূহ হ'ল- বস্তুৰ এটা সমাহাৰ বা গোটৰ মাজত সাধাৰণ কি? কেনেধৰণৰ বস্তু সামান্য? যিবোৰ বস্তুগত ভাৱে সত্য, তাৰ ক্ষেত্রত সামান্য থাকেনে? নাইবা ই কেৱল এক শব্দহে নেকি যে সিহঁতৰ অন্তর্গত বিশেষ বোৰৰ মাজত সাদৃশ্যতা লক্ষ্য কৰি তাক বস্তু সমূহৰ এটা গোটৰ বাবে আমি ব্যৱহাৰ কৰোঁ। দার্শনিক সকলে তেওঁলোকৰ নিজা নিজা দৃষ্টিভঙ্গীৰে এইবোৰ প্রশ্নৰ উত্তৰ আগবঢ়াইছে। যিহেতু

তেওঁলোকৰ মতামত সমূহ ভিন্ন, সেয়ে সামান্যৰ স্বৰূপ বা প্ৰকৃতি সম্বন্ধে আমি কেইবাটাও ভিন্ন মতবাদ দেখিবলৈ পাওঁ। যেনে- বস্তুবাদ (Realism), প্ৰত্যয়বাদ বা ধাৰণাবাদ (Conceptualism), নামবাদ (Nominalism) ইত্যাদি। এই সকলোবোৰ মতবাদৰ সমৰ্থক ভাৰতীয় আৰু পাশ্চাত্য উভয় দৰ্শনতে থকা দেখা যায়।

বস্তুবাদ হৈছে এক মতবাদ, যাৰ মতে সামান্যৰ বস্তুসত্ত্বা আছে; ই মনোগত ধাৰণা বা প্ৰত্যয় মাথো নহয়। ইয়াৰ স্বতন্ত্ৰ সত্ত্বা আছে। ই হৈছে এটা শ্ৰেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থকা সাৰতত্ব। প্ৰত্যয়বাদে উল্লেখ কৰে যে সামান্য হৈছে আমাৰ মনৰ এক ধাৰণা বা প্ৰত্যয়; ই সম্পূৰ্ণৰূপে এক মানসিক সত্ত্বা। মন বহিঃভূত কোনো বস্তুৰ মাজত সামান্য নাথাকে। নামবাদৰ মতে, সামান্য কেৱল মাত্ৰ এক নাম বা শব্দ। এই মতবাদ অনুযায়ী বহুসংখ্যক বেলেগ বেলেগ বিশেষৰ বাবে ব্যৱহাৰ কৰাৰ দ্বাৰা নাম সমূহ সামান্য কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলত দিয়া উক্তি সমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) নাৰীত্ব সামান্য। (শুদ্ধ অশুদ্ধ)

(খ) গছ, গৰু, মেজ আদি বিশেষ নহয়। (শুদ্ধ অশুদ্ধ)

(গ) ঈন্দ্ৰিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। (শুদ্ধ অশুদ্ধ)

(ঘ) প্ৰত্যয়মূলক জ্ঞানে বিশেষৰ কোনো বৰ্ণনা নোহোৱাকৈয়ে এটা বস্তুক উপস্থাপন কৰে। (শুদ্ধ/অশুদ্ধ)

(ঙ) বস্তুবাদ মতবাদ অনুসৰি সামান্য মননিৰ্ভৰ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৩ঃ বিশেষ কি?

প্ৰশ্ন নং ৪ঃ সামান্যৰ প্ৰধান মতবাদ কেইটা উল্লেখ কৰক।

প্ৰশ্ন নং ৫ঃ এটা বাক্যত নামবাদৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন নং ৬ঃ প্ৰত্যয়বাদ কি?

১৩.৪ বস্তুবাদ (Realism)

বস্তুবাদে পোষণ কৰে যে সামান্য জ্ঞেয় মনৰ বাহিৰত স্বতন্ত্ৰশীল। ইয়াৰ বস্তুনিষ্ঠ সত্ত্বা আছে। এটা শ্ৰেণীৰ অন্তৰ্গত সকলোবোৰ সদস্যৰ মাজত সামান্য সমভাৱে উপস্থিত থকাৰ বাবে ই সাৰতত্ব। তথাপি, এই মতবাদ অনুগামী সকলৰ হাতত ই বিভিন্ন আকাৰ লাভ কৰিছে, যিহেতু তেওঁলোকে

নিজা নিজা দৰ্শনৰ ফালৰ পৰা ভিন্ন মতামত আগবঢ়াইছে। যেতিয়া কিছুমানে আকৌ তাক বিশেষণীয় ৰূপতহে স্বীকাৰ কৰিছে। তৎস্বত্বেও তেওঁলোক সকলোৱে বস্তুবাদৰ মূল ধাৰণাৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াইছে। এইদৰে ভাৰতীয় আৰু পাশ্চাত্য উভয় কোণৰ পৰা আমি এই মতবাদৰ সমৰ্থক সকলক দেখা পাওঁ। সেয়া হৈছে ন্যায়-বৈশেষিক, মীমাংসা, এৰিষ্টটল, প্লেট', চেইণ্ট আগষ্টিন, চেইণ্ট থোমাচ একুইনাচ, বট্ৰাণ্ড ৰাছেল, জি. ই. মুৰ আৰু আলেকজেণ্ড্ৰাৰ। ইয়াত অৱশ্যে বস্তুবাদৰ মূখ্য উপদেষ্টা প্লেট' আৰু এৰিষ্টটলৰ মতবাদকহে আমি সংক্ষেপে আলোচনা কৰিম।

১৩.৪.১ প্লেট'ৰ বস্তুবাদ

প্লেট'ৰে চৰম বস্তুবাদৰ পৃষ্ঠপোষকতা কৰিছে। তেওঁৰ বাবে সামান্য হৈছে প্ৰকৃত, এক সত্ত্বা যি মনৰ ওপৰত নিৰ্ভৰ নকৰাকৈ এক দেশ-কালাতীত জগতত অস্তিত্বশীল। দেশ আৰু কালৰ জগতত বিশেষৰ ক্ষেত্ৰত যি নঘটক লাগে, তাৰ দ্বাৰা ই প্ৰভাৱিত নহয়। প্লেট'ৰ মতে সামান্য কেৱল মনোগত নহয়, সামান্যৰ বাস্তৱ অস্তিত্বও আছে। প্লেট'ৰে দুই প্ৰকাৰৰ সত্ত্বাৰ অস্তিত্ব স্বীকাৰ কৰি দুখন ভিন্ন জগতৰ উল্লেখ কৰিছে- দেশ-কাল স্থিত বিশেষৰ জগত আৰু দেশ-কালাতীত সামান্যৰ জগত। সেয়ে প্লেট'ৰ এই মতবাদক দ্বি-জাগতিক মতবাদ (Two World Theory) বুলিও জনা যায়।

প্লেট'ৰে তেওঁৰ ধাৰণাৰ মতবাদত সামান্য সত্ত্বাৰ অস্তিত্বৰ পক্ষে সমৰ্থন আগবঢ়াইছে, যি বিশেষ বস্তু সমূহৰ পৰা পৃথক। তেওঁ সাব্যস্ত কৰে যে এক শ্ৰেণীৰ অন্তৰ্গত সকলো বস্তুৰে এক সাধাৰণ সাৰমৰ্ম থাকিবই। তেওঁৰ মতে, এটা বস্তু টেবুল হ'ব নোৱাৰে যেতিয়ালৈকে তাৰ মাজত 'টেবুলত্ব' (Tablehood) ৰ সাৰ নাথাকে, যি অন্যান্য সকলো 'টেবুল'তেই উপস্থিত থাকে। আকাৰ, আকৃতি আৰু ৰঙ আদিৰ ক্ষেত্ৰত এখন টেবুল আন সকলো টেবুলৰ পৰা পৃথক হ'ব পাৰে; কিন্তু ইয়াৰ এক একক ৰূপ বা মূল থাকিবই লাগিব যিয়ে সিহঁতক এখন 'টেবুল' হোৱাত সংগঠন কৰে আৰু যিয়ে সিহঁতক আন বস্তু সমূহ যেনে- চকী, বিচনা নাই দৰ্জা আদিৰ পৰা পৃথক কৰে। সেয়ে প্লেট'ৰে ভাৰে যে আমি সদায় বিশেষৰ প্ৰত্যেক শ্ৰেণীৰ বাবে এটা এক ৰূপ স্বীকাৰ্য্য কৰি ল'ব লাগে, যাক আমি একে নামেৰে সাব্যস্ত কৰিব পাৰো। ই বিশেষ্যৰ দ্বাৰা নিৰ্দেশিত যেনে- চকী, মেজ, বিচনা, গছ আদিৰ দৰে বস্তু বোৰবোৰেই কেৱল সত্যতা নহয়, বৰঞ্চ বিধেয়ৰ দ্বাৰা নিৰ্দেশিত গুণ সমূহবো সত্যতা। যেনে- ধুনীয়া, ওখ, দীঘল, ডাঙৰ, সৰু ইত্যাদি। যিদৰে সকলো মেজৰ ক্ষেত্ৰতে সাধাৰণ 'মেজত্ব'ৰ এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব, সেয়ে সকলো কুৎচিত বস্তুৰ ক্ষেত্ৰত সাধাৰণ 'কুৰূপত্ব'বো এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব। প্লেট'ৰে এইবোৰ বস্তুগত সাৰতত্বক 'ধাৰণা' নাইবা 'আকাৰ' আখ্যা দিছে।

সেয়েহে, প্লেট'ৰ মতে, সামান্য নাইবা আকাৰ আৰু ইন্দ্ৰিয়জ বস্তু নাইবা বিশেষৰ মাজত এক চৰম পাৰ্থক্য আছে। সামান্য হৈছে বস্তু সমূহৰ স্বভাৱত থকা চানেকী, আনহাতে, বিশেষ বস্তুবোৰক সিহঁতৰ কল্পনাতে পোৱা যায় আৰু সেয়ে 'আকাৰ'ৰ এক ৰূপতাও থকা দেখা যায়।

'আকাৰ' সমূহে নিজে নিজৰ মাজত অস্তিত্বশীল হৈ থাকে। প্লেট'ৰ মতে সামান্য সমূহ হৈছে দ্ৰব্য (Substance)। দ্ৰব্য হৈছে সি, যাৰ 'সমগ্ৰতা' নিজৰ মাজতে নিহিত থাকে আৰু যিয়ে নিজৰ বাহিৰে আন একো বস্তুৰ পৰা ইয়াৰ সত্যতা নিঃসৰণ নকৰে। ই আন সকলো বস্তুৰে ভিত্তি, কিন্তু নিজৰ বাদে ইয়াৰ কোনো ভিত্তি (Ground) নাথাকে। এই অৰ্থত সামান্য হৈছে স্বয়ং কাৰক (Self-Cause) আৰু স্ব-নিৰ্দ্ধাৰিত (Self-determined), সিহঁত সম্পূৰ্ণ আৰু চৰম সত্ত্বা। আনহাতে, বিশেষ সমূহ স্ব-কাৰক আৰু স্ব-নিৰ্দ্ধাৰিত নহয়; সিহঁত সম্বন্ধ বিষয়ক, কিয়নো সিহঁতৰ অস্তিত্বৰ বাবে আন বস্তুৰ ওপৰত সিহঁত নিৰ্ভৰশীল। বিশেষ বস্তুবোৰৰ বিপৰীতে, সামান্যবোৰ হৈছে চিন্তা। যিকোনো বিশেষ বস্তুৰ লেখিয়াকৈ সামান্যক প্ৰকৃতি জগত বিচাৰি পোৱা নাযায়। সামান্য শব্দ 'গৰু' বুলি জগতত একো নাই। যেই হওঁক, এই ক্ষেত্ৰত 'চিন্তা'ক 'মোৰ চিন্তা', 'আপোনাৰ চিন্তা' নাইবা 'ঈশ্বৰৰ চিন্তা'ৰ ৰূপত গ্ৰহণ কৰাটো উচিত নহয়। কিয়নো এই কথা ভৰাটো অযুক্তিকৰ হ'বযে আমাৰ চিন্তা বিশ্বজগতৰ কাৰণ হ'ব পাৰে। সিহঁত আত্মগত ধাৰণা নহয়, বৰঞ্চ সিহঁতৰ নিজৰ ওপৰত সত্যতা বা বাস্তৱতা থকা বস্তুগত ধাৰণা। সামান্যৰ ধাৰণা ঐক্যতাৰ ধাৰণা। ই বহুতৰ মাজত এক, কিন্তু বিশেষ বস্তুবোৰ বহুত। 'ঘোঁৰা'ৰ ধাৰণা এটা, কিন্তু ঘোঁৰা সংখ্যাত বহু। বস্তুৰ প্ৰত্যেক শ্ৰেণীৰ বাবে এটাতকৈ বেছি ধাৰণা থাকিব নোৱাৰে। সামান্য অপৰিৱৰ্তনীয় আৰু অবিনশ্বৰ। আনহাতে, বিশেষ সমূহ সদা-পৰিৱৰ্তনীয় আৰু অনিত্য।

এইবোৰ পাৰ্থক্য থকা স্বত্ত্বেও সামান্য আৰু বিশেষৰ মাজত এক ঘনিষ্ট সম্পৰ্ক আছে। সিহঁত দুয়োৰে মাজৰ সম্পৰ্কক দুই ৰকমেৰে বৰ্ণনা কৰিব পৰা যায় ঃ-

(১) ধাৰণাত বিশেষ বস্তু সমূহৰ অংশগ্ৰহণ হিচাপে,

(২) বিশেষ বস্তুৰ দ্বাৰা ধাৰণাৰ এক অনুকৰণ হিচাপে, বিশেষ বস্তু ধাৰণাৰ নকল হয় আৰু ধাৰণা দৃষ্টান্ত হয়।

এতিয়া, যিহেতু সামান্যক ইন্দ্ৰিয় প্ৰত্যক্ষত পাব পৰা নাযায়, ইয়াত উপযুক্ত প্ৰশ্ন এয়ে যে- সিহঁতক কিদৰে জানিব পৰা যায়? তথাপিও প্লেট'ৰ উত্তৰ কাল্পনিক। কাৰণ তেওঁ কৈছিল যে আত্মাতহে সামান্য আছে (প্লেট'ৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বৰ্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বৰ্তমান জীৱনত যেতিয়া আমি পাৰ্থিৱ জগতত পাহৰি যোৱা 'আকাৰ' স্মৰণ কৰো। আকৌ 'Timacus' নামৰ গ্ৰন্থত প্লেট'ৰে কৈছিল যেআকাৰৰ আৰ্হি অনুযায়ী ঈশ্বৰে এই জগতৰ বস্তুবোৰ সৃষ্টি কৰে। ই ইয়াকে বুজায় যে, ধাৰণা বা আকাৰ কেৱল ইন্দ্ৰিয়গ্ৰাহ্য জগতখনৰ পৰাই নহয়, বৰঞ্চ ঈশ্বৰৰ পৰাও বেলেগকৈ অস্থিত্বশীল হয়। সেয়েহে, ধাৰণাবোৰ বতাহে ওপঙি থকা কিবা এক বস্তু বা বিষয়।

প্লেট'ৰে পদানুক্ৰমত উচ্চ আৰু নিম্ন ৰূপত সম্বন্ধযুক্ত আকাৰ নাইবা ধাৰণাৰ বিভিন্ন প্ৰকাৰৰ স্তৰৰ বিষয়েও কৈছে। এটা ধাৰণাৰ দ্বাৰা বহুতো স্বতন্ত্ৰ বস্তু পৰিচালিত হোৱাৰ দৰে, যি সিহঁতৰ সাধাৰণ উপাদান বহুতো ধাৰণা এক উচ্চ ধাৰণাৰ দ্বাৰা পৰিচালিত হয়, যি সিহঁতৰ মাজৰ এক সাধাৰণ উপাদান। আকৌ, অন্যান্য বহুতৰ সৈতে একেলগে এই উচ্চ ধাৰণাৰ ওপৰতো এক উচ্চ ধাৰণাই পৰিচালনা কৰে। উদাহৰণস্বৰূপে কেতবোৰ ধাৰণা বগাত্ব, ক'লাত্ব, নীলাত্ব,

ৰঙাত্ব ইত্যাদি 'ৰঙ' নামৰ ধাৰণাটোৰ অন্তর্গত। টেঙা, জ্বলা, তিতা আদি ধাৰণা সকলোবোৰ 'সোৱাদ' ধাৰণাৰ অন্তর্গত। এতিয়া ৰঙৰ ধাৰণা আৰু সোৱাদৰ ধাৰণা দুয়োটায়ে এক উচ্চ ধাৰণা 'গুণ' (Quality) ৰ অন্তর্গত। এইদৰেই ধাৰণা সমূহে নিচেই ওপৰৰ অংশৰ সৈতে এক পিৰামিদৰ আকাৰ গঠন কৰে। এইবোৰ সকলো ধাৰণাৰ ওপৰত আকৌ এক অতি উত্তম ধাৰণা থাকিবই লাগিব, যি সিহঁত সকলোৰে সর্বপ্রধান। ই হৈছে শেষ আৰু পৰ সত্য বা সত্ত্বা। ই হৈছে নিজৰেই ভিত্তি আৰু লগতে আন আন ধাৰণা সমূহ আৰু সমগ্র বিশ্বৰে ভিত্তি স্বৰূপ। প্লেট'ৰে এই ধাৰণাক 'শ্রেয়' (Good) আখ্যা দিছে। এইদৰেই আমি দেখা পাঁও যে, যদিও ধাৰণা সংখ্যাত বহু, কিন্তু সিহঁতে এক একক ধাৰণাৰ নিচেই ওপৰত স্থান পায়। চমুকৈ ক'বলৈ গ'লে এক অতি উত্তম ধাৰণাক নিচেই ওপৰত ৰাখি ধাৰণা সমূহে এক সু-সংবদ্ধ ব্যৱস্থা সংগঠন কৰে যি হৈছে ইয়াৰ ঐক্যতাৰ উচ্চতম অভিব্যক্তি। প্রত্যেক স্বতন্ত্র ধাৰণা একৰ মাজত বহু। নিজৰ মাজত ধৰিলে ই এক আৰু আনৰ সম্বন্ধত ই বহু।

১৩.৪.২ এৰিষ্টটলৰ বস্তুবাদ

এৰিষ্টটলে বস্তুগত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁ বস্তুবাদৰ এক সাম্য আৰ্হি বা ৰূপৰ পক্ষ সমর্থন কৰিছে। তেওঁৰ মতে সামান্য একেবাৰে যথার্থ নহয়, বৰঞ্চ বিশেষত নিহিত এক ধর্মহে। প্লেট'ৰে সামান্যক বিশেষ্যৰ ৰূপত গ্রহণ কৰিছে। তাৰ পৰিবর্তে এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্রহণ কৰিছে। এৰিষ্টটলৰ মতে, সামান্য আৰু বিশেষৰ মাজত এক তর্কীয় আন্তনির্ভৰশীলতাৰ সম্পর্ক আছে। প্রত্যেকখন চকী যদি 'চকী' হোৱাৰ ধর্ম নাথাকে, তেন্তে 'চকী' বুলি যিদৰে কোনো বস্তু নাথাকে 'চকী'ৰ অস্তিত্ব নথকাকৈও 'চকীত্ব' ধর্মৰো কোনো অস্তিত্ব নাথাকে।

এৰিষ্টটলে প্লেট'ৰ সামান্য সম্পর্কীয় মতবাদটোক কঠোৰভাৱে সমালোচনা কৰিছে আৰু 'ধাৰণা'ক সমুলি অপ্রয়োজনীয় বুলি মানি লৈছে। প্লেট'ৰ ধাৰণাৰ মতবাদটোৰ বিৰুদ্ধে এৰিষ্টটৰ আপত্তি সমূহ হৈছে এনে ধৰণৰ-

(১) প্লেট'ৰে ব্যাখ্যা কৰিবলগীয়া বস্তুবোৰক অপ্রয়োজনীয় ভাৱে সংখ্যাত দুগুণ কৰিচে। আকাৰ বা ধাৰণা সমূহ বিশেষ বস্তুবোৰৰ দৰে বহু, যাৰ কাৰণ ধাৰণা সমূহ নিজে। প্লেট'ৰে পোষণ কৰে যে একেটা নাম বহনকাৰী প্রত্যেক বস্তুৰ সৈতে সঙ্গতি থকা এক সত্ত্বা আছে, যি বিশেষ বস্তুবোৰৰ পৰা স্বতন্ত্রভাৱে অস্তিত্বশীল। এনে ধৰণৰ স্বীকার্য্যই কোনো সমস্যা সমাধান নকৰে, কিয়নো ই ভিন্ন স্বৰত পুনৰাবৃত্তি ঘটায়। বিশেষৰ ক্ষেত্রত সৃষ্টি হোৱা একে প্রশ্ন আকাৰ নাইবা ধাৰণাৰ ক্ষেত্রতো সৃষ্টি হয়। সেয়েহে, কেৱল বস্তুৰ পূৰণ নাইবা সংখ্যা বৃদ্ধিক যিকোনো সমস্যাৰ সমাধান বুলিব নোৱাৰি।

(২) প্লেট'ৰ ধাৰণা বস্তুৰ অস্তিত্ব ব্যাখ্যা কৰাৰ ক্ষেত্রত অসফল। দর্শনৰ প্রধান সমস্যা হৈছে বস্তু কিয় অস্তিত্বশীল, তাক ব্যাখ্যা কৰা। প্লেট'ৰ ধাৰণাৰ মতবাদক অনুসৰণ কৰি আমি ইয়াক ব্যাখ্যা কৰিব নোৱাৰো। আনকি যদি আমি গ্রহণ কৰো যে 'বগাত্ব'ৰ ধাৰণাৰ

অস্তিত্ব আছে, তথাপি আমি প্রত্যক্ষ কৰিব নোৱাৰিম যে ই কেনেকৈ বগা বস্তুবোৰ উৎপন্ন কৰে।

(৩) যদিও বস্তুৰ অস্তিত্বক ব্যাখ্যা কৰা যায়, কিন্তু সিহঁতৰ গতি ব্যাখ্যাৰ অবিহনেই ৰৈ যাব। বস্তুৰ জগতখন পৰিবর্তন, গতি, জীৱন আৰু পৰম সত্ত্বাৰ জগত। কিন্তু প্লেট'ৰ ধাৰণাৰ মতবাদে এই মূল কথাটো ব্যাখ্যা কৰিব পৰা নাই। প্লেট'ৰ মতে বগাত্বৰ ধাৰণাই বগাবস্তু উৎপন্ন কৰে, 'ধুনীয়া' ধাৰণাই ধুনীয়া বস্তুক সৃষ্টি কৰেইত্যাদি। কিন্তু, যিহেতু নিজে নিজৰ মাজত অপৰিবর্তনশীল, গতিহীন, সেয়ে বস্তুৰ জগতখন, যি ইয়াৰ নকল, সিত্ত একে হ'ব। এইদৰে জগতখন এক স্থিৰ ৰূপলৈ পৰিবর্তন হ'ব যি অসম্ভৱ।

(৪) প্লেটোৱে ধাৰণা আৰু বিশেষ বস্তুৰ মাজৰ সম্বন্ধক যথোচিতভাৱে ব্যাখ্যা কৰিব পৰা নাই। তেওঁ ভাৱে যে বিশেষ বস্তুবোৰ ধাৰণাৰ 'নকল' (Copies) আৰু সিহঁতে সিহঁতৰ মাজতে অংশ গ্রহণ কৰে। এৰিষ্টটলৰ মতে এনে ধৰণৰ যোগাযোগ উকা দৃষ্টান্ত বা উপমাৰ ওপৰত কথা কোৱাৰ বাহিৰে আন একো নহয়।

(৫) ধাৰণা সমূহ, যাক প্লেট'ৱে অ-ইন্দ্রিয়জ বুলি ভাৱিছে, সিহঁত প্রকৃততে ইন্দ্রিয়মূলকহে। প্লেট'ৱে ভাৱে যে ইন্দ্রিয়গ্রাহ্য জগতখনক ব্যাখ্যা কৰিবলৈ এক অ-ইন্দ্রিয়জ নীতি বিচাৰিবলৈ ই প্রয়োজনী। কিন্তু এনে ধৰণৰ কোনো নীতিৰ বিচাৰ নকৰাকৈয়ে ইন্দ্রিয়গ্রাহ্য বস্তুবোৰক গ্রহণ কৰিছে আৰু সিহঁতক অ-ইন্দ্রিয়জ বুলি স্বীকাৰ কৰিছে। এক অর্থহীন আৰু অপ্রয়োজনীয় 'সাধাৰণতে' (In-General) নাইবা 'নিজৰ মাজতে' (In-Itself), যি ইয়াক এক ভিন্ন ৰূপ দিবলৈ প্রত্যেক ইন্দ্রিয়গত বস্তুৰ লগত জড়িত হৈ থাকে, তাৰ বাদে 'গৰু' আৰু 'গৰুৰ ধাৰণা'ৰ মাজত মুঠতে কোনো পার্থক্য নাই। এৰিষ্টটলে পোষণ কৰে যে ধাৰণাবোৰ সর্বপ্রিয় ধর্মৰ নৰদেহ মূলক ঈশ্বৰৰ দৰে। এইবোৰ প্রকৃতিৰ অনন্তকাল স্থায়ী বস্তুবোৰৰ বাদে আন একো নহয়। তেওঁ প্লেট'ৰ বিৱৰণক এই কথা উল্লেখ কৰি সন্ত্রস্ত কৰি দিয়ে যে বস্তুবোৰ ধাৰণাৰ নকল নহয়, বৰঞ্চ ধাৰণাবোৰহে বস্তুৰ নকল।

(৬) ধাৰণাই বিশষ বস্তুবোৰৰ কাৰণ বুলি কোৱা প্লেট'ৰ মতটোক সত্য বুলি ক'ব নোৱাৰি, কিয়নো গতিৰ কোনো নীতিৰ অবিহনে ধাৰণা সমূহ অপৰিবর্তনীয় আৰ্হিৰ হোৱাৰ হেতু নিমিত্ত কাৰণ হিচাপে ই ক্রিয়া কৰিব নোৱাৰে। আনকি, পৰিণাম কাৰণ হিচাপে প্লেট'ৰ ধাৰণা সম্পর্কীয় যি স্বীকৃতি সিত্ত এই সমস্যা সমাধান কৰিব নোৱাৰে, কাৰণ ই নিমিত্ত কাৰণ (Efficient cause) কব্যাখ্যা কৰিব নোৱাৰে।

(৭) এক স্বতন্ত্র দ্রব্য আৰু এক গুণ হিচাপে এই দুয়ো ক্ষেত্রত আকাৰ বা ধাৰণাৰ সন্দর্ভত প্লেট'ৱে তর্কীয় ভুল কৰিছে। আকাৰ বা ধাৰণা সমূহক স্বতন্ত্র দ্রব্য ৰূপে স্বকীৰ কৰিছে, যিহেতু সিহঁত পৃথক অস্তিত্ব আছে, আৰু সিহঁতক গুণ ৰূপেও গ্রহণ কৰিছে, যিহেতু সিহঁত সামান্য। কিন্তু প্রশ্নটো হ'ল- এটা আৰু একেটা বস্তু কিদৰে স্বতন্ত্র দ্রব্য আৰু গুণ দুয়োটা হ'ব পাৰে? এৰিষ্টটলে যুক্তি দর্শাইছে যে এক স্বতন্ত্র দ্রব্য নাইবা এক 'মৌলিক'

সত্ত্বা' (Primary Being) হ'বলৈ যিকোনো 'সাধাৰণ' (General) ৰ পক্ষে অসম্ভৱ; যিহেতু এক স্বতন্ত্ৰ দ্ৰব্য নাইবা মৌলিক সত্ত্বা এনে এক বস্তু যি এক স্বতন্ত্ৰ বস্তুৰ সৈতে অপৰিচিত। আনহাতে, 'সাধাৰণ' (General) হৈছে এনে, যি বস্তুৰ গোট সমূহৰ ক্ষেত্ৰত সাধাৰণ। এৰিষ্টটলৰ মতে, এটা দ্ৰব্য উদ্দেশ্য (Subject) ৰসৈতে একে য'ত বিধেয়ক আৰোপ কৰা হয়। ই আন কিবা বস্তু বা বিষয় এটা বিধেয় নহয়। সেয়েহে, যদি ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য হিচাপে গণ্য কৰা হয়, তেন্তে সিহঁত সামান্য হ'ব নোৱাৰে; যিহেতু উদ্দেশ্যৰ গুণ বা গুণাৱলী থাকে। আকৌ, ধাৰণাবোৰক যদি সামান্যৰ ৰূপত গণ্য কৰা হয়, তেন্তে সিহঁত স্বতন্ত্ৰ দ্ৰব্য হ'ব নোৱাৰে, যিহেতু সাধাৰণ গুণ বা ধৰ্মই কেতিয়াও 'এইটো কিবা' (This Something) ক নিৰ্দ্দেশ নকৰে, বৰঞ্চ ই 'এনে ধৰণৰ' (This Such)কহে নিৰ্দ্দেশ কৰে। সেয়েহে, ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য আৰু এক সামান্য দুয়োটা বুলি গ্ৰহণ কৰাটো এক তৰ্কীয় অসম্ভৱতা।

(৮) এৰিষ্টটলৰ 'তৃতীয় মানৱ' (Third Man) ৰ যুক্তিটো মনত ৰাখিবলগীয়া। এই যুক্তিটোৱে দৰ্শাই যে এজন স্বতন্ত্ৰ ব্যক্তি অস্তিত্বশীল মানুহৰ মাজত থকা 'মানুহ'ৰ ধাৰণাৰ দৰে আৰু সেয়ে, ইয়াত এজন 'তৃতীয় ব্যক্তি বা মানুহ' থাকিবই লাগিব, য'ত স্বতন্ত্ৰ মানুহৰ ধাৰণা উভয়েই অংশ লয়। ই চক্ৰক দোষ (Infinite Regress) ৰ পিনে গতি কৰায়।

(৯) যদি ধাৰণা সমূহ বস্তুৰ সাৰমৰ্ম, তেন্তে সিহঁত বস্তুৰ মাজতে নিহিত থাকিব লাগিব সিহঁতৰ বাহিৰত নহয়। কিন্তু প্লেটে'ৱে ধাৰণা সমূহক বিশেষ বস্তু সমূহৰ পৰা পৃথক কৰিছে আৰু সিহঁতক এক অসংবেদনীয়, অ-পার্থিৱ আৰু ৰহস্যময়ী জগতত ঠাই দিছে। প্লেটে'ৱে অসঙ্গত কথাৰে তেওঁৰ মতবাদৰ অন্ত পেলাইছে যেন বোধ হয়, যেতিয়া তেওঁ দৃঢ়ভাৱে স্বীকাৰ কৰিছে যে বিশেষ ঘোঁৰাবোৰ অতিক্ৰমি ক'ৰবাত স্বতন্ত্ৰভাৱে অস্তিত্বশীল 'সাধাৰণ ঘোঁৰা' (Horse in General) থাকে। প্লেটে'ৰ 'ধাৰণা'ৰ মতবাদটো আত্মবিৰোধী (Self Contradictory),কিয়নো ই আৰম্ভ হৈছে এই কথাৰ উল্লেখেৰে যে সামান্য প্ৰকৃত বা বাস্তৱ আৰু বিশেষ অবাস্তৱ আৰু শেষ হৈছে বিশেষৰ স্তৰত সামান্যক তললৈ নমোৱাৰ দ্বাৰা।

(১০) আনকি যদি আকাৰ বা ধাৰণাক পৃথকে অস্তিত্বশীল বুলি ধৰা হয়, তেন্তে এইটো কোৱাটো সম্ভৱ নহয় যে কি ক্ষেত্ৰত ই এনে হ'ব আৰু কি ক্ষেত্ৰত এনে নহয়। নিশ্চিতভাৱে ই সকলো বিশেষ নাইবা ব্যক্তিৰ ক্ষেত্ৰত পৃথকে অস্তিত্বশীল হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে; স্বতন্ত্ৰ ব্যক্তি বা মানুহ। এই কথা কোৱাটো অসঙ্গত হ'ব যে সকলো মানুহৰ সাৰমৰ্ম একে, কিয়নো সকলো বিশেষ বস্তু, যাৰ সাৰমৰ্ম একে নাইবা এক, সি নিজেই এক। সাৰমৰ্মক পূৰক আৰু ভিন্ন হিচাপে গ্ৰহণ কৰাটোও অযুক্তিকৰ।

প্লেটে'ৰ ধাৰণা নাইবা আকাৰৰ বিৰোদ্ধে থকা এই সকলোবোৰ সমালোচনা একেলগে কৰি দুটা শিতানত দেখুওৱা হৈছে। প্ৰথমে, ধাৰণাক সম্পূৰ্ণ বা নিখুঁত আৰু স্বতন্ত্ৰ নাইবা পৃথক দ্ৰব্য বোলাৰ দ্বাৰা প্লেটে'ৱে এক অপ্ৰয়োজনীয় আৰু অনাহক দুভাগকৰণ কৰিচে। দ্বিতীয়তে,

প্লেট'ৰে ধর্মৰ সৈতে দ্রব্যৰ প্রবর্গ (Categories of substance) ক বিমোৰত পেলাইছে।

এইদৰে, এৰিষ্টটলে প্লেট'ৰ মতামতটোক বর্খাস্ত কৰিছে যে সামান্য বিশেষ বস্তুবোৰৰ পৰা পৃথকে অস্তিত্বশীল। সামান্য তেনে নহয়, যাৰ আমাৰ অভিজ্ঞতাত পোৱা স্বতন্ত্র বস্তুবোৰতকৈ এক উচ্চতম প্রকৃত সত্বা আছে। ই হৈছে এটা শ্রেণীৰ বহুতো বস্তুত থকা এক সাধাৰণ বিধেয়। সেয়ে, 'গৰু'ৰ ধাৰণাটো সকলো গৰুৰ ক্ষেত্রতে সাধাৰণ। 'গৰু'ৰ ধাৰণাটো বিধেয় 'গৰুত্ব'ৰ সৈতে একে। এতিয়া এই 'গৰুত্ব' 'গৰু'ৰ পৰা পৃথকে থাকিব নোৱাৰে, যি দৰে 'কোমলতা' এটা 'কোমল বস্তু'ৰ পৰা বেলেগ নহয়। বিশেষত সামান্য সত্য এই অর্থত যে ই বিশেষত নিজে নিজকে অনুধাৱন কৰে। প্লেট'ৰ বিপৰীতে, এৰিষ্টটলে পোষণ কৰে যে 'স্বতন্ত্র মানুহ' 'সামান্য মানুহ'ৰ অসম্পূর্ণ নকল নহয়। তেওঁ এজন প্রকৃত মানুহ। তেওঁ 'মানুহ' আখ্যা দিয়া হয় কাৰণ তেওঁৰ মাজত মানুহৰ নির্দ্দিষ্ট আৱশ্যকীয় তথা মৌলিক গুণ সমূহ বিদ্যমান। এইবোৰ আৱশ্যকীয় নিদৃষ্ট গুণ সমূহে মানুহৰ স্বৰূপ বা প্রকৃতি গঠন কৰে। ঠিক তেনেকৈ, এক নির্দিষ্ট প্রকাৰৰ বস্তুৰ অস্তিত্ব বস্তুটোৰ মাজত থকা ধর্ম বা গুণ সমূহৰ দ্বাৰা নির্দ্ধাৰিত হয়। যিহেতু সামান্য নিজে নিজে অস্তিত্বশীল হ'ব নোৱাৰে, সেয়ে সিহঁত দ্রব্য বুলি ক'ব পৰা নাযায়; নাইবা বিশেষ দ্রব্যও হ'ব নোৱাৰে; কিয়নো বিশেষ নাইবা পৃথক বস্তু বুলি একো নাথাকে। যদি 'গৰু'ৰ পৰা 'গৰুত্ব' স্বতন্ত্রভাৱে অস্তিত্বশীল নহয়, তেন্তে 'গৰুত্ব'ৰ পৰাও 'গৰু' স্বতন্ত্রভাৱে অস্তিত্বশীল হ'ব নোৱাৰে। এজনী গৰুৰ আন আন গৰুৰ সৈতে থকা সাদৃশ্যসমূহ আমি যদি পৃথক কৰি পেলাও, তেন্তে আমাৰ বিচাৰি পাবলৈ তাত একোৱেই নাথাকিব কিয়নো সকলো ধর্মকে ইয়াৰ পৰা আতঁৰ কৰি পেলোৱা হৈছে।

এৰিষ্টটল আৰু প্লেট' উভয়ে পোষণ কৰে যে সামান্যৰ জ্ঞান স্বজ্ঞা বা বুদ্ধিৰ জৰিয়তে আহৰণ কৰিব পাৰি। কিন্তু প্লেট'ৰে ইয়াকে অভিজ্ঞতাপূর্ণ (a-priori) হিচাপে স্বীকাৰ কৰিছে আৰু আনহাতে এৰিষ্টটলে ইয়াক অমুর্ত্ত কৰণৰ দ্বাৰা ইন্দ্রিয় অভিজ্ঞতাৰ পৰা নিঃসৃত হয় বুলি স্বীকাৰ কৰিছে।

পূর্বোক্ত আলোচনা সমূহৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে প্লেট'তকৈ এৰিষ্টটলৰ সামান্য সম্পর্কীয় মতবাদটো বেছি সাম্য নাইবা পৰিমিত। তাৰোপৰি এৰিষ্টটলৰ মতবাদটো প্লেট'তকৈ বেছি মিতব্যয়ী, যিহেতু তেওঁ দুখনৰ পৰিবর্ত্তে এখন জগতৰ কথা স্বীকাৰ কৰিছে। প্লেট'ৰ মতবাদটো হৈছে 'Universalia in rebus' অর্থাৎ বস্তুত সামান্য (Universals in things)।

কেতবোৰ বিশেষ দিশত সামান্য সম্পর্কীয় ভাৰতীয় বস্তুবাদী মতবাদৰ লগত এৰিষ্টটলৰ সামান্যৰ মতবাদ একে। এৰিষ্টটলৰ দৰে ন্যায়-বৈশেষিকে পোষণ কৰে যে সামান্য নিজৰ জগতত বিশেষৰ পৰা স্বতন্ত্রভাৱে অস্তিত্বশীল হৈ থাকে। সামান্য সদায় বিশেষ বস্তুবোৰৰ মাজত সিহঁতৰ বিধেয় ৰূপে অৱস্থান কৰে, যি সিহঁতৰ শ্রেণী বিভাজন আৰু সামান্যীকৰণৰ ভিত্তি। তথাপি উভয়ৰে মাজত এক সূক্ষ্ম পার্থক্যও নথকা নহয়। এৰিষ্টটলৰ মতে, বিশেষ বস্তুৰ পৰা স্বতন্ত্র আৰু পৃথক অস্তিত্ব সামান্যৰ নাথাকে। কিন্তু এৰিষ্টটলৰ পৰা বেলেগ আৰু প্লেট'ৰ ঘনিষ্ঠ ৰূপে ন্যায় দর্শনে পোষণ কৰে যে বিশেষৰ পৰা সামান্য অস্তিত্বশীল ভাৱে স্বতন্ত্র যদিও সিহঁতৰ সজাগতাৰ বাবে বিশেষৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ বস্তুবাদৰ প্রধান বিষয় বা প্রসঙ্গ কি?

.....

.....

প্রশ্ন নং ৮ঃ বস্তুবাদৰ কেইজনমান সমর্থকৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ঃ চমুকৈ প্লেট'ৰ বস্তুবাদৰ মতটো উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১০ঃ প্লেট'ৰ মতে ধাৰণা সমূহক কিদৰে জানিব পাৰি?

.....

.....

প্রশ্ন নং ১১ঃ এৰিষ্টটলৰ বস্তুবাদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ১২ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) প্লেট'ৰে ধর্ম বা গুণ হিচাপে সামান্যৰ বর্ণনা কৰিছে। (সত্য/অসত্য)

(খ) এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্রহণ কৰিছে। (সত্য/অসত্য)

(গ) প্লেট'ৰ মতে, বিশেষক অতিক্রম কৰি এখন পৃথক জগতত সামান্য অস্তিত্বশীল। (সত্য/অসত্য)

(ঘ) এৰিষ্টটলৰ মতবাদ 'Universalia in rebus'। (সত্য/অসত্য)



চিন্তা চর্চা কৰকঃ ১৩.১

প্রশ্ন ঃ প্লেট' আৰু এৰিষ্টটল মাজত কোনজনৰ মতবাদক আপুনি বেছি প্রসংসনীয় বুলি ভাবে?

উত্তৰঃ-

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পূৰ্বোক্ত আলোচনাৰ পৰা আমি যি বুজিলো, সেয়া হৈছে যে সামান্যৰ সমস্যা এক সহজ সমাধান কৰিব নোৱাৰা সমস্যা বা এক জটিল সমস্যা।
- ইয়াত আলোচিত দুয়োটা মতামত নিজা নিজা দৃষ্টিকোণৰ পৰা শুদ্ধ যেন বোধ হয়, যদিও এটাও সমালোচনাৰ উৰ্দ্ধত নহয়।
- তথাপি, সামান্যৰ সাধাৰণ সংজ্ঞাটো হৈছে সামান্য হৈছে সি, যি বিশেষ শ্ৰেণীৰ সকলো সদস্যৰ দ্বাৰা সাধাৰণভাৱে অংশীদাৰ হয় আৰু একে হয় আৰু একে জাতি ধৰ্ম বিশিষ্ট বস্তুবোৰক এটা বিশেষ শ্ৰেণীৰ অন্তৰ্গত কৰি একে বিশেষ নামেৰে সম্বোধন কৰা টো ইয়াৰ ভিত্তি।
- বস্তুবাদৰ মতে, এই সাধাৰণ উপাদানটো মন নিৰপেক্ষ আৰু তাৰ এক বাস্তৱ সত্ত্বা বা অস্তিত্ব আছে।
- প্লেট'ৰ মতে সামান্য অ-দেশীয় আৰু অ-কালিক। আনহাতে, এৰিষ্ট'টলৰ মতে সামান্য বিশেষ বস্তুবোৰৰ মাজত অস্তিত্বশীল।
- সামান্যৰ সমস্যাটো আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা আহিছে।
- সামান্যই বস্তুবোৰক একেলগ কৰি একোটা গোট সৃষ্টি কৰাৰ ভিত্তিৰ যোগান ধৰে। সিচঁৰিত হৈ থকা বিশেষ বিশেষ বস্তুবোৰৰ মাজত ই এক ঐক্যতা স্থাপন কৰে।
- বস্তুবাদ, প্ৰত্যয়বাদ আৰু নামবাদ হৈছে সামান্য সম্পৰ্কীয় কেইটামান প্ৰধান মতবাদ।
- বস্তুবাদ হৈছে সেইটো মতবাদ, যাৰ মতে সামান্যৰ স্বতন্ত্ৰ সত্ত্বা আছে। এই মতবাদৰ প্ৰধান দাৰ্শনিকদ্বয় হৈছে প্লেট' আৰু এৰিষ্ট'টল।
- প্লেট'ৰ মতে, সামান্যবোৰ প্ৰকৃত নাইবা বিশেষ্য। কিন্তু এৰিষ্ট'টলৰ মতে সিহঁত বিশেষণাত্মক। প্লেট'ৰ মতে সামান্য বিশেষৰ পৰা পৃথক অৱস্থান কৰে। কিন্তু এৰিষ্ট'টলৰ মতে ই অসম্ভৱ।



১৩.৬ অধিক জানিবলৈ

1) Aaron, R.I. (1952) . *The Theory if Universals.* Oxford.

2) Edman, I. (ed.) (1956) . *The Works of Plato.* The Modern Library. New York.

3) Sarma, Dr Ramala (2013). *Theory of Universals.* N.L. Publications : Guwahati.

4) Warrington, J., (ed.) (1961). *Aristotle's Metaphysics.* Everyman's Library : London.

১৩.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য (ঘ) সত্য(ঙ) অসত্য

২নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে, সামান্য বুলিলে একে জাতি ধর্ম বিশিষ্ট বস্তু সমূহক এটা বিশেষ শ্রেণীৰ অন্তর্ভুক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰাৰ ফলত যি সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ মাজত সমভাৱে উপস্থিত থাকে আৰু একেটা নামেৰেই সিহঁতক সম্বোধন কৰা হয়, তাকে বুজা যায়।

৩নং প্রশ্নৰ উত্তৰ ঃ বিশেষ বস্তু সমূহ হৈছে সেইবোৰ বস্তু, যিবোৰ এক বিশেষ দেশ আৰু কালত অস্তিত্বশীল। উদাহৰণ স্বৰূপে এখন মেজ, এখন কিতাপ, এটা ৰঙা ৰং, এজোপা গছ, এজনী গাই ইত্যাদি।

৪নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদ (Realism), প্রত্যয়বাদ (Conceptualism) আৰু নামবাদ (Nominalism)

৫নং প্রশ্নৰ উত্তৰ ঃ প্রত্যয়বাদ অনুসৰি সামান্য হৈছে মনৰ এক ধাৰণা বা অৱধাৰণ, ই এক বিশুদ্ধ মানসিক সত্ত্বা। মন বহিঃর্ভুত বস্তুত কোনো সামান্যতা নাথাকে।

৬নং প্রশ্নৰ উত্তৰ ঃ নামবাদৰ মতে, সামান্য হৈছে কেৱল এক নাম বা শব্দ, যাক বিভিন্ন বিশেষৰ এটা গোটৰ ক্ষেত্রত ব্যৱহাৰ কৰাৰ দ্বাৰা সামান্য হিচাপে গঠন কৰা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদৰ প্রধান বিষয় বা প্রসঙ্গ হৈছে যে সামান্য জ্ঞান মন স্তত্ত্র হিচাপে অস্তিত্বশীল। ইয়াৰ বস্তুগত সত্যতা আছে। ই এনে এক সাৰমর্ম, যি এটা শ্রেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থাকে।

৮নং প্রশ্নৰ উত্তৰ ঃ ন্যায় বৈশেষিক, মীমাংসা, প্লেট', এৰিষ্টটল, চেইণ্ট আগাষ্টাইন, চেইণ্ট থ'মাচ একুইনাছ, বাট্রাণ্ড ৰাছেল, জি. ই মুৰ আৰু আলেকজেণ্ডাৰ হৈছে বস্তুবাদৰ সমর্থক।

৯নং প্রশ্নৰ উত্তৰ ঃ প্লেট'ৰ বস্তুবাদ চৰম বস্তুবাদ। তেওঁৰ মতে, সামান্য হৈছে প্রকৃত, এক সত্ত্বা, যি এক অ-দেশী অ-কালিক জগতত মনৰ ওপৰত নির্ভৰশীল নোহোৱাকৈয়ে অস্তিত্বশীল। দেশ আৰু কালৰ জগতত থকা বিশেষ সমূহৰ ক্ষেত্রত যিয়েই নঘটক তাৰ দ্বাৰা সামান্যৰ ওপৰত একো প্রভাৱ নপৰে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ প্লেটৰ মতে, পূৰ্বস্মৃতিৰ মতবাদৰ জৰিয়তে ধাৰণা সমূহক জানিব পৰা যায়। থেওঁ কৈছিল যে, আত্মাতহে সামান্য আছে (প্লেটৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বৰ্ত্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বৰ্ত্তমান জীৱনত যেতিয়া আমি একে ধৰণৰ বস্তু প্ৰত্যক্ষ কৰোঁ, তেতিয়া আমি পাৰ্থিৰ জগতত পাহৰি যোৱা 'আকাৰ' বা 'ধাৰণা' স্মৰণ কৰোঁ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটলে বস্তুবাদৰ এক নৰম আকাৰৰ পোষকতা কৰিছে। তেওঁ প্ৰকৃত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁৰ মতে, সামান্য প্ৰকৃত তথা বস্তু মূলক নহয়, ৰঞ্চ বিশেষৰ অন্তৰ্ভুক্ত এক ধৰ্ম নাইবা গুণ। তেওঁৰ বাবে সামান্য আৰু বিশেষৰ মাজত এক আন্তঃনিৰ্ভৰশীলতাৰ সম্পৰ্ক আছে।

১২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য (গ) সত্য (ঘ) সত্য



১৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ৰাছেল বস্তুবাদৰ এজন সমৰ্থক হয় নে?

প্ৰশ্ন ২ঃ কোন ভাৰতীয় চিন্তাবিদে বস্তুবাদ মতবাদক পোষণ কৰিছে?

প্ৰশ্ন ৩ঃ সামান্যৰ কোনটো মতবাদে সাৰমৰ্ম (Essence) ক এটা শ্ৰেণীৰ অন্তৰ্গত সকলো বিশেষত অনুৰূপভাৱে উপস্থিত থাকে?

প্ৰশ্ন ৪ঃ বিশেষ কি?

প্ৰশ্ন ৫ঃ সামান্যৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৬ঃ বিশেষৰ কেইটামান উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ঃ প্লেটৰ মতে যিটো মতবাদে কয় যে ধাৰণাক জানিব পাৰি, তাৰ নাম কি?

প্ৰশ্ন ৮ঃ এৰিষ্টটলৰ মতে বিশেষৰ পৰা পৃথককৈ সামান্য অস্তিত্বশীল হয় নে?

প্ৰশ্ন ৯ঃ কোনটো ভাৰতীয় মতবাদে এৰিষ্টটলৰ মতামতক মিলিত কৰিছে?

প্ৰশ্ন ১০ঃ কোনজন দাৰ্শনিক 'শ্ৰেয়ৰ ধাৰণা' (Idea of Good) ৰ সৈতে জড়িত।

খ) চমু প্ৰশ্ন (১০০ ৰ পৰা ১৫০ মান শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ বস্তুবাদ কি?

প্ৰশ্ন ৩ঃ সামান্য আৰু বিশেষৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ঃ প্লেটৰ 'শ্ৰেয়'ৰ ধাৰণাৰ ওপৰত এটি চমুটোকা যুগুত কৰক।

প্ৰশ্ন ৫ঃ এৰিষ্টটলৰ মতামত সমূহ কিদৰে ন্যায় বৈশিষক দৰ্শনত মিলিত হৈছে লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সমালোচনাসহ প্লেটৰ সামান্যৰ মতবাদটো আলোচনা কৰক।

প্ৰশ্ন ২ঃ এৰিষ্টটলে প্লেটৰ ধাৰণাৰ মতবাদক সমালোচনা কৰিছে।

প্ৰশ্ন ৩ঃ এৰিষ্টটলৰ বস্তুবাদ মতবাদৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ঃ কি অৰ্থত এৰিষ্টটলৰ বস্তুবাদ প্লেটৰ মতকৈ বেছি সাম্য?

প্ৰশ্ন ৫ঃ "Hierarchy of Universals" বুলিলে কি বুজে? প্লেটৰ মতামতৰ ওপৰত ভিত্তি কৰি আলোচনা কৰক।

****

অধ্যায়-১৪ নামবাদ- হ'বচ আৰু হিউম

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ নামবাদ ঃ এই মতবাদে কি কয়
১৪.৩.১ হ'বচৰ মতবাদ
১৪.৩.২ হিউমৰ মতবাদ
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সামান্যৰ এক মতবাদ হিচাপে নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- হ'বচৰ নৰম নামবাদ (Milder Nominalism) ৰ ধাৰণাটো আলোচনা কৰিবলৈ সক্ষম হ'ব
- হিউমৰ নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আলোচনা কৰাৰ দৰে সামান্য হৈছে সেই সাধাৰণ ধর্ম যি কোনো বিশেষ শ্রেণীৰ অন্তর্ভুক্ত প্রতিটো বস্তু বা প্রাণীৰ মাজত সমভাৱে উপস্থিত থাকে আৰুএক বিশেষ নামেৰে নামাকৰণ কৰা যায়। অর্থাৎ অনেকৰ মাজত যি সাধাৰণভাৱে উপস্থিত থাকে, তাকেই সামান্য বোলা হয়। গতিকে, সেই 'সামান্য'ৰ সঠিক স্বৰূপৰ সন্দর্ভত বিভিন্ন দার্শনিক তেওঁলোকৰ ভিন্ন মতামত সমূহ আগবঢ়াইছে। সেয়েহে, 'সামান্য কি?'- এই প্রশ্ন সম্বন্ধীয় বিভিন্নধৰণৰ মতবাদ আমি দেখা পাওঁ। নামবাদ এনে এক মতবাদ, যিয়ে এটা শ্রেণীৰ অন্তর্গত বস্তুসমূহৰ নিৰিক্ষিত সাদৃশ্য সমূহৰ মাজত সমিধান বিচাৰে।

১৪.৩ নামবাদ ঃ এই মতবাদে কি কিয়

নামবাদে বস্তুগত অধিবৈজ্ঞানিক সামান্যক সম্পূর্ণৰূপে অস্বীকাৰ কৰিছে। এই মতবাদ অনুসৰি এনেকুৱা কোনো বস্তু নাই, যি একে সময়তে বিশেষ বিশেষ বস্তুৰ এক সমষ্টিত উপস্থিত থাকে। এই মতবাদ মতে, এটা সমষ্টিৰ অন্তর্গত ভিন্ন বিশেষ বিশেষ বস্তুবোৰৰ মাজত থকা পর্য্যবেক্ষিত সাদৃশ্যতাৰ দ্বাৰাই কেৱল এই সামান্যৰ সমস্যাটো সমাধান কৰিব পৰা যায়।

এই মতবাদ অনুসৰি যিকোনো বিশেষ বস্তুৰ গুণ বা বিশিষ্ট ধর্মৰাজিত সেই বস্তুটোৰ দৰেই বিশেষ।নামবাদে সামান্য সম্পর্কীয় এৰিষ্ট'টল আৰু প্লেট' উভয়ৰে বাস্তৱবাদী মতবাদসমূহক নুই কৰিছে। এই মতবাদে পোষণ কৰে যে সামান্যৰ বস্তুগত আৰু মনোগত কোনো অস্তিত্ব নাই। ই কোনো সত্ত্বা নহয়। এই মতবাদটি যাৰ অনেক তাৰতম্য আছে, সি সামান্যক বিশেষ আৰু সিহঁতৰ মাজৰ সাদৃশ্যসমূহ হিচাপে সংজ্ঞা নিৰূপন কৰে। সেয়েহে, এক অর্থক এই মতবাদ প্লেটোতকৈ এৰিষ্ট'টলৰ মতৰহে বেছি নিকট। যিহেতু সামান্যক বিশেষৰ ৰূপত বর্ণনা কৰা হৈছে আৰু সেয়েহে, ইয়াক দৃষ্টান্তৰ অনুপস্থিতিত পাব পৰা নাযায়। কিন্তু এৰিষ্ট'টলে কোৱাৰ নিচিনাকৈ এই জগতৰ বিভিন্ন বস্তুৰ মাজতো অভিন্ন ৰূপে সামান্যই অৱস্থান নকৰে। সেইহেতুকে নামবাদে বস্তু সমূহৰ যে এক সাধাৰণ নাম থাকে, সেই কথা অস্বীকাৰ কৰা নাই। এই মতবাদটোৱে অস্বীকাৰ কৰে বিশেষ বস্তু সমূহক যাক এক বিশেষ বৈশিষ্টযুক্ত এক সাধাৰণ পদ, (যি সিহঁতৰ সকলোৰে ক্ষেত্রত অনুৰূপ) ৰ দ্বাৰা নামাকৰণ কৰা হয়। এই মতবাদৰ প্রধান সমর্থক সকল হৈছে বৌদ্ধসকল, হ'বচ, বার্কলি আৰু হিউম।

নামবাদৰ পাচাত্য মতবাদটোৱে বিশেষ কেইবাজনো অভিজ্ঞতাবাদী চিন্তাবিদৰ হাতত ইয়াৰ পূর্ণ প্রকাশ লাভ কৰে। তেওঁলোকে বিশেষৰ ওপৰত মনোনিবেশ আৰু অমুর্ত্ত চিন্তা বা কল্পনাৰ নিষ্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বস্তুগত অধিবিদ্যামূলক সামান্যক দাঙি ধৰাৰ পৰিৱর্ত্তে, এই মতবাদটোৱে বিভিন্ন বিশেষৰ মাজত নিৰক্ষিত সাদৃশ্যকহে স্বকীৰ কৰিছে, যি সামান্যৰ সমস্যাটো সমাধান কৰাৰ বাবে যথোপযুক্ত। এই মতটো ও'কহামৰ উইলিয়াম (William of Okham) নামৰ দার্শনিক জনৰ দর্শনৰ পৰা আহিছে। তেওঁ মতবাদটোক সৰবাহী ৰূপে 'Principle of Ocham's Razor' হিচাপে জনাজাত। তেওঁৰ মতে য'ত কম পৰিমাণৰ ব্যৱহাৰ সম্ভৱ, তাত অধিক নীতি নিয়োগ কৰাটো সমৰ অপচয়হৈ হয়।

১৪.৩.১ হ'বচৰ মতবাদ

থমাচ হ'বচৰ চিন্তাধাৰাত নামবাচক ইয়াৰ স্পষ্ট ৰূপত দেখা পোৱা যায়। থমাচ হ'বচে তেওঁৰ নামবাদ মতবাদক এক নৰম ৰূপত আগবঢ়াইছে। তেওঁ পোষণ কৰে যে বিশেষৰ এটা সমষ্টি এটা আনটোৰ লগত মিল থকাৰ হেতু একেতা নামেৰে জনা যায়

আৰু এই বিশেষণ সমূহকো একেটা নামেৰেই বুজোৱা হয়। যিহেতু বাকীখিনিয়েও একে নামেৰে বুজোৱাক উপৰিও পৃথকে তাৰ লগত সাদৃশ্যৰ স্মপৰ্কৰে যুক্ত হৈ থাকে। হ'বচৰ মতে, সামান্য বুলি একো নাই, ই কেৱল এটা সাধাৰণ শব্দ, অথবা একে নামেৰে সিহঁতক নামাকৰণ কৰাৰ বাহিৰে বস্তুবোৰৰ সমষ্টিত আন কোনো 'সাধাৰণ' নাই। তেওঁৰ মতবাদে কেৱল বস্তুবাদকে অস্বীকাৰ কৰা নাই, বৰঞ্চ প্রত্যয়বাদকো অস্বীকাৰ কৰিছে। সামান্য এনে একো নহয়, যি প্রকৃতিৰ মাজত অৱস্থান কৰে, নাইবা ই মনত উদয় হোৱা কোনো ধাৰণা বা প্রতায় নহয়। অর্থাৎ, 'সামান্য' এই শব্দটো প্রকৃততে অস্তিত্বশীল এনে কোনো বস্তুৰ নাম নহয় বা এনে কোনো ধাৰণাৰ নাম নহয়, যাক আমাৰ মনে গঠন কৰে। হ'বচে সামান্য প্রত্যয় বা ধাৰণাৰ অস্তিত্ব স্বীকাৰ নকৰি সাধাৰণ নামকেই তেওঁ সামান্য আখ্যা দিছে। ই হৈছে সদায় কিছুমান শব্দৰ নাম মাত্র হৈ।

তথাপিও, হ'বচে তেওঁৰ নামবাদত 'Type' আৰু 'token' ৰ মাজত পার্থক্য নিৰূপন কৰিবলৈ অসমর্থ হোৱা যেন দেখা যায়। আর্হি (type) আৰু চিহ্ন (Token) ৰ মাজত এক তাৎপীর্য্যপূর্ণ পার্থক্য আছে। উদাহৰণ স্বৰূপে দিয়া তলৰ বাক্য দুটাত দেখা যায় যে একেটা শব্দ 'red' দুটা ভিন্ন ক্ষেত্রত কিদৰে 'Type' আৰু 'Token' ৰ অর্থত ব্যৱহৃত হৈছে।

(i) 'Red' occurs ten times on this page

(ii) His red handkarchief hung down from his pocket.

প্রথম বাক্যশাৰী উচ্চাৰণ কৰাত কওঁতাজনে 'Type' 'Red' ৰ কথা নির্দ্দেশ কৰিছে। ইয়াত, ই য'তেই উদ্ভৱ হয়, ত'তেই একেটা অর্থকে বহন কৰে। আনহাতে, হয় বাক্যশাৰী উচ্চাৰণ কৰোঁতে কওঁতাজনে আর্হি (Token) শব্দ 'Red' ৰ কথা নির্দ্দেশ কৰিছে। অর্থাৎ ই চিহ্ন (Type) শব্দ 'Red' ৰ বিশেষ বিশেষ উদ্ভৱৰ মাজৰ এটাক বুজাইছে।

এতিয়া, যিহেতু এই পার্থক্য নির্ণয়ত অকৃত কার্য্য হৈছে, সেয়ে তেওঁ বিচাৰি উলিয়াবলৈ অসমর্থ যে, এটা অর্থ য'ত এটা নাম বিশেষ সমূহৰ এক শৃংখলৰ ক্ষেত্রত সাধাৰণ যাৰ প্রত্যেককে সেই নামেৰে জনা যায়, সি হৈছে, এক 'Type sense' আৰু প্রত্যেক সময়ত যিকোনো এটা গোট বা সমূহক নামাকৰণ কৰাৰ ক্ষেত্রত বিভিন্ন ধৰণৰ 'Token' ব্যৱহৃত হয়। যদিহে তেওঁ 'Type' আৰু 'Token' ৰ মাজত পার্থক্য নিৰূপন কৰিলেহেতেন, তেওঁ কেৱল এই কথাই জ্ঞাত নহ'ল হেতেন যে এটা সাংখ্যিক ভাৱে পৃথক চিহ্ন (Token) প্রত্যেক সময়তে ব্যৱহৃত হয়, কিন্তু এটা একক আর্হিৰ চিহ্নসমূহ পৰিমাণগতভাৱে ভিন্ন প্রকাৰৰো হ'ব পাৰে, তাকে জানিবলৈ সক্ষম হ'ল হেতেন। তাৰোপৰি, এটা প্রদত্ত শব্দৰ প্রত্যেক দৃষ্টান্ততে আক্ষৰিকভাৱে সাধাৰণ নাইবা অনুৰূপ কিবা আছে বুলি ভৱাটো কেৱল 'আর্হি' (Type) আৰু 'চিহ্ন' (Token) ৰ মাজত পার্থক্যৰ বিচাৰ কৰা আৰু একে 'আর্হি'ৰ চিহ্ন সমূহত পৰিমাণগত পার্থক্যক নুই কৰাক বুজোৱা

নাই বৰঞ্চ ইয়াৰ দ্বাৰা এৰিষ্টটলীয়ান মতবাদটোক ইয়াৰ দোষ সমূহৰ এটা সমূহ (Group) ৰ এক সাধাৰণ বৈশিষ্ট্য নহয়, বৰঞ্চ সকলোৰে ক্ষেত্রত সাধাৰণ এক একক অনুৰূপ নাম মাত্র।

এইদৰেই হ'বচৰ সামান্য সম্বন্ধীয় মতবাদে কেতবোৰ গুৰুতৰ প্রশ্নৰ সন্মুখীন হৈছে- কি. বেলেগ বেলেগ বস্তুক একোটা নামৰ দ্বাৰা বুজোৱা হয়? কেতবোৰ বস্তুক একেটা নামেৰে মতাটো কি শ্রেণীবিভাজনৰ ভিত্তি? যেতিয়া জগতৰ সকলো বস্তুৰেই একক, তেন্তে নামক সামান্য বুলি কোৱাত হ'বচ কেনেকৈ স্থিৰ হৈ থাকিব পাৰে? চৰম নামবাদক পোষণ কৰা প্রত্যেকেই এই সকলোবোৰ দোষ বা সমস্যাৰ মুখামুখী হ'বই লাগিব। হ'বচে এই কথা হয়তে বুজি পাইছিল, সেয়ে তেওঁ নৰম নামবাদৰ পক্ষে থিয় দিছিল। একেটা নামৰ দ্বাৰা প্রত্যেক বিশেষ বিশেষ বস্তুক বুজোৱাব ভিত্তি স্বৰূপে তেওঁ বিশেষ বস্তু সমূহৰ মাজত সাদৃশ্যৰ কথা স্বীকাৰ কৰিছে। কেতবোৰ গুণ নাইবা আন কোনো ক্ষেত্রত সাদৃশ্যতা হেতু এটা সামান্য নামক বহুতো বস্তুৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰি। 'এজন মানুহ' (A man) হে 'সকলো মানুহ'ৰ যিকোনো এটা সাদৃশ্যক নির্দ্দেশ কৰে আৰু 'এটা গৰু' (A Cow) ৰে 'সকলো গৰু'ৰ যিকোনো এক সাদৃশ্যক বুজায়। 'এইজন মানুহ' আৰু 'সেইজন মানুহ'ৰ মাজত আৰু 'এইটো গৰু' আৰু 'সেইটো গৰু'ৰ মাজত সাদৃশ্যতাৰ এক সম্বন্ধ আছে। যেতিয়া হ'বচে কয় যে, এটা সাধাৰণ শব্দ হৈছে এক নাম, যি বিশেষৰ এটা সমুদায়ৰ ক্ষেত্রত সদায় একে, ইয়াৰ দ্বাৰা তেওঁ ইয়াকে বুজাইছে যে এক সমূহৰ অন্তর্ভুক্ত প্রত্যেক বিশেষ বিশেষ (Particulars) ৰ বাবে ব্যৱহৃত হোৱা হেতু এটা চিহ্ন সকলোৰে সৈতে সদৃশ। বস্তুৰ সাদৃশ্যতা শ্রেণীবিভাজনৰ ভিত্তি। শ্রেণীবিভাজন কেৱল নামকৰণে নহয়, ইয়াৰ এক বিশেষ ভেঁটিও আছে। সেয়া হৈছে বস্তুৰ মাজৰ সাদৃশ্যতা। এইদৰেই, হ'বচৰ মতবাদটে, সাদৃশ্যতাবাদ মতবাদ (Theory of Resemblane) ৰ অন্তর্গত হোৱা দেখা যায়।

হ'বচৰ নামবাদ বৌদ্ধ নামবাদ (apohavada) ৰ পৰা পৃথক। বৌদ্ধ নামবাদৰ দৰে হ'বচৰ নামবাদ সম্বন্ধীয় স্থান চৰম নহয়। বিশেষৰ মাজত কোনো ধৰণৰ সদর্থক সাদৃশ্যতা বৌদ্ধসকলে স্বীকাৰ কৰা নাই। কেৱল অদ্বিতীয় (Unique) বিশেষ (Sua-laksana) হে সত্য আৰু সাদৃশ্যতা, নাম আদি সকলো নামসিক গঠন। আমাৰ কল্পনাৰ বাদে সাদৃশ্যতা, নাইবা মিলৰ কোনো স্থান নাই। বস্তুসমূহক একে বুলিও ক'ব নোৱাৰি নাইবা শব্দ বোৰকো একে বুলিব নোৱাৰি। 'সাদৃশ্যতা', 'অনুৰূপতা' আদি সকলো মানুহৰ মনৰ বিশ্বাস। বৌদ্ধসকলে যি কোনো ধৰণৰ সাদৃশ্যতাক নুই কৰিছে। এজন স্থিৰ নামবাদী হোৱাৰ হেতু তেওঁ জানে যে যিকোনো সমতলৰ ওপৰত অনুৰূপতা বা সাদৃশ্যতাক গ্রহণ কৰাটোৱে বস্তুবাদক আ াদিত কৰাহে হ'ব।



অগ্রগতি খতিয়ান

প্রশ্ন নং ১ ঃ তলৰ বাক্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) নামবাদ অনুসৰি সামান্য হৈছে আচল গুণ। (সত্য/অসত্য)

(খ) হ'বচৰ নামবাদ নৱম নামবাদ। (সত্য/অসত্য)

(গ) বৌদ্ধ নামবাদক 'Apohavada' বোলা হয়। (সত্য/অসত্য)

প্রশ্ন নং ২ ঃ নামবাদৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ৩ ঃ আৰ্হি (Type) কি?

.....

.....

প্রশ্ন নং ৪ ঃ চিহ্ন (Token) কি?

.....

.....

প্রশ্ন নং ৫ ঃ হ'বচে সামান্যক কিদৰে বৰ্ণনা কৰিছে?

.....

.....

১৪.৩.২ হিউমৰ মতবাদ

হিউমৰ সাধাৰণ শব্দৰ বিষয়টো তেওঁৰ বিখ্যাত গ্ৰন্থ 'A Trealise of Human Nature' ত দেখিবলৈ পোৱা যায়। হিউমে পোষণ কৰে যে সামান্য ধাৰণাবোৰ হৈছে এক প্ৰতিনিধিৰ ৰূপত ব্যৱহৃত বিশেষ ধাৰণা। মনোবৃত্তিৰ মতবাদ আৰু অনুৰূপতাবাদ মতবাদৰ নিয়ম গঠনৰ দ্বাৰা তেওঁ এই ধাৰণাৰ বিকাল ঘটাইছিল, যি বাৰ্কলিৰ মতবাদৰ সৈতে হুবহু একে আছিল। মনত এক বিশেষ আকৃতি বা কল্পনাৰ অবিহনে আমি তাক কেতিয়াও সামান্যীকৰণ কৰিব নোৱাৰো এই দৃষ্টিভঙ্গীৰে হিউমে তেওঁৰ মতবাদটো আৰম্ভ কৰিছে। তেওঁ বিমুৰ্ত্তিকৰণ ধাৰণাৰ বিৰোধী আছিল। তেওঁৰ বাবে সামান্য ধাৰণাবোৰ নিজে একেটা বিশেষ স্থূল বা মুৰ্ত্ত বস্তু বা ব্যক্তি বিশেষ। ধাৰণাবোৰ চিন্তা আৰু যুক্তিত

থকা সাঁচসমূহৰ অনুজ্বল ধাৰণা বা নকল (Copies)। হিউমে সিহঁতক যুক্তিৰ দ্বাৰা অনুভৱ কৰা বৌদ্ধিক ধাৰণা ৰূপে গ্রহণ কৰা নাই। সেইবোৰ ধাৰণাহে কেৱল আছে, যিয়ে মনৰ সাঁচবোৰক নকল কৰিব পাৰে।

হিউমে বার্কলিৰ এই কথা প্রশংসা কৰিছে যে সামান্য বা সাধাৰণ ধাৰণাসমূহ এক নির্দ্দিষ্ট শব্দৰ সৈতে লগলাগি থকা বিশেষৰ বাদে আন একো নহয়, যিয়ে সিহঁতক সাব্যস্ত কৰে আৰু এক ব্যাপক তাৎপর্য্য প্রদান কৰে; লগতে সিহঁতৰ লগত মিল থকা অন্যান্য ব্যক্তি নাইবা বস্তুৰ ক্ষেত্রত সিহঁতক মনত পেলায় দিয়াত সহায় কৰে। হিউমে ভাৱে যে প্রত্যেক সামান্য বা সাধাৰণ শব্দৰ লগত সঙ্গঁতি ৰাখিলে এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব। বার্কলিয়ে যেতিয়া পোষণ কৰে যে এক বিশেষৰ সম্বন্ধতহে এটা শব্দ সামান্য হৈ পৰে, কিন্তু আনহাতে, হিউমে প্রতিনিধিত্ব মূলক ধাৰণাক বেলেগ এক উপায় হিচাপে উল্লেখ কৰিছে। তেওঁৰ বাবে এক সামান্য পদৰ লগত যুক্ত হ'লেহে এটা বিশেষ ধাৰণা সামান্য হৈ পৰে।

হিউমে তেওঁৰ দৃষ্টিভংগীৰ সমর্থনত তিনিটা যুক্তি আগবঢ়াইছে। সেয়া হ'ল-

প্রথমে, আমি এডাল ৰেখা কল্পনা কৰিব নোৱাৰো যাৰ কোনো নির্দ্দিষ্ট দৈর্ঘ্য নাথাকে। সেয়েহে, আমি প্রত্যেকৰে এক সঠিক মাত্রা নির্দ্ধাৰণ নকৰাকৈ গুণ আৰু পৰিমাণৰ কোনো ধাৰণা গঠন কৰিব নোৱাৰো।

দ্বিতীয়তে, যিহেতু এক ধাৰণাই মনৰ সাঁচবোৰ নকল কৰে আৰু প্রত্যেক সাঁচেই নির্দ্দিষ্ট আৰু স্পষ্ট, সেয়ে, এটা ধাৰণাও সুনির্দ্দিষ্ট আৰু সুস্পষ্ট হ'বই লাগিব, আনকি যদিও ই মনৰ সাঁচতকৈ অনুজ্বল, য'ৰ পৰা ই নিঃসৃত হয়।

তৃতীয়তে, প্রকৃতিত যি অস্তিত্বশীল সিয়েই ব্যক্তিবিষয়ক (Individual) অর্থাৎ এক সঠিকভাৱে নির্দ্ধাৰিত বিশেষ (Particular)। উদাহৰণস্বৰূপে- বিশেষ বৈশিষ্ট্য নোহোৱাকৈ কোনো ত্রিভুজ অস্তিত্বশীল হ'ব নোৱাৰে। এটা অস্তিত্বশীল ত্রিভুজৰ স্বকীর্য্য হিচাপে মানি লোৱাটো অসঙ্গঁত হ'ব, যি একেটা সময়তে সামান্য আৰু ত্রিভুজৰ সম্ভাৱনীয় প্রকাৰ আৰু আয়তনৰ একো নাথাকে।

বার্কলিয়ে যেতিয়া এই কথাষাৰ দর্শাই নিজকে বিবাদৰ সন্মুখীন কৰাইছে যে এটা ধাৰণাই একে ধৰণৰ সকলো ধাৰণাকে প্রতিনিধিত্ব কৰাৰ দ্বাৰা সামান্য ধাৰণা হৈ পৰে; হিউমে আনহাতে আৰু এখোপ আগুৱাই গৈ এটা বিশেষ ধাৰণাই কিদৰে আন আন ধাৰণা সমূহক প্রতিনিধিত্ব কৰে, তাৰ বর্ণনা আগবঢ়াইছে। তেওঁৰ এই ব্যাখ্যা তেওঁৰ অনুৰূপতাবাদ মতবাদত উল্লেখ আছে। তেওঁ অনুৰূপতা সম্পর্কে দুটা দিশৰ কথা উল্লেখ কৰিছে। প্রথমে, দুটা বস্তু অনুৰূপ হয়, যেতিয়া সিহঁতৰ এক নাইবা একাধিক উপাদান একে হয়। ই হৈছে অনুৰূপতাৰ পৰম্পৰাগত ব্যাখ্যা। দ্বিতীয়তে, অনুৰূপতা তেতিয়াও সংঘটিত হ'ব পাৰে, য'ত কোনো ঘৰণৰ সাধাৰণ উপাদান নাথাকে। এইটো হিউমৰ এক

উপৰুৱা মতবাদ, যিয়ে সঠিক অনুৰূপতাবাদৰ বাবে ভেঁটিৰ যোগান ধৰে। প্ৰথম মতবাদটোৱে সাব্যস্ত কৰে যে দুটা সংযোজক এটা আনটোৰ অনুৰূপ বুলিব পাৰি, যদিহে অমিশ্ৰিত উপাদানসমূহৰ মাজৰ অন্ততঃ এটা অমিশ্ৰিত উপাদান সিহঁতৰ মাজত সাধাৰণ হয়। উদাহৰণ স্বৰূপে- যদি এটা সংমিশ্ৰিত 'A' গঠিত হয় 'a', 'b', 'c' আৰু 'd' ৰ দ্বাৰা আৰু আন এটা সংমিশ্ৰিত 'B' গঠিত হয় ক্ৰমে 'a', 'b', 'e' আৰু 'f' ৰ দ্বাৰা, তেতিয়া 'A' আৰু 'B' ক অনুৰূপ বুলি ক'ব পৰা যায়, যিহেতু উভয়ৰে মাজত 'a' আৰু 'b' সাধাৰণ উপাদান উপস্থিত আছে। কিন্তু এই অনুৰূপতাৰ বিষয়টোত এক অসুবিধা আহি পৰে। ওপৰৰ ব্যাখ্যা অনুসৰি এই মতবাদে কেৱল সাধাৰণ উপাদান বিশিষ্ট সংমিশ্ৰিণৰ ক্ষেত্ৰতহে পৰ্য্যবেক্ষণ কৰিব পাৰে আৰু ই ইয়াকে বুজায় যে অমিশ্ৰিত সমূহক এটাৰ লগত আনটোক একে বুলিব পৰা নাযায় আৰু সেইহেতুকে সিহঁতৰ ক্ষেত্ৰত আমি সামান্যীকৰণ কৰিব নোৱৰো।।

এই সমস্যাটো অনুধাৱন কৰি হিউমে কয় যে যেতিয়া আমি পৰ্য্যবেক্ষণ কৰা কেতবোৰ বস্তুৰ মাজত অনুৰূপতা বা মিল বিচাৰি পাওঁ, তেতিয়া আমি আমাৰ অভ্যাসৰ বাবে সকলো বস্তুৰ ক্ষেত্ৰতে একেটা নামকেই প্ৰয়োগ কৰোঁ। উদাহৰণ হিচাপে- সঘনাই 'গৰু'ক নিৰিক্ষন কৰি থাকো আৰু সিহঁতৰ মাজত অনুৰূপতা সমূহকো নিৰীক্ষণ কৰি থাকো, তেতিয়া আমি 'গৰু' শব্দটো সিহঁতৰ লগত অনুৰূপ জীৱটোৰ ক্ষেত্ৰতো সেই একে শব্দ 'গৰু' ব্যৱহাৰ কৰো, অথচ জার্চি গৰু, দেশী গৰু, বগা গৰু, ক'লা গৰু, পখৰা গৰু আদিৰ মাজত পার্থক্যবোৰ আমি বিচাৰ কৰি নাচাওঁ। এইদৰেই আমি সাধাৰণ উপাদান সমূহ আৱিষ্কাৰ নকৰাকৈয়ে সামান্যীকৰণ কৰোঁ, কেৱল সাদৃশ্য বা অনুৰূপতা সমূহৰ গণনাৰ জৰিয়তে, য'ত কোনো ধৰণৰ জ্ঞাত অনুৰূপ সাধাৰণ গুণ বা বৈশিষ্ট্য নাথাকে। এইদৰেই, হিউমৰ মত সামান্যীকৰণ সম্ভৱ হয় সাদৃশ্যতা বা অনুৰূপতা বিচাৰি উলিওৱাৰ দ্বাৰা। তেওঁৰ নতুন ব্যাখ্যাটো সংমিশ্ৰিত বস্তু বা ঘটনাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়।

তথাপিও হিউমৰ অমিশ্ৰিত বস্তুৰ মাজত থকা অনুৰূপতাৰ মতবাদ প্ৰশ্নৰ পৰা মুক্ত হ'ব পৰা নাই। 'সৰল ধাৰণা', এক অমুৰ্ত্ত পদৰ অধীনত সকলো অমিশ্ৰিতক একেলগে এটা গোটৰ অন্তৰ্গত কৰিবলৈ কিহে আমাক সমর্থ কৰে - এই প্ৰশ্নৰ সন্দর্ভত হিউমে ভাবে যে সিঁহতে নিজৰ সৰলতাত ইটোৰ লগত সিটোৰ সাদৃশ্য বা অনুৰূপতাৰ জড়িয়তে মিলিত হৈ থাকে। এতিয়া, যদি আমি সাদৃশ্যতাৰ মতবাদ অনুসৰি এটা শব্দক ব্যাখ্যা কৰিবলৈ যাওঁ, তেতিয়া ই ইয়াকে বুজাব যে আন এক সৰল ধাৰণাৰ সৰলতাৰ সাদৃশ্য আছে, কিন্তু আন এক সৰল ধাৰণাৰ সৈতে ই অনুৰূপ নহয়। এতিয়াও, ইয়াৰ দ্বাৰা হিউমে কি ক'ব বিচাৰিছে, সেই কথা পৰিষ্কাৰ হোৱা নাই। তেওঁ নিশ্চিতভাৱে বুজাইছে যে দুয়োটা সৰল ধাৰণাত সৰলতাটো অনুৰূপ। সেয়েহে, হিউমৰ অৱস্থিতি মজবুত ৰাখিবলৈ অনুৰূপতাবাদ মতবাদ অসফল হৈছে।

আকৌ, স্বভাৱহাত বা প্রবৃত্তিমূলক মতবাদ (Disposition or Propensity theory)ত এহাতে হিউমে ধাৰণাৰ সংযোজনৰ বিষয়ে আৰু আনহাতে, বিশ্বাসৰ বিষয়ে অতি স্পষ্টভাৱে আলোচনা কৰিছে। হিউমে স্বভাৱজাত মতবাদক কেতবোৰ সাদৃশ্যানুমানৰ সহায়েৰে ব্যাখ্যা কৰিছে। আৰু এইবোৰ সাদৃশ্যানুমানৰ দ্বাৰা তেওঁ সামান্য শব্দৰ ব্যৱহাৰ সম্পর্কত তলত উল্লেখিত দিশকেইটা প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে ঃ

(১) সামান্য শব্দবোৰক কৃতকার্যভাৱে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে আমি নির্দ্দিষ্ট কৌশল আহৰণ কৰিব লাগিব। বহুতো বস্তুক সামৰি ল'বলৈ শব্দৰ ব্যৱহাৰৰ ই হৈছে এক - কৌশল, যিবোৰৰ বেছিভাগ শব্দই ব্যৱহাৰৰ সময়ত আমাৰ চিন্তাত নাথাকে।

(২) সাধাৰণ শব্দই এক অভ্যাসক পুনৰ সজীৱ কৰে। ই এক উত্তেজকৰ দৰে ক্রিয়া কৰে। এটা একক শব্দৰ ব্যৱহাৰৰ দ্বাৰা আমি অভ্যাসৰ বহুতো দৃষ্টান্ত পুনৰোজ্জীৱিত কৰিব পাৰো। উদাহৰণস্বৰূপে এজন মানুহে, যিজনে শ্লোকসমূহ মনত পেলাব পৰা নাই, শ্লোকসমূহ আৰম্ভ হোৱা এটা একক শব্দ বা উক্তিৰ দ্বাৰা তেওঁক সম্পূর্ণ শ্লোকটো মনত পেলাই দিব পাৰি।

(৩) যেতিয়া আমি সাধাৰণ বা সামান্য শব্দবোৰ ব্যৱহাৰ কৰোঁ, ইয়াৰ অর্থ সমূহ নির্দ্ধাৰিত বা স্থিৰ বুলিব নোৱাৰি। ইয়াক সঠিকভাৱে সংজ্ঞা দিয়া নহয় ; ই কোনো ক্ষেত্রত দুর্বলভাৱেও ব্যৱহৃত হয়। তথাপিও, ইয়াক মুর্খামিৰে ব্যৱহাৰ কৰিব নোৱাৰি, চিন্তা আৰু আনৰ সৈতে হোৱা কথোপকথনত ইয়াক বিজ্ঞতা আৰু তাৎপর্যপূর্ণতাৰে ব্যৱহাৰ কৰা হয়। যদিও আমি সাধাৰণ শব্দবোৰৰ সংজ্ঞা কাৎচিত হে সঠিকভাৱে নিৰূপন কৰোঁ, তথাপি যথোপযুক্ত পৰিস্থিতিত কথোপনকথন আৰু অধ্যয়নৰ দ্বাৰা সিঁহতক সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আমি অভ্যস্ত।

এইদৰেই, সাদৃশ্যতা বিচৰাৰ সৈতেই হিউমৰ মতবাদ আৰম্ভ হৈছে আৰু তেওঁ এইটোও দেখুওৱাইছে যে এটা সাধাৰণ বৈশিষ্ট্য আৱিস্কাৰ নকৰাকৈয়ে এক সাদৃশ্য নিৰীক্ষণ কৰাটো সম্ভৱ। হিউমে অভ্যাস আৰু ধাৰণাৰ স্বাভাৱিক সংযোজনৰ দ্বাৰা এটা সাধাৰণ বৈশিষ্ট্যৰ বিমূর্ত্তকৰণক স্থানান্তৰ কৰিছে। তেওঁ কয় যে বস্তুবোৰৰ মাজত যিয়েই পার্থক্য নাথাকক, যদিহে আমি সিঁহতৰ মাজত মিল বা সাদৃশ্যতা দেখা পাওঁ, তেতিয়া আমি একেটা নাম সিহঁতৰ সকলোৰে ক্ষেত্রত প্রয়োগ কৰিবলৈ অভ্যস্ত। এটাৰ লগত আনটোৰ সাদৃশ্য থকা বস্তুবোৰৰ প্রতি একে শব্দ ব্যৱহাৰ কৰাৰ অভ্যাস আমি আহৰণ কৰাৰ পাছত, সেই শব্দটো শুনাৰ লগে লগে সেই বস্তুৰ যিকোনো এটাৰ ধাৰণা সজীৱ হৈ উঠে আৰু আমাৰ মনৰ মাজত সেই সম্পর্কে এক কল্পনা গঢ় লৈ উঠে। শ্রৱণে বস্তুসমূহৰ যিকোনো এটা বস্তুকহে জানিবলৈ দিয়ে। সি সকলো বস্তুৰেই ধাৰণা জন্মাব নোৱাৰে, যিবোৰ ক্ষেত্রত শব্দটো প্রয়োগ কৰা হয়। কিন্তু, যদিহে বিশেষ আৱশ্যকতাই দাবী কৰে, তেন্তে ই একেটা সময়তে এই ধাৰণাটোৰ লগত মিল থকা আন যিকোনো বন্ধুক

দেখুওৱাবলৈ 'এক নির্দ্দিষ্ট অভ্যাস' (a certain custom) ক ক্রিয়াশীল কৰি তোলে। যদিও ই সম্ভাৱনীয়মূলক আৰু প্রকৃতপক্ষে নহয়, তথাপি শব্দৰ নাইবা নামৰ শ্রৱণে ইয়াৰ আগত সকলোকে দেখুৱাই দিয়ে। সিঁহত প্রকৃততে আমাৰ মনত উপস্থিত নাথাকে, বৰঞ্চ কেৱল শক্তিতহে ই নিহিত থাকে। আমি আমাৰ কল্পনাত সিঁহতক স্পষ্টকৈ স্থাপন কৰিব নোৱাৰো। যেতিয়া পৰিস্থিতিয়ে দাবী কৰে, তেতিয়া সিঁহতৰ যিকোনো এটাক দেখুওৱাৰ বাবে আমি নিজকে প্রস্তুত কৰিব লাগে। সাধাৰণতে, খুব কম সংখ্যক ধাৰণা মাত্রহে স্মৰণ কৰিব পৰা যায়। মুঠতে, শব্দ বা নাম প্রয়োগ কৰা সকলো ধাৰণাৰ পুনঃ স্মৰণ প্রায় অসম্ভৱ। কাৰণ আমাৰ মনে কেৱল স্মৰণেই নকৰে, বৰঞ্চ প্রত্যাখ্যানো কৰে। অভ্যস্ত, নোহোৱা যিকোনো বস্তুকেই ই প্রত্যাখ্যান কৰিবলৈ উদ্যত হৈ থাকে। সাধাৰণতে শব্দবোৰৰ ব্যৱহাৰৰ আগতে এক সামান্য অনুসৰণ কৰাৰ দ্বাৰা সাধাৰণ গুণসমূহৰ সদায় এক জ্ঞাত বা বিবেচক বাছনি থাকে।

হিউমৰ প্রবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে এক প্রতিবাদ ৰূপে গ্রহণ কৰা হয়। সাধাৰণ গুণ বা গুণাৱলীক আৱিষ্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে কেৱল সাদৃশ্যসমূহ লক্ষ্য কৰিয়েই, (য'ত কোনো সাধাৰণ অনৰূপ গুণ নাথাকে) আমি সামান্যীকৰণ কৰিব পাৰো। অভিজ্ঞতাবাদীসকলৰ মাজত হিউমেই হৈছে প্রথম গৰাকী দার্শনিক, যিয়ে বৈজ্ঞানিক স্তৰৰ তলত দৈনন্দিন জীৱনৰ স্তৰত সাধাৰণ শব্দসমূহৰ ব্যৱহাৰক ব্যাখ্যা কৰিছে। আমি সৰু ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্রত ভাৱিব নোৱাৰো যে সিহঁতে প্রথমে সাধাৰণ গুণ সমূহক পৃথক কৰিব আৰু তাৰ পাছত সামান্যক গঠনৰ উদ্দেশ্যে সিঁহতৰ অমূর্ত্তকৰণ কৰিব। ইয়াত প্রাপ্তবয়স্তসকলৰ লেখিয়াকৈ সিঁহতৰ ক্ষেত্রতো অভ্যাস এক প্রৱল বিষয়। যেতিয়া মনে কেতবোৰ বস্তুৰ মাজত সাদৃশ্যতা পুনৰ নিৰীক্ষণ কৰে, তেতিয়া ই প্রায় আমাৰ জ্ঞানৰ অবিহনেই সংঘটিত হয়, সিঁহতক একত্রিত কৰা হয়, যাৰ সম্বন্ধবোৰ সাধাৰণ নামৰ সাব্যস্তকৰণৰ দ্বাৰা অধিক শক্তিশালী কৰি তোলা হয়। যেতিয়া আমি "Figure" শব্দটোৰ অর্থ নির্ণয় কৰিবলৈ যাওঁ, তেতিয়া আমি কেৱল এটা 'কল্পনা' বা 'ধাৰণা' (Image or Idia) ৰ ওপৰতে নির্ভৰ নকৰোঁ। তাৰ পৰিৱর্তে আমাৰ মনত বিভিন্ন আকৃতি আৰু অংশৰ বৃত্ত, ত্রিভুজ, চর্তুভুজ, আয়ত আদিৰ ধাৰণাহে পুনৰ জীৱিত হৈ উঠে। ইয়াত, অভ্যাসে ইয়াক নজনাকৈয়ে যিখিনি কৰে মনে সেইখিনিকে স্পষ্ট ৰূপত প্রকাশ কৰে। এইদৰেই মনে অভ্যাসবশতঃ 'Figure' শব্দটোৰ অর্থ নির্দ্ধাৰণ কৰে। অভ্যাস আৰু স্বভাৱৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰি আমাক এই কথাৰ পৰা প্রতিবোধ কৰিছে যে এই মতবাদটোৰ মূল বৈশিষ্ট্য এই যে এটা বিশেষক গ্রহণ কৰি তাক পুনৰ একে ধৰণৰ সকলোৰে ক্ষেত্রত ব্যৱহাৰ কৰা হয়। ইয়াত অৱশ্যে এটা বিশেষক লোৱাটো গুৰুত্বপূর্ণ কথা নহয়, বৰঞ্চ এই হৈছে মনৰ অভ্যাস বা প্রবৃত্তি জন্মোৱা এক প্রস্তাৱ, যি হৈছে প্রকৃতিগত স্বভাৱ নাইবা প্রবৃত্তি।

হিউমে পোষণ কৰে যে তর্কবিজ্ঞানক সম্পূর্ণৰূপে মনোবিজ্ঞানৰ পৰা পৃথক কৰিব পৰা নাযায়। তেওঁৰ মতে এটা সাধাৰণ বোধ বা ধাৰণাক আনুমান কৰাৰ হেতু সেই ধাৰণাটোক আমি চিন্তা কৰিবই লাগিব। এটা ধাৰণাক অনুমান কৰাত নাম এটা শুনাৰ ওপৰত এক বিশেষ ভৰষা থাকে, এটা দৃষ্টান্তক স্বীকৃতি দিবলৈ এক সুনির্দিষ্ট প্রস্তুতি থাকে আৰু লগতে প্রয়োজন সাপেক্ষে সেই দৃষ্টান্তটোক অস্বীকাৰো কৰিব পৰা যায়। এটা সামান্যক মনে ধাৰণ কৰা এক গধুৰ কল্পিত উপাদান হিচাপে স্বীকাৰ কৰিব নালাগে, বৰঞ্চ এক প্রস্তুতি আৰু ভৰষা ৰূপেহে গ্রহণ কৰিব লাগে, যাৰ জ্ঞাত হোৱাৰ লগতে এক উদ্বেগপূর্ণ দিশো আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তলৰ উক্তি সমূহ সত্য নে অসত্য উল্লেখ কৰক।

ক) সামান্য সম্পর্কে হিউমৰ মতামতক অনুৰূপতাবাদ বা সাদৃশ্যবাদ নামেৰে জনা যায়। (সত্য/অসত্য)

খ) হিউম ইচ্ছা নাইবা প্রবৃত্তিমূলক মতবাদৰ সৈতে জড়িত। (সত্য/অসত্য)

গ) হিউমৰ মতে, এটা সাধাৰণ পদৰ লগত সহযোগ কৰাৰ দ্বাৰা এটা বিশেষ ধাৰণা সামান্য ধাৰণালৈ পৰিৱর্তিত হয়। (সত্য / অসত্য)

প্রশ্ন নং ৭ঃ সামান্য সন্দর্ভত বার্কলি আৰু হিউমৰ মাজৰ এক সাদৃশ্যতা লিখক।

.....

.....

প্রশ্ন নং ৮ ঃ হিউমৰ নামবাদৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

প্রশ্ন নং ৯ঃ প্রবৃত্তিমূলক মতবাদৰ জৰিয়তে হিউমে কি প্রমাণ কৰিবলৈ চেষ্টা কৰিছে?

.....

.....



চিন্ত চর্চা কৰক- ১৪.১

সাদৃশ্যতাবাদ বা সাদৃশ্যমূলক মতবাদ সামান্যৰ এক মতবাদ হিচাপে গ্ৰহণযোগ্য হয়নে? আপোনাৰ উত্তৰৰ সপক্ষে কাৰণ আগবঢ়াওক।

উত্তৰ ঃ

.....

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

পূৰ্ব উল্লিখিত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈছে যে নামবাদে সম্পূৰ্ণৰূপে বস্তুগত অধিবিদ্যামূলক সামান্যৰ কথা অস্বীকাৰ কৰিছে। ই যিকোনো অনুৰূপ বস্তু বা বিষয়ক মানি ল'বলৈ প্ৰস্তুত নহয়, যাক বিশেষ বস্তুবোৰৰ এক সমাহাৰত একেটা সময়তে সাধাৰণতে উপস্থিত থাকে বুলি ধৰা হয়। তাৰ ঠাইত এই মতবাদে সামান্যক সাদৃশ্য ৰূপতহে সংজ্ঞা আগবঢ়ায় যেনেকৈ বিশেষসমূহৰ প্ৰয়োজন হয় কেৱল ইটোৰ লগত সিটোৰ মিল বা সাদৃশ্য জ্ঞানৰ দ্বাৰা একেটা নামেৰে সিঁহতক মতাৰ বাবেহে। থ'মাচ হ'বছে এক নৰম ৰূপত তেওঁৰ মতবাদটোৰ উন্নতি সাধন কৰিছে। লগতে তেওঁ সাদৃশ্যমূলক মতবাদৰ লগত যুগ্মভাৱে ইচ্ছা নাইবা প্ৰবৃত্তিমূলক মতবাদ গঠনৰ দ্বাৰা সামান্য সম্পৰ্কীয় সমস্যাবোৰ চলাই নিচে।

এই অধ্যায়টিৰ কিছুমান প্ৰধান দিশ হৈছে ঃ

- নামবাদে বস্তুবোৰৰ এট গোটত অনুৰূপভাৱে উপস্থিত থকা সাধাৰণ সাৰভাগক ততালিকে অস্বীকাৰ কৰিছে।
- এই মতবাদ অনুসৰি, সাদৃশ্য বা মিলেই হৈছে এক বিষয়, যিয়ে বস্তুবোৰক এক বিশেষ গোটৰ মাজলৈ লৈ আনে।
- হ'বচৰ নৰম নামবাদে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিবৰ বাবে বিশেষ এটা গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষসমূহৰ প্ৰত্যেককে বাকীবিলাকৰ দৰে একেটা নামেৰেই মতা হয়, কিয়নো একেটা নামেৰে মতাৰ উপৰিও বেলেগ ক্ষেত্ৰতো ই বাকীবিলাকৰ লগত একে হয়।

- হিউমে তেওঁৰ ইচ্ছা বা প্রবৃত্তিমূলক মতবাদৰ জৰিয়তে প্রমাণ কৰিবলৈ বিচাৰিছে যে সাধাৰণ গুণ বা গুণাৱলীক আৱিস্কাৰ নকৰাকৈয়ে আৰু কেৱল সাদৃশ্যতা সমূহক চিহ্নিত কৰাৰ দ্বাৰাই আমি সামান্যক গঠন কৰিব পাৰো, য'ত কোনো সাধাৰণ গুণাৱলী নাথাকে।



১৪.৫ অধিক জানিবলৈ

1) Aaron, R.I. (1952). *The Theory of Universals.* Oxford.

2) Hume, D (1967). *A Treatise of Human Nature.* Ed by L.A. Selby Bigge. Oxford.

3) Sarma, Dr. Ramala (2013). *Theory of Universals.* N.L. Publications ; Guwahati.

4) Woozley, A.D. (1982). *Theory of Knowledge.* B.I. Publications. New Delhi.



১৪.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য খ) সত্য গ) সত্য।

২নং প্রশ্নৰ উত্তৰ ঃ নামবাদ হৈছে এক মতবাদ যিয়ে সাদৃশ্যতাৰ হিচাপত সামান্যৰ সংজ্ঞা আগবঢ়ায়, যিদৰে একেটা নামেৰে বুজোৱাৰ ক্ষেত্রত ইটোৰ লগত সিটোৰ মিল বা সাদৃশ্য তাৰ প্রয়োজন আহি পৰে। সেয়েহে, এই মতবাদক সাদৃশ্যমূলক মতবাদ বুলিও জনা যায়।

৩নং প্রশ্নৰ উত্তৰ ঃ এটা শব্দ হৈছে এটা 'আৰ্হি' (type) , যেতিয়া ইয়াৰ উৎঘাটনৰ সকলো সময়তে ই একে অর্থ থাকে।

৪নং প্রশ্নৰ উত্তৰ ঃ এটা শব্দ এক 'চিহ্ন' (token) হয়, যেতিয়া ই ইয়াৰ বিশেষ সংঘটনক নির্দ্দেশ কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ হ'বচ্ৰ নামবাদ নৱম নামবাদ, যিয়ে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিৰৰ বাবে বিশেষ এটা গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষ সমূহৰ প্রত্যেক বাকী বিলাকৰ দৰে একেটা নামেৰেই বুজোৱা হয়, কিয়নো একেটা নামেৰে বুজোৱাৰ উপৰিও বেলেগ ক্ষেত্রতো ই বাকীবিলাকৰ লগত একে হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) সত্য খ) সত্য গ) সত্য

৭নং প্ৰশ্নৰ উত্তৰ ঃ হিউম্ আৰু বাৰ্কলি উভয়ে স্বীকাৰ কৰিছে যে সামান্য আৰু সাধাৰণ ধাৰণাবোৰ এক নিৰ্দিষ্ট শব্দৰ লগত বিশেষৰ সংযোগৰ বাদে আন একো নহয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ হিউমৰ মতে, সামান্য বা সাধাৰণ ধাৰণাসমূহ এটা নিৰ্দিষ্ট শব্দৰ লগত বিশেষ সংযোগৰ বাদে আন একো নহয় যিয়ে সিঁহত অধিক বিস্তৃৰ্ণ তাৎপৰ্য্য প্ৰদান কৰে আৰু সিঁহতৰ সৈতে মিল থকা আন আন ব্যক্তি বিশেষৰ ক্ষেত্ৰত সিঁহতক স্মৰণ কৰাত সহায় কৰে। তেওঁ ভাৱে যে প্ৰত্যেক সাধাৰণ শব্দৰ প্ৰতি অনুৰূপ হ'বলৈ এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব।

৯নং প্ৰশ্নৰ উত্তৰ ঃ হিউমৰ প্ৰবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ এক সঁজুলি হিচাপে ধৰা হয়, যে সাধাৰণ শব্দৰ ব্যৱহাৰৰ পূৰ্বে এটা সামান্যক গঠন কৰাক অনুসৰণ কৰি সাধাৰণ গুণাৱলীসমূহৰ সদায় এক বিবেকীয় বাচনি থাকে। সাধাৰণ গুণ বা গুণাৱলী আৱিস্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে সাদৃশ্যতাবোৰ চিহ্নিত কৰিয়েই আমি সামান্যীকৰণ কৰিব পাৰো, য'ত অনুৰূপ কোনো ধৰণৰ গুণ বা ধৰ্ম নাথাকে।

১৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ হিউম এজন নামবাদী হয়নে?

প্ৰশ্ন ২ঃ Ockkam's Razor ৰ মতবাদৰ সৈতে কোন জড়িত?

প্ৰশ্ন ৩ঃ কেইজনমান নামবাদৰ সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ 'আৰ্হি' (type) আৰু 'চিহ্ন' (token) ক ব্যাখ্যা কৰিবলৈ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৫ঃ হিউমে তেওঁৰ সামান্য সম্পৰ্কীয় মতামতক স্পষ্ট কৰিবলৈ আগবঢ়োৱা মতবাদটো কি?

খ) চমু প্ৰশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ নামবাদৰ ওপৰত এক চমুটোকা যুগুত কৰক।

প্ৰশ্ন ২ঃ Ockham's Razor কি?

প্ৰশ্ন ৩ঃ নামবাদক কিয় সাদৃশ্যমূলক মতবাদ বুলিও কোৱা হয়?

প্ৰশ্ন ৪ঃ হ'বছ্ৰ নামবাদ আৰু বৌদ্ধ নামবাদৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ৫ঃ সাদৃশ্যানুমানৰ চমু ব্যাখ্যা আগবঢ়াওক যাক হিউমে প্ৰবৃত্তিমূলক মতবাদক ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰিছে।

প্ৰশ্ন ৬ঃ "এটা সাধাৰণ শব্দৰ লগত যোগ হোৱাৰ দ্বাৰা এটা বিশেষ ধাৰণা সাধাৰণ হৈ পৰে।" এই মতৰ সমৰ্থনত হিউমে আগবঢ়োৱা যুক্তিসমূহ বিচাৰ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৩৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ হ'ব্চৰ নামবাদ এক নৰম নামবাদ। এই উক্তিটো বুজাই দিয়ক।

প্ৰশ্ন ২ঃ হ'ব্চৰ সামান্যৰ মতবাদটো আলোচনা কৰক। বাৰ্কলিৰ পৰা তেওঁ কিদৰে পৃথক?

প্ৰশ্ন ৩ঃ সমালোচনাসহ সামান্যৰ সাদৃশ্যমূলক মতবাদৰ আলোচনা কৰক।

****

অধ্যায় ১৫ঃ অৱভাস আৰু সত্তা ঃ ব্ৰেড্‌লী

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ সত্তা সম্পৰ্কে ব্ৰেড্‌লীৰ ধাৰণা
১৫.৪ সত্তাৰ নিৰ্ণায়ক
১৫.৫ সত্তা বিকল্পহীন
১৫.৬ সত্তা ব্যক্তিগত
১৫.৭ সত্তাৰ জ্ঞান
১৫.৮ অৱভাস সম্পৰ্কে ব্ৰেড্‌লীৰ ধাৰণা
১৫.৯ অৱভাস আৰু সত্তাৰ সম্বন্ধ বাস্তৱৰ
১৫.১০ সত্য আৰু বাস্তৱৰ মাত্ৰা
১৫.১১ সামৰণি
১৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.১৩ অধিক জানিবলৈ
১৫.১৪ অগ্ৰগতিৰ খতিয়ান
১৫.১৫ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সত্তা সম্পৰ্ক ব্ৰেড্‌লীৰ ধাৰণাটো কেনে আছিল সেয়া বৰ্ণনা কৰিব পাৰিব
- সত্তাৰ নিৰ্ণায়কবোৰৰ সংজ্ঞা দিব পাৰিব
- সত্তা যে বিকল্পহীন (Reality is one) সেয়া ব্যাখ্যা কৰিব পাৰিব
- সত্তাৰ জ্ঞান আহৰণ কৰাটো সম্ভৱ হয়নে নহয় সেয়া আলোচনা কৰিব পাৰিব।
- সত্য আৰু বাস্তৱৰ মাত্ৰাবোৰ ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিত আপোনাক অৱভাস আৰু সত্তাৰ সমস্যাবোৰৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। অধ্যায়টি পঢ়ি আপুনি এই ধাৰণা দুটাই পৰাবিজ্ঞান ()ত কেনে ভূমিকা পালন কৰে

সেয়াও বুজি পাব দৈনন্দিন জীৱনত মানুহে সূর্যৰ প্ৰকৃত আকাৰ আৰু ইয়াৰ দৃশ্যমান আকাৰৰ মাজৰ পাৰ্থক্য সহজে ধৰিব পাৰে। ইয়াৰ উপৰি মানুহে কোনো বস্তুৰ প্ৰকৃত ৰং (স্বীকৃত মানৰ পৰিস্থিতিত বস্তুটো দেখাৰ সময়ত) আৰু ইয়াৰ প্ৰতীত ৰং (অস্বীকৃত মানৰ পৰিস্থিতিত দেখা)ৰ মাজৰ প্ৰভেদো ধৰিব পাৰে। এচপৰা ডাৱৰত শুভ্ৰ, কোমল পচমী জাতী কিবা বস্তু থকা যেন লাগে, কিন্তু বাস্তৱত ডাৱৰ, হ'ল পানীৰ টোপালৰ ঘনীভূত ৰূপ।

অধ্যয়নৰ পৰা অনুমান কৰা হৈছে যে সত্তা (reality)ৰ পৰা বৈজ্ঞানিক ধাৰণাত অতি কমেও দুটা প্ৰধান উপাদান আছে। প্লেট'ৰ ব্যখ্যা অনুসৰি সত্তাৰ এটা বৈশিষ্ট্য হ'ল ই সমূলক (genuine) আৰু অমূলক (deceptive)ৰ বিপৰীত। পৰাবিজ্ঞানী সকলে জনাৰ আগ্ৰহ দেখুওৱা পৰম সত্তাবোৰ (ultimate realities) হ'ল সেইবোৰ বিশুদ্ধ আৰু সৰল বস্তু যিবোৰত কোনো সংমিশ্ৰণ নাথাকে আৰু পৰিৱৰ্তনৰ বাহিৰৰ। সেয়েহে এইবোৰ জ্ঞানৰ স্থিৰ বস্তু হ'ব পাৰে। দ্বিতীয় আৰু সম্ভৱতঃ সবাতোকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হ'ল পৰাবিজ্ঞানীৰ বাবে সত্তা বোধগম্য আৰু ই অপাৰদৰ্শী (opaque)ৰ বিপৰীত। অৱভাসবোৰ অমূলক (ভ্ৰম উৎপাদক) আৰু বুৎপাদক (derivative)। অৱভাসবোৰক সেইবোৰৰ নিজস্ব স্তৰত বিশ্লেষণ কৰিলে কোনো অর্থ নোলাব।

১৫.৩ সত্তা সম্পৰ্কে ব্ৰেড্‌লীৰ ধাৰণা

পৰম (Absolute) অথবা সত্তা (Reality) সম্পৰ্কে ব্ৰেড্‌লীৰ ধাৰণাটো তলত উল্লেখ কৰা ধৰণে সংক্ষিপ্ত ৰূপত সামৰিব পৰা যায়- পৰম সত্তা (The Ultimate Reality) হ'ল এটা স্ব-সংগতিপূৰ্ণ সমগ্ৰতা (self consistent whole)। ই এক সৰ্বাত্মক সামঞ্জস্যৰ মাজত সকলো প্ৰভেদ াৰু ৰূপকে সামৰি লয়। পৰিঘটনাময় জগতৰ দুৰ্বোধ্য বৈচিত্ৰ্যবোৰৰ মাজত ঐক্য স্থাপন কৰি সেইবোৰক স্ব-সংগতিপূৰ্ণ ৰূপ দিয়াটো এক অৱশ্য কৰণীয়। সত্তাৰ বিষয়বস্তুবোৰ সচেতন অভিজ্ঞতা (sentient experience) ৰ বাহিৰে আন একো নহয়। অস্তিত্বৰ মূল উপাদানকেইটা হ'ল চিন্তা (thought), অনুভৱ (feeling) আৰু বিকল্প নিৰ্বাচন ক্ষমতা (Volition)। সসীম মনবোৰ পৰমৰ প্ৰকৃতি সম্পৰ্কে এটা সাধাৰণ ৰূপৰেখা দাঙি ধৰিব পৰাকৈ সক্ষম হোৱা উচিত। কিন্তু পৰম (Absolute)ৰ বিস্তৃত বৰ্ণনা আগবঢ়োৱাটো সম্ভৱ নহয়।

১৫.৪ সত্তাৰ নিৰ্ণায়ক

আমাৰ সাধাৰণ অভিজ্ঞতাবোৰে আমাক বাস্তৱ কি অথবা কিহৰ অস্তিত্ব আছে আৰু কি কেৱল প্ৰতীয়মানহে হয় তাৰ প্ৰভেদ বুজিব পৰা কৰি তোলে। আমি উপলব্ধি কৰিব পাৰোঁ যে বস্তুবোৰ যেনে ৰূপত দেখা যায় দৰাচলতে সদায় তেনে নহ'বও পাৰে, আমাৰ চকুৰ আগত প্ৰতীয়মান হোৱা বস্তুবোৰ বাস্তৱ নহ'বও পাৰে, আমাৰ চকুৰ আগত প্ৰতীয়মান হোৱা বস্তুবোৰ বাস্তৱ নহ'বও পাৰে, আৰু প্ৰকৃতাৰ্থত বস্তু এটা যি সেইটো ৰূপত সদায় প্ৰতীয়মান নহ'বও পাৰে। যদি বস্তুবোৰ প্ৰকৃততে যি আৰু যিটো ৰূপত সেইবোৰ দৃশ্যমান হয় তাৰ মাজত প্ৰভেদ থাকে,

তেন্তে এই দুয়োটা কথাৰ মাজত প্ৰভেদ সৃষ্টিকাৰী কিছুমান সাৰ্বজনীন নিৰ্ণায়কো নিশ্চয় থাকিব।

সত্তাৰ প্ৰথম নিৰ্ণায়কটো হ'ল ই অমোঘ/ নিৰ্ভুল। আমি আমাৰ চিন্তাত এক পৰস্পৰ বিৰোধিতাৰ উদ্ৰেক নঘটাকৈ সত্তাৰ বৈধতাক সন্দেহ কৰিব নোৱাৰো। যিটো বাস্তৱ সেইটো কেতিয়াও স্ব- বিৰোধী হ'ব নোৱাৰে আৰু যিটো স্ব- বিৰোধিতাপূৰ্ণ সেয়া কেতিয়াও বাস্তৱ হ'ব নোৱাৰে। ব্ৰেড্‌লীৰ মতে পৰম সত্তা হ'ল নিজে নিজৰ বিৰোধিতা নকৰা সত্তা। ইয়াত ই এক পৰম নিৰ্ণায়ক। ইয়াক অস্বীকাৰ কৰাৰ প্ৰয়াস কৰি , নাইবা ইয়াক সন্দেহ কৰাৰ চেষ্টা কৰি, সূক্ষ্মগ্ৰাহিতাৰে ইয়াৰ বৈধতা অনুমান কৰি আমি ইয়াক পৰম বুলি প্ৰমাণিত কৰোঁ।

বৈধ বুলি সাধাৰণবাৰে গ্ৰাহ্য সকলোবোৰ ধাৰণাকে দ্বন্দ্বাত্মক পদ্ধতিৰে পৰীক্ষা কৰি ব্ৰেড্‌লীয়ে সত্তাৰ পৰম মান নিৰ্ধাৰণ কৰিছে। তেওঁ মুখ্য আৰু গৌণ বৈশিষ্ট্য, বাস্তৱিকতা আৰু বস্তুনিষ্ঠতা, সম্বন্ধ আৰু গুণ, স্থান আৰু সময়, গতি আৰু পৰিৱৰ্তন, কাৰ্যকাৰক আৰু কাৰ্যকলাপ আদি সকলোবোৰ বিভাগ পৰীক্ষা কৰি চাইছিল। এই সকলোৰে সহায়ত আমাৰ বুদ্ধি অথবা চিন্তাই জগতখন ব্যাখ্যা কৰে আৰু সকলো কথাই স্ব-বিৰোধিতা পূৰ্ণ বুলি গম পায়। সেয়েহে ব্ৰেড্‌লীয়ে সকলোবোৰ পৰস্পৰ-বিৰোধী ধাৰণাক অৱভাস আখ্যা দিছিল। কাৰণ সত্তাই কেতিয়াও স্ব-বিৰোধিতা প্ৰদৰ্শন নকৰে। পৰস্পৰ বিৰোধিতাৰ সংস্কাৰ সাধন সত্তাৰ নিৰ্ণায়ক হোৱা উচিত। অ-পৰস্পৰবিৰোধিতা মানেহ'ল বিৰোধহীন সংগতি ( )। সত্তা কেৱল স্ব-সংগতিপূৰ্ণই নহয়, ই স্ব-বৰ্তনশীল ( )। অৰ্থাৎ, সত্তাৰ স্ব-সংগতিপূৰ্ণতাই সকলো অৱভাস সত্তাত নিহিত থকাৰ দাবী কৰে। সত্তাৰ বৈশিষ্ট্যই সকলো পৰিঘটনা একোটা সামঞ্জস্যপূৰ্ণ ৰূপত থকা কথাটোৰ বিৰোধিতা কৰে।

যিহেতু সত্তা আভ্যন্তৰীণ আৰু বাহ্যিক সকলো ধৰণৰ পৰস্পৰ বিৰোধিতাৰ পৰা মুক্ত, সেয়েহে ই একৈক সৰ্বাত্মক প্ৰণালীৱদ্ধ সমগ্ৰতা। সত্তাক এক সংযোজিত আৰু স্ব-সংগতিপূৰ্ণ অথবা আভ্যন্তৰীণভাৱে সুসংহত প্ৰণালী বুলি জনা যায়। কিন্তু এই প্ৰণালীটোৰ সংৰচনাত কোনবোৰ উপাদান থাকে? ব্ৰেড্‌লীৰ দৃষ্টিভংগী অনুসৰি সত্তাৰ সকলো উপাদান অথবা ডেটা অভিজ্ঞতাৰে গঠিত। অভিজ্ঞতাবোৰক সাময়িকভাৱে অতিন্দ্ৰীয় যৰ্থাথতাৰ অৰ্থৰূপে গ্ৰহণ কৰা হয়, যিবোৰে তৎক্ষণাত অনুভৱৰ ৰূপ লয়। ব্ৰেড্‌লীৰ মতে, উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ প্ৰভেদ হ'ল আমাৰ বৌদ্ধিক নিৰ্যাসকৰণৰ ফল। আমি যদি তাৎক্ষণিক অভিজ্ঞতালৈ ঘূৰি যাওঁ, তেন্তে এই ভগ্ন অংশবোৰ পুনৰায় বিচাৰি নাপাওঁ। তাৎক্ষণিক অভিজ্ঞতাই সম্পূৰ্ণ সংহত ৰূপ লয় আৰু ইয়াত কোনো বিৰতি নাইবা সম্বন্ধ নাথাকে। অৱশ্যে ই অপৃথকীকৰণ সাধ্য নহয়. ব্ৰেড্‌লীয়ে এই অভিজ্ঞতাক সচেতন অভিজ্ঞতা বুলি অভিহিত কৰিছে।

১৫.৫ সত্তা বিকল্পহীন

ব্ৰেড্‌লীৰ দৃষ্টিভংগী অনুসৰি সত্তা হ'ল এটা বিকল্পহীন জৈৱিক সমগ্ৰতা। ই আটাইবোৰ অৱভাসতে তাৎক্ষণিকভাৱে নিজকে প্ৰকাশ কৰে। সকলোবোৰ অৱভাস সত্তাৰ অংশ হ'ব লাগিব। সত্তাৰ বৈশিষ্ট্য হ'ল পৰিঘটনামূলক সকলোবোৰ কথাকে সামঞ্জস্যপূৰ্ণ ৰূপত সামৰি লোৱা।

ব্ৰেড্‌লীৰ মতে সত্তা আভ্যন্তৰীণ অথবা বাহ্যিক সকলো ধৰণৰ সম্বন্ধৰ উৰ্দ্ধত। অৱশ্যে ব্ৰেড্‌লীয়ে সত্তাক ব্যক্তিগত বুলি মানি লোৱা নাই। তেওঁৰ মতে সত্তাৰ স্থিতি সম্বন্ধাত্মকতাৰ ব্যক্তিগতৰ উৰ্দ্ধত।

ব্ৰেড্‌লীৰ দৰ্শন অনুসৰি সত্তা বিকল্পহীন। যদি সত্তা সকলো ধৰণৰ পৰস্পৰ বিৰোধিতা আৰু দ্বন্দ্বৰ পৰা মুক্ত হ'ব লাগে, তেন্তে একে সময়তে একাধিক স্বতন্ত্ৰ সত্তা থাকিব নোৱাৰে। তেওঁৰ মতে সত্তা বিকল্পহীন বোলা কথাটো বিশ্বাস অথবা জ্ঞানতকৈ আমাৰ মানসিক প্ৰত্যয়ৰ ওপৰত অধিক নিৰ্ভৰশীল। সত্তাই বুদ্ধিমত্তাক সন্তুষ্ট কৰিব লাগিব। স্বতন্ত্ৰ সত্তাৰ মাজত অনেকত্ব (Plurality) আৰু বাহ্যিক সম্পৰ্কবোৰ স্ব-বিৰোধী হ'ব । সেয়েহে ই বুদ্ধিমত্তাক সন্তুষ্ট কৰিব নোৱাৰিব।

ব্ৰেড্‌লীয়ে কৈছে যে দৈনন্দিন জীৱনৰ যথার্থতাবোৰৰ বহুত্ববাদীতা গ্ৰহণ কৰাটো ভুল নহয়। ব্যৱহাৰিক সুচলতাৰ বাবে এনে কৰাটো প্ৰয়োজনীয়। এই জনগতৰ বস্তুবোৰ দৰাচলতে সত্তাৰ অৱভাস। দৈনন্দিন জীৱনৰ অৱভাসবোৰ অবাস্তৱ নহয়, কিন্তু আংশিকভাৱেহে বাস্তৱ। অৱভাস অবিহনে সত্তাক বুজিব নোৱাৰি।

১৫.৬ সত্তা ব্যক্তিগত

সত্তা হ'ল আভিজ্ঞতাৰে স্ব-সমৃদ্ধ একোগৰাকী ব্যক্তি। ব্ৰেড্‌লীৰ মত অনুসৰি পৰম হ'ল একমাত্ৰ বাস্তৱ ব্যক্তি আৰু সসীম সত্তাবোৰ এই বাস্তৱৰ ওপৰত নিৰ্ভৰশীল। পৰমত কোনো অৱভাস হেৰাই যাব নোৱাৰে। কিন্তু ইয়াত সসীম সত্তাবোৰ মিলি গৈ এক সম্পূৰ্ণ ৰূপান্তৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব লাগিব। ব্ৰেড্‌লীয়ে অৱশ্যে ইয়াকো কৈছে যে সসীম পৰমৰ সৈতে কেনেকৈ মিলি যায় সেয়া ব্যাখ্যা কৰিব নোৱাৰি।

১৫.৭ সত্তাৰ জ্ঞান

আমাৰ জ্ঞান মূলতঃ সম্বন্ধাত্মক আৰু বিমর্শাত্মক। সেয়েহে ব্ৰেড্‌লীয়ে কৈছে যে সসীম সত্তাবোৰৰ বাবে পৰমৰ অস্তিত্ব সম্পূৰ্ণৰূপে উপলব্ধি কৰাটো অসম্ভৱ। কাণ্টে 'নিজৰ মাজতে নিহিত বস্তু' (thing-in themselves) বোৰক অজ্ঞাত আৰু অজ্ঞেয় বুলি প্ৰত্যাখ্যান কৰিছিল। কাণ্টৰ ধাৰণাই তেওঁক অজ্ঞেয়তাবাদী কৰি তুলিছিল। তেওঁ কৈছিল যে আমি জানোঁ পাৰমার্থিক সত্তা (noumena) অথবা 'নিজৰ মাজতে নিহিতবস্তু'ৰ অস্তিত্ব আছে। কিন্তু আমি নাজানো সেইবোৰ কি। কাণ্টৰ যুক্তিৰ বিপৰীতে গৈ ব্ৰেড্‌লীয়ে কৈছিল যে যদি সত্তা জ্ঞানৰ বিষয় নহয়, তেন্তে আমি কেতিয়াও নাজানিম যে এনে কোনো বস্তুৰ অস্তিত্ব আছে। পৰম সম্বন্ধে আমাৰ জ্ঞান সীমিত। কিন্তু সেইবুলিয়েই আমি ইয়াৰ প্ৰতি মনোযোগ দিবলৈ অস্বীকাৰ কৰিব নোৱাৰো।

কেৱল চিন্তাই ইয়াৰ সম্বন্ধাত্মক প্ৰকৃতিৰ সহায়ত আমাক সত্তাৰ সম্পূৰ্ণ জ্ঞান দিব নোৱাৰে। চিন্তাই অভিজ্ঞতাক তন্ন তন্নকৈ পৰীক্ষা কৰে। ইয়াৰ সম্বন্ধাত্মক ৰূপৰ উৰ্দ্ধলৈ যাবলৈ চিন্তাই আত্মহনন কৰে। ব্ৰেড্‌লীৰ মতে যিকোনো সত্তাৰে দুটা প্ৰধান উপাদান থাকে- অস্তিত্ব আৰু বিষয়বস্তু, এটা 'তৎ' (that) আৰু এটা 'কি' (what) থাকে। এই দুয়োটা পৰস্পৰৰ পৰা অবিচ্ছেদ্য। চিন্তাই এই দিশ দুটা যোৰা লগাব নোৱাৰে আৰু সেয়েহে ই নিজ লক্ষ্যত উপনীত হ'ব নোৱাৰে। কিন্তু আদৰ্শ হিচাপে চিন্তাই বিষয়বস্তু আৰু সচেতনতা পৃথক কৰিব পাৰে, যদিও বাস্তৱত দুয়োটা অবিচ্ছেদ্য। সেয়েহে চিন্তাই প্ৰকৃতিগত দিশেৰে আমাক সত্তাৰ জ্ঞান দিবলৈ অপাৰগ। চিন্তা সম্বন্ধাত্মাক আৰু বিমৰ্শাত্মক। যদি চিন্তাৰ এই দুটা বৈশিষ্ট্য লোপ পায় তেন্তে চিন্তাই আত্মহনন কৰিব।

আত্মহননৰ জৰিয়তে চিন্তাই বিষয়স্তু আৰু অস্তিত্বৰ দ্বৈততা অতিক্ৰম কৰিব পাৰে। তেতিয়াহে পৰমৰ জ্ঞান লাভ কৰাটো সম্ভৱ। কিন্তু চিন্তাৰ যদি সম্বন্ধাত্মক বৈশিষ্ট্য নাইকিয়া হয়, তেন্তে ই আৰু চিন্তা হৈ নাথাকিব। অৰ্থাৎ, চিন্তাই নিজৰ প্ৰকৃতিগত বৈশিষ্ট্যৰ বাবে সত্তাক বুজাত ব্যৰ্থ হয়। সেয়েহে ব্ৰেড্‌লীয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে চিন্তাই ইয়াৰ সম্বন্ধত্মক ৰূপ অতিক্ৰম কৰি, অৰ্থাৎ আত্মহনন কৰি অতি-সম্বন্ধাত্মক সামগ্ৰিকতা (suprarelational whole) ক বুজি পায়। চিন্তাৰ আত্মহনন মানে হ'ল ইয়াৰ অন্তৰ্নিহিত 'তৎ' আৰু 'কি'ৰ দ্বৈততা অতিক্ৰম কৰা। যেতিয়া চিন্তাই এক সামঞ্জস্যপূৰ্ণ সমগ্ৰতাৰে অনুভৱৰ প্ৰত্যক্ষতাৰ অধিকাৰী হয় ই এক অতি-সম্বন্ধাত্মক তাৎক্ষণিক অভিজ্ঞতালৈ সলনি হয় আৰু তেতিয়া ই চিন্তা হৈ নাথাকে।

১৫.৮ অৱভাস সম্পৰ্কে ব্ৰেড্‌লীৰ ধাৰণা

এফ. এইছ ব্ৰেড্‌লীৰ মতে পৰিঘটনাবোৰৰ মাজত কোনো ধৰণৰ একতা নাথাকে। স্থান, কাল, গতি পৰিৱৰ্তন সকলোবোৰ স্ব-বিৰোধিতাপূৰ্ণ। অৱভাস সত্তাৰ অংশ। ব্ৰেড্‌লীৰ মতে সত্তা হ'ল এক সৰ্বাত্মক সামঞ্জস্যৰ মাজত সকলো পাৰ্থক্যকে সামৰি লোৱা এটা স্ব-সংগতিপূৰ্ণ সমগ্ৰতা। পৰম হ'ল এটা সামঞ্জস্যপূৰ্ণ প্ৰণালী। সত্য আৰু জীৱন, সৌন্দৰ্য আৰু সাধুতা আদি হ'ল পৰমৰ আত্ম প্ৰকাশ। অৱভাসবোৰ পৰমৰ অংশ। পৰাবিজ্ঞানৰ দিশেৰে ব্ৰেড্‌লীয়ে এই মত পোষণ কৰিছিল যে স্থান আৰু কালৰ দৰে বাস্তৱ বুলি ধৰি লোৱা বহুতো পৰিঘটনা দৰাচলতে অৱভাসহে।

ব্ৰেড্‌লীৰ মতে বিশ্ব-ব্ৰহ্মাণ্ড সীমাহীন সাঁথৰ যেন লগা পৰস্পৰবিৰোধী কথাৰে ভৰা। এইবোৰ বাস্তৱ নহয়, কিন্তু বাস্তৱৰ অৱভাস। ব্ৰেড্‌লীয়ে কৈছিল যে পৰস্পৰ বিৰোধিতাৰ নীতিয়েই হ'ল প্ৰতিটো সত্তাৰ চৰম নিৰ্ণায়ক। ইয়াক সকলো ধৰণৰ বৈজ্ঞানিক ধাৰণা আৰু বৌদ্ধিক বিভাগ, যেনে- বস্তু, গুণ, সম্বন্ধ, স্থান, কাল, গতি, পৰিৱৰ্তন, কাৰ্যকাৰণ, বল, কাৰ্যকলাপত প্ৰয়োগ কৰিব পাৰি। ব্ৰেড্‌লীৰ দৃষ্টিভংগী অনুসৰি য'তেই পৰস্পৰবিৰোধিতা আছে সেইবোৰেই হ'ল অসম্পূৰ্ণ বাস্তৱৰ অৱভাস।

বস্তু (Substance) আৰু গুণ (Qualities) ৰ মাজত থকা সম্বন্ধটোলৈ চাও আহক।

বস্তু ইয়াৰ গুণৰ সদৃশ নহয়, অথবা বস্তু আটাইবোৰ গুণৰ সৰ্বমুঠ ফলাফল নহয়। যদি চেণীৰ মিঠাৰ সৈতে সাদৃশ্য আছে, তেন্তে চেণী একে সময়তে গোটা পদাৰ্থ হ'ব নোৱাৰিব। কাৰণ মিঠা সোৱাদটোৰ বস্তুৰ কঠিন / গোটা ৰূপৰ সৈতে সাদৃশ্য নাই। আনহাতে চেণী ইয়াৰ গুণবোৰৰ বাহিৰে অন্য এটা বেলেগ বস্তু হ'ব নোৱাৰে। অৰ্থাৎ, বস্তু ইয়াৰ গুণবোৰৰ সৰ্বমুঠ ফলাফলো নহয় আৰু ই গুণবোৰৰ পৰা পৃথক বস্তুও হ'ব নোৱাৰে।

সেই দিশেৰে বস্তু হ'ল এক যোগসূত্ৰ । ই গুণবোৰক পৰস্পৰৰ সৈতে সংলগ্ন কৰে। অথবা, বস্তু হ'ল সম্বন্ধযুক্ত গুণৰ এটা নাম। কিন্তু এই কথাটোৰেও আন কিছুমান সমস্যাৰ সৃষ্টি কৰিব পাৰে। এটা গুণৰ আন এটা গুণৰ সৈতে কেনেকৈ সম্বন্ধ স্থাপন হ'ব পাৰে? কোনোটো গুণেই পৰস্পৰৰ সদৃশ নহয় অথবা পৰস্পৰৰ সৈতে আগৰেপৰা সম্বন্ধযুক্ত হৈ নাথাকে।

সম্বন্ধৰ পৰা আঁতৰত গুণৰ কোনো অস্তিত্ব নাই। কিন্তু সম্বন্ধবোৰৰ কেৱল গুণগত সংজ্ঞাৰ ভিতৰহে অস্তিত্ব থাকে। সেই দিশেৰে, গুণ হ'ল সম্বন্ধৰ ফলাফল। কাৰণ, গুণবোৰৰ মাজৰ পাৰ্থক্যবোৰ প্ৰভেদ প্ৰক্ৰিয়াটোৰ পৰা নিলগত অস্তিত্বহীন হৈ পৰিব। আনহাতে, সম্বন্ধবোৰ হ'ল দৰাচলতে গুণৰ ৰূপ। অৰ্থাৎ বস্তু আৰু গুণৰ মাজত স্ব-বিৰোধীতা আছে আৰু সেইবাবেই এই দুয়োটা হ'ল অৱভাস।

আকৌ, কোনো এটা সম্বন্ধক এককভাৱে চাবলৈ গ'লে একো অৰ্থ নোলাব। সম্বন্ধযুক্ত বস্তুবোৰৰ গাত এনে সম্বন্ধ চিনাক্ত কৰিব পৰা নাযায়। A ৰ B ৰ সৈতে সম্বন্ধ আছে। এতিয়া Aক B ৰ সৈতে সম্বন্ধযুক্ত কৰিবলৈ R নামৰ সম্বন্ধ এটাৰ প্ৰয়োজন হ'ব। ইয়াত R হ'ল তৃতীয় উপাদান। ইয়াক A ৰ সৈতে যুক্ত কৰিবলৈ আন এটা সম্বন্ধ R1 ৰ প্ৰয়োজন হ'ব। একেদৰে, ইয়াক B ৰ সৈতে যুক্ত কৰিবলৈ আন এটা সম্বন্ধ R2 ৰ প্ৰয়োজন হ'ব। পুনৰ, R1 হ'ল এটা পৃথক উপাদান। A ৰ সৈতে সম্বন্ধযুক্ত হ'বলৈ ইয়াক আন এটা সম্বন্ধ R3 প্ৰয়োজন হ'ব। এই প্ৰক্ৰিয়াটো অন্তহীনভাৱে চলি থাকিব। অৰ্থাৎ, সম্বন্ধ হ'ল স্ব-বিৰোধিতাপূৰ্ণ আৰু সেয়েহে ই এক অৱভাস।

এই একে পদ্ধতিৰে ব্ৰেড্‌লীয়ে প্ৰমাণ কৰি দেখুৱাইছিল যে স্থান, কাল, গতিবিধি, কাৰ্যকলাপ, কাৰ্যকাৰণ আদি সকলো কথাই স্ব-বিৰোধিতাপূৰ্ণ আৰু সেয়েহে এই সকলোবোৰেই হ'ল অৱভাস। বৌদ্ধিক বিভাগ আৰু বৈজ্ঞানিক ধাৰণাবোৰো অৱভাস। এইবোৰৰ মাজত সামঞ্জস্য স্থাপন কৰি আৰু ৰূপান্তৰ ঘটাই এটা সংহত সামঞ্জস্যপূৰ্ণ প্ৰণালী গঢ়ি তোলা হয়।

আনকি 'স্ব-সত্তা' (Self) ৰ ধাৰণাটোও স্ব-বিৰোধিতাপূৰ্ণ আৰু সেয়েহে ইয়ো এক অৱভাসহে মাথোন। কাৰণ এই ধাৰণাটোত 'স্ব-সত্তা' আৰু 'অনা-স্বসত্ত্বা' (self and not self)ৰ মাজত বিৰোধিতা আছে। এই বিৰোধিতা কেতিয়াও নাইকিয়া কৰিব পৰা নাযায়। সেয়েহে প্ৰকৃতি আৰু স্ব-সত্তা হ'ল অৱভাস। অৱভাসবোৰ অসম্পূৰ্ণ বাস্তৱ, এইবোৰ কেৱল অনা-সত্তা (non-entities) নহয়। সম্পূৰ্ণ সঁচা বুলি কোনো সত্য নাই। একেদৰে, সম্পূৰ্ণ মিছা বুলিও কোনো ভুল নাই। ভুলবোৰ হ'ল আংশিক সত্য । অৱভাস হ'ল অসম্পূৰ্ণ বাস্তৱ। সকলো অৱভাসেই কোনোবা নহয় কোনোবা দিশেৰে বাস্তৱ আৰু সকলো অৱভাসেই কিছু পৰিমাণে হ'লেও যথোপযুক্তভাৱে

সজোৱা হয়, ৰূপান্তৰ ঘটোৱা হয়, পৰিপূৰক যোগ দিয়া হয় তথা ই অভিজ্ঞতাৰ এক সামঞ্জস্যপূৰ্ণ সমগ্রতাৰূপে পৰমত বিলীন হয়।

১৫.৯ অৱভাস আৰু সত্তাৰ সম্বন্ধ

সত্তাৰ সৈতে জড়িত অৱভাসৰ দুটা বৈশিষ্ট্য আছে। প্রথমটো হ'ল ক্ষুদ্রতমৰ পৰা বৃহত্তমলৈকে সকলো অৱভাসেই সত্তাত স্থান পাব লাগিব। দ্বিতীয় বৈশিষ্ট্যটো হ'ল সত্তাত বিলীন হোৱাৰ পাচত অৱভাসবোৰৰ প্রভেদ নাইকিয়া হ'ব লাগিব।

অৱভাস আৰু সত্তাৰ মাজৰ সম্বন্ধৰ বিষয়ে ব্ৰেড্‌লীৰ দৃষ্টিভংগী বুজি পাবলৈ হ'ল তেওঁৰ বাস্তৱ মাত্রা তত্ত্ব (doctrine of degrees of reality) টোৰ প্রসংগ টানি আনিব লাগিব। ব্ৰেড্‌লীয়ে সকলো সসীম বস্তুকে সত্তাৰ অৱভাস বুলি কৈছিল। কিন্তু আটাইবোৰ সসীম বস্তু সমানে ভেজাল /ত্রুটিপূৰ্ণ নহয়। ইয়াৰে কিছুমান অধিক সামঞ্জস্যপূৰ্ণ আৰু অধিক বাস্তৱ। ইয়াৰ বিপৰীতে আন কিছুমান সসীম বস্তুৰ মাজৰ সামঞ্জস্য নিচেই কম আৰু সেইবোৰত বাস্তৱিকতা কম।

১৫.১০ সত্য আৰু বাস্তৱৰ মাত্রা

ব্ৰেড্‌লীয়ে কৈছিল যে পৰম হ'ল এটা বিকল্পহীন সকলোকে সামৰি লোৱা সত্তা। তেওঁ নিজৰ সত্য আৰু বাস্তৱৰ মাত্রা তত্ত্বত অস্তিত্ব থকা সকলো সমীম বস্তুতে এই পৰম সত্তাৰ অস্তিত্ব থাকে বুলি ব্যাখ্যা আগবঢ়াইছিল। তেওঁ সকলো সসীম বস্তুকে সত্তাৰ অৱভাস বুলি অভিহিত কৰিছিল। এই জগতৰ আপাত দৃশ্যমান বহুত্ববাদী বৈশিষ্ট্যটো হ'ল পৰম গঠনকাৰী প্রধান উপাদান। এইখিনিতে এটা কথা স্পষ্টকৈ মনত ৰাখি থোৱা ভাল হ'ব যে ব্ৰেড্‌লীৰ মতে সত্তাৰ কোনো মাত্রা (degree) নাই। যিটোক 'পৰম' (Absolute) বুলি গণ্য কৰা হয়, তাৰো কোনো মাত্রা নাই। কাৰণ, পৰম হ'ল সম্পূৰ্ণ নিৰ্ভেজাল, আৰু পৰমতকৈ কম নাইবা বেছি আন কোনো বিশুদ্ধতা নাই। মাত্রাৰ দৰে বিধেয়বোৰ কেৱল অৱভাস জগতৰহে অংশ আৰু এই জগতখনতহৈ ইয়াৰ অর্থ আছে।

নিৰ্ভেজাল পৰম হ'ল সম্পূৰ্ণ সুস্থিৰ। অৱভাসবোৰ পৰিৱৰ্তন, গতিবিধি আৰু দোষ-ত্রুটিৰ সংস্কাৰ সাধনৰ ওপৰত নিৰ্ভৰশীল। অর্থাৎ, বাস্তৱৰ মাত্রা তত্ত্বটো কেৱল অৱভাস জগতখনতহে প্রযোজ্য। সকলো সসীম বস্তুতে বিভিন্ন মাত্রাত পৰম বিৰাজমান। অৱভাসক নিম্নৰ পৰা উচ্চ স্থিতিৰ এক ক্রমৱৰ্দ্ধনশীল মাপনীত সজাই ল'ব পাৰি। নিম্নস্থানত থকা উপাদানবোৰ উচ্চস্থানৰ উপাদানবোৰতকৈ কম বাস্তৱ। কোনো বস্তুৱেই সম্পূৰ্ণ বাস্তৱ অথবা অবাস্তৱ নহয়। কাৰণ পৰম হ'ল সর্বাত্মক। অর্থাৎ, বাস্তৱ হ'ল সসীম অৱভাসৰ দৃষ্টিৰে মাত্রানির্ভৰ বিষয়।

বাস্তৱৰ মাত্ৰাৰ ধাৰণাটো সত্যৰ মাত্ৰা ধাৰণাটোৰ সৈতে জড়িত । ব্ৰেড্‌লীয়ে চৰম সত্য (absolute truth) আৰু চৰম অসত্যতা (absolute falsity) ৰ ধাৰণা দুটা নাকচ কৰিছিল। অসত্য বিচাৰ (false judgement) মানে হ'ল বাস্তৱৰ এক সম্পূৰ্ণ ছবি দাঙি ধৰাৰ অক্ষমতা। আনহাতে, সকলো বিচাৰেই সত্য। কাৰণ, সকলো বিচাৰেই বাস্তৱৰ উল্লেখ কৰে। অৰ্থাৎ, প্ৰতিটো বিচাৰেই আংশিকভাৱে সত্য আৰু আংশিকভাৱে অসত্য।

ব্ৰেড্‌লীৰ মত অনুসৰি দুটা প্ৰদত্ত অৱভাসৰ মাজত যিটো আনটোতকৈ ব্যাপক অথবা অধিক সামঞ্জস্যপূৰ্ণ, সেইটো অধিক বাস্তৱ। ই এটা একক, সৰ্বাত্মক ব্যক্তিগত সত্বাৰ অধিক নিকটৱৰ্তী। ইয়াৰ দোষ ত্ৰুটিবোৰ আঁতৰাবলৈ আমি সৰু-সুৰা সাল-সলনি ঘটাব লাগিব। যিবোৰ সত্য আৰু যথাৰ্থতাক পৰমলৈ ৰূপান্তৰ কৰিবলৈ কম পুনৰ বিন্যাস তথা অতিৰিক্ত সংযোজনৰ প্ৰয়োজনসেইবোৰেই অধিক বাস্তৱ আৰু সত্য। এয়াই হ'ল বাস্তৱ আৰু সত্যৰ মাত্ৰাৰ অৰ্থ। বাস্তৱৰ অধিক বৈশিষ্ট্য আহৰণ কৰা আৰু নিজ সত্তাৰ মাজত বৃহত্তৰ পৰিমাণৰ বাস্তৱ নিহিত ৰখা কথা দুটাই একে অৰ্থ বহন কৰে।

বাস্তৱৰ মাত্ৰা তত্ত্বৰ তাৎপৰ্য হ'ল অৱভাস আৰু সত্তাৰ মাজত কোনো চৰম প্ৰভেদ নাই। একমাত্ৰ পাৰ্থক্যটো হ'ল সত্তা সম্পূৰ্ণ সামঞ্জস্যপূৰ্ণ। অৱভাসত এই সামঞ্জস্য অনুপস্থিত। আকৌ, সত্তা হ'ল এটা একক সৰ্বাত্মক ব্যক্তিত্ব। কিন্তু অৱভাসৰ এই বৈশিষ্ট্যটো নাই। অৱভাস সত্তাৰ অংশ।

১৫.১১ সামৰণি

অৱভাস আৰু সত্তা সম্পৰ্কে ব্ৰেড্‌লীয়ে আগবঢ়োৱা দৃষ্টিভংগী সম্পূৰ্ণ সন্তোষজনক নহয়। তেওঁৰ মতে অৱভাস বাস্তবো নহয়, অবাস্তবো নহয়। কিন্তু একে সময়তে তেওঁ অৱভাসক সত্তাত নিহিত কৰিছে। আকৌ, অৱভাসবোৰে নিজৰ প্ৰকৃত ৰূপত সত্তাত লীন নাযায়। অৱভাসৰ ৰূপান্তৰ আৰু আমূল পৰিৱৰ্তন ঘটে। আমূল পৰিৱৰ্তনৰ পাচত অৱভাসে ইয়াৰ নিজস্ব পৰিচয় বহন নকৰে। সেয়েহে আমূল পৰিৱৰ্তন সাধন হোৱা অৱভাসৰ বাস্তৱ মাত্ৰাবোৰ কেনেদৰে জুখিব পাৰি সেয়া স্পষ্টকৈ বুজি পোৱা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সত্তাৰ পৰম নিৰ্ণায়কটো কি?

.....

.....

প্ৰশ্ন নং ২ ঃ অৱভাসৰ নিৰ্ণায়ক কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ সত্তাৰ বিষয়বস্তু কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ ব্ৰেডলীৰ মতে সত্তা কেই প্ৰকাৰৰ?

.....

.....

প্ৰশ্ন নং ৫ ঃ সত্তা অজ্ঞাত আৰু অজ্ঞেয় নেকি?

.....

.....

প্ৰশ্ন নং ৬ ঃ অৱভাস কিহৰ অংশ?

.....

.....

প্ৰশ্ন নং ৭ ঃ অৱভাস আৰু সত্তাৰ মাজত কোনো চৰম প্ৰভেদ আছে নেকি?

.....

.....



১৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৱভাস আৰু সত্তাৰ সমস্যাটো পৰাবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ সমস্যা।
- পৰম সত্তা হ'ল এটা স্ব-সংগতিপূৰ্ণ সমগ্ৰতা। ই এক সৰ্বাত্মক সামঞ্জস্যৰ মাজত সকলো প্ৰভেদ আৰু ৰূপকে সামৰি লয়।
- পৰিঘটনাময় জগতৰ দুৰ্বোধ্য বৈচিত্ৰ্যবোৰৰ মাজত ঐক্য স্থাপন কৰি সেইবোৰক স্ব-সংগতিপূৰ্ণ ৰূপ দিয়াটো এক অৱশ্যে কৰণীয়।
- সত্তাৰ বিষয়বস্তুবোৰ সচেতন অভিজ্ঞতাৰ বাহিৰে আন একো নহয়। অস্তিত্বৰ মূল উপাদান কেইটা হ'ল চিন্তা, অনুভৱ আৰু বিকল্প নিৰ্বাচন ক্ষমতা।

- সসীম মনবোৰ পৰমৰ প্ৰকৃতি সম্পৰ্কে এটা সাধাৰণ ৰূপৰেখা দাঙি ধৰিব পৰাকৈ সক্ষম হোৱা উচিত। কিন্তু পৰমৰ বিস্তৃত বৰ্ণনা আগবঢ়োৱাটো সম্ভৱ নহয়।
- বস্তুবোৰ যেনে ৰূপত দেখা যায় দৰাচলতে সদায় তেনে নহ'বও পাৰে। আমাৰ চকুৰ আগত প্ৰতীয়মান হোৱা বস্তুবোৰ বাস্তৱ নহ'বও পাৰে। যদি বস্তুবোৰ প্ৰকৃততে যি আৰু যিটো ৰূপত সেইবোৰ দৃশ্যমান হয় তাৰ মাজত প্ৰভেদ থাকে, তেন্তে এই দুয়োটা কথাৰ মাজত প্ৰভেদ সৃষ্টিকাৰী কিছুমান সাৰ্বজনীন নিৰ্ণায়কো নিশ্চয় থাকিব।
- ব্ৰেড্‌লীৰ মতে পৰম সত্তাই কেতিয়াও স্ব-বিৰোধিতা প্ৰদৰ্শন নকৰে। এয়াই সত্তাৰ পৰম নিৰ্ণায়ক।
- ব্ৰেড্‌লীৰ দৃষ্টিভংগী অনুসৰি সত্তাৰ সকলো উপাদান অথবা ডেটা অভিজ্ঞতাৰে গঠিত। অভিজ্ঞতাবোৰক সাময়িকভাৱে অতিন্দ্ৰীয় যথাৰ্থতাৰ অৰ্থৰূপে গ্ৰহণ কৰা হয়, যিবোৰে তৎক্ষণাত অনুভৱৰ ৰূপ লয়।
- ব্ৰেড্‌লীয়ে সত্তাৰ মুখ্য আৰু গৌণ বৈশিষ্ট্য, বাস্তৱিকতা আৰু বস্তুনিষ্ঠতা, সম্বন্ধ আৰু গুণ, স্থান ৰু সময়, গতি আৰু পৰিৱৰ্তন, কাৰ্যকাৰণ আৰু কাৰ্যকলাপ আদি সকলোবোৰ বিভাগ পৰীক্ষা কৰি চাইছিল। এই সকলোৰে সহায়ত আমাৰ বুদ্ধি অথবা চিন্তাই জগতখন ব্যাখ্যা কৰে আৰু সকলো কথাই স্ব-বিৰোধিতাপূৰ্ণ বুলি গম পায়।
- ব্ৰেড্‌লীৰ দৃষ্টিভংগী অনুসৰি সত্তা হ'ল এটা বিকল্পহীন জৈৱিক সমগ্ৰতা। ই আটাইবোৰ অৱভাসতে তাৎক্ষণিকভাৱে নিজকে প্ৰকাশ কৰে। সকলোবোৰ অৱভাস সত্তাৰ অংশ হ'ব লাগিব।
- ব্ৰেড্‌লীৰ দৰ্শন অনুসৰি সত্তা বিকল্পহীন। যদি সত্তা সকলোধৰণৰ পৰস্পৰ বিৰোধিতা আৰু দ্বন্দ্বৰ পৰা মুক্ত হ'ব লাগে, তেন্তে একে সময়তে একাধিক স্বতন্ত্ৰ সত্তা থাকিব নোৱাৰে।
- ব্ৰেড্‌লীয়ে কৈছে যে সসীম সত্তাবোৰৰ বাবে পৰমৰ অস্তিত্ব সম্পূৰ্ণৰূপে উপলব্ধি কৰাটো অসম্ভৱ। কিন্তু সেইবুলি বাস্তৱক অজ্ঞেয় বুলি গণ্য কৰিব পৰা নাযায়।
- ব্ৰেড্‌লীৰ মতে বিশ্ব-ব্ৰহ্মাণ্ড সাঁথৰ ভৰা পৰস্পৰবিৰোধিতাৰে পূৰ্ণ। ই বাস্তৱ নহয়, বাস্তৱৰ অৱভাসহে।
- ব্ৰেড্‌লীয়ে সকলো সসীম বস্তুকে সত্তাৰ অৱভাস বুলি অভিহিত কৰিছিল।
- অৱভাসৰ সৈতে জড়িত বাস্তৱৰ মাত্ৰা ভিন ভিন হ'ব পাৰে। ব্ৰেড্‌লীয়ে কৈছিল যে দুটা প্ৰদত্ত অৱভাসৰ মাজত যিটো অধিক ব্যাপক নাইবা অধিক সামঞ্জস্যপূৰ্ণ সেইটোৱেই অধিক বাস্তৱ।
- বাস্তৱৰ মাত্ৰা তত্ত্বৰ তাৎপৰ্য হ'ল অৱভাস আৰু সত্তাৰ মাজত কোনো চৰম প্ৰভেদ নাই। একমাত্ৰ পাৰ্থক্যটো হ'ল সত্তা সম্পূৰ্ণ সামঞ্জস্যপূৰ্ণ। অৱভাসত এই সামঞ্জস্য অনুপস্থিত।



১৫.১৩ অধিক জানিবলৈ

1) Bradley, F.H. (1893). *Appearance and Reality*. London:George Allen and Unwin LTD.

2) Chakravarty, D. K.(2000).*Fundamental Questions of epistemology and Metaphysics*. New Delhi: Omsons Publications.

3) Masih, Y. (1993). *A Critical History of Western Philosophy.* Motilal Banarsidass.



১৫.১৪ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ অ-পৰস্পৰবিৰোধিতা।

২নং প্ৰশ্নৰ উত্তৰ ঃ পৰস্পৰবিৰোধিতা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সচেতন অভিজ্ঞতা

৪নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰেড্‌লীৰ মতে সত্তা বিকল্পহীন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰেড্‌লীৰ মতে সসীম সত্তাই পৰমৰ অস্তিত্ব সম্পূৰ্ণৰূপে উপলব্ধি কৰাটো অসম্ভৱ। কিন্তু সেই বাবেই ইয়াক অজ্ঞেয় বুলিব নোৱাৰি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অৱভাস সত্তাৰ অংশ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ নাই।



১৫.১৫ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ তাৎক্ষণিক অভিজ্ঞতাত 'তৎ' আৰু 'কি'ৰ মাজত কিবা পাৰ্থক্য আছে নেকি?

প্ৰশ্ন ২ ঃ ব্ৰেড্‌লীৰ মতে কাল এটা অৱভাস নেকি?

প্ৰশ্ন ৩ ঃ ব্ৰেড নলীৰ মতে সম্বন্ধবোৰবাহ্যিক নে আভ্যন্তৰীণ?

প্ৰশ্ন ৪ ঃ ব্ৰেড্‌লীৰ মতে স্থান অৱভাস নেকি?

প্ৰশ্ন ৫ ঃ ব্ৰেড্‌লীৰ মতে স্ব-সত্তা বাস্তৱনে?

(খ) চুটি প্ৰশ্ন (১০০-১৫০ মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ব্ৰেড্‌লীৰ মতে সত্তা মানে কি?

প্ৰশ্ন ২ ঃ ব্ৰেড্‌লীৰ মতে অৱভাস মানে কি?

প্ৰশ্ন ৩ ঃ ব্ৰেড্‌লীৰ মতে অৱভাসৰ সত্তাৰ সৈতে কেনেধৰণৰ সম্বন্ধ আছে?

প্ৰশ্ন ৪ ঃ 'বাস্তৱৰ মাত্ৰা' মানে কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ব্ৰেড্‌লীয়ে সত্তা বুলি কিহৰ কথা বুজাব খুজিছে। অৱভাস কেনেকৈ সত্তাৰ সৈতে জড়িত হৈ আছে? এই সম্পৰ্কে ব্ৰেড্‌লীৰ দৃষ্টিভংগী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অৱভাস সম্পৰ্কে ব্ৰেড্‌লীৰ দৃষ্টিভংগী বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ বাস্তৱৰ মাত্ৰা তত্ত্বত ব্ৰেড্‌লীয়ে প্ৰকাশ কৰা দৃষ্টিভংগীৰ ব্যাখ্যা আগবঢ়াওক।

****



REFERENCES

Books:

1. A.E. Taylor (2004). Elements of Metaphysics. Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). An introduction to Metaphysics. Methuen & Co.Ltd. London.
3. Broad, C.D.Leibniz's "Last Controversy with the Newtonians" in Leibniz. Metaphysics and Philosophy of science, edited by R.S. Woolhouse. (America: Oxford University Press, 1981).
4. Harris, Eroll E. The Foundations of Metaphysices in science. (London : George Allen and Unwin, 1965).
5. Masih, Y. (1993). A Critical History of Western Philosophy. Motilal Banarsidass
6. Sharma,R.M (2010). Western and Indian Metaphysics and Epistemology. Surjeet Publication.
7. Datta, D.M., (1972) The Chief Currents of Contemporary Philosophy, Patna: Bharati Bhawan
8. Chakravarthy, D.K. (1993) Fundamental Questions of Epistemology and Metaphysics, Guwahati: Manthan Prakash
9. Bhattacharyya, H. M.(1969). The Principles of Philosophy. University of Calcutta.
10. Sinha, Jadunath (2009). Introduction to Philosophy. Kolkata: New Central Book Agency.
11. Thilly, Frank, (1949) A History of Philosophy, New York: Holt and Company, New York
12. Bhattacharyya, H. M. (1969) The Principles of Philosophy, University of Calcutta
13. C.H. Whiteley (1949). An introduction to Metaphysics : Methuen & Co.Ltd. London.
14. Ayer, A.J. Metaphysics and Common sense, (London : Jones and Bartllet Publishers, 1994).
15. Burnham, Douglas and Young Harvey Kants Critique of Pure Reason, (Edinburg : Edinburg University Press, 2007).
16. Roberts, Francis (2003) The Philosophy Workbook. Edinburgh, Edinburgh University Press.
17. Sen, P.K. & Verma, R.R. (1995, ed): The Philosophy of P.F. Strawson, New Delhi: I.C.P.R.
18 Strawson, P.F. (1974): Freedom and Resentment and Other Essays, London: Metheun & Co.Ltd.
19. Aaron, R.I. (1952). The Theory of Universals. Oxford.
20. Hume, D (1967). A Treatise of Human Nature. Ed by L.A. Selby Bigge. Oxford.
21. John S. Mackenzie. A manual of Ethics.
22. Aaron, R.I. (1952) . The Theory if Universals. Oxford.
23. Edman, I. (ed.) (1956) . The Works of Plato. The Modern Library. New York.
24. Bradley, F.H. (1893). Appearance and Reality. London:George Allen and Unwin LTD.
25. Chakravarty, D. K.(2000).Fundamental Questions of epistemology and Metaphysics. New Delhi: Omsons Publications.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? | | | |

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।